CHHAYGAON COLLEGE
ESTD-1974

দ্বাত্রিংশতম্

# কলহী



সম্পাদক | মিনাক্ষী কলিতা

## প্ৰচ্ছদৰ ভাষা...




স্বপ্ন বিলাসী আমাৰ মন। সপোন দেখো সপোন ৰচো নিজকে প্ৰতিষ্ঠা কৰিবলৈ। বাটে বাটে থাকে বহু ৰুদ্ধ দ্বাৰ। মগজুৰ চাবিৰে খুলি পাৰ হওঁ প্ৰতিখন দ্বাৰ। দেশ আৰু দহৰ বাবে সেউজ কৰাৰ মানসেৰে পাঠ পঢ়ো জীৱনৰ সকলো বাধা নেওচি।

সপোনবোৰ দিঠক হোৱাৰ যাতনাত পাৰ হয় যৌৱনৰ উজাগৰী ৰাতি। তথাপিও আমি-

সপোন পিয়াসী
মানুহক ভাল পাওঁ,
দেশক ভাল পাওঁ,
সেউজীয়া ভাল পাওঁ...



শিল্পী ঃ বনজিৎ কলিতা

ছে ছয়গাঁও। ইয়াত মন্দিৰৰ
ুকুত পৰিস্ফুট হয় কৃষকৰ
তিহাসৰ স্বাক্ষৰ বহন কৰে।
া হৈছে ছয়গঞাৰ আৱেগ

আমাৰ মহাবিদ্যালয়ৰ প্ৰতীকটো চাৰিটা খুঁটিৰে এটা বেদীৰ ওপৰত প্ৰতিষ্ঠিত আৰু বেদীটোৰ ওপৰত এটি চক্ৰ আছে। চক্ৰটোৰ অৰ্থ গতি-প্ৰগতি। চক্ৰটোৰ ভিতৰত থকা ৰঙা সূৰ্যটোৱে পোহৰ অৰ্থাৎ জ্ঞানৰ অৰ্থ প্ৰকাশ কৰিছে। সূৰ্যটোৰ দুয়োকাষে পাতৰ সৈতে দুটা গছৰ ডাল আছে, তাৰ মাজত এটি চৰাই ঠোঁটত খাদ্য সম্ভাৰ লৈ উৰন্ত অৱস্থাত আছে। ইয়াৰ অৰ্থ সংগ্ৰাম। ই জীৱন গঢ়িবলৈ আৰু জীয়াই থাকিবলৈ কৰা সংগ্ৰামৰ কথা সূচাইছে। উৰি থকা চৰাইটোৱে জ্ঞানৰ দিগন্ত প্ৰসাৰ কৰাৰ ইংগিতো বহন কৰিছে। সূৰ্যটোৰ তলতে এটি পটি আছে আৰু পটিটোত সংস্কৃতৰ দুটা শব্দ আছে- বিদ্যা সাধয়তে (বিদ্যা সাধয়তে)। ইয়াৰ অৰ্থ বিদ্যাই লক্ষ্য আৰু উদ্দেশ্য সাধনত সহায় কৰে। প্ৰতীকটোৰ নিম্নাংশত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা বৰ্ষৰ উল্লেখ আছে।



শিল্পী ঃ বনজিৎ কলিতা

বিভিন্ন জাতি, ভাষা, ধৰ্মাৱলম্বী লোকৰ সমন্বয়স্থলী হৈছে ছয়গাঁও। ইয়াত মন্দিৰৰ ঘণ্টাৰ সমান্তৰালকৈ মছজিদৰ আজান শুনা যায়। কলহী নৈৰ বুকুত পৰিস্ফুট হয় কৃষকৰ আশা আৰু সপোন। মেৰঘৰৰ ভগ্নাৱশেষবোৰে এক সোণালী ইতিহাসৰ স্বাক্ষৰ বহন কৰে। নাওঁখেলৰ সংস্কৃতিয়ে এক সুকীয়া মৰ্যদা লাভ কৰে ছয়গাঁৱত। এয়া হৈছে ছয়গএগ্ৰৰ আৱেগ আৰু স্বাভিমান।

# কলহী

## ছয়গাঁও মহাবিদ্যালয়ৰ আলোচনী

দ্বাত্রিংশতম্ প্রকাশ

২০১৭-২০১৮ বর্ষ

তত্ত্বাৱধায়ক
উপেন ডেকা

সম্পাদক
মিনাক্ষী কলিতা

KALAHI
32nd Issue
The Journal of Chhaygaon College
Session : 2017-2018

# ৩২ তম্ কলহীৰ নেপথ্যত

উপদেষ্টা ঃ ড° ৰাজু বৰদলৈ
সভাপতি ঃ মৃদুল কলিতা
তত্বাৱধায়ক ঃ উপেন ডেকা
সম্পাদক ঃ মিনাক্ষী কলিতা
শিক্ষক সদস্য ঃ ড° অনুপমা ডেকা
ঃ কমল ঠাকুৰীয়া
ঃ ড° ফণীন্দ্র কলিতা
ঃ লক্ষ্যধৰ শৰ্মা
ছাত্র সদস্য/সদস্যা ঃ বাসুদেৱ দাস
ঃ দিপাংকৰ কলিতা
ঃ পল্লৱী দাস
ঃ বনজিৎ কলিতা
ঃ সুজিত সৰকাৰ
প্রচ্ছদ ঃ নিৰঞ্জন পাঠক
অংগসজ্জা ঃ নিৰঞ্জন পাঠক, মিনাক্ষী কলিতা
স্কেচ্ ঃ বনজিৎ কলিতা
আহিঁ নিৰীক্ষণ ঃ সম্পাদনা সমিতি
মুদ্রণ ঃ ডিজিট প্রিন্টাৰ্চ, ছয়গাঁও, ঔগুৰী পথ

কলহীত প্রকাশৰ বাবে বহুতো লিখনি আমাৰ হাতলৈ আহিছিল যদিও তাৰ মাজৰ পৰা নিৰ্বাচিত লিখনিসমূহ প্রকাশ কৰা হ'ল। প্রকাশিত সকলোবোৰ লিখনি লেখকৰ নিজা। যিকোনো বিভ্রান্তিৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# উচৰ্গা



৺ ৰিতুমণি ৰাভা



৺ ৰিংকী কলিতা

নিষ্ঠুৰ সময়ৰ বালিচৰত সাঁচ বহুৱাই
মহাবিদ্যালয়ৰ মন-মজিয়াত বিষাদগাথাৰ প্ৰাদুৰ্ভাৱ
ঘটাই আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যোৱা
মহাবিদ্যালয়ৰ ছাত্ৰী
ৰিতুমণি ৰাভা
আৰু
ৰিংকী কলিতাৰ
পবিত্ৰ স্মৃতিত
কলহীৰ এই সংখ্যাটি উচৰ্গা কৰিলোঁ।

-- সম্পাদনা সমিতি

# শ্ৰদ্ধাৰে সোঁৱৰিছো



দিপালী বৰঠাকুৰ
জন্ম- ৩০/০১/১৯৪১ ইং
মৃত্যু- ২১/১২/২০১৮ ইং



মুনিন বৰুৱা
জন্ম- ০৫/১১/১৯৪৬ ইং
মৃত্যু- ০৭/০৪/২০১৮ ইং



অটল বিহাৰী বাজপেয়ী
জন্ম- ২৫/১২/১৯২৪ ইং
মৃত্যু- ১৬/০৮/২০১৮ ইং



কফি আন্নান
জন্ম- ০৮/০৪/১৯৩৮ ইং
মৃত্যু- ১৮/০৮/২০১৮ ইং



মৃণাল সেন
জন্ম- ১৪/০৫/১৯২৩ ইং
মৃত্যু- ৩০/১২/২০১৮ ইং



শ্ৰীদেৱী
জন্ম- ১৩/০৮/১৯৬৩ ইং
মৃত্যু- ২৪/০২/২০১৮ ইং

প্ৰজ্ঞা, সাধনা আৰু কঠোৰ পৰিশ্ৰমৰ বলত
বিশ্বদৰবাৰত নিজকে প্ৰতিষ্ঠা কৰি
বিশ্ববাসীক দি যোৱা
অসাধাৰণ অৱদানৰ বাবে
এইসকল মহীৰূহলৈ
কলহীৰ সম্পাদনা সমিতিৰ তৰফৰ পৰা
একাঁজলি অকৃত্ৰিম শ্ৰদ্ধাঞ্জলি...

— সম্পাদনা সমিতি



# কৃতজ্ঞতা স্বীকাৰ




- মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাননীয় মহেশ কলিতা, মাননীয় অধ্যক্ষ ড° ৰাজু বৰদলৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা 'দৈনিক অগ্ৰদূত' কাকতৰ সম্পাদক কনকসেন ডেকা, অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়া ড° নন্দ সিং বৰকলা আৰু 'অসমবাণী'ৰ সম্পাদক দিলীপ চন্দন, আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য দেৱৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকা প্ৰমুখ্যে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ।
- যিসকল লেখক-লেখিকাৰ চিন্তা-চেতনাই এই সংখ্যা 'কলহী'ৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে সেইসকলোলৈ।
- যিসকল প্ৰাক্তন শিক্ষাৰ্থীৰ মনৰ অনুভৱ আৰু পৰামৰ্শই এই সংখ্যা 'কলহী' প্ৰকাশত আমাক বিশেষভাৱে সহায় কৰিলে সেইসকল শিক্ষাৰ্থীলৈ।
- তত্বাৱধায়ক উপেন ডেকাৰ লগতে অধ্যাপক ড° নগেন কলিতা, অধ্যাপক ৰাজীৱ ডেকা তথা সম্পাদনা সহযোগী বাসুদেৱ দাস, সুজিত সৰকাৰ, দিপাংকৰ কলিতা আৰু পল্লৱী দাসলৈ।
- বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকলোলৈ।
- ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ।
- প্ৰচ্ছদ শিল্পী নিৰঞ্জন পাঠক
- স্কেচ্ছ শিল্পী বনজিৎ কলিতা
- বিশেষভাৱে সহায় কৰা পংকজ কলিতা, কল্পজ্যোতি কলিতা, শচীন দাস তথা ডিজিট প্ৰিন্টাৰ্চৰ সমূহ সদস্যলৈ।

— সম্পাদক 'কলহী'

**ডাঃ কমলা কান্ত কলিতা,** *প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী, অসম*
অধ্যক্ষ, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড, অসম



# শুভেচ্ছাবাণী

ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী'ৰ ২০১৭-১৮ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি পৰম আনন্দিত হ'লো।

ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী'ৰ বিগত বছৰবোৰত প্ৰকাশিত সৰ্বাংগসুন্দৰ ৰূপটোৱে আমাক আপ্লুত কৰি আহিছে। ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলে আন আন বিভিন্ন দিশৰ লগতে সাহিত্য চৰ্চাতো নিজৰ সৃষ্টিশীলতাৰ জৰিয়তে দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাত আমি অত্যন্ত সুখী। এইবেলিও ছাত্ৰ-ছাত্ৰীসকলৰ একানপটীয়া প্ৰচেষ্টাই 'কলহী'ক আৰু অধিক সৰ্বাংগ সুন্দৰ আৰু মানদণ্ডসম্পন্ন কৰি তোলক - তাকেই কামনা কৰিলোঁ।

সদৌ শেষত মোৰ আপোন এই মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰি আটাইলৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ডাঃ কমলাকান্ত কলিতা)

**মহেশ কলিতা**
সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও
ফোন নং- ৯৫৩১১১১৪০০



# শুভেচ্ছাবাণী

বৃহত্তৰ ছয়গাঁও অঞ্চলটোৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ছয়গাঁও মহাবিদ্যালয়ৰ ৩২ তম্ বাৰ্ষিক মুখপত্ৰ "কলহী" প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি মই বাৰুকৈয়ে আনন্দিত। এই প্ৰচেষ্টা অতি আদৰণীয়। মুখপত্ৰ এখনি হৈছে শিক্ষানুষ্ঠানৰ দাপোণ তথা বন্তিস্বৰূপ। ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনৰ পুৰণি ইতিহাস তথা ঐতিহ্য প্ৰতিফলিত কৰে আৰু শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লিখনিৰ প্ৰতিভা বিকাশৰ সুবিধাকণ লাভ কৰিব পাৰে। অনুষ্ঠান এখনৰ মুখপত্ৰই কঢ়িয়াই লৈ যায় এটা প্ৰজন্মৰ পৰা নৱ প্ৰজন্মলৈ ভাল-বেয়া, গৌৰৱ আদিৰ স্মৃতি। সময়ত এই স্মৃতিয়েই অনুষ্ঠানটোৰ ইতিহাস ৰচনাৰ মুখ্য ভূমিকা ল'ব। মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত মুখপত্ৰখনে অনুসন্ধিৎসু তথা জ্ঞান পিপাসু লোকৰ বাবে কঢ়িয়াই আনিব অঞ্চলটোৰ অন্তৰ্নিহিত উদ্দেশ্যৰ ব্যাখ্যা। শিক্ষা সফল হয় তত্ত্ব, তথ্যমূলক চিন্তাৰ বাস্তৱ ৰূপায়নতহে। আদৰ্শবান গুৰু শিষ্যৰ মণিকাঞ্চনেই গঢ়িব পাৰে এখন প্ৰগতিশীল আদৰ্শবান শিক্ষানুষ্ঠান। সাম্প্ৰতিক কালৰ শৈক্ষিক বাতাবৰণ, ছাত্ৰ-ছাত্ৰীৰ মানসিকতা আৰু যুগোপযোগী শিক্ষা ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি মুখপত্ৰখন সৰ্বাঙ্গ সুন্দৰ হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। ৰাজ্যৰ মহাবিদ্যালয়সমূহৰ বাবে "কলহী" হওক এক আদৰ্শৰ প্ৰতীক — এয়ে মোৰ কামনা।

সৰ্বশেষত মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি আৰু মঙ্গল কামনা কৰিলোঁ।

আন্তৰিক শুভেচ্ছাৰে—

(মহেশ কলিতা)

জয় আই অসম

Ph. : 2571130
2602890

সদৌ অসম ছাত্র সন্থা

ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

Head Office : Gauhati University, Guwahati- 781014

Website : http/aasu.m2014.net

প্ৰসংগ.............                                                                 দিনাংক................

# শুভেচ্ছাবাণী



সমাজৰ সকলো ক্ষেত্ৰতে ছাত্ৰসমাজে নিজৰ ইতিবাচক ভূমিকা পালন কৰিব পাৰে। এই ভূমিকা পালন কৰিব পাৰে নিজৰ চিন্তা আৰু কৰ্মৰে। সমাজমুখী চিন্তাই পথৰ সন্ধান দিব। ক্ষুদ্ৰ আৰু ঠেক স্বাৰ্থ পৰিহাৰ কৰিব পাৰিলে সমাজেও হিতকৰ কামত আঁকোৱালি লয়, সহাৰি জনায়।

চান্দ সদাগৰৰ অতীতৰ চম্পক ৰাজ্য বৰ্তমানৰ ছয়গাঁৱৰ উচ্চ শিক্ষাৰ এক প্ৰধান প্ৰাণকেন্দ্ৰ স্বৰূপ ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কলহী'ৰ ৩২ তম্ সংখ্যাটি প্ৰকাশ হ'ব বুলি জানি মই নথৈ আনন্দিত। দক্ষিণ কামৰূপ অঞ্চলৰ লোক-সংস্কৃতিৰ ধ্বজা বহন কৰা কলহী নৈৰ জয়যাত্ৰাৰ লেখিয়া ছয়গাঁও মহাবিদ্যালয়ৰ চিন্তা-চৰ্চা, সাহিত্য প্ৰতিভাই যেন সদায়েই জাতীয় জীৱনৰ জয়যাত্ৰাত এক অনন্য ভূমিকা পালন কৰে তাৰেই কামনা কৰিছোঁ। যেনেকৈ থলুৱা ভাষা-সংস্কৃতি, খেল-ধেমালি, ৰীতি-নীতিক অসম গৌৰৱ তথা ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী ৰীমা দাসে চলচ্চিত্ৰৰ জৰিয়তে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিলে। আশা কৰিম ছয়গাঁও মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অনাগত দিনত ইয়াতকৈও অধিক সন্মান কঢ়িয়াবলৈ সক্ষম হয়। ছয়গাঁও মহাবিদ্যালয়ৰ চিন্তা-চৰ্চাই আমাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত প্ৰজন্মৰ মাজত যেন যুগমীয়া শিলৰ সাকোঁ নিৰ্মাণ কৰাত এক নিৰ্ণায়ক ভূমিকা পালন কৰে, তাৰেই আশা মনত পুহি —

কলহীৰ জৰিয়তে মহাবিদ্যালয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দক ধন্যবাদ জ্ঞাপন কৰি ছয়গাঁও মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

আন্তৰিক শুভেচ্ছাৰে—

(ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য)
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা
উপদেষ্টা, উত্তৰ পূৰ্বাঞ্চল ছাত্ৰ সংগঠন

# ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

স্থাপিত - ১৯৭৪ ইং

**ছয়গাঁও ঃ কামৰূপ ঃ অসম**

পিন- ৭৮১১২৪

## অধ্যক্ষৰ মেজৰ পৰা...



আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী' প্ৰকাশৰ প্ৰস্তুতিত মই অত্যন্ত সুখী। আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনে ইতিমধ্যে বিশ্ববিদ্যালয় পৰ্যায়ত এখন মানদণ্ডসম্পন্ন আলোচনী হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। মোৰ বিশ্বাস এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে জাতীয় সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰাৰ ধাৰা অক্ষুণ্ণ ৰাখিব। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সহযোগ কৰা মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলোকে মই ধন্যবাদ জনাই ভবিষ্যতেওঁ তেনে সহযোগ আন্তৰিকতাৰে কামনা কৰিলোঁ। এইবেলিও আলোচনীখন সকলোফালৰ পৰাই সুন্দৰ হওঁক।

জয়তু ছয়গাঁও মহাবিদ্যালয়

(ড° ৰাজু বৰদলৈ)
অধ্যক্ষ, ছয়গাঁও মহাবিদ্যালয়

*A College*

*of the people*

*for the people*

*by the people*



# সম্পাদকীয়



“মই লিখি যাব লাগিব অন্য কিছুমান কথা,
অন্য কিছুমান কথা কোৱাৰ ছলেৰে”

*— অজিৎ বৰুৱা*

পৰিষ্কাৰ ফটিক পানীত যিদৰে আমাৰ মুখৰ প্ৰতিচ্ছবি সুন্দৰৰূপে দৃশ্যমান আৰু প্ৰতিবিম্বিত হয় ঠিক একেদৰে কোনো এটা জাতিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয় সেই জাতিৰ সাহিত্যত। অৰ্থাৎ সাহিত্য হ'ল একো একোটা জাতিৰ দাপোণ। দানৱীয় আৰু পাশৱিক শক্তিক নাশ কৰি স্বকীয়তা আৰু স্বাভিমান ৰক্ষাৰ বেলিকা সাহিত্যৰ অৱদান সুদূৰ প্ৰসাৰী। সাহিত্যই সৃষ্টি কৰিব পাৰে নৱজাগৰণৰ এক শীতল বিপ্লৱ। যি বিপ্লৱ সচৰাচৰ অস্ত্ৰ-শস্ত্ৰ আৰু শাৰীৰিক বল প্ৰয়োগ কৰি কৰা বিপ্লৱতকৈ সম্পূৰ্ণ পৃথক। সাহিত্য বিপ্লৱৰ ৰণুৱাসকল নিঃসংগ, অথচ মনৰ ভিতৰত লুকাই থাকে এখন সমাজ। তেওঁলোকৰ কলমৰ কাপেৰে নিগৰা একোটা বাক্য বা শব্দৰ শক্তি বন্দুকৰ নলীৰে নিৰ্গত হোৱা একোটা গুলীতকৈ কোনোগুণে কম নহয়। সাহিত্যৰ যি সৌন্দৰ্য আৰু মহত্ত্ব সেয়া কাৰো সৈতে তুলনা নহয়। ই অতুলনীয়।

সম্প্ৰতি বিশ্বায়ন আৰু বিজ্ঞান প্ৰযুক্তিৰ যুগত মোবাইল মেনিয়াই শিক্ষাৰ্থীৰ মাজত অধ্যয়নৰ প্ৰতি অনীহাৰ মনোভাব যোগাই তুলিছে, যিয়ে কলিতে একাংশক মৰহিব বাধ্য কৰাইছে। সাহিত্যৰ চৰ্চাৰ পৰিৱৰ্তে ইলেকট্ৰনিক মাধ্যমত সময় অতিবাহিত (আচলতে অবাবত নষ্ট) কৰি এক প্ৰকাৰ অনিশ্চিত ভৱিষ্যতৰ দিশে ধাৱমান হৈছে একাংশ শিক্ষাৰ্থী। যাৰ বাবে অনাকাংক্ষিত হাৰত পঢ়ুৱৈৰ লগতে সাহিত্য চৰ্চা কৰা শিক্ষাৰ্থীৰ সংখ্যা কমি আহিছে। অৱশ্যে এয়া তেওঁলোকৰো দোষ নহয়। সময়ৰ আহ্বান আৰু ব্যৱস্থাটোৰ দোষৰ বাবেই এয়া হোৱা যেন অনুভূত হয়। ইয়াৰ সময়োচিত সমাধানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ জৰুৰী প্ৰয়োজনীয়তা আছে।

# সম্পাদকীয়

ছয়গাঁও মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ চিন্তা-চেতনাক সাহিত্যৰ কেনভাছত অংকন কৰা মাধ্যমসমূহৰ ভিতৰত অন্যতম এক মাধ্যম হ'ল মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী'। যাৰ জৰিয়তে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ চিন্তা-চেতনাক জনমানসলৈ উলিয়াই অনাৰ প্ৰয়াস কৰা হয়। কলহীৰ এই সংখ্যাটিৰ সম্পাদক হিচাপে আমিও ইয়াৰ গৰিমা আৰু গৌৰৱজ্জ্বল ধাৰাটি অটুট ৰখাৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাই। এইক্ষেত্ৰত কিমানদূৰ সফল হ'ব পাৰিছো সেয়া আপোনাসৱৰ বিচাৰ্যৰ বিষয়। অৱশ্যে সম্পাদক হিচাপে নিয়োজিত হৈ কিছুমান অভিজ্ঞতা হ'ল আৰু এই অভিজ্ঞতাবোৰৰ ভিতৰত বেছিখিনিয়ে তিক্ত। সাহিত্যৰ বাবে ই খুব বেছি উপকাৰী নহয় বুলি আমাৰ ধাৰণা হয়।

মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সমাজৰ মাজৰ সুপ্ত প্ৰতিভাসমূহ তথা সাম্প্ৰতিক অসম আৰু ভাৰতৰ পৰিস্থিতিক লৈ যি চিন্তা-চেতনাৰ ৰূপ-ৰেখা তাক সুন্দৰ ৰূপত কলহীত তুলি ধৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছো। এইক্ষেত্ৰত যোগ্যতা অথবা অভিজ্ঞতাৰ ভঁৰালটো নিশকতীয়া যদিও ঠেকা খাই ক্ষয় যোৱা শিলৰ দৰে নিজকে ক্ষয় খেদাবলৈ চেষ্টা কৰিছিলো। আলোচনীখনৰ শ্ৰীভ্ৰষ্ট নহওক এই কথাকে সাৰোগত কৰি আমি আমাৰ দায়িত্ব খুব নিয়াৰিকৈ পালন কৰিবলৈ চেষ্টা কৰিছো যদিও সম্পাদনা নাইবা অন্যান্য কাৰিকৰী দিশৰ ক'ৰবাত অনাকাংক্ষিতভাৱে ভুল থাকি যোৱাটো স্বাভাৱিক। ক্ষমা প্ৰাৰ্থী। অনাগত সময়তো ছয়গঞাৰ আশা-ভৰষাৰ থল ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰজ্ঞাৱন্ত মুখপত্ৰ 'কলহী'ৰ মাহাত্ম্য-শকতি-যশ জগত সভাত জিলিকি থাকক তাৰেই কামনাৰে...



(মিনাক্ষী কলিতা)




।। কৰ্তব্যৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ ।।

# কলহী সম্পাদনা সমিতি


ড° ৰাজু বৰদলৈ
*উপদেষ্টা*


মৃদুল কলিতা
*সভাপতি*


উপেন ডেকা
*তত্ত্বাৱধায়ক*


ড° অনুপমা ডেকা
*শিক্ষক সদস্যা*


কমল ঠাকুৰীয়া
*শিক্ষক সদস্য*


ড° ফণীন্দ্র কলিতা
*শিক্ষক সদস্য*


লক্ষ্যধৰ শৰ্মা
*শিক্ষক সদস্য*


মিনাক্ষী কলিতা, *সম্পাদক*


বাসুদেৱ দাস
*ছাত্র সদস্য*


দীপাংকৰ কলিতা
*ছাত্র সদস্য*


পল্লৱী দাস
*ছাত্রী সদস্য*


বনজিৎ কলিতা
*ছাত্র সদস্য*


সুজিত সৰকাৰ
*ছাত্র সদস্য*

# মহাবিদ্যালয় পৰিচালনা সমিতি



মহেশ কলিতা
*সভাপতি*



ড° ৰাজু বৰদলৈ
*অধ্যক্ষ আৰু সচিব*



ৰেকিবুদ্দিন আহমেদ
*বিশেষ নিমন্ত্ৰিত সদস্য*



অৰুণ শৰ্মা
*গু.বি. মনোনীত*



কমলেশ্বৰ দাস
*অভিভাৱক সদস্য*



চন্দ্ৰকান্ত কলিতা
*অভিভাৱক সদস্য*



প্ৰেমলতা কলিতা দাস
*অভিভাৱক সদস্যা*



ড° নগেন কলিতা
*শিক্ষক সদস্য*



ড° বনমালী নাথ
*শিক্ষক সদস্য*



প্ৰতাপ বড়ো
*অনা-শিক্ষক কৰ্মচাৰী সদস্য*

## ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভা



# মহাবিদ্যালয়ৰ গৌৰৱ

## মহাবিদ্যালয় সপ্তাহত বিভিন্ন বিভাগত শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰা ছাত্ৰ-ছাত্ৰী

শ্ৰেষ্ঠ কণ্ঠশিল্পী



আব্দুল কৰিম

শ্ৰেষ্ঠ তাৰ্কিক



বাসুদেৱ দাস

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



নিশা কলিতা

শ্ৰেষ্ঠ খেলুৱৈ



মহানন্দ শৰ্মা

শ্ৰেষ্ঠ কৰ্মী



জিতেন্দ্ৰ ৰাভা

মিঃ ছয়গাঁও মহাবিদ্যালয়



মনোজ দাস

মিচ্ ছয়গাঁও মহাবিদ্যালয়



পম্পী কলিতা



২০১৮ ইং বৰ্ষত হাজো সুৰেন দাস মহাবিদ্যালয়ত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা কাবাদী প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী আমাৰ মহাবিদ্যালয়ৰ কাবাদী দলটি



বিষ্ণুৰাভা দিৱসৰ লগত সংগতি ৰাখি বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত আয়োজিত "ৰাভা সংগীত প্ৰতিযোগিতা"ত দ্বিতীয় পুৰস্কাৰ বিজয়ী আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ছয়নিকা কলিতাৰ লগতে অংশগ্ৰহণকাৰী দলটি



২০১৮ ইং বৰ্ষত ছয়গঞা লোক উৎসৱৰ প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰাত শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰা আমাৰ [illegible] দলটিয়ে বঁটা গ্ৰহণ কৰাৰ মুহূৰ্ত

# কলহীৰ পাতে পাতে

## চিন্তন-মনন ঃ


- সামাজিক অৱক্ষয় আৰু যুৱ প্ৰজন্ম ✍ দীপক দাস/১
- সূৰ্যোদয় আৰু সূৰ্যাস্তৰ দোমোজাত অসমীয়া বোলছবি... ✍ বাসুদেৱ দাস/৩
- বিভাজন ঃ স্বাধীনতাৰ লগত অহা এক কলংক ✍ সাগৰ দাস/৭
- যৌন অপৰাধ আৰু শিশুক সুৰক্ষা প্ৰদান আইন ✍ পম্পী অধিকাৰী/১০
- বিশ্বায়ন আৰু অসমৰ সংস্কৃতি ✍ বিষ্ণুজ্যোতি ৰাজবংশী/১২
- ষ্টিফেন হকিং ✍ অংকিতা দাস/১৪
- বিশ্বকাপ ফুটবল- ২০১৮... ✍ জীতেন দাস/১৭
- ভেলেণ্টাইন বনাম প্ৰেম ✍ লুকমান আলী/১৯
- গীতি সাহিত্যৰ দাপোণত চিৰসেউজ হৈ থকা একুৰি এটা অসমীয়া গীত ✍ পল্লৱী দাস/২১
- অসমৰ এক ইতিহাস বিজড়িত থান ঃ গিৰি গোবৰ্দ্ধন... ✍ ধৰিত্ৰী নাথ/২৫


## অতিথি চ'ৰা


- নিজৰ ঘৰখনৰ পৰা সমাজসেৱা আৰম্ভ হওক ✍ কনকসেন ডেকা/২৭
- মানুহৰ পৃথিৱী এখনৰ সন্ধানত ✍ ড° নন্দ সিং বৰকলা/৩০
- দিলীপ চন্দন দেৱৰ সৈতে অন্তৰঙ্গ আলাপ /৩৩


## অনুভূতিৰ ছন্দ


- সময় ✍ ত্ৰিদীপ শৰ্মা/৩৫
- অপেক্ষা ✍ তপন ঠাকুৰীয়া/৩৫
- জীৱন এক সংগ্ৰাম ✍ লুনা ঠাকুৰীয়া/৩৬
- ফাগুন ✍ কৃষ্ণমণি কলিতা/৩৬
- সেউজীয়া বৰষুণ ✍ ৰুমী শালৈ/৩৭
- কলহী ✍ হিয়াশ্ৰী বৰা/৩৭
- অন্তহীন এটি যাত্ৰা ✍ অনংগ শালৈ/৩৮
- প্ৰেৰণা তোমাৰেই ✍ ছয়ানিকা কলিতা/৩৮
- ৰক্তবীজ ✍ নিপ কুমাৰ কলিতা/৩৯
- বাস্তৱ ✍ সুস্মিতা ৰায়/৩৯
- এখন নিকা সমাজ গঢ়িবৰ বাবেই আমি ✍ ৰুবি তালুকদাৰ/৪০
- অন্তৰংগ ✍ দ্বীপজ্যোতি কলিতা/৪১
- স্বৰ্গীয় অনুভূতিৰ টোপোলা ✍ অঞ্জলী কুমাৰী/৪২
- ছয়গাঁও কলেজ ✍ কৃতি সুন্দৰ দাস/৪৩
- মা ✍ ৰাজীৱ ডেকা/৪৪
- নৈখন মোৰ আজিও আপোন ✍ মণ্টু মালী /৪৫
- কলৰ তলৰ ছোৱালীজনী ✍ ভূষণ কলিতা/৪৬


## বাক শিল্প


- উত্তৰ বিহীন সাঁথৰ ✍ ইন্দ্ৰজিৎ দাস/৪৭
- এয়াই নেকি মানৱতা ✍ ভায়োলিনা বড়ো/৪৯
- সিদ্ধান্ত ✍ ৰূপম দাস/৫২
- স্নিগ্ধাৰ সপোন ✍ যুতিকা দাস/৫৫
- আত্মাৰ পৱিত্ৰতা ✍ জ্যোতিষ্মা গোস্বামী/৫৭
- স্মৃতি ✍ হিমাশ্ৰী গোস্বামী/৫৯
- মানৱ ধুমুহা ✍ মৰমী কলিতা/৬১

## কলহীৰ পাতে পাতে

## ENGLISH SECTION


- **Mother** ✍ Debashree Biswas/৬৩
- **A Salute** ✍ Priyanka Das/৬৩
- **I Am Helpless** ✍ Nibedita Saud/৬৪
- **The Love for Lord** ✍ Pampi Kalita/৬৪
- **A Precious Word Maa** ✍ Sonali Boro/৬৫
- **Alone** ✍ Kritanjali Rabha/৬৫
- **Drug Abuse in Modern India with Solution** ✍ Dipankar Kalita/৬৬
- **The Wedding** ✍ Jogesh Bhattacharyya/৬৮
- **Ideas of Environment Protection in Assamese Bihu Songs** ✍ Manab Choudhury/৭০
- **Importance of Social Media in Education** ✍ Nabajyoti Sarma/৭৪


## हिन्दी विभाग


- **चलना है आगे हमे** ✍ सीमारामी कलिता/৭৫
- **हिन्दी कवि सुरदास** ✍ जुपितरा कलिता/৭৬
- **विद्यावती काव्य में शृंगार रस की प्रधानता** ✍ धरित्री दास/৮০
- **असम के लोक उत्सव 'भठेली'** ✍ धीरेन चन्द्र दास/৮৩


## বিচিত্ৰ অনুভৱৰ কলম


- ৰুবি তালুকদাৰৰ সৈতে বাৰ্তালাপ /৮৫
- ৰশ্মি নাথৰ সৈতে কিছু আলাপ /৮৯
- ছয়গঞাৰ সপোন ✍ পংকজ কলিতা/৯০
- প্ৰশান্ত সাউদৰ সৈতে এখন্তেক /৯১
- এখন দ্বন্দ্ব (ৰম্য ৰচনা) ✍ নিশা কলিতা/৯২
- বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা চিঠি প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত চিঠি ✍ যুতিকা দাস/৯৪
- বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা বাতৰি প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত বাতৰি ✍ প্ৰিয়ংকা দাস/৯৫
- আৰু এটি আন্দোলন (একাংকিকা নাট) ✍ ড° নগেন কলিতা/৯৬
- মহাবিদ্যালয়ৰ সকলোৰে পৰিচিত 'মিচাল ককা' /১০৮
- কাৰ্টুন ✍ ৰূপম দাস/১০৯


## মহাবিদ্যালয়ৰ ভিতৰচ'ৰা /১১১-১৪৮

# চিন্তন মনন




ফুলবোৰে
বাৰু
ৰঙা-নীলা
চোলাবোৰ
ক'ত
পায়?



# সামাজিক অৱক্ষয় আৰু যুৱ প্ৰজন্ম



দীপক দাস
স্নাতক দ্বিতীয় যান্মাসিক



বৰ্তমান সময়ত বিজ্ঞান-প্ৰযুক্তিয়ে সফলতাৰ সুউচ্চ শিখৰ চুইছে। এই আধুনিক প্ৰযুক্তিবিদ্যাৰ যুগত সমগ্ৰ বিশ্বলৈ নিত্য নতুন উদ্ভাৱনে মানৱ জাতিক একপ্ৰকাৰ যন্ত্ৰবৎ কৰি তুলিছে। যাৰ ফলত সমগ্ৰ বিশ্বজুৰি একপ্ৰকাৰ এক সংকটাপন্ন ভৱিষ্যতৰ আশংকাই বৰ্তমান তথা উত্তৰ প্ৰজন্মৰ মাজত গা কৰি উঠিছে। বিজ্ঞান প্ৰযুক্তিৰ বিকাশে মানৱ সভ্যতাক এনে ৰূপত তুলি ধৰিছে তাক কোনোপধ্যেই অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু তাৰ ভিতৰতো বিজ্ঞান -প্ৰযুক্তিৰ বিকাশে এতিয়াও এশ শতাংশই সফল হোৱা বুলি ক'ব পৰা নাযায়। বিজ্ঞান-প্ৰযুক্তিৰ বিকাশৰ ফলত হোৱা লাভা-লাভ কিম্বা অৱক্ষয়ৰ দিশসমূহ পুংখানুপুংখভাৱে আলোচনা কৰাৰ ধৃষ্টতা এজন ছাত্ৰ হিচাপে আমাৰ বাবে অসাধ্য আৰু যোগ্যতাৰ দিশৰ পৰাও অযোগ্য। তথাপিও বিজ্ঞানৰ উন্নতিৰ ফলত যুৱচামৰ মাজত বিশেষকৈ আঠৰ পৰা বিশ বছৰৰ শিক্ষাৰ্থীসকলৰ অধিকাংশই কিদৰে একপ্ৰকাৰ অন্ধকাৰ ভৱিষ্যতৰ দিশে ধাৱমান হৈছে সেই বিষয়ে আলোচনাহে কৰিব বিচৰা হৈছে মাথোঁ।

যোৱা কেইবছৰমানৰ পৰা ভাৰতবৰ্ষকে বিশ্বৰ বিভিন্ন প্ৰান্তত গা কৰি উঠা বিভিন্ন অনলাইন গেম আৰু ছ'চিয়েল নেটৱৰ্কিং চাইট সমূহে এচাম শিক্ষাৰ্থীৰ মাজত একপ্ৰকাৰ বেয়াকৈ শিপাইছে। যাৰফলত একাংশ শিক্ষাৰ্থীৰ সপোনবোৰ ফলিয়াব নৌপাওঁতেই সমাধিস্থ হোৱা দেখা গৈছে। ফলস্বৰূপে ৰাষ্ট্ৰ এখনত ভৱিষ্যত প্ৰজন্ম অনাকাংক্ষিতভাৱে অনিশ্চয়তাৰ অন্ধকাৰ কুঠৰীত আৱদ্ধ হৈ পৰা উপক্ৰম ঘটিছে। মানুহ হৈছে বিলাসপ্ৰিয় জীৱ। একেদৰে ইয়াক কোৱা হয় জীৱশ্ৰেষ্ঠ, কিয়নো মানৱৰ আছে বিচাৰ-বুদ্ধি কৰাৰ ক্ষমতা। তাৰফলতো কিন্তু আমি মানৱ সমাজ ব্যৰ্থ হৈছো এনেবোৰ সমস্যাক নিৰ্মূল কৰাত।

কিন্তু কিয় ? ইয়াৰ অন্তৰ্নিহিত কাৰণসমূহ উনুকিয়াই চোৱাৰ প্ৰয়োজন সমাগত। বৰ্তমান সময়ত সমগ্ৰ বিশ্বকে গ্ৰাস কৰি পেলোৱা কেতবোৰ মনোৰঞ্জনধৰ্মী মাধ্যম বিশেষকৈ উল্লেখনীয় PUBG (Player Uknown's Battlegrounds), Free Fire আদি বিষবাষ্পবোৰ যুৱপ্ৰজন্মৰ মাজত শিৰাই উপশিৰাই বিয়পি পৰিছে। ঠিক একেদৰে আন একাংশ ছ'চিয়েল নেটৱৰ্কিং মাধ্যম যেনে Facebook, Whatsapp, Instagram আদি Time Eater Appৰ অবাধ ব্যৱহাৰৰ ফলত অধিকাংশ শিক্ষাৰ্থীয়ে নিজৰ জীৱন বাটৰ চাকিগছিৰ ইন্ধন আধাতে শেষ কৰি অন্ধকাৰ কোঠাত নিজৰ ভৱিষ্যত জীৱন কটোৱাৰ উপক্ৰম ঘটাইছে। অৱশ্যে এই পৰিৱৰ্তনৰ বাবে জগৰীয়া কোন বুলি একপক্ষীয়ভাৱে



কাকো দোষাৰোপ কৰিব পৰা নাযায়। ঠিক একেদৰে সৰ্বসন্মতভাৱে এক সমাধান সূত্ৰ বিচাৰি উলিওৱাটোও সম্ভৱপৰ হ'বনে তাক লৈয়ো প্ৰশ্নবোধকৰ অৱতাৰণা হোৱা দেখা যায়। এটা সময় আছিল নিজৰ সন্তানৰ জন্মদিনত পিতৃ বা মাতৃয়ে গীত, কবিতা কিম্বা কিতাপ উপহাৰ দিছিল। উদাহৰণস্বৰূপে লক্ষ্যধৰ চৌধুৰীয়ে তেখেতৰ পুত্ৰ অমৰজ্যোতি চৌধুৰীৰ জন্মদিনত উপহাৰ দিছিল সেই কালজয়ী কবিতা

'মই গান্ধীজীৰ দৰে হ'ম
সদায় সত্য পথত ৰ'ম।'

কিন্তু আচম্বিতে যুগৰ কি পৰিবৰ্তন। আজিৰ প্ৰজন্মক নিজৰ অভিভাৱকে সাধ্যানুসাৰে জন্মদিনত উপহাৰ দিয়ে নামী-দামী গাড়ী, মোবাইল ফোন কিম্বা বিলাসী উপহাৰ। কিতাপ উপহাৰ দিয়াটোও যেন এতিয়া বছৰত এবাৰ বসন্ত অহাৰ লেখিয়া। এয়াই চাগে এচাম অভিভাৱকৰ সন্তানৰ প্ৰতি থকা ৰুগ্ন দায়বদ্ধতাৰ বাস্তৱ প্ৰতিফলন। কেৱল নিজৰ সন্তানক নামী-দামী স্কুলত টিউচন দি এখন ভাল মাৰ্কশ্বিট লাভৰ আশাত পঢ়োৱাৰ পৰিবৰ্তে সন্তানক সামাজিক দায়বদ্ধতানো কি এই বিষয়েও জ্ঞান দিয়া দৰকাৰ। কিয়নো নিজৰ সন্তানক যন্ত্ৰবৎ কৰি তুলি কেৱল জীৱিকাকেন্দ্ৰিক মনোভাৱেৰে আগুৱাই নিয়াটোৱে যদি শিক্ষাৰ লক্ষ সন্তানৰ কৰ্তব্য আৰু অভিভাৱকৰ দায়িত্ব হয় তেন্তে তেনে শিক্ষাৰ মূল্য ভিত্তিহীন।

ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন সচিব প্ৰধান ডাগ হামাৰশ্বল্ডে কৈছিল-
'নিসংগতাৰ যন্ত্ৰণানাশক হিচাপে কাম
সংগৰ বিকল্প হিচাপে কিতাপ।'

কিন্তু দুখ আৰু পৰিতাপৰ বিষয় এয়ে যে আজিৰ প্ৰজন্মৰ অধিকাংশই কিতাপ পঢ়াটোতো বাদেই দিয়ক, মুধাফুটা ব্যক্তিসকলৰ কিতাপৰ নাম দেখিলেও সোধে-

এইখন কি কিতাপ? (বাস্তৱ অভিজ্ঞতাৰ সাক্ষী)

হাতত থকা মোবাইলটোৰ সহায়ত সহজতে আমি গুগলৰ পৰা তথ্য লাভ কৰিব পাৰো, কিন্তু এই কথা পাহৰি যোৱা অনুচিত যে গুগলে আমাক তথ্যহে দিব আনহাতে কিতাপে আমাক যোগান ধৰে জ্ঞান আৰু প্ৰজ্ঞা।

বিশ্বায়ন আৰু প্ৰযুক্তিৰ যুগত পৰিৱৰ্তন আহিবই। এই পৰিৱৰ্তন আমি সময়ৰ গতিত নিজকে খাপ খুৱাই চলিবলৈ গ্ৰহণ কৰিবই লাগিব। সেইবুলি আমি নিজৰ শিপাৰ পৰা ফালৰি কাটি নগৈ সভ্যতা-সংস্কৃতিৰ লগতে নিজস্বতা বজাই ৰাখি আগুৱাই যোৱাটো দৰকাৰ। এখন সুস্থ-সবল সমাজ গঢ়াত অভিভাৱক আৰু শিক্ষাৰ্থীৰ সমান দায়িত্ব আছে। প্ৰকৃততে এটা আনটোৰ পৰিপূৰক। অভিভাৱকসকলে সন্তানক ব্যক্তিকেন্দ্ৰীক আৰু মাৰ্কশ্বিটকেন্দ্ৰীক শিক্ষা লাভৰ বাবে আগ্ৰহী কৰাৰ পৰিৱৰ্তে নিজৰ সন্তানক সামাজিক দায়ৱদ্ধতা কি সেয়া বুজাই দিব লাগিব। একেদৰে শিক্ষা জীৱনত প্ৰভাৱ পেলাব পৰা লোভনীয় তথা ক্ষতিকাৰক সামগ্ৰীসমূহৰ পৰা নিজকে আতঁৰাই ৰাখি সন্তানৰ মাজত কিদৰে সচেতনতা আৰু সজাগতা বৃদ্ধি কৰিব পাৰি সেয়া নজৰ দিয়া উচিত। ঠিক একেদৰে সন্তানেও এটা কথা হৃদয়ংগম কৰা উচিত যে নিজৰ জীৱনত অমূল্য সময় এবাৰেই পোৱা যায়। যিকোনো সিদ্ধান্ত আৱেগৰ বশৱৰ্তী হৈ লোৱাৰ পৰিৱৰ্তে সময়োপযোগী দৃষ্টিকোণেৰে নিজকে আগুৱাই লৈ যায় তেন্তে নিশ্চিতভাৱে সামাজিক অৱক্ষয় এদিন নহয় এদিন কিছু পৰিমাণে হ'লেও ৰোধ কৰিব পৰা যাব। যাৰবাবে চৰকাৰ, প্ৰশাসন বা নিৰ্মাণকাৰী প্ৰতিষ্ঠানক দোষাৰোপ কৰি থকাৰ পৰিৱৰ্তে অভিভাৱক আৰু সন্তানৰ এই যুগলবন্দীত এই সমস্যা সমাধান কৰিব পৰা যাব বুলি আশাবাদী। অন্যথা এদিন সমস্যা সমস্যা হৈয়ে থাকিব। জীৱনৰ বাটত লগ দিয়া সমস্যাক যিদৰে হেলাৰঙে অতিক্ৰম কৰি সফল মানুহ হ'ব পৰা যায় ঠিক একেদৰে পৰিৱৰ্তনৰ যুগত যিমানেই পৰিৱৰ্তন নাহক তাক যদি বিবেকেৰে চালি-জাৰি চাই ইতিবাচকখিনি গ্ৰহণ কৰা হয় তেন্তেই কেতিয়াও কাৰো ক্ষতি কৰিব নোৱাৰে।□



# সূৰ্যোদয় আৰু সূৰ্যাস্তৰ দোমোজাত

# অসমীয়া বোলছবি

## এক বিশ্লেষণ



বাসুদেৱ দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক



অসমৰ বৃহৎ উদ্যোগসমূহৰ ভিতৰৰ এক অন্যতম উদ্যোগ হ'ল অসমীয়া 'চলচ্চিত্ৰ উদ্যোগ'। ১৯৩৩ চনতে অবিভক্ত তেজপুৰ জিলাৰ বালিজান নৈৰ চাপৰিৰ ভোলাগুৰি চাহ বাগিছাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই 'চিত্ৰবন' ষ্টুডিঅ' নিৰ্মাণৰ জৰিয়তে লাইখুঁটা স্থাপন কৰিছিল এই বৃহৎ উদ্যোগটোৰ। কাঁইটীয়া পথৰ মসৃণ যাত্ৰা অতিক্ৰম কৰি এই উদ্যোগটোৱে বৰ্তমান ৮৪ বছৰীয়া। শতবৰ্ষ গৰকাৰ পথত এই উদ্যোগ। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পূৰ্বেই ৰূপকোঁৱৰে যি অশেষ কষ্ট, ত্যাগ আৰু ধৈৰ্যৰ বলত এটা সপোন লৈ চিত্ৰবন ষ্টুডিঅ' নিৰ্মাণ কৰিছিল এয়া সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ। চিত্ৰবন ষ্টুডিঅ' নিৰ্মাণৰ প্ৰায় দুবছৰ পিছতে ৰূপকোঁৱৰে মুক্তি দিছিল প্ৰথমখন অসমীয়া বোলছবি 'জয়মতী'। কলিকতাৰ ৰাওঁনাক চলচ্চিত্ৰ গৃহত মুক্তি দিয়া জয়মতীক অসমত প্ৰথমবাৰৰ বাবে প্ৰদৰ্শিত কৰা হৈছিল ১৯৩৫ চনৰ ২০ মাৰ্চত, সেই সময়ৰ কামৰূপ নাট্য মন্দিৰত (বৰ্তমানৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰ, উজানবজাৰ, গুৱাহাটী)। এয়ে আছিল বৰ্ণিল যাত্ৰাৰ স্বৰ্ণীল আৰম্ভণি। বিভিন্ন ঘাট-প্ৰতিঘাত নেওঁচি জ্যোতিপ্ৰসাদে জয়মতী নিৰ্মাণ কৰি বহুখিনি আৰ্থিক লোকচানৰ সন্মুখীন হৈছিল। ইয়াৰোপৰি একাংশই তেওঁৰ এই যাত্ৰাক সমৰ্থন কৰাৰ বিপৰীতে আন একাংশই সমালোচনাৰে বিতশ্ৰদ্ধ কৰি পেলাইছিল। তথাপিও কিন্তু থমকি ৰোৱা নাছিল ৰূপকোঁৱৰৰ অশ্বমেধৰ ঘোঁৰা। এয়াই ছাগে কলাকাৰৰ কলাত্মকতা। জয়মতীৰ মুক্তিৰ ঠিক চাৰি বছৰ পিছত তেওঁ নিৰ্মাণ কৰিছিল দ্বিতীয়খন অসমীয়া বোলছবি 'ইন্দ্ৰমালতী'। উল্লেখযোগ্য যে নায়ক-নায়িকাৰ চৰিত্ৰৰ নামেৰে নিৰ্মাণ কৰা এইখনেই আছিল প্ৰথম অসমীয়া বোলছবি। ইন্দ্ৰমালতী নিৰ্মাণৰ পিছত জ্যোতিপ্ৰসাদে কোনো চলচ্চিত্ৰ মুক্তি দিয়া নাছিল যদিও জ্যোতিপ্ৰসাদৰ পথ অনুকৰণ কৰি পৰৱৰ্তী সময়ত বহুতো পৰিচালকে এই উদ্যোগটোৰ গুৰি ধৰাই নহয় দিছিল জীয়াই থকাৰ সঞ্জীৱনী শক্তি। যাৰ ভিতৰত উল্লেখযোগ্য কেইজনমান পৰিচালক হ'ল ব্ৰজেন

বৰুৱা, নিপ বৰুৱা, ড° ভবেন্দ্ৰ নাথ শইকীয়া, জাহ্নু বৰুৱা, মুনিন বৰুৱা, সুধাকণ্ঠ, সমৰেন্দ্ৰ নাৰায়ণ দেৱ, আব্দুল মজিদ, অশোক কুমাৰ বিষয়া, সান্ত্বনা বৰদলৈ, বিদ্যুৎ চক্ৰৱৰ্তী, জুবিন গাৰ্গ, হিমাংশু প্ৰসাদ দাসকে ধৰি বিশ্বজীনা ৰীমা দাস আদিয়ে উল্লেখযোগ্য।














শতবৰ্ষ গৰকাৰ পথৰ অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বৰ্তমান পানীত হাঁহ নচৰা অৱস্থা। ৰূপকোঁৱৰে তাহানিতে যি সপোন লৈ প্ৰতিষ্ঠা কৰিছিল এই উদ্যোগৰ সেই সপোন যেন এতিয়া আমি ক'ৰবাত ভৰিৰে মোহাৰি পেলাইছো। এয়া জানো গ্ৰহণযোগ্য। আমি এক প্ৰকাৰ ৰূপকোঁৱৰৰ আশাত ক'ৰবাত গৰমপানী ঢলা নাইনে ইয়াৰ বাবে জগৰীয়া কোন? নতুবা এই উদ্যোগৰ বৰ্তমানৰ যি অৱস্থা তাৰ উত্তৰণৰ দায়িত্ব কোনে ল'ব? সেয়াহে চিন্তনীয় বিষয়। নে অসমীয়া চলচ্চিত্ৰ উদ্যোগে ভাল চলচ্চিত্ৰ (দৰ্শকক আপ্লুত কৰিব পৰা) মুক্তি দিব পৰা নাই? নে আমিবোৰৰ চিন্তাৰ বিভ্ৰান্তি ঘটিছে প্ৰশ্নবোৰৰ উত্তৰ বিচৰাৰ সময় বহুদিন আগতে সমাগত আছিল যদিও আমাৰ দায়িত্বহীন মনোভাৱ তথা সুৰুচিৰ অভাৱত এই অৱস্থাৰ পৰিবৰ্তন সম্ভৱ হৈ নুঠিল আৰু বৰ্তমানেও উঠা নাই। কিন্তু চলচ্চিত্ৰ এই মন্দাৱস্থাৰ দিনত আমি আমাৰ দায়িত্ব বুজি উঠাতো দৰকাৰ দুই এখন ভাল চলচ্চিত্ৰ নিৰ্মাণ তথা আন্তৰ্জাতিক প্ৰেক্ষাপটত জিলিকি উঠা মানে সামগ্ৰিক অৰ্থত এই বৃহৎ উদ্যোগটোৰ উত্তৰণ দিশটোক নুসূচায়। অৱশ্যে একাংশ পৰিচালকৰ চলচ্চিত্ৰৰ দুৰ্দিনত এই একাণপটীয়া প্ৰচেষ্টাক শ্ৰদ্ধাৰে শলাগিছো। তেওঁলোকৰ এই প্ৰচেষ্টা অব্যাহত থাকক।

বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ বিশেষকৈ সত্তৰৰ পৰা নব্বৈ দশকলৈ এইখিনি সময় আছিল অসমীয়া চলচ্চিত্ৰৰ বাবে একপ্ৰকা সোণালী সময়। যি সময়ত ভালেমান সামাজিকভাৱে সফল আৰু সামাজিক বাৰ্তাবাহক চলচ্চিত্ৰই মুক্তি লাভ কৰিছিল। সেইখিনি সময়ৰ চলচ্চিত্ৰ সামাজিক দায়িত্ববোধ প্ৰলুব্ধ হোৱাৰ উপৰি দেশমাটিৰ সুৱাস নিহিত আছিল। লগতে মনোৰঞ্জনধৰ্মীতা আছি আন এক গুৰুত্বপূৰ্ণ দিশ। সেইকাৰণে হয়তো সেই সময় ভালেকেইখন চলচ্চিত্ৰই দৰ্শকৰ মনত সাঁচ বহুওৱাৰ সমান্তৰালভা আজিও অক্ষত দুৰ্গৰ দৰে এইবোৰৰ সমাদৰ কমা নাই। সেইবোৰ ভিতৰৰ অন্যতম ড° বেজবৰুৱা, আজলী নবৌ, বোৱাৰী, ঘৰ সংসা সন্ধ্যাৰাগ, হালধীয়া চৰায়ে বাওধান খায় আদিয়েই প্ৰধান। যিহে চলচ্চিত্ৰ হ'ল সাহিত্যৰ অন্যতম এক শাখা। সেয়েহে চলচ্চি পৰিচালকৰ চলচ্চিত্ৰ এখন নিৰ্মাণৰ ক্ষেত্ৰত নিশ্চিতভাৱে এ সামাজিক উদ্দেশ্য থাকে। আনফালে সাহিত্যিক দৃষ্টিকোণৰ ফাল পৰা চোৱা হয় তেন্তে সাহিত্য নিজেই এক উদ্দেশ্য। চলচ্চিত্ৰ এখন উদ্দেশ্য কি হোৱা উচিত এই সন্দৰ্ভত চলচ্চিত্ৰ সমালোচকসকল মাজত দ্বিমত দেখা যায় আৰু আজিলৈকে সৰ্ব্বসন্মত সিদ্ধান্ত এটা উপনীত হ'ব পৰা নাই। একাংশ সমালোচকৰ মতে চলচ্চি

জৰিয়তে শিক্ষাপ্ৰদান কৰাটোৱে মূল উদ্দেশ্য। কিন্তু ইয়াক সম্পূৰ্ণৰূপে শুদ্ধ বুলি ক'ব নোৱাৰি। কিয়নো শিক্ষাগ্ৰহণৰ বাবে বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠানেই যথেষ্ট। তেনেস্থলত কেৱল শিক্ষাপ্ৰদান চলচ্চিত্ৰ এখনৰ উদ্দেশ্য বুলি কোৱাটো ঠিক সমীচিন নহ'ব। আন একাংশই ক'ব খোজে মনোৰঞ্জন দিয়াটোৱে চলচ্চিত্ৰ এখনৰ উদ্দেশ্য। অৱশ্যে ইয়াক লৈও সমালোচকসকলৰ মাজত মতভেদ দেখা যায়। অৰ্থাৎ আজিলৈ সৰ্ব্বসন্মতভাৱে সিদ্ধান্ত এটা নোলালেও আমি ক'ব পাৰো যে মনোৰঞ্জনৰ মাধ্যমত শিক্ষাপ্ৰদান অথবা সামাজিক বাৰ্তা প্ৰেৰণ কৰাটোৱে এখন সফল চলচ্চিত্ৰৰ উদ্দেশ্য। কেৱল বিংশ শতিকাৰ সত্তৰ পৰা নব্বৈ দশকলৈহে যে ভাল চিনেমা নিৰ্মাণ হৈছিল সেয়া নহয়, বৰ্তমানেও ভাল চলচ্চিত্ৰৰ নিৰ্মাণ সম্পূৰ্ণৰূপে শেষ হৈ যোৱা নাই। কিন্তু তেতিয়াৰ সেই সোণালী পৰিবেশ এতিয়া নাই। সময়ৰ পৰিৱৰ্তন আৰু বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ লগে লগে মানুহৰ ৰুচিবোধৰ পৰিবৰ্তন অহা পৰিলক্ষিত হ'ল। বিশ্বায়নৰ যুগত পৰিবৰ্তন অহাটো স্বাভাৱিক। পৰিবৰ্তনৰ ধামখুমীয়াত সকলোখিনি আমি পাহৰি যোৱাৰ উপক্ৰম ঘটিল যিটো আচলতে হোৱাটো অনুচিত। অৱশ্যে এই পৰিৱৰ্তন (চলচ্চিত্ৰ উদ্যোগ)ৰ বাবে কাকো একপক্ষীয়ভাৱে দোষাৰোপ কৰিব পৰা নাযায় অথবা এই পৰিবৰ্তন এদিনতে অহা পৰিৱৰ্তনো নহয়। বিংশ শতিকাৰ শেষৰ পিনৰ পৰা বিভিন্ন কাৰণত অসমীয়া চলচ্চিত্ৰলৈ এক বিশেষ পৰিৱৰ্তন অহা পৰিলক্ষিত হ'ল। আৰু এই পৰিৱৰ্তনৰ কাৰণ সমূহ যদি ভালদৰে বিশ্লেষণ কৰা যায় তেতিয়াহ'লে কেতবোৰ কাৰণ ফুটি উঠে। তাৰ ভিতৰত এটা অন্যতম হ'ল— এইখিনি সময়ত অসমীয়া চলচ্চিত্ৰৰ বাণিজ্যিক ধাৰাটোৰ দ্ৰুত পৰিৱৰ্তন হৈছিল আৰু যিয়ে চলচ্চিত্ৰৰ বাণিজ্যিকীকৰণত বিভিন্ন ধৰণে ইন্ধন যোগোৱা পৰিলক্ষিত হ'ল। ইয়াৰোপৰি আন একাংশ পৰিচালকে বাণিজ্যিকীকৰণৰ গইনা লৈ সামাজিক দায়িত্ববোধক একপ্ৰকাৰ ভৰিৰে মোহাৰি বাণিজ্যিক দিশটোতে কেৱল দৃষ্টি নিবদ্ধ ৰাখি চলচ্চিত্ৰ নিৰ্মাণৰ কাম হাতত ল'ব ধৰিলে। যাক দৰাচলতে ব্যৱসায় বুলি কোৱাটোহে যুক্তি সংগত। যদিও সামাজিক দায়িত্ববোধক চলচ্চিত্ৰ এখন নিৰ্মাণৰ ক্ষেত্ৰত অপৰিহাৰ্য বুলি বাধ্যবাধকতা ধৰি দিয়া হোৱা নাই তথাপিও কিন্তু চলচ্চিত্ৰ পৰিচালকসকল স্বতঃস্ফূৰ্তভাৱে সামাজিক দায়বদ্ধতাৰ বান্ধোনত বান্ধ খাই পৰে। কাৰণ এয়ে যে সুস্থ চিন্তা-চেতনাৰে প্ৰলুব্ধ আৰু সামাজিকভাৱে দায়বদ্ধ হ'লেহে কোনো কাম সফলভাৱে সমাপন কৰাটো সহজসাধ্য হয়। আনফালে এয়াও অনস্বীকাৰ্য যে চলচ্চিত্ৰ এখন নিৰ্মাণৰ কাৰণে বাণিজ্যিক দিশটো এটা অপৰিহাৰ্য অংগ। কিন্তু বাণিজ্যিক সফলতাৰ ভিত্তিতেই চলচ্চিত্ৰ এখনৰ মানদণ্ড নিৰূপণ কৰাটো সঠিক নহ'ব। বাণিজ্যিক ভাৱে সফল মানে চলচ্চিত্ৰ এখন সামাজিক ভাবে সফল নহ'বও পাৰে। যদিহে তাত নাথাকে চলচ্চিত্ৰ এখন হ'ব লৈ প্ৰযোজনীয় সাৰ বস্তু। ইয়াৰোপৰি সময়ৰ পৰিৱৰ্তনৰ ধামখুমীয়াত আৰু প্ৰযুক্তিৰ বিকাশৰ লগে লগে যেতিয়া চলচ্চিত্ৰ এখন নিৰ্মাণৰ বাবে এক মোটা অংকৰ ধনৰ প্ৰয়োজনৰ দিশটোৱে গা কৰি উঠিল তেতিয়াই আৰ্থিক দীনতাৰ অভাৱত একাংশ সমাজ সচেতন পৰিচালকৰ চলচ্চিত্ৰ নিৰ্মাণৰ কাম এক প্ৰকাৰ বন্ধ হৈ যোৱাৰ উপক্ৰম ঘটিল আৰু যাৰ সুবৰ্ণ সুযোগ গ্ৰহণ কৰিলে এচাম দালালৰূপী মধ্যভোগীয়ে। আন এক দৃষ্টিকোণৰ পৰা যদি লক্ষ্য কৰা হয় যেতিয়া মোবাইল ফোন আৰু ইলেকট্ৰনিক মাধ্যম সমূহ আমাৰ মাজলৈ সুলভ হৈ আহিল তেতিয়াই এই উদ্যোগটো ক'ৰবাত ক্ষতিগ্ৰস্থ হ'ল বুলি আমাৰ অনুভৱ হয়। যাক স্বীকাৰ কৰিবই লাগিব। ইয়াৰোপৰি অসমত চলচ্চিত্ৰ উদ্যোগটোৰ বাবে আন এক প্ৰত্যাহ্বান হ'ল অসমত পৰ্যাপ্ত পৰিমাণৰ চলচ্চিত্ৰ গৃহৰ অভাৱ। গুৱাহাটী মহানগৰী কিম্বা আন কেইখনমান

> **সম্প্ৰতি ভোগ-বিলাস সৰ্বস্ব আৰু প্ৰচাৰকেন্দ্ৰীক ব্যৱস্থাত প্ৰকৃত নায়কসকলক ক'ৰবাত যেন ঢাকি ৰাখিব বিচৰা হৈছে, কেতিয়াবা তেনে অনুভৱ হয়। অৱশ্যে এয়াও ঠিক যে মাটিত পুতি থ'লেও সোণৰ উজ্জ্বলতা নকমে। ভাল বস্তু সদায়ে স্থায়ী। কিন্তু বৰ্তমান সময়ত একাংশ সামাজিকভাবে দায়বদ্ধ আৰু দক্ষ পৰিচালকে এখন ভাল চলচ্চিত্ৰ নিৰ্মাণ কৰিব খুজিলে অথবা নিৰ্মাণ কৰিলেও আৰ্থিক ভাৱে লোকচানৰ সন্মুখীন হোৱা দেখা যায়। আনহাতে আন একাংশ পৰিচালকে প্ৰচাৰৰ জৰিয়তে এখন তুলনামূলকভাবে নিম্ন মানদণ্ডৰ চলচ্চিত্ৰ নিৰ্মাণ কৰিও কোটি কোটি টকা ঘটাৰ উদাহৰণো এইখন অসমতে আছে। পাৰ্থক্যটো তাতেই, ক'ৰবাত যেন আমি ব্যৰ্থ হৈছো চলচ্চিত্ৰ এখনৰ মানদণ্ড নিৰূপণ কৰাত।**

উল্লেখযোগ্য চহৰত থকা কেইটামান চলচ্চিত্র গৃহই পর্যাপ্ত নহয়। ইচ্ছা থাকিলেও কিছুমান অঞ্চলত পর্যাপ্ত পৰিমাণৰ সুবিধাকন নাই। যদিহে উদ্যোগটোক ন-উদ্যমেৰে উজ্জীৱিত কৰিবলৈ বিচৰা হয় তেন্তে সমগ্র অসমৰ গাঁৱে-ভূঞে চলচ্চিত্র গৃহ নির্মাণ কার্য চৰকাৰৰ বিয়াগোম সাংস্কৃতিক বিভাগৰ তত্বাৱধানত হাতত ল'ব লাগিব। লগতে একাংশ কলা-কুশলীৰ চলচ্চিত্রৰ এই দুৰাৱস্থাৰ সময়ত পেটৰ ভাতমুঠিৰ তাড়নাত যি ভ্রাম্যমানমুখী যাত্রা সেই যাত্রাও ক'ৰবাত যেন হেঙাৰৰূপে থিয় দিছে। অৱশ্যে এই ক্ষেত্রত কলা-কুশলী বা অভিনেতা-অভিনেত্রীক দোষাৰোপ কৰিব পৰা নাযায়। ভাতমুঠিৰ তাড়নাত জীৱনক আগুৱাই নিবলৈ তেওঁলোকে এয়া কৰিবলৈ বাধ্য, কাৰণ এইখন অসম মুলুকত শিল্পীয়ে প্রকৃত মর্যদা পোৱাটো একপ্রকাৰ দূৰূহ কার্য। যাৰবাবে শিল্পীসকলে আমাক বহুখিনি দিব থাকি যায়। তথাপিও চৰকাৰৰ আমোলা-বিষয়া, বিভাগীয় মন্ত্রীৰ চকু খোল নাখায়; নে চকু মুদা কুলিৰ ভাওঁ জুৰে সেয়া সেইসকলেহে জানিব।

৮৪ বছৰীয়া অসমীয়া চলচ্চিত্রৰ ইতিহাসত ভালেকেইখন সফল অসমীয়া চলচ্চিত্র (সামাজিক ভাৱে) নির্মাণ কৰা হ'ল আৰু বর্তমানেও দুই-এজন সচেতন পৰিচালকে এই ধাৰাটোক সঞ্জীৱনী শক্তি যোগাই আহিছে। তাৰ ভিতৰত অন্যতম জাহ্নু বৰুৱা, ভবেন্দ্র নাথ শইকীয়া, সান্ত্বনা বৰদলৈ, ৰীমা দাস উল্লেখযোগ্য। এই সকলে যি অহৰহ সংগ্রামত লাগি প্রচাৰবিমুখ অবিহনেও যে ভাল ছবি নির্মাণ কৰিব পাৰে সেয়া নির্মাণ কৰি দেখুৱালে। নিজৰ সৃষ্টিকর্মৰ জৰিয়তে হৈ পৰিল জগত বিখ্যাত। অর্থাৎ এওঁলোকৰ চিন্তা আৰু শিল্পকর্মত এটা কথা স্পষ্ট যে ভাল চিনেমা দর্শকে আকোঁৱালি ল'বই। যাৰবাবে এইসকল পৰিচালকৰ প্রচেষ্টাক শলাগিছোঁ। ইয়াৰ সমান্তৰালভাৱে চলচ্চিত্র উদ্যোগৰ লেকুনা সমূহ আঁতৰোৱাৰ বাবে সামূহিক প্রচেষ্টাত পৰিকাঠামোৰ পৰিবর্তন কৰাটো বাঞ্চনীয়। অন্যথা এইক্ষেত্রত সফলতা যেন সুদূৰপৰাহত। সম্প্রতি ভোগ-বিলাস সর্বস্ব আৰু প্রচাৰকেন্দ্রীক ব্যৱস্থাত প্রকৃত নায়কসকলক ক'ৰবাত যেন ঢাকি ৰাখিব বিচৰা হৈছে, কেতিয়াবা তেনে অনুভৱ হয়। অৱশ্যে এয়াও ঠিক যে মাটিত পুতি থ'লেও সোণৰ উজ্বলতা নকমে। ভাল বস্তু সদায়ে স্থায়ী। কিন্তু বর্তমান সময়ত একাংশ সামাজিকভাবে দায়বদ্ধ আৰু দক্ষ পৰিচালকে এখন ভাল চলচ্চিত্র নির্মাণ কৰিব খুজিলে অথবা নির্মাণ কৰিলেও আৰ্থিক ভাৱে লোকচানৰ সন্মুখীন হোৱা দেখা যায়। আনহাতে আন একাংশ পৰিচালকে প্রচাৰৰ জৰিয়তে এখন তুলনামূলকভাবে নিম্ন মানদণ্ডৰ চলচ্চিত্র নির্মাণ কৰিও কোটি কোটি টকা ঘটাৰ উদাহৰণো এইখন অসমতে আছে। পাৰ্থক্যটো তাতেই, ক'ৰবাত যেন আমি ব্যর্থ হৈছো চলচ্চিত্র এখনৰ মানদণ্ড নিৰূপণ কৰাত। আমি অসমীয়া চলচ্চিত্রৰ বিৰোধী নহয় অথবা সফলতা-বিফলতা বিচাৰ কৰাৰো যোগ্যতা নাই। কেৱল আমি বিচাৰো চিনেমাৰ নামত চিনেমা নির্মাণ কৰিলেই নহ'ব। আমি বিচাৰো ভাল চিনেমা। সেয়াই আমাৰ কাম্য। লগতে একাংশ মধ্যভোগী দালালক ৰক্ষণাবেক্ষণ দিয়াৰ স্বাৰ্থত যাতে সমাধিস্থ কৰা নহয় একাংশ পৰিচালকৰ সৃষ্টি কর্মক। এই ক্ষেত্রত অৱশ্যে আমিও ধোৱা-তুলসীৰ পাত নহয়। একেদৰে চলচ্চিত্র গৃহৰ মালিক পক্ষৰো অসমীয়া চলচ্চিত্র প্রদর্শন কৰাৰ ক্ষেত্রত যি অনীহাৰ মনোভাৱ সেয়াও চিন্তনীয়। অধিক মুনাফা লাভৰ স্বাৰ্থত বলিউদী চিনেমা অথবা দাক্ষিণাত্যৰ চিনেমা প্রদর্শনৰ ওপৰত বেছি গুৰুত্ব দিয়া একাংশ চলচ্চিত্রগৃহৰ মালিকপক্ষও এই ক্ষেত্রত বহু পৰিমাণে জগৰীয়া। হয়, দর্শক অবিহনে চলচ্চিত্র প্রদর্শন কৰাটো অসম্ভৱ। সেইবুলি সদিচ্ছাৰ মনোভাৱ এটা থকাটো এজন অসমীয়া হিচাপে আমাৰ দৰকাৰ। লগতে পৰিবর্তনকামী চৰকাৰবোৰেও চলচ্চিত্র উদ্যোগৰ উত্তৰণ আৰু সংস্কাৰৰ ক্ষেত্রত পদক্ষেপ লোৱাটো দৰকাৰ। যদিও একাংশই ক'ব খোজে যে অসমীয়া চলচ্চিত্রৰ অতি সাম্প্রতিক ধাৰা পূর্বৰ তুলনাত বহু পৰিমাণে উন্নত হৈছে তথাপিও কিন্তু সংকটমুক্ত বুলি ক'ব পৰা হোৱা নাই। তাৰবাবে অৱশ্যে গোৱাল-গালি কিম্বা সমালোচনাৰ ফুলজাৰি মাৰি থাকিলে নহ'ব। কিয়নো এখন দাক্ষিণাত্যৰ চিনেমা তথা আন ভাষাৰ চিনেমাসমূহে যদি সমগ্র ভাৰততে খলকনি তুলিব পাৰে তেন্তে অসমীয়া চিনেমাইও নোৱাৰাৰ প্রশ্নই নুঠে। তদুপৰি একাংশ অসমীয়া অভিনেতা-অভিনেত্রীৰ অভিনয়ৰ মানদণ্ডৰ ওপৰতো কেতিয়াবা প্রশ্নবোধকৰ উদ্ভৱ হয়। অভিনয়ৰ মানদণ্ডই চলচ্চিত্র এখনক সফল ৰূপ দিয়াত বহু পৰিমাণে ইন্ধন যোগায়। ইতিবাচক চিন্তা আৰু সময়োপযোগী দৃষ্টিকোণেৰ চৰকাৰ, পৰিচালক আৰু সচেতন দর্শকৰ সমূহীয়া প্রচেষ্টাত ইয়াৰ পৰিবর্তন অনাটো দৰকাৰ। অন্যথা ৰূপকোঁৱৰে যি স্বপ্ন লৈ এই উদ্যোগটোক প্রতিষ্ঠা কৰিছিল সেই সপোনক কুঠাৰাঘাত কৰাৰ লেখীয়া হ'ব (অৱশ্যে কৰিবলৈ বাকী নাই)। একেদৰে পৰিচালক সকলেও এটা কথা হৃদয়ংগম কৰা উচিত যে চলচ্চিত্র মানেই কেৱল আর্থিক লাভালাভ কিম্বা মুনাফা লাভ কৰাটোৱে নহয়। সম্প্রতি চৰকাৰে যদিও বিভিন্ন পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে তথাপিও কিন্তু এয়া আমাৰ বিশ্বাস নহয় যে ই এদিন কার্যক্ষেত্রত পৰিণত হ'ব! নে আইন ৰূপে কেৱল চৰকাৰী ফাইলতে আৱদ্ধ থাকিব। যদি সেয়া হয় তেন্তে অসমীয়া চলচ্চিত্র উদ্যোগৰ উন্নতি, সংস্কাৰ আৰু উত্তৰণ আশা কৰাটো পানীৰ তলত কাঁইট বিচৰাৰ লেখীয়া হ'ব আৰু মহীৰূহসমূহৰ সৃষ্টিক সংৰক্ষণ আৰু আগুৱাই নিয়াত আমি চূড়ান্ত ব্যর্থ হোৱা বুলি প্রতীয়মান হ'ব। আহক অসমীয়া চলচ্চিত্রক সঞ্জীৱনী শক্তি প্রদান কৰো এজন সচেতন অসমীয়া হিচাপে। ❑

> সচেতনতা আৰু জাগৰণৰ মাজত পাৰ্থক্য হ'ল— সচেতনতা হ'ল ইন্ধন,
> জাগৰণ হ'ল একপ্রকাৰ অগনি, যি অগনিয়ে দুষ্কৃতিক পুৰি ন সৃষ্টিৰ ন গজালি গজাত সহায় কৰে।
> —— *ভাৰতৰত্ন ড° ভূপেন হাজৰিকা*

# বিভাজন
## স্বাধীনতাৰ লগত অহা এক কলংক



সাগৰ দাস
উঃমাঃ প্ৰথম বৰ্ষ

> “.......... *At the stroke of the midnight hour,*
> *when the world sleeps,*
> *India will awake to life and freedom.....*”
>
> — জৱাহৰলাল নেহৰু, ১৪ আগষ্ট, ১৯৪৭ নিশা ১২ বজা।

ইংৰাজৰ লগত চলা সুদীৰ্ঘ সংগ্ৰামৰ অন্তত ভাৰতে ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে মাজনিশা স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল। যদিও ১৫ আগষ্টক স্বাধীনতা দিৱস হিচাপে মানি লোৱা হয় প্ৰকৃততে ১৪ আগষ্টৰ মাজনিশাহে ভাৰতবৰ্ষ স্বাধীন হৈছিল। কিন্তু এই স্বাধীনতাৰ লগত আহিছিল বিভাজন নামৰ এক মচিব নোৱাৰা কলংক। যাৰ কথা ভাবিলে আজিও প্ৰত্যেক ভাৰতীয়ৰ বুকুত এক যন্ত্ৰণাৰ সৃষ্টি হয়। বিভাজন নামৰ এই গোটেই অধ্যায়টোৰেই তেজেৰে ৰাঙলী এক ইতিহাস আছে। সেয়েহে এই তেজসনা বিষয়টো এবাৰ স্পৰ্শ কৰাৰ চেষ্টা কৰিছো।

সাম্প্ৰদায়িক বিভাজনৰ পাশাখেলত ৰক্তাক্ত হৈ পৰিছিল ভাৰতবৰ্ষ। চাৰিওফালে কেৱল ভয়াৱহ হিংসাই দেখা দিছিল। হিন্দু,














মুছলমান, শিখ আদি প্ৰত্যেক ধৰ্মৰ মানুহে আন ধৰ্মৰ মানুহক হত্যা কৰিছিল, ঘৰ-বাৰী জ্বলাই দিছিল। চাৰিওফালে মৃতদেহ নধৰা হৈছিল। মৃতদেহবোৰৰ ওপৰত পৰি আছিল জাক-জাক শগুণ। এই ধ্বংসযজ্ঞত প্ৰায় ১০ লাখৰো অধিক মানুহৰ মৃত্যু হৈছিল আৰু ২ কোটি মানুহ গৃহহীন হৈ পৰিছিল। এই ধ্বংসযজ্ঞৰ ফলতেই সৃষ্টি হৈছিল পাকিস্তানৰ।

এই ভয়ংকৰ বিভাজন একেদিনাই হোৱা নাছিল। ব্ৰিটিছৰ 'বিভাজন আৰু শাসন নীতি' (Divide and rule) আৰু সাম্প্ৰদায়িক ৰাজনীতি বিভাজনৰ মুখ্য কাৰণ। এই ৰাজনীতি আৰম্ভ হয় ব্ৰিটিছে মুছলিম লীগক ১৯০৯ চনত পৰামৰ্শ দিয়াৰ পৰা। তাৰোপৰি মুছলীম লীগৰ মুখ্য নেতা মহম্মদ আলী জিন্নাৰ দ্বি-জাতি তত্ত্বটোৰ পৰাও সাম্প্ৰদায়িক ৰাজনীতি তীব্ৰতৰ হ'বলৈ ধৰে। ইয়াত মুছলিম লীগৰ সম্পূৰ্ণ প্ৰতিদ্বন্দ্বী দল আছিল ভাৰতীয় জাতীয় কংগ্ৰেছ। ইয়াৰ পিছৰ সময়ছোৱাত ধৰ্মীয় গোড়ামি বাঢ়িবলৈ ধৰিছিল আৰু হিন্দু-মুছলমানৰ মাজত সংঘাত বাঢ়িবলৈ ধৰিছিল। এনেবোৰ ঘটনাৰ বাবেই জিন্নাই মুছলিম লীগক মুছলমান সকলৰ 'একমাত্ৰ মুখপাত্ৰ' আখ্যা দিবলৈ সুবিধা লাভ কৰিছিল।



১৯৩৭ চনত প্ৰথম প্ৰাদেশিক নিৰ্বাচন অনুষ্ঠিত হয়। য'ত কংগ্ৰেছে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল, আনহাতে মুছলিম লীগে অত্যন্ত কম আসন লাভ কৰে। ইয়াৰ ফলত জিন্না নেতৃত্বাধীন মুছলিম লীগে কংগ্ৰেছৰ সৈতে সংযুক্ত চৰকাৰ গঠন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছিল, কিন্তু কংগ্ৰেছে প্ৰত্যাখ্যান কৰিছিল। কাৰণ কংগ্ৰেছে সংখ্যাগৰিষ্ঠ আসন লাভ কৰিছিল। ইয়াৰ ফলত জিন্নাই ভয় খালে আৰু প্ৰত্যয় গ'ল যে যদি তেওঁলোকে ভাৰতৰ সৈতে থাকে, তেতিয়া তেওঁলোকে কোনোদিনেই জয়ী হ'ব নোৱাৰিব। তাৰোপৰি কংগ্ৰেছলৈ লক্ষ্য কৰিলে দেখা গৈছিল যে তেওঁলোকৰ অধিকাংশ সদস্য হিন্দু মহাসভা আৰু RSS ৰ লগত প্ৰত্যক্ষভাৱে জড়িত আছিল, যাৰ ফলত ভাৰতত উগ্ৰ হিন্দুত্ববাদী ভাৱধাৰাৰ উত্থান হ'বলৈ ধৰে।

এনেধৰণৰ ঘটনাসমূহৰ বাবেই মহম্মদ আলী জিন্নাই মুছলিম লীগক মুছলমানসকলৰ পৃষ্ঠপোষক বুলি ঘোষণা কৰিছিল। লাহে লাহে দুয়োপক্ষৰ মাজৰ প্ৰাচীৰখন বৃদ্ধি পাবলৈ আৰম্ভ কৰিছিল। ১৯৪০ চনৰ ২৩ মাৰ্চত লাহোৰত অনুষ্ঠিত হোৱা এখন সভাত মুছলিম লীগে নিজৰ সংখ্যাগৰিষ্ঠতা থকা অঞ্চল সমূহৰ বাবে স্বায়ত্বশাসনৰ দাবী কৰে। মন কৰিবলগীয়া যে এই দাবীটোত পাকিস্তান সৃষ্টিৰ কথাটো অপ্ৰকাশ্যৰূপে থাকি গৈছিল। কিন্তু ইয়াক পাকিস্তান দাবীৰ এক অস্পষ্ট ৰূপ বুলি ক'ব পাৰি। সময় যিমানে আগবাঢ়িছিল, স্বাধীনতা আন্দোলনো সিমানে আগবাঢ়িছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনে ব্ৰিটিছৰাজ কঁপাবলৈ সক্ষম হৈছিল। ইয়াৰ ফলতেই ব্ৰিটিছে ক্ষমতাৰ হস্তান্তৰৰ বাবে ৰাজনৈতিক দল দুটাৰ মাজত ১৯৪৫ চনত আলোচনা কৰে। ব্ৰিটিছে এটা প্ৰস্তাৱ আগবঢ়াইছিল। এই প্ৰস্তাৱ অনুসৰি সামৰিক আৰু ভাইচৰয়ৰ দায়িত্ব ব্ৰিটিছৰ হাতত ৰখাৰ সিদ্ধান্ত ল'ব বিচৰা হৈছিল, কিন্তু জিন্নাই মুছলীম লীগৰ সুবিধাৰ্থে নানা ধৰণৰ চৰ্ত আৰোপ কৰিবলৈ আৰম্ভ কৰি দিছিল, যাৰবাবে এই আলোচনা ব্যৰ্থ হ'ল।

১৯৪৬ চনত পুনৰ প্ৰাদেশিক নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত কংগ্ৰেছ আৰু মুছলিম লীগ দুয়োটা দলেই নিজৰ সংৰক্ষিত এলেকাসমূহত ভাল ফল দেখুৱাবলৈ সক্ষম হৈছিল। ইয়াৰ ফলত মুছলীম লীগৰ জনপ্ৰিয়তা বাঢ়িবলৈ ধৰে। লাহে লাহে বিভাজনৰ দাবীটো ক্ৰমাৎ তীব্ৰতৰ হ'বলৈ আৰম্ভ কৰে। এই সমস্যা আঁতৰ কৰাৰ কাৰণে ব্ৰিটিছ আয়োগৰ এটা দলে পৰিৱেশ পৰিস্থিতি অধ্যয়ন কৰি বিকল্প হিচাপে এখন আঁচনি আগবঢ়ালে। আঁচনিখনৰ মতে ভাৰতক অখণ্ড কৰি ৰাখিব বিচৰা হৈছিল। হিন্দু প্ৰধান অঞ্চলসমূহক 'ক' অঞ্চল, মুছলমান প্ৰধান অঞ্চলসমূহক 'খ' অঞ্চল আৰু অসমকে ধৰি আন আন অঞ্চলসমূহক 'গ' অঞ্চল হিচাপে গ্ৰুপিং কৰা হৈছিল।

প্ৰথমে সকলোৱে এই আঁচনিখন মানি লৈছিল, কিন্তু পিছত মতানৈক্যই দেখা দিছিল। জিন্নাৰ মতে এই গ্ৰুপিং ব্যৱস্থাটো সকলো ৰাজ্যৰ বাবে বাধ্যতামূলক হোৱা উচিত, আনহাতে কংগ্ৰেছৰ মতে সকলো ৰাজ্যকে নিজৰ ইচ্ছা অনুসৰি গ্ৰুপত যোগদানৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰা উচিত। এনেবোৰ কাৰণত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হৈছিল আৰু শেষত আঁচনিখন বিফল হয়। উল্লেখযোগ্য কথা যে অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে এই গ্ৰুপিং আঁচনিৰ তীব্ৰ বিৰোধিতা কৰিছিল। লাহে-লাহে বিভাজনৰ দাবী অধিক তীব্ৰতৰ হ'বলৈ ধৰিলে। এই দাবীটো সফল



কৰি তুলিবৰ বাবে জিন্নাই ১৯৪৬ চনৰ ১৬ আগষ্ট তাৰিখে "Direct Action Day" ঘোষিত কৰিলে। সেইদিনাই কলকাতাত ভয়াৱহ অশান্তিয়ে দেখা দিছিল। সেইদিনাই কলকাতাত লাখ-লাখ মানুহক হত্যা কৰা হৈছিল, ঘৰ-বাৰী, দোকান-বজাৰ আদি ভস্মীভূত কৰা হৈছিল। মানুহৰ মৰাশবোৰ য'তে-ত'তে পৰি আছিল। ইয়াকে "কলকাতা দাংগা" বুলি কোৱা হয়। লাহে-লাহে এই আন্দোলন বহু দূৰলৈ বিয়পি পৰিছিল। সকলোৱে এজনে আনজনক হত্যা কৰিবলৈ তৎপৰ হৈ আছিল। মানুহ গুচি নৰপিশাচলৈ ৰূপান্তৰিত হৈছিল। লাখ-লাখ মানুহক ভাৰতৰ বিভিন্ন ঠাইত হত্যা কৰা হৈছিল। মহিলাসকলে নিজৰ আত্মসন্মান ৰক্ষা কৰিব নোৱাৰি কুঁৱাত জাপ দি আত্মজাহ দিছিল। মৃতদেহবোৰ চাৰিওফালে দম হৈ পৰি আছিল আৰু সেইবোৰত শগুণ পৰিবলগীয়া হৈছিল। কিন্তু এইবোৰ ৰোধ কৰিবলৈ ব্ৰিটিছ প্ৰশাসন সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল। এইবোৰ দেখিও কিন্তু বিভাজনৰ মুখ্য নায়ক জিন্নাৰ ওপৰত অকণো প্ৰভাৱ পৰা নাছিল। মহাত্মা গান্ধীয়ে ১৪ বাৰ তেওঁক বুজাইছিল, কিন্তু জিন্না নিজৰ স্থিতিত অটল হৈ আছিল। অৱশেষত ১৯৪৭ চনৰ ৩ জুনত ভাৰতক খণ্ডিত কৰাৰ সিদ্ধান্ত লোৱা হয়। ভোটৰ ভিত্তি পঞ্জাৱ আৰু বেংগলক দ্বিখণ্ডিত কৰা হৈছিল। সময় ক্ষিপ্ৰগতিত আগবাঢ়িছিল। ১৯৪৭ চনৰ আগষ্ট মাহ আৰম্ভ হৈছিল। এই মাহতে অমৃতসৰত ৫ জন মুছলমানক হত্যা কৰা হৈছিল। ইয়াৰ প্ৰতিশোধ স্বৰূপে লুধিয়ানা ফিৰোজ ৰোডত ৪৭ জন শিখক হত্যা কৰা হৈছিল। স্বাধীনতাৰ প্ৰাকমুহূৰ্তত পাকিস্তানলৈ যাত্ৰী কঢ়িওৱা ৰেলগাড়ীত অজ্ঞাত লোকে আক্ৰমণ কৰে। ইয়াৰ প্ৰতিশোধ স্বৰূপে ১৯৪৭ চনৰ ১৫ আগষ্টৰ নিশা লাহোৰৰ পৰা অমৃতসৰমুখী ৰেলত অহা প্ৰায় সকলো লোককে হত্যা কৰি মৃতদেহবোৰ পঠাই দিয়া হৈছিল। যেতিয়া ৰেলখন গন্তব্যস্থান আহি পাইছিল তেতিয়া দুৱাৰ খুলি বাহিৰ ওলাবলৈ কোনো নাছিল। এই দৃশ্য দেখি সকলোৱে কান্দোনত ভাগি পৰিছিল। এই ৰেলখনৰ শেষৰ দবাটোত কাগজ এখন আঠা মাৰি থোৱা আছিল আৰু য'ত লিখা আছিল "পেটেল আৰু নেহৰুৰ বাবে স্বাধীনতাৰ উপহাৰ পঠাইছোঁ।"

এই ঘটনাসমূহে আমাক দেখুৱাই যে পূৰ্বতে যিখন ভাৰতৰ মানুহে ঐক্যবদ্ধ হৈ ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ কৰিছিল, শেষ সময়ত তেওঁলোকে নিজৰ মাজতেই যুদ্ধ কৰিব ধৰিলে। ইয়াৰ ফলত সৃষ্টি হ'ল ভাৰত আৰু পাকিস্তানৰ। এই ঘটনাই আমাৰ মনত দি থৈ গ'ল এক যন্ত্ৰণা, যি যন্ত্ৰণাই আজিও আমাৰ হৃদয়ত আঘাত দিয়ে। শেষত মঃ ইকবাল আহমেদৰ কথাফাঁকিৰে সমাপ্ত কৰিলোঁ—

"সাৰে জাহা সে আচ্ছা
হিন্দুস্তান হামাৰা
হাম বুলবুলে হে ইচকো
য়ে গুলছিতা হামাৰা।"❐


সহায়ক গ্ৰন্থপঞ্জী ঃ

১) উঃমাঃ ইতিহাস, তৃতীয় খণ্ড ঃ AHSEC

২) From Plassey to Partition by Sekhar Bandyopadhyay.

৩) Internet.


দেশে বিচাৰে স্বাধীনতা, জাতিয়ে বিচাৰে মুক্তি, জনগণে বিচাৰে বিপ্লৱ।

—— *মাও-চে-তুঙ*




# যৌন অপৰাধ আৰু শিশুক সুৰক্ষা প্ৰদান আইন



পম্পী অধিকাৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক

আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। কাইলৈ যদি আমি এখন সুস্থ-সবল সমাজ চাবলৈ বিচাৰো, তেনেহ'লে আজিৰ শিশুসকলক গঢ়িব লাগিব, সুৰক্ষা প্ৰদান কৰিব লাগিব। আজিৰ সমাজত এচাম পুৰুষৰ পৈশাচিক প্ৰবৃত্তি চৰিতাৰ্থ কৰাৰ বলি শিশুসকলো। বলপূৰ্বকভাৱে বা প্ৰলোভনেৰে শিশুসকলক কাষলৈ মাতি নি তেওঁলোকে অসৎ কাৰ্য চৰিতাৰ্থ কৰে। কেতিয়াবা শিশুসকল আত্মীয়ৰ দ্বাৰাও যৌন নিপীড়নৰ বলি হোৱা দেখা যায়। National Crime Records Bureau (NCRB) ৰ তথ্য অনুসৰি শিশুৰ যৌন নিৰ্যাতনৰ অভিযোগত অভিযুক্ত হোৱা লোকৰ ৯৪.৮ শতাংশই তেওঁলোকৰ পৰিচিত বা আত্মীয় ব্যক্তি। NCRBয়ে ধৰ্ষণক এক গুৰুতৰ অপৰাধ বুলি অভিহিত কৰিছে।

আত্মীয়ৰ যৌন নিপীড়নৰ বলি হ'লে শিশুৱে বাধা দিবও নোৱাৰে বা যদি নিৰ্যাতনকাৰী শিশুটিৰ খুবেই ঘনিষ্ঠ হয়, তেতিয়া শিশুটিয়ে ভয় বা আন কাৰণত বেলেগৰ আগত কথাটো খোলাখুলিকৈ ক'বলৈ কুণ্ঠাবোধ কৰে। যাৰ ফলত প্ৰায়ে শিশুৱে ভয়, উৎকণ্ঠা আৰু হতাশাত ভোগে। সেয়েহে যৌন নিপীড়নৰ বলি হোৱা শিশুৰ মানসিক দিশটো বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। উল্লেখযোগ্য যে কেৱল ধৰ্ষণেই যৌন নিৰ্যাতন নহয়। যৌন অভিপ্ৰায়েৰে শিশুৰ দেহ স্পৰ্শ, যৌন সম্পৰ্কীয় কথা পাতি বা Blue Film দেখুৱাই তেনে কামৰ প্ৰতি প্ৰলোভিত কৰাটোও যৌন অপৰাধতেই পৰে।

এই সকলোবোৰৰ ওপৰত ভিত্তি কৰিয়েই ১৮ বছৰৰ তলৰ সকলো শিশুকে যৌন আক্ৰমণ, যৌন হাৰাশাস্তি আদিৰ পৰা সুৰক্ষা

প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰণয়ন কৰা হয় যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা প্ৰদান আইন, ২০১২। National Crime Records Bureau (NCRB)ৰ তথ্য অনুসৰি এই আইনৰ অধীনত পঞ্জীয়ন হোৱা গোচৰৰ সংখ্যা ২০১৪ চনত আছিল ৮,৯০৪ টা, ২০১৫ চনত ১৪,৯১৩ টা। আনহাতে ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ ধাৰাৰ অধীনত শিশু ধৰ্ষণৰ অপৰাধত পঞ্জীয়ন হোৱা গোচৰৰ সংখ্যা ২০১৪ চনত আছিল ১৩,৭৬৬ টা আৰু ২০১৫ চনত হয় ১০,৮৫৪ টা। তুলনামূলকভাৱে যৌন অপৰাধ সংক্ৰান্তীয় গোচৰৰ সংখ্যা হ্ৰাস হোৱাতকৈ বৃদ্ধিহে পাইছে।

যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা প্ৰদান, ২০১২ আইনখনে নিৰ্ধাৰণ কৰা অপৰাধ আৰু শাস্তিৰ ব্যৱস্থাসমূহ হ'ল—

১। বলপূৰ্বক অন্তৰ্গমনমূলক যৌন আক্ৰমনৰ অপৰাধত কমেও সাত বছৰৰ কাৰাদণ্ড, যি যাৱজ্জীৱন কাৰাদণ্ডলৈ বৃদ্ধি হ'ব পাৰে আৰু জৰিমনা।

২। গুৰুতৰ বলপূৰ্বক অন্তৰ্গমনমূলক যৌন আক্ৰমণৰ অপৰাধত কমেও দহ বছৰৰ কাৰাদণ্ড, যি যাৱজ্জীৱন কাৰাদণ্ডলৈ বৃদ্ধি হ'ব পাৰে আৰু জৰিমনা।

৪। গুৰুতৰ যৌন নিৰ্যাতনৰ অপৰাধত কমেও পাঁচ বছৰৰ কাৰাদণ্ড, যি সাত বছৰলৈ বৃদ্ধি হ'ব পাৰে আৰু জৰিমনা।

৫। শিশুক পৰ্ণগ্ৰাফীৰ উদ্দেশ্যত ব্যৱহাৰৰ অপৰাধত আইনখনৰ বিভিন্ন ধাৰা অনুসৰি অপৰাধৰ ভাগ অনুযায়ী কাৰাদণ্ড বা জৰিমনাৰ ব্যৱস্থা আছে।

আকৌ যদি শিশুৰ কৰ্তৃত্ব ল'ব পৰা ব্যক্তিয়ে অপৰাধ সংঘটিত কৰে, তেন্তে তাক গুৰুতৰ অপৰাধ হিচাপে গণ্য কৰা হয়।

আইনখনৰ অধীনলৈ অহা অপৰাধসমূহৰ বিচাৰৰ বাবে বিশেষ আদালত প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰা হৈছে। অপৰাধসমূহৰ বাতৰি পৰিৱেশন, সাক্ষ্যগ্ৰহণ, তদন্ত আৰু বিচাৰৰ ক্ষেত্ৰত আইনখনে শিশুৰ সহায়ক প্ৰক্ৰিয়া অনুসৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাসমূহৰ ভিতৰত—

১। শিশুটোৰ বাসগৃহতেই অথবা তাৰ পচন্দৰ আন যিকোনো স্থানত সাক্ষ্যগ্ৰহণৰ ব্যৱস্থা। এই কামৰ বাবে অগ্ৰাধিকাৰ পাব কমেও ছাব ইন্সপেক্টৰ পদবীধাৰী এগৰাকী মহিলা আৰক্ষী বিষয়াই।

২। কোনো শিশুকেই কোনো কাৰণতে নিশাৰ ভাগত আৰক্ষী থানাত আটক কৰি ৰাখিব নোৱাৰিব।

৩। শিশুটোৰ সাক্ষ্যগ্ৰহণৰ সময়ত আৰক্ষী বিষয়াই ইউনিফৰ্ম পৰিধান কৰা অৱস্থাত নাথাকিব।

৪। শিশুটোৰ আৱশ্যকতা অনুসৰি এগৰাকী বিশেষজ্ঞৰ পৰামৰ্শ বা সহায় ল'ব।

৫। যদি প্ৰতিবন্ধী শিশু হয় তেন্তে শিশুটোৰ বাৰ্তালাপৰ ধৰণৰ বিষয়ে জ্ঞাত যিকোনো এজন ব্যক্তিৰ সহায় ল'ব।

৬। শিশুটোৰ পিতৃ-মাতৃ বা শিশুটোৰ বিশ্বাসী যিকোনো লোকৰ উপস্থিতিতহে শিশুটোৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব।

৭। যদি নিৰ্যাতনৰ বলি কন্যা শিশু হয়, তেন্তে মহিলা চিকিৎসকেহে শিশুটোৰ স্বাস্থ্য পৰীক্ষা কৰিব পাৰিব।

৮। সাক্ষ্যগ্ৰহণৰ সময়ত শিশুটোক বাৰে বাৰে সাক্ষ্যগ্ৰহণৰ বাবে আদালতলৈ মাতিব নোৱাৰিব।

৯। সংবাদ মাধ্যম, ষ্টুডিঅ' আদিত যাতে শিশুটোৰ যৌন নিৰ্যাতন প্ৰকাশ নহয় তাৰ প্ৰতি চকু দিব লাগে।

এনেবোৰ আইনী ব্যৱস্থা থকা সত্বেও বহুলোক জ্ঞাত নহয়। গতিকে জ্ঞাত লোকে ৰাইজৰ মাজত সচেতনতা আনিব লাগে।

যৌন অপৰাধ সংক্ৰান্তীয় সমস্যা দূৰীকৰণৰ বাবে অভিভাৱকসকলে কেইটামান কথাত মনোযোগ দিয়াটো অত্যন্ত প্ৰয়োজন, যিটো শিশু সুৰক্ষাৰ ক্ষেত্ৰতো অত্যন্ত প্ৰাসংগিক—

১। অত্যন্ত ব্যস্ততাৰ মাজতো শিশুক বন্ধুত্বসুলভ পৰিৱেশ এটাৰ সৃষ্টি কৰি সহজ হ'বলৈ দিব লাগে।

২। শিশুটোৰ দৈনিক কাৰ্যসূচী, বন্ধুবৰ্গৰ বিষয়ে খবৰ লোৱা উচিত।

৩। শিশুটোক ইণ্টাৰনেট আদিৰ যোগেদি কোনোবাই কিবা অশ্লীল ছবি দেখুৱাই নেকি তাৰ অনুসন্ধান কৰা উচিত।

৪। কোনো ব্যক্তিয়ে দেহৰ ক'ত স্পৰ্শ কৰিলে বেয়া ইংগিত দিয়ে, ক'ত স্পৰ্শ কৰিলে ভাল ইংগিত দিয়ে তাৰ বিষয়ে শিশুটিক জ্ঞাত কৰোৱা উচিত।

৫। নেতিবাচক ঘটনা হ'লে তৎকালে কাক ক'ব লাগে, বিশ্বাসী কোন, অবিশ্বাসী কোন আদি কথাবোৰ ভালদৰে শিশুটিক বুজাই দিব লাগে।

মুঠৰ ওপৰত এখন সুস্থ-সবল সমাজ বা দেশ পাবলৈ হ'লে আজিৰ শিশুসকলক গুৰুত্বসহকাৰে গঢ়ি তুলিবই লাগিব। শিশু সুৰক্ষাৰ ক্ষেত্ৰত আইনী ব্যৱস্থা সুন্দৰভাৱে সম্পাদন হোৱাৰ লগতে আইন সম্পৰ্কে অজ্ঞাত লোকসকলক জ্ঞাত কৰাব লাগিব। শিশু সুৰক্ষাৰ ক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱকসকলৰ দায়িত্ববোধ অতি গুৰুত্বপূৰ্ণ।□


সহায়ক গ্ৰন্থপঞ্জী ঃ

ক) বিভিন্ন সংখ্যাৰ কাকত আৰু আলোচনী।

খ) ইণ্টাৰনেট।

# বিশ্বায়ন আৰু অসমৰ সংস্কৃতি





বিষ্ণুজ্যোতি ৰাজবংশী
স্নাতক চতুৰ্থ যাণ্মাসিক

সাম্প্ৰতিক সময়ৰ এটি অতি চৰ্চিত বিষয় হ'ল 'বিশ্বায়ন'। বিশ্বায়ন হ'ল পশ্চিমৰ ধনী দেশসমূহে বিশ্বৰ অৰ্থনৈতিক সংস্কাৰৰ নামত ৰূপায়ণ কৰা এক নব্য অৰ্থনৈতিক প্ৰক্ৰিয়া। বিশ্বায়নৰ মূলমন্ত্ৰ হৈছে অৰ্থনৈতিক ক্ষেত্ৰত উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ। আমেৰিকাকে আদি কৰি পশ্চিমৰ ধনী দেশসমূহে মুক্ত অৰ্থনৈতিক আদান-প্ৰদানৰ গইনা লৈ বিশ্বৰ অনুন্নত আৰু উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক ক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈ লৈছে। বিশ্বায়নৰ ফলত বিশ্বৰ উন্নয়নশীল আৰু অনুন্নত দেশসমূহৰ অৰ্থনীতিত কিছু ইতিবাচক প্ৰভাৱ পৰিলেও বিশ্বায়নৰ চৰ্তসমূহ মানি লৈ দুখীয়া দেশবোৰে চৰকাৰী উদ্যোগ, কল-কাৰখানা আদিৰ বিলুপ্তি ঘটাই ব্যক্তিগত পুঁজিপতিৰ হাতত অৰ্পণ কৰিছে। প্ৰচুৰ বিত্তীয় ক্ষমতা থকা বিদেশী বহুজাতিক কোম্পানীবোৰৰ লগত ফেৰ মাৰিব নোৱাৰাৰ ফলত একাংশ দেশীয় উদ্যোগ-কাৰখানা বন্ধ হৈ যোৱা পৰিলক্ষিত। যাৰ ফলত তৃতীয় বিশ্বৰ দেশসমূহ দিনক দিনে অধিক দুখীয়া তথা সমস্যাৰে জৰ্জৰিত হৈ আহিছে।

বিশ্বায়নে সমগ্ৰ বিশ্বখনক এখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিজ্ঞান তথা প্ৰযুক্তিৰ প্ৰসাৰ, দূৰদৰ্শন, ইণ্টাৰনেট আদিকে ধৰি বিভিন্ন বৈদ্যুতিন প্ৰচাৰ মাধ্যমসমূহৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলত আমাৰ সমাজ জীৱনৰ পৰম্পৰা ৰীতি-নীতি, ধ্যান-ধাৰণা, কৃষ্টি-সংস্কৃতি আদিত পশ্চিমীয়া সংস্কৃতিৰ অনুপ্ৰৱেশ ঘটিছে। যাৰ ফলত থলুৱা কৃষ্টি-সংস্কৃতিবোৰ একপ্ৰকাৰ বিলুপ্তিৰ পথত।

ভাষা আৰু কৃষ্টি-সংস্কৃতিয়ে এটা জাতিৰ অস্তিত্ব বৰ্তাই ৰাখে। কোনো জাতিৰ ভাষা আৰু কৃষ্টি-সংস্কৃতিৰ ইতিবাচক পৰিৱৰ্তন হ'লেহে ইয়াৰ স্বকীয় অস্তিত্ব বৰ্তি থাকিব। বিশ্বায়নৰ ফলত আমাৰ ভাষা-সংস্কৃতিত পশ্চিমীয়া সংস্কৃতিৰ পয়োভৰ ঘটিছে। সেইবোৰে আমাৰ ভাষা-সংস্কৃতিৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলোৱাৰ পৰিৱৰ্তে থলুৱা সংস্কৃতিলৈ সংকটহে কঢ়িয়াই আনিছে। পশ্চিমীয়া ধনী দেশবোৰে তেওঁলোকৰ বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে সস্তীয়া সংস্কৃতি (যিবোৰ প্ৰকৃততে তেওঁলোকৰ জাতীয় সংস্কৃতি নহয়) আমাৰ মাজলৈ উলিয়াই দি সংস্কৃতিৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে আৰু যিবোৰ আমাৰ নৱপ্ৰজন্মই আধুনিকতাৰ ছেওঁত নাচি অন্ধভাৱে অনুসৰণ কৰি আহিছে।

আধুনিকতাৰ কবলত অসমীয়া সংস্কৃতিৰ বহল পথাৰখন আগুৰি থকা উৎসৱ-পাৰ্বণবোৰত এক বৃহৎ পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। অসমীয়াৰ হিয়াৰ আমঠু তথা অসমৰ জাতীয় উৎসৱ 'বিহু'টিক লৈ বিভিন্ন ব্যৱসায় আৰম্ভ হৈছে। পূৰ্বতে বিহু উৎসৱটি আছিল গাঁওমুখী। এতিয়া তাৰ পৰিৱৰ্তে বিহু হৈছে নগৰমুখী। বিহু এতিয়া গছৰ তল, নৈৰ পাৰ এৰি মঞ্চত উঠিছে। আধুনিকতাৰ স্পৰ্শত বিহুগীতবোৰ হৈ পৰিছে ব্যৱসায়কেন্দ্ৰিক। বৰ্তমানৰ বিহুগীতবোৰত প্ৰকৃতিৰ সুবাস পোৱা নাযায়। ইয়াৰ উপৰিও অসমীয়া সংস্কৃতি

আন এটা দিশ উজ্বলাই থকা ওজাপালি, দেওধনী, ঢুলীয়া, নাওঁখেলৰ গীত, আইনাম, বিয়া নাম ইত্যাদিবোৰৰ প্ৰাচীন সমাজৰ তুলনাত বৰ্তমান ইয়াৰ সমাদৰ নাইকিয়া হ'ব ধৰিছে। থলুৱা সংস্কৃতি বজাই ৰাখিবলৈ এক শ্ৰেণীৰ মানুহে এই অনুষ্ঠানবোৰ উদ্‌যাপন কৰে যদিও এইবোৰ প্ৰদৰ্শন কৰিবলৈ দৰ্শকৰ অভাৱ।

আধুনিকতাৰ পৰিপ্ৰেক্ষিতত অসমীয়া সংস্কৃতিৰ নৃত্য-গীতৰ ক্ষেত্ৰত এক বৃহৎ পৰিৱৰ্তন আহি পৰিছে। পূৰ্বতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতিপ্ৰসাদ বৰুৱা আদি ব্যক্তিৰ গীতে মানুহৰ অন্তৰ চুই গৈছিল। এই মহান ব্যক্তিসকলৰ গীতত কেঁচামাটিৰ গোন্ধ পোৱা গৈছিল আৰু যিবোৰ আজিও চিৰসেউজ। কিন্তু বৰ্তমান সংগীত হৈ পৰিছে শ্ৰোতাক ক্ষন্তেকীয়া মনোৰঞ্জন দিব পৰা অসংগঠিত ভাষাৰ এক ব্যৱসায়িক শিল্প। বৰ্তমান শিল্পীসকলৰ গীতৰ সুৰত বাজে পাশ্চাত্যৰ সুৰ। লগতে নতুন নতুন পশ্চিমীয়া বাদ্যযন্ত্ৰৰ দ্বাৰা ইয়াৰ বিকৃত প্ৰতিফলন ঘটায়। নৃত্যৰ ক্ষেত্ৰতো দেখা যায় পশ্চিমীয়া ভঙ্গীমাৰ পয়োভৰ। আধুনিকতাৰ দোহাই দি অশ্লীলতাৰ সীমা অতিক্ৰম কৰি বিভিন্ন নৃত্য-গীতৰ বৰ্তমান সময়ত ব্যৱসায় কৰি থকা হৈছে।

আমাৰ সমাজত দৈনন্দিন ব্যৱহাৰিক সামগ্ৰী, সাজ-পোছাক, খাদ্যভ্যাস আদিটো বিশ্বায়নৰ ফলত পশ্চিমীয়া সংস্কৃতিৰ অনুপ্ৰৱেশ ঘটিছে। 'খাৰ খোৱা' লোক বুলি পৰিচিত অসমীয়াই এতিয়া খাৰ খাব নজনা হ'ল। পিঠা-লাড়ু, কোমল চাউলৰ ঠাই পিজ্জা, বাৰ্গাৰ আদিয়ে ল'লে। সাজ-পাৰৰ ক্ষেত্ৰতো অসমীয়া সংস্কৃতিৰ এক বিৰাট পৰিৱৰ্তন আহিল। যি ৰিহা-মেখেলা পিন্ধিলেই অসমীয়া বুলি পৰিচয় আছিল, সেই ৰিহা-মেখেলা বৰ্তমান অসমীয়া ছোৱালীয়ে চিনি নোপোৱা হ'ল। ধুতিৰ প্ৰচলন লাহে লাহে কমি আহিব ধৰিছে। সমূহীয়া উৎসৱত অসমীয়া সাজ এযোৰ পিন্ধাৰ পৰিৱৰ্তে লংপেণ্ট-চাৰ্ট, বিভিন্ন পশ্চিমীয়া সাজ-পাৰ আদিৰ ক্ষেত্ৰত হে বৰ্তমান প্ৰজন্মই আকৰ্ষিত হয়।

আধুনিকতাৰ স্পৰ্শই অসমীয়া সংস্কৃতিৰ নেতিবাচক আৰু ইতিবাচক দুয়োটা দিশেই গ্ৰহণ কৰিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানৱ সভ্যতা আগুৱাই যাবলৈ কেৱল পৰম্পৰাক যে খামুচি থাকিব লাগিব সেইটো সঁচা নহয়। পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা আছে। কিন্তু পৰিৱৰ্তন হ'ব লাগিব ইতিবাচক, ই কেতিয়াও কোনো সংস্কৃতিৰ ধ্বংসৰ কাৰণ হ'ব নালাগিব। পৰম্পৰাৰ লগত আধুনিকতাৰ সু-সম্পৰ্ক গঢ়ি তুলিব পাৰিলেহে কোনো এটা জাতিৰ সংস্কৃতি অটুট থাকিব।❒



*পূৰ্বতে বিহু উৎসৱটি আছিল গাঁওমুখী। এতিয়া তাৰ পৰিৱৰ্তে বিহু হৈছে নগৰমুখী। বিহু এতিয়া গছৰ তল, নৈৰ পাৰ এৰি মঞ্চত উঠিছে। আধুনিকতাৰ স্পৰ্শত বিহুগীতবোৰ হৈ পৰিছে ব্যৱসায়কেন্দ্ৰিক। বৰ্তমানৰ বিহুগীতবোৰত প্ৰকৃতিৰ সুবাস পোৱা নাযায়। ইয়াৰ উপৰিও অসমীয়া সংস্কৃতিৰ আন এটা দিশ উজ্বলাই থকা ওজাপালি, দেওধনী, ঢুলীয়া, নাওঁখেলৰ গীত, আইনাম, বিয়া নাম ইত্যাদিবোৰৰ প্ৰাচীন সমাজৰ তুলনাত বৰ্তমান ইয়াৰ সমাদৰ নাইকিয়া হ'ব ধৰিছে। থলুৱা সংস্কৃতি বজাই ৰাখিবলৈ এক শ্ৰেণীৰ মানুহে এই অনুষ্ঠানবোৰ উদ্‌যাপন কৰে যদিও এইবোৰ প্ৰদৰ্শন কৰিবলৈ দৰ্শকৰ অভাৱ।*




# ষ্টিফেন হকিং



অংকিতা দা
উঃমাঃ প্ৰথম ব

> *"এজন নিৰাশাবাদীয়ে প্ৰতিটো সম্ভাৱনাতে জটিলতা দেখা পায়, আনহাতে এজন আশাবাদীৰ প্ৰতিটো জটিলতাতে উজ্জ্বল সম্ভাৱনাই বিৰাজ কৰে।"*
>
> (ন'বেল বঁটা বিজয়ী প্ৰাক্তন ব্ৰিটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিল)

ওপৰোক্ত উক্তিটোতেই লুকাই আছে লিখিব খোজা লিখনিৰ তাৎপৰ্য। পৃথিৱীত এনে কিছুমান ব্যক্তি আছে, যিসকলে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰিছে। ইয়াৰ ঠিক সমান্তৰালভাৱে আন একাংশই আকৌ জীৱনৰ আলি-দোমোজাতে এমুঠি অন্নৰ বাবে হাহাকাৰ কৰিবলগীয়া হোৱাৰ উদাহৰণো আমাৰ বাবে অপৰিচিত নহয়। তথাপিও নিজৰ কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু ধৈৰ্যৰ বলত পৰৱৰ্তী সময়ত নিজকে বিশ্বৰ দৰবাৰত সফল ৰূপত প্ৰতিষ্ঠা কৰিছে। অৱশ্যে ইয়াত এই দুই ধৰণৰ ব্যক্তিত্বৰ বিষয়ে আলোচনা কৰিব বিচৰা হোৱা নাই। ইয়াত আলোচনা কৰিব বিচৰা হৈছে সমগ্ৰ বিশ্বৰ এনে এক উজ্জ্বল নক্ষত্ৰৰ বিষয়ে, যাৰ নাম নুশুনা মানুহ হয়তো এই পৃথিৱীত নোলাব। ওলালেও এয়া এপাচি শাকত এটা জালুকৰ লেখিয়াহে হ'ব। যৌৱনৰ ভৰপক সময়তে 'মটৰ নিউৰণ' ৰোগত আক্ৰান্ত হৈ জীৱনৰ পৰৱৰ্তী ৫৫ টা বছৰ হুইল চেয়াৰতে কটাই বিশ্ববাসীক যি অৱদান আগবঢ়াই গ'ল সেয়া হয়তো অনাগত দিনবোৰত কোনেও কাহানিও পূৰণ কৰিব নোৱাৰিব। সমগ্ৰ বিশ্বৰ আবাল-বৃদ্ধ-বনিতাৰ বাবে প্ৰেৰণা

আৰু সাহসৰ প্ৰতীক এইজনা বিশ্ব-বিশ্ৰুত সাহিত্যিক তথা পদাৰ্থ বিজ্ঞানীয়ে হ'ল ষ্টিফেন উইলিয়াম হকিং। নামেই যাৰ পৰিচয়।

বিংশ শতিকাৰ মাজভাগত অৰ্থাৎ ১৯৪২ চনৰ ৮ জানুৱাৰী তাৰিখে ইংলেণ্ডত জন্মগ্ৰহণ কৰিছিল এইজনা স্বপ্নদ্ৰষ্টাৰ ৰূপকাৰে। তেখেতৰ জন্ম তাৰিখৰ তিনিশ বছৰ পূৰ্বে অৰ্থাৎ ১৬৪২ চনৰ ৮ জানুৱাৰী তাৰিখে জন্মগ্ৰহণ কৰিছিল ইটালীৰ আন এজন বিজ্ঞানী গেলিলিঅ' গেলিলিয়ে। ষ্টিফেন হকিঙৰ পিতৃৰ নাম আছিল ফ্ৰেংক হকিং আৰু মাকৰ নাম আছিল ইচৰেল হকিং। হকিঙৰ জন্মৰ সময়ত মাক-দেউতাকে দ্বিতীয় বিশ্ব যুদ্ধৰ বিভীষিকাময় পৰিৱেশৰ বাবে লণ্ডনৰ উত্তৰ দিশৰ পৰা অক্সফ'ৰ্ডলৈ স্থানান্তৰ হৈছিল। ল'ৰালি কালৰ পৰাই প্ৰচুৰ প্ৰতিভাৰ অধিকাৰী আছিল তেওঁ। সৃষ্টিশীল মানসিকতা আৰু কৌতুহলী মনটোৰ বাবে বিদ্যালয়ৰ সহপাঠী সকলৰ মাজত 'আইনষ্টাইন' ছদ্মনামেৰে স্কুলীয়া জীৱনত জনপ্ৰিয় হৈ পৰিছিল। সেই সময়তে সকলোৱে বুজি উঠিছিল তেখেতৰ প্ৰতিভা। ইয়াৰোপৰি St. Albans School ত পঢ়ি থকা সময়ত কেইজনমান সহপাঠী আৰু গণিত শিক্ষক Dikram Tahta ৰ সহযোগত এটা গণকযন্ত্ৰ (কম্পিউটাৰ) সাজি উলিয়াইছিল। এইবোৰ আছিল কৈশোৰ বয়সতে বিশ্ববাসীক দেখুৱাই দিয়া একো একোটা বিস্ময়কৰ উদ্ভাৱনৰ উদাহৰণ। তদুপৰি অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ ৰয়িং দলৰো সদস্য আছিল তেওঁ। এইজনা বহুমুখী প্ৰতিভাধৰ বিস্ময় বালকে ইমানবোৰ ব্যস্ততা আৰু সৃষ্টিশীলতাৰ মাজতো কেমব্ৰীজ বিশ্ববিদ্যালয়ত 'Properties of Expanding Universes' শীৰ্ষক বিষয়ত গৱেষণা কৰি থকা সময়ত তেখেতৰ ভন্টিৰ লগৰীয়া Jane Wild ৰ সৈতে চাৰি চকুৰ মিলন হৈছিল আৰু ১৯৬৫ চনৰ পৰা ১৯৯৫ চনলৈ সুদীৰ্ঘ ত্ৰিশটা বছৰ তেখেতৰ সংগী হিচাপে আছিল। ১৯৯৫ চনত তেখেতৰ লগত সম্পৰ্ক বিচ্ছেদ হোৱাৰ পিছত Elaime Mason নাম এগৰাকীৰ সৈতে ২০০৬ চনলৈকে সংসাৰ কটাইছিল। অৱশ্যে এটা গুৰুত্বপূৰ্ণ কথা এয়ে যে তেখেতে নাৰীক এই বিশ্ব-ব্ৰহ্মাণ্ডৰ আটাইতকৈ 'ৰহস্যময়ী' বুলি আখ্যা দিছে।

নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! মাত্ৰ একুৰি এবছৰ বয়সতে বিধাতাৰ কোপদৃষ্টিৰ পাকচক্ৰত পৰি 'মটৰ নিউৰণ' ৰোগত আক্ৰান্ত হৈ সমগ্ৰ জীৱনটো অন্ধকাৰ কুঠৰীত সোমাই পৰিল। চিকিৎসকে মাত্ৰ দুবছৰ জীয়াই থাকিব বুলি আশ্বাস দিছিল যদিও তুলসীৰ তলত ঢিমিক-ঢামাক কৰি জ্বলি থকা চাঁকিগছিৰ দৰে বেমাৰত পৰাৰ পিছতো দুকুৰি পোন্ধৰটা বছৰে হুইল চেয়াৰতে বহি বিশ্ববাসীক দি গ'ল অসংখ্য অৱদান। যাক মূল্যাংকন বা বিচাৰ কৰাটো আমাৰ বাবে পানীৰ তলত কাঁইট বিচৰাৰ লেখীয়া। এইজনা মহীৰূহ যদিও বিশেষভাৱে সক্ষম আছিল তথাপিও কিন্তু তেখেতৰ মানসিকতা আৰু সৃষ্টিশীলতা সাধাৰণ মানুহতকৈ হাজাৰ গুণ ওপৰত। সেইবাবে




হয়তো বিশ্ব ইতিহাসৰ সোণালী পৃষ্ঠাত আজিও তেওঁ স্বৰ্ণীল হৈ জিলিকি আছে আৰু অনাগত ভৱিষ্যতলৈও থাকিব, তাত কোনো সন্দেহৰ অৱকাশ নাই। নিজৰ বৰ্ণময় কেৰিয়াৰত তেখেতে প্ৰকাশ কৰি উলিয়াইছিল ভালেকেইখন জনসমাদৃত গ্ৰন্থ। যাৰ ভিতৰত উল্লেখযোগ্য সমূহ হ'ল—

* A Brief History of Time : From the Big Bang to Black Holes.
* The Universe in a Nutshell
* The Grand Design
* Black Holes and Baby Universe

ইত্যাদিবোৰ বিশেষভাৱে উল্লেখযোগ্য। আটাইবোৰ গ্ৰন্থই পাঠকৰ বাবে উপযোগী আছিল যদিও তাৰ ভিতৰত "A Brief History of Time" এই গ্ৰন্থখনে পঢ়ুৱৈ আৰু বিক্ৰেতাৰ মাজত আলোড়নৰ সৃষ্টি কৰাই নহয় বিক্ৰীৰ ক্ষেত্ৰতো ৰচিছিল নতুন অভিলেখ। হুইল চেয়াৰত বহিয়ে বিশ্ব-ব্ৰহ্মাণ্ডক বুজাই দিছিল সময়ৰ গুৰুত্ব। ১৯৬৬ চনত প্ৰকাশিত "Singularities and The Geometry of Space Time" নামৰ প্ৰৱন্ধটিৰ বাবে "Adams Prize" লাভ কৰিছিল। এইবোৰৰ উপৰিও তেখেতৰ বৰ্ণময় কেৰিয়াৰৰ

কেতবোৰ স্বৰ্ণময় অৱদান হ'ল—

* Hawking Radiation
* Bekenstien - Hawking Formula
* Hawking Energy ইত্যাদি।

মাত্ৰ একুৰি এটা বসন্ত গৰকিয়ে মৃত্যুৰ স'তে যুঁজ দি হাৰ মানিব নোখোজা এইজনা ব্যক্তিৰ অৱদানৰ তালিকাখন শব্দৰে মালা গাঁঠি উলিওৱাটো অসম্ভৱ। যিসময়ত এই দুনীয়াত একাংশই প্ৰথম অৱস্থাত লাখটকীয়া নামী-দামী স্কুলত পঢ়ি পৰৱৰ্তী সময়ত জীৱনটো অসাৰ কৰি পেলায় ঠিক একেদৰে দৰিদ্ৰতাৰ স'তে যুঁজি একাংশই জীৱনৰ আদবাটতে নিজৰ সৃষ্টিশীলতা বা প্ৰতিভাক সমাধিস্থ কৰা দেখা যায়। সেইসকলৰ বাবে প্ৰেৰণাৰ আলোক হোৱা উচিত ষ্টিফেন হকিং। হুইল চেয়াৰক সাৰথি কৰিয়েই কৰ্মস্পৃহা, পৰিশ্ৰম আৰু সময়ৰ মূল্য বুজি বিশ্ববাসীক যি দি থৈ গ'ল সেয়া সাধাৰণ মানুহৰ বাবে কল্পনাতীত। সময়ৰ মূল্য যদি প্ৰকৃতাৰ্থত বুজি পাওঁ আৰু ইয়াক কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰো তেতিয়াহ'লে আমি সফলতা লাভ কৰিমেই। তাত কোনো প্ৰশ্নবোধকৰ উদয় হব নোৱাৰে। মাত্ৰ দুটা সজীৱ আঙুলিৰে যদি সমগ্ৰ বিশ্ববাসীকে বুজাই দিব পাৰে সময়ৰ মূল্য কিমান তেন্তে আপোনাৰ মোৰ দৰে সুস্থ মানুহ এটাৰ বাবে সফলতা অৰ্জন কৰাটো কেনেকৈ অসম্ভৱ। একাংশৰ বাবেটো জীৱনটোৱে একপ্ৰকাৰ বোজা। পাৰ্থক্যটো তাতেই!

নিজৰ কণ্টকময় জীৱনৰ সৰ্পিল পথ নেওঁচি এইজনা মহীৰুহে আমাক বহুখিনি দিলে। অথচ বহুতোকে বহু দিয়ো নিজেই বঞ্চিত হৈ থাকিল প্ৰাপ্যখিনি লাভৰ পৰা। পদাৰ্থবিদ্যা আৰু সাহিত্য দুয়োটাতে ন'বেল পুৰস্কাৰৰ বাবে যোগ্য হৈও বঞ্চিত হ'বলগা হ'ল কাউণ্ট লিও' টলষ্টয়, মেক্সিম গৰ্কী আদি বিশ্ববিশ্ৰুত সাহিত্যিক সকলৰ দৰে। এয়া দুৰ্ভাগ্য নে সৌভাগ্য? বটাঁ বা পুৰস্কাৰৰ মাধ্যমত

"
হুইল চেয়াৰক সাৰথি কৰিয়েই কৰ্মস্পৃহা, পৰিশ্ৰম আৰু সময়ৰ মূল্য বুজি বিশ্ববাসীক যি দি থৈ গ'ল সেয়া সাধাৰণ মানুহৰ বাবে কল্পনাতীত। সময়ৰ মূল্য যদি প্ৰকৃতাৰ্থত বুজি পাওঁ আৰু ইয়াক কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰো তেতিয়াহ'লে আমি সফলতা লাভ কৰিমেই। তাত কোনো প্ৰশ্নবোধকৰ উদয় হব নোৱাৰে। মাত্ৰ দুটা সজীৱ আঙুলিৰে যদি সমগ্ৰ বিশ্ববাসীকে বুজাই দিব পাৰে সময়ৰ মূল্য কিমান তেন্তে আপোনাৰ মোৰ দৰে সুস্থ মানুহ এটাৰ বাবে সফলতা অৰ্জন কৰাটো কেনেকৈ অসম্ভৱ। একাংশৰ বাবেটো জীৱনটোৱে একপ্ৰকাৰ বোজা। পাৰ্থক্যটো তাতেই!
"

শ্ৰেষ্ঠতা নিৰূপণ কৰাটো সঠিক কাম নহয় যদিও যোগ্য হিচাপে প্ৰাপ্যখিনি লাভৰ পৰা বঞ্চিত হোৱাটোও দুৰ্ভাগ্যজনক। যদিও Maxwell Medal Prize (1976), Albert Einstein Award (1978), Prince of Austria (1989) আদি সন্মানেৰে সন্মানিত কৰা হয়। তথাপিও প্ৰাপ্যখিনি পোৱাৰ পৰা এতিয়াও যেন সুদূৰ পৰাহত।

ধৰাৰ বুকুত মানৱ সভ্যতাৰ যেতিয়ালৈ জীয়াই থাকিব তেতিয়ালৈ ষ্টিফেন হকিং নামৰ চিৰসেউজ ব্যক্তিত্বটি চিৰসেউজ হৈ জিলিকি থাকিব বুলিয়েই আমাৰ বিশ্বাস। অৱশ্যে মনত ৰাখিব নিজৰ দায়িত্ব সামৰাটো আমাৰ বাবে উচিত নহ'ব। তেখেতৰ যি অসাধাৰণ ব্যক্তিত্ব আৰু সৃষ্টিকৰ্ম ইয়াৰ গুৰুত্ব আৰু প্ৰাসংগিকতা নতুন প্ৰজন্মৰ মাজত বিলাই দিয়া ব্যৱস্থা গ্ৰহণ কৰাটো সচেতন নাগৰিক হিচাপে আমাৰ সামাজিক দায়িত্ব। যদি বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ শিক্ষানুষ্ঠানসমূহে নিজৰ পাঠ্যপুথিত হকিং সম্পৰ্কীয় 'বিষয়' অন্তৰ্ভুক্ত কৰে তেতিয়া হ'লে বিশ্ববাসীৰ মানসপটত যুগ যুগ ধৰি সজীৱ হৈ থাকিব এইজন বিশ্ব নাগৰিক। যদি এইক্ষেত্ৰত আমি অনীহা প্ৰকাশ কৰো অথবা পৰ্বতসম ব্যক্তিত্বৰ অধিকাৰী এইজন সাধকৰ সৃষ্টিক কেৱল পুথিভঁৰালতে সংৰক্ষণ কৰি দায়িত্ব সামৰো তেন্তে এদিন নহয় এদিন পাহৰণিৰ গৰ্ভত হেৰাই যাব। শেষত আৰ্নেষ্ট হেমিংওৱেৰ ন'বেল বিজয়ী উপন্যাস 'Old Man and The Sea' ৰ সেই কালজয়ী সংলাপটিৰে সামৰিব খুজিছোঁ—

"A man is not made for defeat, A man can be destroyed, but not defeated" যাৰ বাস্তৱ উদাহৰণ ষ্টিফেন উইলিয়াম হকিং।

সহায়ক গ্ৰন্থপঞ্জী ঃ বিভিন্ন বাতৰি কাকত আৰু ইণ্টাৰনেট।

বহু নদীৰ এটা অংশ অৰণ্য, পৰ্বতৰ মাজেদি ব'ব পাৰে,
সেই অংশ মানুহৰ দৃষ্টিৰ আঁৰত পৰিব পাৰে, কিন্তু শুকাই নাযায়।
—— *ভবেন্দ্ৰ নাথ শইকীয়া*




# বিশ্বকাপ ফুটবল ২০১৮

## এক চমু অৱলোকন



জীতেন দাস
স্নাতক চতুৰ্থ যাণ্মাসিক

বিশ্বকাপ ফুটবলৰ ইতিহাস মাথো ৮৮ বছৰ। ১৯৩০ চনত লেটিন আমেৰিকাৰ দেশ উৰুগুৱেৰ ভূমিত শুভাৰম্ভণি ঘটিছিল বিশ্ব ক্ৰীড়া ইতিহাসৰ সৰ্বজন সমাদৃত এই প্ৰতিযোগিতাৰ। এইবাৰ ইয়াৰ ২১ সংখ্যক সংস্কৰণ আৰু য'ত প্ৰতিদন্দ্বিতা আগবঢ়াইছিল ৩২ খন দেশে। তাৰ ভিতৰত প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ মূল পৰ্বলৈ যোগ্যতা অৰ্জন কৰিছিল পানামা আৰু আইচলেণ্ডে। য'ত দ্বিতীয়বাৰৰ বাবে বিজয়ৰ মুকুট পিন্ধিছিল ১৯৯৮ চেম্পিয়ন ফ্ৰান্সে। লগতে ১৯৯৮ চনত প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ মূল পৰ্বত খেলা সুযোগ লাভ কৰা ক্ৰৱেছিয়াৰ স্বপ্নৰ দৌৰ ফান্সৰ হাতত ফাইনেলত ৰুদ্ধ হৈছিল। বহু উৎকণ্ঠা আৰু উজাগৰী উন্মাদনাৰ আন এক নাম যেন বিশ্বকাপ ফুটবল। য'ত আলফুলে প্ৰাণ পাই উঠে সুন্দৰীৰ লয়লাস নৃত্য। সেউজ দুবৰিৰ পৰশত প্ৰাণ পাই উঠে পদশিল্পবিধৰ নান্দনিকতা। বিশ্ব ফুটবলৰ অভিভাৱক সংস্থা FIFA ৰ সৰ্বমুঠ সদস্য ৰাষ্ট্ৰ সংখ্যা হ'ল ২১১ খন। কিন্তু ইয়াৰে ৭৯ খনে বৰ্তমানলৈকে বিশ্বকাপৰ মূল পৰ্বত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। তাৎপৰ্যপূৰ্ণ আৰু পৰিতাপৰ বিষয় এয়ে যে সৰ্ব্বমুঠ বিশ্বকাপত অৱতীৰ্ণ দেশসমূহৰ ভিতৰত খিতাপ দখল কৰা বা বিশ্বজয় কৰা দেশৰ সংখ্যা মাথো আঠখন। (ব্ৰাজিল, আৰ্জেণ্টিনা, জাৰ্মানী, ফ্ৰান্স, ইংলেণ্ড, স্পেইন, ইটালী আৰু উৰুগুৱে) তাৰ ভিতৰৰ তিনিখন লেটিন আমেৰিকা আৰু পাঁচখন ইউৰোপ মহাদেশৰ। য'ত নাই এছিয়া আৰু আফ্ৰিকাৰ এখন দেশৰো আধিপত্য। ২০০২ চনৰ কোৰিয়া-জাপান বিশ্বকাপত ঘৰুৱা দল দক্ষিণ কোৰিয়াৰ ছেমি ফাইনেলত প্ৰৱেশেই আছিল বিশ্বকাপৰ ইতিহাসত কোনো এছিয়ান দলৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।

২০১৮ বৰ্ষৰ জুন মাহৰ ১৪ তাৰিখৰ পৰা জুলাইৰ ১৫ তাৰিখলৈকে এমাহ ধৰি লেনিন আৰু গৰ্কীৰ দেশ ৰাছিয়াৰ ভূমিত অনুষ্ঠিত হোৱা ২১ সংখ্যক বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আছিল আৰম্ভণিৰ পৰাই অঘটন, উৎকণ্ঠা আৰু অভিলেখেৰে ভৰা। য'ত অখ্যাতজনৰ পদশিল্পৰ লহৰত প্ৰাণ পাই উঠিছিল বিত্তলীলাৰ স্বকীয়তা। য'ত ছন্দপতন ঘটিছিল বহু ৰথী-মহাৰথীৰ আৰু সূচনা হৈছিল নৱজাগৰণৰ উন্মাদনাৰ লহৰ। এয়াই চাগে ফুটবলৰ মহত্ত্ব। য'ত থাকে চৰম অনিশ্চয়তা আৰু দৃষ্টিনন্দন পদশিল্পৰ নান্দনিকতা। মেক্সিকো আৰু এছিয়ান শক্তি দক্ষিণ কোৰিয়াৰ হাতত অপ্ৰত্যাশিত ভাৱে পৰাস্ত হৈ বিশ্বকাপৰ প্ৰাৰম্ভিক ৰাউণ্ডৰ পৰাই বিদায় লৈছিল ডিফেণ্ডিং তথা চাৰিবাৰৰ বিশ্ব চেম্পিয়ন জাৰ্মানীয়ে। কিযে দুঃসহ বেদনা সুদীৰ্ঘ ৮০ বছৰৰ পিছত এয়াই আছিল বিশ্বকাপৰ ইতিহাসৰ আটাইতকৈ সফল দলটোৰ নিকৃষ্ট প্ৰদৰ্শন। ইয়াৰ পিছতেই অঘটনৰ কুঠৰীত সোমাই পৰিল ২০১৪ ৰ ৰাণাৰ্ছ আপ তথা দুবাৰৰ বিশ্ব চেম্পিয়ন লিয়'নৈল মেছিৰ আৰ্জেণ্টিনা। লগে লগে নক্ষত্ৰপুঞ্জৰ শশী মেছিৰ বিশ্বকাপৰ স্বপ্ন ভংগ। কিযে নিষ্ঠুৰ নিয়তি, য'ত সপোনৰ ভগৱানৰ অপমৃত্যু। ফুটবল মানেই স্পেইনৰ টিকিটাকা। কিন্তু সেয়াও যেন পুটিনৰ নগৰীত নিষ্প্ৰভ। দ্বিতীয় ৰাউণ্ডৰ পৰা লজ্জাজনকভাৱে ট্ৰাইব্ৰেকাৰত ৰাছিয়াৰ বিৰুদ্ধে পৰাস্ত হৈ বিদায় মাগিলে ২০১০ ৰ বিশ্ব চেম্পিয়ন দলটোৱে। সেইদিনা যেন ৰাছিয়াৰ গ'লৰক্ষকৰ সন্মুখত নিৰৱ দৰ্শক হৈ ৰ'ল ৰামোছ, ইস্কো, ইনিয়েষ্টা, পিক আদি তাৰকাবোৰ। ষষ্ঠবাৰৰ বাবে বিশ্বজয়ৰ দুৰ্বাৰ হেঁপাহ বুকুত বান্ধি ৰাছিয়াত উপস্থিত হৈছিল টিটো প্ৰশিক্ষণাধীন বিশ্ব ফুটবলৰ পাৱাৰ হাউচ ব্ৰাজিল। 'ফিউজন' ফুটবলক সাৰথি কৰি নামিছিল দুৱৰিৰ দলিচাত।

কোৱাৰ্টাৰ ফাইনেলত ইডেন হাজাৰ্ডৰ নেতৃত্বাধীন বেলজিয়ামৰ হাতত পৰাস্ত হৈ বিদায় মাগিলে নেইমাৰৰ ব্ৰাজিলে। কাৰ্যত টিটোৰ 'ফিউজন ফুটবল' হ'লগৈ কনফিউজন ফুটবল। লগে লগে নামি আহিল ৰাছিয়াৰ ভূমিলৈ আন এজাক আবতৰীয়া অঘটনৰ বৰষুণ। য'ত হাজাৰ্ড, কেভিন ডি ব্ৰুইন, লুকাকুৰ যুঁজাৰু মানসিকতা আৰু দলীয় সংঘবদ্ধতাৰ প্ৰতিফলন ঘটিল। বিশ্বকাপৰ আৰম্ভণিতে স্পেইনৰ বিৰুদ্ধে দুৰ্দান্ত হেট্ৰিকেৰে ক্ৰিষ্টিয়ানো ৰোনাল্ডো উজলি উঠিছিল যদিও যোগ্য সহযোগী আৰু দলীয় সংঘবদ্ধতাৰ অভাৱত পৰৱৰ্তী সময়ত নিষ্প্ৰভ হৈ পৰিল ৰনাল্ডোৰ দুভৰিৰ যাদু। ইফালে মূল পৰ্বলৈ যোগ্যতা অৰ্জনৰ পূৰ্বে বাহিৰ হৈছিল চাৰিবাৰৰ চেম্পিয়ন ইটালী তথা য়োহান ক্ৰুয়েফৰ দল নেদাৰলেণ্ড।

ইমানবোৰ অঘটনৰ পিছতো ৰাছিয়া বিশ্বকাপৰ আন কিছু ক্ষেত্ৰ একক আৰু পৃথক আছিল। তাৰ ভিতৰত অন্যতম আছিল এইবাৰ বিশ্বকাপৰ পেনাল্টিয়ে গঢ়া অভিলেখ আৰু সুদীৰ্ঘ সময়ৰ বিৰতিৰ পিছত ইংলেণ্ড, বেলজিয়াম, ফ্ৰান্সৰ যি দৰ্শনীয় প্ৰদৰ্শন সেয়া প্ৰশংসনীয়। ১৯৯০ চনৰ বিশ্বকাপৰ পিছত সুদীৰ্ঘ ২৮ বছৰ বিৰতিৰ মূৰত ইংলেণ্ডৰ ছেমি ফাইনেলত প্ৰৱেশ প্ৰকৃতপক্ষে আছিল প্ৰশংসনীয়। হেৰী কেনৰ নেতৃত্ব আছিল চকুতলগা। থিক একেদৰে 'সোণালী প্ৰজন্মৰ দল' বেলজিয়ামৰ বিশ্বকাপৰ অন্তিম চাৰিত প্ৰৱেশ আছিল সাফল্যৰ অন্যতম এক মাত্ৰা। যাৰ বাবে প্ৰশিক্ষক ৰবাৰ্ট মাৰ্টিনেজ আৰু অধিনায়ক ইডেন হাজাৰ্ড প্ৰশংসাৰ পাত্ৰ। ১৯৯৮ চনৰ বিশ্ব চেম্পিয়ন তথা ২০০৬ চনৰ ৰাণাৰ্ছ আপ ফ্ৰান্সে এইবাৰ ৰাছিয়া বিশ্বকাপত আগবঢ়োৱা প্ৰদৰ্শন নিসন্দেহে অতুলনীয়। এন্টনিঅ' গ্ৰীজমেন, পল পগবা, অলিভাৰ জিৰড়, কালিয়ান এমবাপ্পে আদিৰ দৰে তাৰকাবোৰ ফ্ৰান্সৰ এইবাৰ বিশ্বকাপ জয়ৰ অন্যতম খনিকৰ আছিল। ১৯ বছৰীয়া নৱতম চাঞ্চল্য কালিয়ান এমবাপ্পেৰ দুৰ্দান্ত প্ৰদৰ্শনো আছিল অতুলনীয়। ফুটবল কিংবদন্তি পেলেৰ পিছত বিশ্বকাপৰ এখন মেচত দুটাকৈ গ'ল দিয়া এমবাপ্প হ'ল বিশ্বৰ দ্বিতীয়গৰাকী তথা ফ্ৰান্সৰ ইতিহাসত বিশ্বকাপৰ সৰ্বকনিষ্ঠ গ'লস্কৰাৰ।

১৯৯৮ চনৰ বিশ্বকাপত প্ৰথমবাৰৰ বাবে ভূমুকি মাৰিছিল মাত্ৰ ৪২ লাখ জনসংখ্যাৰে ভৰ্তি তথা যুদ্ধ জৰ্জৰিত ক্ৰ'ৱেছিয়াই। সেইবাৰেই প্ৰৱেশ কৰিছিল বিশ্বকাপৰ অন্তিম চাৰিত। কিন্তু ২০১৮ চনৰ বিশ্বকাপ আছিল ক্ৰৱেচিয়াৰ বাবে এক নতুন দিগন্ত সূচনাৰ পথ। সমগ্ৰ বিশ্বৰ কোটি কোটি ক্ৰীড়ানুৰাগীৰ বাবে সৰ্বত্ৰে যেন চৰ্চিত এটি নাম হ'ল এই দেশখন। ৰিয়েল মাদ্ৰিদৰ তাৰকা লুকা মদ্ৰিছ, বাৰ্চিলোনাৰ ইভান ৰাকিটিক, জুভেণ্টাছৰ মাৰিঅ মাণ্ডুকিছক সাৰথি কৰিয়েই নামিছিল বিশ্বজয়ৰ আখৰাত। কোনেও হয়তো ভবা নাছিল ফাইনেলত প্ৰৱেশৰ পথত আৰ্জেণ্টিনা, ইংলেণ্ডৰ দৰে শক্তিক পৰাস্ত কৰিব। কিন্তু তাকেই কৰি দেখুৱাই দিছিল প্ৰতিভা আৰু যুঁজাৰু মানসিকতাৰ উমান। যাৰবাবে হয়তো অভিজ্ঞতাৰ অভাৱ স্বত্বেও লাভ কৰিছিল চূড়ান্ত সফলতা।

সি যি কি নহওক বিশ্বকাপ মানেই যেন তাৰকাৰ উত্থান-পতনৰ আখৰা। যাৰ ব্যতিক্ৰম নঘটিল এইবাৰৰ বিশ্বকাপতো। হেৰী কেন আৰু ক্ৰিষ্টিয়ানো ৰনাল্ডো দুয়োজনৰ হেটট্ৰিক দুটাও আছিল বিশ্বকাপৰ অন্যতম আকৰ্ষণ। ৰাছিয়া বিশ্বকাপত সুন্দৰ প্ৰদৰ্শন আগবঢ়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰা খেলুৱৈসকলৰ ভিতৰত অন্যতম কেইজনমান হ'ল— ইডেন হাজাৰ্ড, কেভিন ডি ব্ৰুইন, ৰমেলু লুকাকু (বেলজিয়াম), হেৰী কেন (ইংলেণ্ড), লুকা মড্ৰিছ, ইভান ৰাকিটিছ (ক্ৰৱেছিয়া), হাৰভিং লজানো (মেক্সিকো), এডিনছন কাভানী (উৰুগুৱে) ইত্যাদি। আনফালে ক্লাৱ আৰু বিজ্ঞাপন জগতৰ তাৰকা বিশ্ব ফুটবলৰ তিনি মহাৰথী মেছি-নেইমাৰ-ৰনাল্ডোৱে পুনৰবাৰ হতাশ কৰিলে দেশবাসীৰ লগতে বিশ্বৰ কোটি কোটি ক্ৰীড়ানুৰাগীক। কিন্তু ইয়াৰ বিপৰীতে সৌসিদিনালৈকে বিশ্ব ফুটবল অনুৰাগীৰ মাজত একপ্ৰকাৰ অপৰিচিত লুকা মড্ৰিছে লাভ কৰিলে বিশ্বকাপৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে 'সোণালী বল'। একেদৰে বেলজিয়ামৰ গলৰক্ষক থিবাউট কাৰ্টিয়াছে লাভ কৰিলে শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা। যিক্ষেত্ৰত তেওঁ অনায়াসে পৰাস্ত কৰে বিশ্বমানৰ ফৰাচী গ'লৰক্ষক হুগো লৰিচ আৰু স্পেনিচ গ'লৰক্ষক ডেভিদ দি জিয়াক। ইংলেণ্ডৰ অধিনায়ক তথা ইংলিচ ক্লাৱ টটেনহামৰ ষ্ট্ৰাইকাৰ হেৰি কেনে লাভ কৰিলে 'সোণালী বুট'। কিন্তু সেইদিনা যেন বিশ্ব ফুটবলৰ ত্ৰিমূৰ্তি মেছি, ৰনাল্ডো আৰু নেইমাৰ কেৱল দৰ্শক! ক্লাৱ পৰ্যায়ত বুজন পৰিমাণৰ ধনৰ লালসাত আগবঢ়োৱা সফলতাৰে যেন সীমাৱদ্ধ নিজৰ প্ৰতিভা কিম্বা ফুটবলৰ আভিজাত্য। যিমানেই জনপ্ৰিয় কিম্বা বিখ্যাত নহওক বিশ্বকাপৰ মুকুট অবিহনে সকলো মিছা। পুনৰ মায়াৱী নিশাৰ উজাগৰী উন্মাদনালৈ অপেক্ষা মাথো চাৰি বছৰলৈ।□

" ক্লাৱ পৰ্যায় আৰু বিজ্ঞাপন জগতত নিজকে প্ৰতিষ্ঠা কৰাতে যেন সীমাৱদ্ধ মেছি, নেইমাৰ ৰনাল্ডোৰ সফলতা। বুজন পৰিমাণৰ ধনৰ লালসাত আগবঢ়োৱা প্ৰদৰ্শনতে যেন সীমাৱদ্ধ তিনি মহাৰথীৰ প্ৰতিভা কিম্বা ফুটবলৰ আভিজাত্য "

সহায়ক গ্ৰন্থপঞ্জী ঃ ক) অসমীয়া প্ৰতিদিন কাকতৰ বিভিন্ন সংখ্
খ) ইণ্টাৰনেট

# ভেলেণ্টাইন বনাম প্ৰেম




লুকমান আলী
স্নাতক দ্বিতীয় ষাণ্মাসিক

যৌৱনে আমনি কৰা ডেকা-গাভৰুৰ দিন ভেলেণ্টাইন ডে', যিটো দিন প্ৰেমৰ এটা বিশেষ দিন, ১৪ ফেব্ৰুৱাৰী। উন্মনা হয় বিশ্বৰ যুৱক-যুৱতীসকল।

২৬৯ খ্ৰীষ্টাব্দৰ কথা। সেই সময়ত ৰোম শাসন কৰিছিল সম্ৰাট দ্বিতীয় ক্লাওডিয়াছে। সম্ৰাটে চেণ্ট ভেলেণ্টাইন নামৰ এজন সুদৰ্শন ডেকাক বন্দী কৰি ৰাখিছিল। যুৱকজনৰ প্ৰধান দোষ আছিল বিয়া কৰাব বিচৰাটো। কিন্তু তেতিয়াৰ সম্ৰাট দ্বিতীয় ক্লাওডিয়াছে ডেকাসকলে বিয়া কৰোৱাটো ঘোৰ বিৰোধিতা কৰিছিল। কিয়নো তেওঁৰ যুদ্ধ-বিগ্ৰহৰ বাবে সৈনিকৰ অভাৱ আছিল। সম্ৰাটৰ এটা ধাৰণা আছিল যে বিবাহপাশত আৱদ্ধ হোৱা ব্যক্তিসকলে পৰিয়ালৰ মৰম-চেনেহ এৰি, সৈন্য বাহিনীত যোগ দিবলৈ অনিচ্ছুক হয়। প্ৰেমৰ ৰজা ভেলেণ্টাইন অতি সুদৰ্শন ব্যক্তিত্ববান বিবাহ উপযোগী পুৰুষ আছিল। সেইবাবেই তেওঁৰ স'তে অনেক যুৱতীৰ হিয়াৰ আদান-প্ৰদান হৈছিল। সম্ৰাটে আদালতত হাজিৰ কৰায় আৰু বিবাহ নকৰোৱাৰ বাবে প্ৰতিশ্ৰুতি দিবলৈ কয়। কিন্তু ভেলেণ্টাইনে অনেক গাভৰু প্ৰেমিকাৰ হৃদয়ত প্ৰেমৰ দাবানল জ্বলাই এনে প্ৰতিশ্ৰুতি দিবলৈ অমান্তি হয়। যাৰ ফলত সম্ৰাটে তেওঁক কাৰাগাৰত বন্দী কৰি ৰাখে। বন্দী অৱস্থাতো হৃদয়াকৃতিৰ গছৰ পাত ছিঙি তাত "ৰিমেম্বাৰ ইয়'ৰ ভেলেণ্টাইন" বুলি লিখি বেৰৰ বিন্ধাৰে প্ৰেমিকা সকললৈ প্ৰেৰণ কৰিছিল। সকলোতকৈ ডাঙৰ কথা, এনে প্ৰেম পত্ৰ কাৰাগাৰৰ অধ্যক্ষৰ কন্যা আষ্টিৰিয়াছলৈও প্ৰেৰণ কৰিছিল। ২৬৯ খ্ৰীষ্টাব্দৰ ১৪ ফেব্ৰুৱাৰীত শিল, যাঠি, গদা আদিৰে কোবাই খুচি-খুচি সম্ৰাটৰ সৈন্যাই তেওঁক নিৰ্মমভাৱে হত্যা কৰিছিল। তেতিয়াৰ পৰা ভেলেণ্টাইনৰ মৃত্যু তিথি অৰ্থাৎ ১৪ ফেব্ৰুৱাৰী দিনটোক তেওঁৰ প্ৰতি সন্মান জনাই ডেকা-গাভৰুৰ মাজত সৰ্বত প্ৰেমিক-প্ৰেমিকাৰ দিৱস হিচাপে পালন কৰিবলৈ লোৱা হয়। ষ্টাৰ্ন পোপ গ্লিছিয়াছে ভেলেণ্টাইনক স্মৰণ কৰিয়েই ৪৯৬ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰীৰ মাজ মানত লুপাৰ কাছ উৎসৱ পতাৰ কথা ঘোষণা কৰিছিল। পিছলৈ লুপাৰ কাছ উৎসৱ তল পৰিল আৰু ভেলেণ্টাইন ডে' হিচাপে জনাজাত হ'ল।

১৪ ফেব্ৰুৱাৰীৰ সূৰ্যোদয়ৰ ক্ষণতে ব্ৰিটেইন আৰু ইটালীৰ যুৱতীসকলে পদুলি বা খিৰিকীৰ কাষত ৰৈ থাকে। সেইদিনাৰ সূৰ্যোদয়ৰ ক্ষণতে যি গৰাকী যুৱকৰ সৈতে যুৱতীগৰাকীৰ প্ৰথম সাক্ষাৎ হ'ব তেৱেঁই হ'ব যুৱতীগৰাকীৰ মনৰ মানুহ। অৰ্থাৎ তেওঁকেই প্ৰেমৰ প্ৰস্তাৱ দিব পাৰিব, "বি মাই ভেলেণ্টাইন'চ বুলি শুভেচ্ছা দিব পাৰিব। কাৰণ ভেলেণ্টাইন ডে'ৰ মূল শুভেচ্ছামূলক বাক্য হ'ল 'বি মাই ভেলেণ্টাইন'। ১৬-১৭ শতিকাত ভেলেণ্টাইন ডে'ৰ জনপ্ৰিয়তা ভাৱিব নোৱাৰা ধৰণে বাঢ়িল। অষ্টদশ শতিকাত ফ্ৰান্সৰ যুৱকসকলে সিহঁতৰ ৰমণী গাভৰুসকলৰ নামত কাগজত লিখি নিজৰ চোলাৰ জেপত সুমুৱাই লৈছিল। প্ৰথমখন ভেলেণ্টাইন পত্ৰ প্ৰেৰণৰ ব্যক্তিগৰাকী আছিল ফ্ৰান্সৰ অৰ্লিনছৰ ডিউক চাৰ্লছ। ১৪১৫ খ্ৰীষ্টাব্দত বিখ্যাত টাৱাৰ অৱ লণ্ডনত বন্দী হৈ থকা অৱস্থাত চাৰ্লছে তেওঁৰ পত্নীলৈ প্ৰথমখন ভেলেণ্টাইন দিৱসৰ পত্ৰ প্ৰেৰণ কৰিছিল। সেই পত্ৰখন আজিও ব্ৰিটিছ সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। ব্যৱসায়িক ক্ষেত্ৰত প্ৰথমখন 'ভেলেণ্টাইন কাৰ্ড' প্ৰস্তুত কৰি উলিয়াই ইংলেণ্ডৰ প্ৰখ্যাত চিত্ৰকৰ কেমি গ্ৰিণবেই। উক্ত কাৰ্ডখন পাঁচৰ পৰা ৩৫ ডলাৰ মূল্যতে বিক্ৰী হৈছিল। ১৭-১৮ শতিকাতে হস্তনিৰ্মিত কাৰ্ডে যথেষ্ট প্ৰাধান্য পায়। ভেলেণ্টাইন দিৱস ভাৰতত প্ৰৱেশ ঘটে ব্ৰিটিছসকলৰ শাসন কালতে। প্ৰথমে ই কেৱল মেট্ৰ'পলিটান চহৰবোৰত সীমাৱদ্ধ আছিল যদিও বৰ্তমান গাঁৱে-ভূঞে ইয়াৰ প্ৰসাৰ ঘটিছে। আজিৰ যুৱক-যুৱতীয়ে নিজৰ প্ৰিয়জনৰ প্ৰতি প্ৰেম নিবেদনৰ সৰ্বোৎকৃষ্ট সময় হিচাপে গণ্য কৰিবলৈ লোৱাৰ ফলত ভেলেণ্টাইন ডে'ৰ গুৰুত্ব আৰু জনপ্ৰিয়তা দ্ৰুতগতিত বাঢ়িছে। ফলস্বৰূপে আজিৰ প্ৰজন্মই ১৪ ফেব্ৰুৱাৰী দিনটো প্ৰেমৰ বিশেষ দিন বা 'ভালপোৱাৰ দিন' হিচাপে পালন কৰিবলৈ লৈছে। প্ৰথম জানুৱাৰীৰ শুভেচ্ছা পত্ৰখন বা ভোগালী বিহুৰ শুভেচ্ছা পত্ৰখনৰ পাছতে অসমীয়া যুৱক-যুৱতীসকলৰ মাজলৈ আমদানি পশ্চিমীয়া সংস্কৃতিৰ আন এক অৱদান 'ভেলণ্টাইন ডে'ৰ কাৰ্যখনৰ। আজিৰ যুৱক-যুৱতীয়ে নিজৰ প্ৰিয়জনৰ প্ৰতি প্ৰেম নিবেদনৰ বাবে সৰ্বোৎকৃষ্ট সময় হিচাপে গণ্য কৰিবলৈ বাচি লয় 'ভেলেণ্টাইন ডে' অৰ্থাৎ ১৪ ফেব্ৰুৱাৰী। একাঁজলি মৰম যচাঁৰ সময়। মৰম বিলোৱাৰ সময়।

প্ৰেমনো কি?
তুমিতো জানাই এই কবিৰ আৰু একো নাই
এটাই মাথো কামিজ
তাৰো ছিগো ছিগো চিলাই,
প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়।
('ভোগালী'— হীৰেন ভট্টাচাৰ্য)



এই আৱৰণ খুলি হৃদয় জুৰোৱা প্ৰেমবিধেই হেনো পৃথিৱীৰ অতিকৈ ভাল লগা বা ধুনীয়া বস্তু। পিছে ইয়াক স্পৰ্শ কৰিব নোৱাৰি, চকুৰে মণিবও নোৱাৰি, মাথোঁ মনেৰে অনুভৱহে কৰিব পাৰি। বস্তুতৰে মতে ই এক স্বৰ্গীয় অনুভূতি। বিজ্ঞানীসকলে মত পোষণ কৰা মতে প্ৰেম হৈছে মনৰ সহমৰ্মিতা আৰু শৰীৰৰ অন্তৰ্ভাগৰ ৰহস্য অতিক্ৰম কৰি প্ৰিয়জনক সংগোপনে নিজৰ কৰি লোৱাৰ এটি সূক্ষ্ম আকাংক্ষা। লিখকৰ মতে প্ৰেম হৈছে চকু আৰু মনৰ মিলন। প্ৰেমে মানৱ জীৱনক বাস্তৱ কৰি তোলে। স্থান-কাল-পাত্ৰ ভেদে এই অনুভূতিক নামাকৰণ কৰা হয় মাতৃ প্ৰেম, ভাতৃপ্ৰেম, বন্ধু প্ৰেম, মানৱ প্ৰেম ইত্যাদি। প্ৰেম যদি এগৰাকী নাৰী আৰু এজন পুৰুষৰ মাজত হয় তেন্তে ই এক সুকীয়া মাদকতা লাভ কৰে। বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ মানুহৰ এক সহজাত প্ৰবৃত্তি।

সৃষ্টিৰ পাতনিৰে পৰা সমগ্ৰ পৃথিৱী জুৰি বৈ আছে প্ৰেম অনন্ত ফল্গু ধাৰা। অপ্ৰকাশিত ইয়াৰ ভাষা; স্বতঃস্ফূৰ্তভাৱে বুজা নোৱাৰি ইয়াৰ পৰিভাষা। প্ৰেমৰ এনে এক শক্তি আছে যাক পাবলৈ মানুহে সাত সাগৰ তেৰ নদী পাৰ হবলৈও কুণ্ঠাবোধ নকৰে। প্ৰেম যৌৱনৰ সম্ভ্ৰান্ত অতিথি। প্ৰেম হ'ল সৃষ্টিৰ বাবে অফুৰন্ত প্ৰেৰণাৰ উৎস। প্ৰেমক বাদ দি আধুনিক পৃথিৱীৰ কানো সভ্য মানুহে এক কামেই কৰিব নোৱাৰে। পুৰুষৰ জীৱনত প্ৰতিষ্ঠা আৰু সফলতা লাভৰ বাবে কিজানি সবাতোকৈ বেছি প্ৰয়োজন নাৰীৰ। নাৰী বাদ দি পৃথিৱীৰ কোনো কামেই সম্ভৱপৰ নহয়। নাৰী আৰু পুৰুষ উভয়েই পৰস্পৰৰ পৰিপূৰক। সমগ্ৰ বিশ্বৰ প্ৰেমিক-প্ৰেমিকাৰ বাবে ১৪ ফেব্ৰুৱাৰী দিনটো অতি স্মৰণীয়। পিছে প্ৰেমত নপৰো বুলি মনটো ডাঠ কৰি ল'লেও এদিন কিন্তু কাৰোবাক ভাল লাগেই নিজৰ অগোচৰে, অতি সংগোপনে। হৃদয়ত সৃষ্টি হয় এক নামবিহীন আলোড়ন। হয়, ভালপোৱা এক স্বৰ্গীয় অনুভূতি। প্ৰেমত পৰিলে জীৱন আৰু মন সুন্দৰ যেন লাগে। কিন্তু, জীৱনৰো যে এটা নিজ জীৱন আছে। আছে এক সু-শৃংখলিত ছন্দ। নিঃস্বাৰ্থ ভালপোৱা জীৱনৰ এই ছন্দক আৰু বাখৰুৱা কৰে। প্ৰেমত নাই কোনো প্ৰথম দ্বিতীয়। নাই ভাষা, ভূগোল আৰু সময়। যেতিয়ালৈকে সূৰ্যৰ কিৰণ বিশ্বব্ৰহ্মাণ্ডত জিলিকি থাকিব তেতিয়ালৈকে প্ৰেমো মানুহৰ মাজত চলি থাকিব।□

# গীতি-সাহিত্যৰ দাপোণত চিৰসেউজ হৈ থকা একুৰি এটা অসমীয়া গীত

## ('মানুহে মানুহৰ বাবে'ৰ পৰা 'চেনাই মই যাওঁ দেই' লৈ)



পল্লৱী দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক



অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত গীতি-সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অৰদান আছে। আধুনিক অসমীয়া গীতি-সাহিত্যৰ ভঁৰাল চহকী কৰা কাণ্ডাৰী সকলৰ ভিতৰত অন্যতম কেইজনমান হ'ল- কেশৱ মহন্ত, দ্বীজেন্দ্ৰমোহন শৰ্মা, পাৰ্বতী প্ৰসাদ বৰুৱা, নগেন বৰা, তফজ্জুল আলী, নিৰ্মল প্ৰভা বৰদলৈ, ৰুদ্ৰ বৰুৱা, নৰকান্ত বৰুৱা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ইত্যাদি। কলাগুৰু বিষ্ণুপ্ৰসাদ আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামো এইক্ষেত্ৰত আমি কোনোপধ্যেই উলাই কৰিব নোৱাৰো। এই দুই মনিষীৰ বাদেও আধুনিক অসমীয়া গীতি সাহিত্যৰ জগতখনৰ চিৰসেউজ সৃষ্টিসমূহ এটা প্ৰবন্ধৰ মাজেৰে লিপিৱদ্ধ কৰাটো অসাধ্য। তাৰ মাজৰ মাত্ৰ একুৰি এটা (তাহানিৰ পৰা আজিলৈ) চিৰসেউজ গীত নিৰ্বাচন কৰাটো এক অসাধ্যকৰ কাম। অসম আৰু অসমীয়া থকালৈ জিলিকি থাকিব লগা তেনে কেতবোৰ গীতৰ কথাহে ইয়াত আলোচনা কৰিব বিচৰা হৈছে। পাঠকৰ সৈতে আমাৰ গীত নিৰ্বাচনৰ ক্ষেত্ৰত মতান্তৰ হ'ব পাৰে সেয়া স্বাভাৱিক। কিন্তু সকলোৰে পচন্দৰ নিজৰ নিজৰ হ'লেও ইয়াত উল্লেখ কৰা গীতসমূহো কিন্তু কোনোপধ্যেই উলাই কৰিব পৰা বিধৰ নহয়। এয়া ঠিক যে এই ক্ষেত্ৰত মনান্তৰ হোৱাৰ সম্ভাৱনা ক্ষীণ।

আধুনিক অসমীয়া সংগীতৰ জগতত সদায়েই উজ্জ্বল ভোটাতৰাৰ দৰে জিলিকি থকা ব্যক্তিজনেই হ'ল সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। পৰ্বতসম ব্যক্তিত্বৰ অধিকাৰী এইজন ব্যক্তিয়ে নিজৰ সৃষ্টি 'সাগৰ সংগমত ক'তনা সাতুৰিলোঁ' গীতটি নিজৰ শ্ৰেষ্ঠ গীত বুলি স্বীকৃতি দিছে যদিও আমি ইয়াত তেখেতৰ

*'মানুহে মানুহৰ বাবে*
*যদিহে অকণো নেভাবে'*

গীতটিৰ কথাহে আলোচনা কৰিম। এটি ইংৰাজী গীতৰ আধাৰত ৰচনা কৰা এই গীতটোৰ মাজেৰে মানৱতাবোধৰ আহ্বান আৰু মানৱ সভ্যতাৰ স্খলনৰ কথা ফুটাই তুলিছে। যাৰ বাংলা সংস্কৰণটো কুৰি শতিকাৰ অন্যতম এটা শ্ৰেষ্ঠ গীত হিচাপে






স্বীকৃতি লাভ কৰিছিল। খাটি খোৱা দুৰ্বল আৰু নিপীড়িত জনতাৰ মুক্তিৰ আহ্বান ইয়াত প্ৰতিফলিত হয়।

আন এক চিৰসেউজ অসমীয়া গীত হ'ল তফজ্জুল আলি ৰচিত আৰু বীৰেন্দ্ৰ নাথ দত্তৰ সুৰ আৰু কণ্ঠ আৰোপিত

**'বহুদিন বকুলৰ গোন্ধ পোৱা নাই**
**বহুদিন বকুলৰ মালা গঁথা নাই'।**

গীতিকাৰে বকুলক যিদৰে এক শিল্পকলালৈ ৰূপান্তৰ কৰিলে সেয়া শব্দৰে বৰ্ণোৱাটো কঠিন। যাৰবাবে হয়তো সময় বাগৰিলেও আজিও অক্ষত দুৰ্গৰ দৰে একেই জনপ্ৰিয়তাৰে জনমানসত সমাদৃত হৈ আছে।

সুধাকণ্ঠৰ ভাতৃ কমল হাজৰিকাৰ কথা আৰু সুৰ আৰোপিত আৰু ক'কিলকণ্ঠী গায়িকা দিপালী বৰঠাকুৰৰ কণ্ঠৰ কালজয়ী মুকুতা হ'ল

**'অ' চেনাই মই যাওঁ দে**
**বিহুতে আহিম গৈ**
**তেতিয়া গাই যাম গীত।'**

গীতটিৰ মাজত ফুটি উঠিছে এহাল প্ৰেমিক প্ৰেমিকাৰ অন্তৰত জ্বলি থকা অপ্ৰকাশ্য প্ৰেমৰ এক ছবি। যাৰবাবে হয়তো মনে মনে আঁৰ লৈ চকুপানী মচাৰ কথা কৈছে।

**'আমোল মোল শেৱালীৰ গোন্ধ**
**যাওঁ বুলি যাবই নোখোজে চোন**
**চকুৰে চকুৰে চাব পৰা হ'লে**
**দেখিলোহেঁতেন বেলিৰ মুখৰ ৰং**
**তোমাৰ শিৰৰ সেন্দুৰকণ।'**

প্ৰেম আৰু ৰ'দালিৰ কবি হীৰেন ভট্টাচাৰ্যৰ ৰচিত আৰু লোকনাথ গোস্বামীৰ কণ্ঠ আৰোপিত এই গীতটিও অসমীয়া গীতি-সাহিত্যৰ এক চিৰসেউজ দলিল। গীতটিত গীতিকাৰে শেৱালী ফুলক বিবাহিত মহিলাৰ মৰ্যদাৰ প্ৰতীক সেন্দুৰৰ লগত তুলনা কৰা পৰিলক্ষিত হৈছে।

নগেন বৰা ৰচিত আৰু সূৰ্য দাসৰ সুৰ আৰু কণ্ঠ আৰোপিত আন এক সুন্দৰ অসমীয়া গীত হ'ল—

**'মানুহ দেখিছো আজি**
**বহুত মানুহ**
**কথাৰ সিন্ধু মথি**
**অমৃত শুহি খোৱা ....."**

বিদেশী বিতাড়ন আন্দোলনৰ সময়ত আকাশ-বতাহ কঁপাই তুলিছিল এই গীতটিৰ জৰিয়তে। এই গীতটিৰ মাজেৰে এচাম মানুহৰ মুখাৰ আঁৰৰ মুখ প্ৰকাশ কৰি দেখুওৱা হৈছে। ঠিক একেদৰে এনে এক ধাৰাৰ আন এটি গীত হ'ল কেশৱ মহন্ত ৰচিত সুধীন দাসগুপ্তৰ সংগীত পৰিচালিত 'অৰণ্য' বোলছবিৰ—

**'দিনৰ পোহৰ ৰঙচঙীয়া**
**ভাল মানুহৰ সংগ**
**ৰাতিৰ আন্ধাৰ গমগমীয়া**
**চোৰ মাতালৰ ৰং।'**

গঁড় আৰু বনাঞ্চল ধ্বংসৰ ওপৰত সমৰেন্দ্ৰ নাৰায়ণ

দেৱে নিৰ্মাণ কৰা এইখন আছিল প্ৰথম অসমীয়া বোলছবি। গীতটিৰ কথাখিনিৰ জৰিয়তে এন্ধাৰৰ সুযোগত দিনত মুখাপিন্ধা এচাম মানুহৰ চৰিত্ৰ কি হ'ব পাৰে তাক সুন্দৰভাৱে অংকন কৰি দেখুৱাই দিয়া আমাৰ দৃষ্টিত পৰিছে।

চবিন মেধী ৰচিত আৰু ছৈয়দ চাদুল্লা সুৰাৰোপিত আন এক অসমীয়া গীত হ'ল-

**'যোৱাৰ পৰত**
**সৰা শেৱালী বুটলি কি হ'ব কোৱা**
**নাই যে সময় উভতি চোৱাৰ**
**এতিয়া বিদায় লোৱা।'**

জ্যোতিষ ভট্টাচাৰ্যৰ কণ্ঠত চিৰসেউজ হৈ আছে। জীৱনৰ অন্তিম মূহূৰ্তৰ কথাখিনি সুন্দৰভাৱে অংকন গীতিকাব্যৰ কেন্দ্ৰীভূত প্ৰেম, ভালপোৱা আৰু বিৰহৰ ছবিখন সংগঠিত শব্দমালাৰে সুন্দৰ ৰূপত প্ৰকাশ কৰিছে।

**'হিয়াৰ মৰম মুকুতা হৈ**
**আছে মন উপচায়**
**তাৰেই গঢ়ায় সাতে শৰীৰ**
**দিবানে মোকে পিন্ধাই।'**

ৰিদিপ দত্ত আৰু ইনা মুখাৰ্জীৰ কণ্ঠৰ 'মন-মন্দিৰ' বোলছবিৰ এই গীতটিৰ মাজেৰেই এখন সুন্দৰ প্ৰেমৰ ছবি দেখুৱাব বিচৰা হৈছে। কৈশোৰৰ দুষ্ট সময় পাৰ কৰি যৌৱনৰ দুৱাৰদলিত উপস্থিত হোৱাৰ কথা কাব্যিকতাৰে মধুৰতম প্ৰকাশ।

**'মাহ হালধিৰে নোৱালে ধুৱালে**
**কইনা সঁজালে কোনে দাপোণমতী**
**কইনা সঁজালে কোনে।'**

দ্বিজেন্দ্ৰ মোহন শৰ্মা ৰচিত আৰু সহধৰ্মিনী বিউটি শৰ্মা বৰুৱাৰ কণ্ঠৰ এই গীতটিৰ মাজেৰেই অসমীয়া বিবাহৰ এখন ছবি প্ৰকাশ কৰিব বিচৰা হৈছে। কি যে সুমধুৰ গীত। শব্দৰে প্ৰকাশ কৰটো যেন দুৰূহ।

**'বিমূৰ্ত মোৰ নিশাটি যেন**
**যেন মৌনতাৰ সূতাৰে বোৱা**
**এখন নীলা চাদৰ।'**

গীতটিৰ মাজেৰে সুধাকণ্ঠই কামনা-বাসনাৰ ছবিখন সুন্দৰ ৰূপত তুলি ধৰিছে। 'কোমল আঘাত প্ৰতি আঘাত' উক্ত শাৰীটোত লুকাই আছে কামনা-বাসনাৰ এখন অপ্ৰকাশ্য ছবি। এয়াই ছাগে কলাকাৰৰ শব্দ মাধূৰ্য্যৰ কলাত্মকতা। গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ

**'মানুহৰ দেহাতে জীৱই কলে মলায়**
**খাবলৈ খুদ কণ নাই,**
**মানুহৰ ভোগতে ভোগ পৰমানত**
**খুদ-কণ কমিলেই দায়।'**

এই গীতটিত এচাম ক্ষুধাতুৰ মানুহৰ অন্নমুঠিৰ অভাৱত কি অৱস্থা হ'ব পাৰে সেই ছবিখন তুলি ধৰিছে। আনফালে এচাম ধনীলোকৰ ভোগবিলাসী জীৱনত ক'ৰবাত যদি ভোগ বিলাসত ত্ৰুটি হয় তাক লৈ কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে সেয়া তুলি ধৰিছে।

**'নিয়ৰৰে ফুল এপাহ ফুলিল**
**এপাহ সৰিল কেনি।'**

নৱকান্ত বৰুৱাৰ জীৱনৰ এক মহৎ সৃষ্টি। সুধাকণ্ঠই সুৰাৰোপিত কৰা এই গীতটি ৰচনা কৰা হৈছিল গুৱাহাটী শৰণীয়া পাহাৰত। গীতটিৰ মাজত উল্লেখিত 'আইনুজনীৰ চকুৰ মণি' এই শব্দৰে কনিষ্ঠ জীয়ৰী উপলা বৰুৱাক বুজাইছে।

**'ৰহদৈ অ' এয়া**
**নিৰ্মলা নদীৰে ঘাট**
**কৃষ্ণচূড়াৰ ছাঁয়াৰে আঁৰৰা গাঁৱৰ**
**সেন্দুৰীয়া বাট।'**

গীতিকাৰ দ্বিজেন্দ্ৰ মোহন শৰ্মাদেৱে গীতটিৰ মাজেৰে এখন গাঁৱৰ কাল্পনিক চিত্ৰক বাস্তৱ ৰূপত মনোমোহা কৰি তুলি ধৰিছে। সুৰকাৰ জীতেন দেৱ আৰু কণ্ঠশিল্পী বীণা ভাগৱতীয়ে তাতে আকৌ সোণতে সুৱগা চৰাইছে।

**'ৰংচোৱা সেনাপতি দেউতা ঈশ্বৰ**
**এইবেলি আমি ৰং চাম**
**ঢোল-পেঁপা-গগণাত আগেয়ে নুশুনা সুৰ**
**মন গ'লে আমিও শুনাম।'**

গীতিকাৰ নগেন বৰাৰ অন্যতম এক বৈপ্লৱিক সৃষ্টি। প্ৰতিশ্ৰুতিৰ ফুলজাৰিৰে শাসনৰ গাদী দখল কৰা ৰজাঘৰীয়াক দিয়া সকীয়নী গীতটিৰ মূল সাৰবস্তু। যিখিনি কথা গণতন্ত্ৰক ভূ-লুণ্ঠিত কৰি শাসনৰ গাদী দখল কৰাসকলে হৃদয়ংগম কৰা উচিত। দ্বীপেন বৰুৱাই কণ্ঠ দিয়া 'মুকুতা' বোলছবিৰ এক চিৰসেউজ গীত হ'ল—

**'এখন নেদেখা নদীৰ সিপাৰে**
**ফুলিছে আশাৰ পাপৰি...'**

এই গীতটিৰ সমাদৰ আজিও অক্ষত। প্ৰণিধানযোগ্য কথা এয়ে যে ছয়গাঁও মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° অনিমা চৌধুৰীয়ে এই বোলছবিত কণ্ঠদান

কৰি প্ৰথমবাৰৰ বাবে বোলছবিত ভূমুকি মাৰিছিল।

আলিমুন্নিচা পিয়াৰা ৰচিত আৰু বীৰেন ফুকন সুৰাৰোপিত আন এক কালজয়ী অসমীয়া গীত হ'ল—

**'খোজ লাহেকৈ দিবি সখী**
**খোজ লাহেকৈ দিবি।'**

পাৰবীন চুলতানাৰ কণ্ঠৰ এই গীতটিয়ে আজিও শ্ৰোতাৰ কাণত বাজি থাকে। কৈশোৰ বয়সত নিজৰ সখীয়েকক শুনোৱা সাৱধানবাণী আৰু একে গাঁৱতে থাকি সুখে-দুখে জীৱন কটাব খোজা যি সপোন সেই ছবিখন সুন্দৰভাৱে অংকন কৰিছে। মন কৰিবলগীয়া কথা যে গীতটি প্ৰথমতে দীপালী বৰঠাকুৰৰ কণ্ঠত বাণীৱদ্ধ কৰা আছিল যদিও বিশেষ কাৰণবশতঃ তেওঁ বঞ্চিত হ'বলগীয়া হ'ল।

**'তাঁতৰ দোৰে পতি চলাই ঘনে পতি**
**পলকত টোলোঠা ঘূৰে'**

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ এয়া এক অনবদ্য অৱদান। গীতটিৰ কণ্ঠ মনোজ্যোৎস্না গোস্বামী মহন্তৰ। গীতৰ কথাখিনিত অসমীয়া চহা গ্ৰাম্য জীৱনত তাঁতশালৰ যি গুৰুত্ব সেয়া সুন্দৰ ৰূপত তুলি ধৰিছে।

**'জোনাকৰে ৰাতি অসমীৰে মাটি**
**অসমীৰে মাটি**
**জিলিকি জিলিকি পৰে...'**

ভূপেনদাৰ ৰচিত আৰু লতাজীৰ কণ্ঠৰ এই গীতটিৰ জনপ্ৰিয়তা আজিও অসমীয়াৰ সংগীতপ্ৰেমীৰ মাজত প্ৰৱাহমান। গীতটি আছিল অসমীয়া বোলছবিত অনা-অসমীয়া কণ্ঠশিল্পীয়ে কণ্ঠ দিয়া প্ৰথমটো গীত।

**'মঘাই বোলে ঢোলৰ মাত**
**ধিনিকি ধিন্দাউ**
**সোণৰ অসম নালাগে মোক**
**মাটিৰে সঁজাও..'**

লোকনাথ গোস্বামীৰ সুৰ আৰু কণ্ঠ আৰোপিত এই গীতটিৰ মাজেৰে বৃহত্তৰ অসমীয়া জাতি একত্ৰিত ৰূপত উপস্থাপন কৰিব বিচৰা হৈছে। গীতিকাৰ গোস্বামীয়ে বিভেদৰ পথ পৰিহাৰ কৰি একতাৰ দোলেৰে বৃহত্তৰ অসমীয়া জাতিৰ স্বকীয়তা বৰ্তা ৰাখি সুন্দৰ অসম প্ৰতিষ্ঠা কৰাৰ আহ্বান জনাইছে।

নিৰ্মল প্ৰভা বৰদলৈৰ ৰচিত-

**'সন্ধিয়াৰ আকাশত বগলী উৰে**
**আইৰে ঘৰলৈ মনতে পৰে...'**

এই গীতটি তুলিকা সেনাপতিৰ কণ্ঠত চিৰসেউজ হৈ আ আৰু ভৱিষ্যতলৈও থাকিব। বিবাহৰ পিছত এগৰাকী বোৱাৰী মাকৰ ঘৰলৈ যাবলৈ নাপায় সমাজৰ নিয়ম মানি লৈ কিদৰে নিজ মাজতে অন্তৰ্দহনত দগ্ধিত হয় সেয়া ফুটি উঠিছে।

**'বৰদৈচিলা নে সৰুদৈচিলা**
**অসমৰ আকাশত বৰ বৰ চিলা...'**

গীতটিৰ মাজেৰে সুধাকণ্ঠই আমি যেন লাহে লাহে নিজ স্বভাৱৰ কাৰণে সকলো হেৰুওৱাৰ উপক্ৰম ঘটিছে সেয়া সুন্দৰভা প্ৰকাশ কৰিছে য'ত আমাৰ কৰ্মহীনতা আৰু দায়বদ্ধতাৰ অভা ফুটি উঠা পৰিলক্ষিত হৈছে।

শতবৰ্ষ গৰকা পথৰ আধুনিক অসমীয়া গীতি সাহিত্য সকলোবোৰ বছা বছা গীত নিৰ্বাচন কৰাটো সম্ভৱপৰ নহয় আৰ সৰ্বসন্মতভাৱে জনপ্ৰিয় কিম্বা চিৰসেউজ বুলি স্বীকৃতি দিয়াটো খুব কষ্টকৰ কাম। তথাপিও বৰ্তমান সময়ত যিটো হাৰত সস্তীয় গীতৰ সৃষ্টিয়ে অসমীয়া সাহিত্যৰ স্বকীয়, একক আৰু অনন্য ধাৰা এচাম সংগীতৰ বেপাৰীয়ে যিধৰণে আঘাত হনাৰ উপক্ৰম ঘটি সেয়া কোনোপধ্যেই সহ্যকৰ নহয়। অৱশ্যে এয়াও নহয় যে ভা সৃষ্টি একেবাৰে নাইকীয়া হৈ গ'ল। এতিয়াও একাংশ নীৰৱ সাধক একাণপটীয়া প্ৰচেষ্টাত কিছু পৰিমাণে হ'লেও ই জীয়াই আ এচাম বেপাৰীয়ে সস্তীয়া জনপ্ৰিয়তাৰে সংগীতৰ এখন বজাৰ সৃ কৰি কলুষিত কৰিব খোজা অসমীয়া গীতি সাহিত্যৰ ধাৰাটো পুনৰুজ্জীৱীত তথা ইয়ালৈ অৱদান আগবঢ়ায় যোৱা বিশি গীতিকাৰ, সুৰকাৰ আৰু কণ্ঠশিল্পীসকলক সন্মান দিয়াটো আমা সচেতন সংগীতপ্ৰেমীৰ কৰ্তব্য, অন্যথা এচামৰ ব্যৱসায়ি মনোবৃত্তিৰ মাজত এইবোৰ নক্ষত্ৰ ক'ৰবাত যেন হেৰাই যাব পাহৰণি গৰ্ভত। এই গুৰু দায়িত্ব আমাৰ হাতত। আহক ভাল সংগীতৰ শ্ৰো হওঁ আৰু ভাল সৃষ্টিক সমৰ্থন কৰোঁ। ❑

উৎস ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিভিন্ন অনুষ্ঠান

সংগীত হ'ল ভগ্ন হৃদয়ৰ একমাত্ৰ মহৌষধ।
Music is the only on medicine of broken heart

# অসমৰ এক ইতিহাস বিজড়িত থান :
# গিৰি গোৱৰ্দ্ধন
## আৰু ইয়াৰ পৰ্যটনৰ সম্ভাৱনীয়তা



ধৰিত্ৰী নাথ
উঃমাঃ দ্বিতীয় বৰ্ষ



উত্তৰ পূৰ্ব্বাঞ্চলৰ আঠভনীৰ ভিতৰৰ এক উল্লেখযোগ্য ৰাজ্য হ'ল অসম। এই অসমভূমি প্ৰাকৃতিকভাৱে আৰু প্ৰত্নতাত্বিকভাৱে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ ঠাই। য'ত আছে বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু বিৰোধৰ মাজত সংহতি। বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগমস্থলী অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ আৰু লুইতৰ পৰা বৰাকলৈ যদি দৃষ্টি নিক্ষেপ কৰা যায় তেতিয়াহ'লে নিশ্চিতভাৱে আমি অসমীয়া বুলি চিনাকি দি গৰ্ববোধ কৰো। তথাপিও কিন্তু আমাৰ একাংশৰ বাবে দূৰৰ পৰ্বত সদায়েই শুৱনি। ঘৰৰ সন্মুখতে থকা ফুলজোপাৰ মূল্য নুবুজি আমি বিচাৰো দূৰণিৰ পাৰিজাত। অসমৰ বুকুত চুকে-কোণে এনেদৰে আমাৰ দৃষ্টিত লুকাই থকা (আচলতে সদিচ্ছাৰ অভাৱ) ঐতিহ্যমণ্ডিত আৰু সম্ভাৱনাপূৰ্ণ স্থানসমূহৰ ভিতৰৰ অন্যতম এখন আধ্যাত্মিক থান হ'ল ছয়গাঁও চহৰৰ পৰা পশ্চিমে তিনি কিলোমিটাৰ নাতি দূৰত অৱস্থিত গিৰি গোৱৰ্দ্ধন থান।

ইতিহাসে গৰকা এই পবিত্ৰ 'গিৰি-গোৱৰ্দ্ধন' থান। নামনি অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে প্ৰতিষ্ঠা কৰা হৈছিল আৰু থানখন এটা সময়ত হাবি-জংঘলেৰে আবৃত হৈ আছিল। জনবিশ্বাস অনুসৰি পাহাৰৰ বিশাল শিলাখণ্ডত যুগ যুগ ধৰি বৈ যোৱা গৰুৰ খোজবোৰ আৰু মানুহৰ পদচিহ্ন যুগলে এটা সময়ত ধৰ্মপ্ৰাণ ৰাইজক আকৰ্ষিত কৰিলে আৰু ইয়ালৈ আহিবলৈ বাধ্য কৰিলে। তেওঁলোকে বিশ্বাস কৰিলে

যে এইবোৰ ভগৱান শ্ৰীকৃষ্ণই চৰোৱা গৰুৰ খোজ আৰু পদচিহ্নযুগল তেৰাৰেই। অটব্য হাবি-জংঘল ভাঙি ধৰ্মপ্ৰাণ ৰাইজে ইয়াত উপস্থিত হৈ প্ৰখৰ ৰ'দ-বৰষুণ নেওঁচি কীৰ্তন ঘোষা গাই ঈশ্বৰৰ পূজা-অৰ্চনা কৰিবলৈ ল'লে। ল'গে ল'গে আৰম্ভ হ'ল নতুন যুগৰ।

সময়ৰ গতিত গৰুৰ খোজবোৰ লাহে লাহে বিলুপ্ত হ'বলৈ ধৰাত একাংশ সচেতন ধৰ্মপ্ৰাণ ৰাইজ ওলাই আহিল। তেওঁলোকে এই পদচিহ্নযুগল ৰক্ষা কৰাৰ লগতে ঐতিহ্য জীয়াই ৰখাৰ স্বাৰ্থত বিভিন্ন পদক্ষেপ হাতত ল'লে। কিছুসংখ্যক সমাজ সচেতন ব্যক্তিৰ সহযোগতে সাধাৰণভাৱে হ'লেও এই পাহাৰখনত এটি বিষ্ণু মন্দিৰ আৰু এটি সভাঘৰ নিৰ্মিত হয়। ১৯৬৮ ইং চনত গঢ় লৈ উঠা এই মন্দিৰ আৰু সভাঘৰে থানখনক নতুন মাত্ৰা প্ৰদান কৰিলে। অৱশ্যে সভাখৰ আৰু বিষ্ণুমন্দিৰ নিৰ্মাণৰ পঞ্চাশটা বছৰ পিছতো চৰকাৰ আৰু চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ বিষয়া-আমোলাৰ সুদৃষ্টি নপৰিল।

ভক্তসকলৰ শাস্ত্ৰ পাঠ, নাম-কীৰ্তন, পূজা-অৰ্চনাৰ জৰিয়তে থানখনলৈ আধ্যাত্মিক গভীৰতা নমাই আনে। ইয়াৰ পাছতে বিষ্ণু মন্দিৰৰ পূৱফালে ১৯৮৩ ইং চনত ভকতসকলে গঢ়ি তোলে এটি বৃহৎ শিৱলিংগ। বিষ্ণু মন্দিৰৰ পুনৰ নিৰ্মাণৰ সমান্তৰালভাৱে শিৱলিংগৰ পূৱফালে আৰু এটি মন্দিৰ গঢ় লৈ উঠে সেয়া হ'ল হৰ-পাৰ্বতী-গণেশ মন্দিৰ। এইবোৰে থানলৈ সৌষ্ঠৱ-সৌন্দৰ্য বঢ়াইছে। ইয়াৰ লগতে থানখনলৈ অহা যাত্ৰীৰ সংখ্যাও কেবাগুণ বৃদ্ধি পায়। পৰ্যটকৰ সংখ্যা বৃদ্ধি আৰু ভক্তপ্ৰাণ ৰাইজৰ সুবিধাৰ্থে পুৰণি মন্দিৰ আৰু সভাঘৰো স্থানীয় বিধায়কৰ সাহাৰ্য্যত পুনৰ নিৰ্মাণ কৰিলে। সেইখিনি কৰিয়েই যেন স্থানীয় জনপ্ৰতিনিধিয়ে নিজৰ দায়িত্ব সামৰিলে।

সময়ৰ সোঁতত মন্দিৰলৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ লগে লগে সমস্যাও বৃদ্ধি পালে। ক্ৰমবৰ্দ্ধমান গছ-গছনিৰ ধ্বংস যজ্ঞৰ পাহাৰখনৰ নিজৰাসমূহৰ পানী শুকাই অহাত ভক্তপ্ৰাণ ৰাইজ জুৰুলা হৈ পৰিল। স্থানীয় ৰাইজৰ বহু আবেদন নিবেদনৰ পিছতে চৰকাৰে আঁচনি প্ৰস্তুত কৰি লাখটকীয়া ঠিকা দিছিল যদিও পানীৰ ব্যৱস্থা হৈ নুঠিল। পানীৰ বাবে পৰ্যটকসকলে বহু অসুবিধা পাইছিল। আৰু এতিয়াও পানীৰ সমস্যাটো সম্পূৰ্ণৰূপে সমাধান হৈ উঠা নাই। ইয়াৰ উপৰিও মন্দিৰলৈ যোৱা বাট-পথৰ অৱস্থাও সুচল নাছিল। মন্দিৰলৈ অহা-ভক্তপ্ৰাণ ৰাইজে এইবোৰৰ বাবে বহু সমস্যাৰ সন্মুখীন হৈছিল। অৱশ্যে বৰ্তমান সময়ত মন্দিৰলৈ যোৱা ৰাস্তাৰ কিছু উন্নতি সাধন কৰা হৈছে। তথাপিও কিন্তু থানখন নিৰ্মাণৰ ক্ষেত্ৰত পৰ্য্যাপ্ত পদক্ষেপ লোৱা হোৱা নাই। যিখিনি হৈছে সেইখিনিও স্থানীয় সচেতন গওঁৱা ৰাইজৰ বাবেহে হোৱা যেন অনুভৱ হয়।

এনেদৰে গিৰি গোৱৰ্দ্ধন থানখন বহুতো সমস্যাৰে জৰ্জৰিত যদিও এতিয়াও এই থানলৈ পৰ্যটকৰ আগমন হৈয়ে আছে। বিশেষকৈ মাঘ মাহৰ পহিলা সময়ছোৱাত এই মন্দিৰলৈ অসংখ্য ভক্তপ্ৰাণ ব্যক্তিয়ে দৰ্শন হ'বলৈ আহে। ইয়াৰোপৰি প্ৰত্যেক বছৰে হোৱা ভকতবৃন্দৰ অখণ্ড ভাগৱত পাঠলৈও অসংখ্য ভক্তৰ আগমন হয়।

গিৰি গোৱৰ্দ্ধন থানৰ যি মনোমোহা প্ৰাকৃতিক পৰিৱেশ সেয়া চাবলৈও খুব ভাল লাগে। সেয়ে হয়তো বহুতো দৰ্শনাৰ্থীৰ আগমন এই থানলৈ হৈয়ে থাকে। এই থানখন চাৰিওফালে সেউজীয়া আৱেষ্টনীৰে ভৰপূৰ। এই থানলৈ ভক্তসকলে যি ফল-মূল আনে সেয়া বান্দৰবোৰক দিলে বহুতো সৰু বৰ বান্দৰ জুম লাগে এই দৃশ্য চাবলৈও খুব ভাল লাগে। এই থানৰ ওপৰৰ পৰা ব্ৰহ্মপুত্ৰ নদীও আমাৰ চকুত দৃশ্যমান হয়। শিলাখণ্ডত উঠি যেতিয়া ভৈয়ামলৈ চকু ফুৰোৱা যায় তেতিয়া ভৈয়ামৰ এক সুন্দৰ মনোমোহা দৃশ্য আমাৰ চকুত দৃশ্যমান হয়।

বৰ্তমান গিৰি গোৱৰ্দ্ধন থানখন এনে এটা পৰ্যায়লৈ উন্নীত হৈছে যে ইয়াৰ নামনি অংশত ভকতসকলৰ সমৰ্থনত স্থানীয় ৰাইজে মিলিত হৈ ৰাস মহোৎসৱ অনুষ্ঠিত কৰিব লৈছে। ইতিমধ্যে এই ঠাইখনত দুবছৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰা হ'ল। গতিকে এনেদৰেই এই ঐতিহ্যমণ্ডিত থানখন বৰ্তমান সময়ত বহুতো ভক্তপ্ৰাণ ৰাইজৰ ভক্তিৰস স্থলী হোৱাৰ উপৰিও আন একাংশ পৰ্যটকৰ দৰ্শনস্থলী হৈ পৰিছে।

হেমাংগ বিশ্বাসে কোৱাৰ দৰে 'যি নাই অসমত সি নাই বিহুগীতত, যি নাই বিহুগীতত সি নাই অসমত'। কথাফাঁকিৰ প্ৰসংগ টানি আনি ক'ব পৰা যায় যে গিৰি গোৱৰ্দ্ধন থানখনি সম্ভাৱনা ভক্তিৰস, পৰ্যটনৰ আকৰ আৰু নিজৰাৰে আবৃত এক সুন্দৰ প্ৰাকৃতিক মনোমোহা পৰিৱেশ থকা সত্বেও চৰকাৰ আৰু চৰকাৰৰ পৰ্যটন বিভাগে এই থানখনৰ লগতে অসমৰ আন এনেকুৱা থানসমূহ সুন্দৰ ৰূপে ভক্তিৰসস্থলী আৰু পৰ্যটনস্থলী বুলি স্বীকৃতি দিয়াত ব্যৰ্থ। কেৱল চেলিব্ৰেটিক কোটি কোটি টকাৰ বিনিময়ত বিজ্ঞাপনত নিযুক্তি দি পৰ্যটন অথবা ঐতিহাসিক স্থানসমূহ উন্নয়ন কৰাটো অসম্ভৱ। তাৰ পৰিৱৰ্তে চেলিব্ৰেটিক দিয়া এক মোটা অংকৰ ধন এইসমূহ থান উন্নয়নৰ নামত খৰচ কৰিলে বেছি পৰিমাণে উপকৃত হোৱা বুলি আমাৰ অনুভৱ হ'ব। আহক নিজক চিনিবলৈ শিকো আৰু নিজৰ স্বকীয়তা, গুণ-গৰিমা আৰু নিজস্বতাক বিশ্ব দৰবাৰত সুন্দৰ ৰূপত প্ৰতিষ্ঠা কৰি সচেতন অসমীয়াৰ পৰিচয় দিওঁ।□


অতিথি
চ'ৰা

# নিজৰ ঘৰখনৰ পৰা সমাজসেৱা আৰম্ভ হওক



কনকসেন ডেকা
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা

বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ লোকে ভিন্ন ভিন্ন তাৰিখত নতুন বছৰৰ শুভাৰম্ভ কৰে। তেনেকৈয়ে খ্ৰীষ্টাব্দ, হিজ্‌ৰি, শকাব্দ, ভাস্কৰাব্দ, শংকৰাব্দ আদি চলি আহিছে। ৫৯৪ত কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনে সিংহাসনত আৰোহণ কৰাৰ দিন ধৰি পহিলা ব'হাগৰ পৰা ভাস্কৰাব্দ আৰম্ভ হৈছে। সেই দিশৰ পৰা পহিলা ব'হাগৰ তাৎপৰ্য অপৰিসীম। সেয়ে সাহিত্য সভাৰ আমাৰ কাৰ্যকালত সকলো চিঠি-পত্ৰত ভাস্কৰাব্দ ব্যৱহাৰ কৰা হৈছিল। এই কথা দোহাৰিবৰ প্ৰয়োজনেই নাই যে ঔপনিৱেশিক ইংৰাজৰ আগমনলৈকে আমাৰ দেশত খ্ৰীষ্টাব্দ অনুসৰি বছৰ গণনা হোৱা নাছিল; কিন্তু ইংৰাজে প্ৰশাসনীয় ক্ষমতা দখল কৰাৰ লগে লগে খ্ৰীষ্টিয় কেলেণ্ডাৰৰ প্ৰয়োগ ঘটোৱা হয়; ক্ৰমাৎ সমগ্ৰ দেশতে খ্ৰীষ্টাব্দ অনুসৰি বছৰ গণনাৰ সূচনা হয়। যিহেতু ব্ৰিটিছ সাম্ৰাজ্যত সূৰ্য ডুব নাযায় বুলি কোৱা হৈছিল, সেয়েহে সেই বিশাল ভূমিখণ্ডত খ্ৰীষ্টিয় কেলেণ্ডাৰক জনপ্ৰিয় কৰি তোলা হয়। তদুপৰি ব্ৰিটিছৰ অধীনত নথকা কেতবোৰ দেশতো খ্ৰীষ্টান ধৰ্মাৱলম্বী লোক থকা হেতুকেই হওক ব্যৱসায়-বাণিজ্যৰ বাবেই হওক, খ্ৰীষ্টিয় কেলেণ্ডাৰৰ জনপ্ৰিয়তা বাঢ়িবলৈ লয়। তদুপৰি ইংৰাজ বুলিয়েই নহয়, ইউৰোপৰ স্পেনিছ, ফৰাছী আদি জাতিৰো বিভিন্ন ঠাইত উপনিৱেশ আছিল। সেই ধাৰাৰে সেইবোৰ দেশতো খ্ৰীষ্টিয় কেলেণ্ডাৰ জনপ্ৰিয় হৈ উঠে। সেই ধাৰাৰে গোৱা, দমন দিউ, পণ্ডিচেৰী (আজিকালি পুডুচেৰী), মেক্সিকো আৰু সমগ্ৰ লেটিন আমেৰিকাত, বিশেষকৈ স্পেনিছ ঔপনিৱেশিকতাৰ হেতুকে খ্ৰীষ্টান ধৰ্মৰ লগতে খ্ৰীষ্টিয় কেলেণ্ডাৰে জনপ্ৰিয়তা লাভ কৰে। সম্প্ৰতি বিশ্বৰ সমগ্ৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী দেশসমূহৰ উপৰি এসময়ৰ ইউৰোপৰ বিশাল উপনিৱেশসমূহতো খ্ৰীষ্টিয় কেলেণ্ডাৰে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। সেয়েহে সম্প্ৰতি পহিলা জানুৱাৰীটোকে বিশ্বৰ বৃহৎ সংখ্যক লোকে বছৰটোৰ পহিলা দিন হিচাপে মানিবলৈ লৈছে আৰু নৱবৰ্ষ হিচাপে উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ লোৱাও দেখা যায়। অৱশ্যে ভাৰতীয়সকলে চৰকাৰী আৰু অন্যান্য ব্যৱহাৰিক ক্ষেত্ৰত খ্ৰীষ্টিয় কেলেণ্ডাৰ গ্ৰহণ কৰিলেও শদিয়াৰ পৰা কন্যাকুমাৰীলৈকে ভিন ভিন নামেৰে হ'লেও পহিলা ব'হাগকে আন্তৰিকতাৰে নৱবৰ্ষৰ প্ৰথমদিন হিচাপে পৱিত্ৰতাৰ লগতে ৰং-ৰহইচেৰে পালন কৰি আহিছে।

সি যিয়েই নহওক, বছৰৰ শুভাৰম্ভৰ দিনা আমিও দুই-এটা সেৱাৰ কাৰ্যসূচী ল'ব পাৰোঁ। এই কথা আমি মনত ৰখা উচিত যে ৰাজপথত যিমানেই তাল-আফাল কৰা নহওক কিয়, সামাজিক সুখ-শান্তিৰ পৰিৱেশ আমিয়েই গঢ়ি তুলিব লাগিব। দিল্লীৰ পৰাই হওক, অথবা আকাশৰ পৰাই হওঁক কোনো দেৱদূতেই সুখ-শান্তি আমালৈ প্ৰেৰণ কৰিব নোৱাৰে। সেই সুখ-শান্তিৰ যাত্ৰা নিজৰ ঘৰখনৰ পৰা আৰম্ভ হ'ব লাগিব। ইয়াৰ কোনো বিকল্প নাই। সামাজিক শান্তিৰ উৎস বিচাৰি আমি পাওঁ যে ১৮ শতিকাৰ পৰা আজিলৈকে, ইউৰোপেই কেৱল নহয়, তথাকথিত সভ্য সমাজত আলোড়ন সৃষ্টি কৰা জিম জেকুচ ৰুছ'ৰ 'প্ৰকৃতি ৰাজ্য' আছিল সুন্দৰ-শান্তিৰ আৰু মানুহে তাত

সম্পূৰ্ণ সুখেৰে জীৱন যাপন কৰিছিল। Man in the State of Nature had been free, healthy, honest and happy but had been corrupted and enslaved by the growth of social institutions. এইগৰাকী ফৰাছী মনীষীৰ বক্তব্যই পূৰ্বৰ পৰা চলি অহা সভ্যতাৰ সকলো ধাৰণাকে নস্যাৎ কৰি পেলাইছিল। ৰুছ'ৰ মতে অৰণ্যৰ ৰাজ্য আছিল শান্তিৰ-সুখৰ। অৰণ্যৰ পৰাই তেওঁলোকে পাইছিল পৰ্যাপ্ত খাদ্য-সম্ভাৰ। স্বাধীন, শোষণমুক্ত আছিল সেই সমাজ; কিন্তু তথাকথিত সভ্য হ'বলৈ গৈ নানা ধৰণৰ ন্যস্তস্বাৰ্থজড়িত প্ৰশাসনৰ জালত বন্দী হ'ল মানুহ। তাৰ হাত-ভৰিত শিকলি লগোৱা হ'ল। মুকলি আকাশ হেৰাই গ'ল। ৰুছ'ৰ এই বক্তব্য কোনোবাই মানকেই বা নামানকেই; কিন্তু অস্বীকাৰ কৰাৰ যে উপায় নাই, সি নিশ্চিত। অৰণ্যৰ সেই ৰাম-ৰাজ্যৰ পাছতেই সামন্ততন্ত্ৰ, পুঁজিবাদ আৰু সম্প্ৰতি বিশ্বায়নে মানুহক মুক্ত বায়ু সেৱন কৰাৰ সুযোগ দিছে নে শ্বাসৰুদ্ধ অৱস্থালৈ টানি নি মৃত্যুমুখলৈ ঠেলিছে, সেই প্ৰশ্ন চিন্তনীয়। ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় উদ্ভাৱন তাতোকৈ কঠিন। বিশ্বায়নে মোৰ অলক্ষিতে চ'ৰাঘৰৰ পৰা শোৱাকোঠালিলৈকে এনেদৰে বিচৰণ কৰিছে যে এইবোৰত মোৰ কোনো স্বকীয় ইচ্ছা-অনিচ্ছাৰ প্ৰশ্ন নাই। য়াংকি চাহাবে সুদূৰৰ পৰা আগবঢ়োৱা ডিজাইন অনুসৰি মোৰ চ'ৰাঘৰ সজাব লাগিব, তেনেদৰে কেবা খলপীয়া পাকঘৰ আৰু খোৱা টেবুল সজাব লাগিব। খাই উঠি হাত মোচা নেপকিনো য়াংকি চাহাবৰ নিৰ্দেশ অনুযায়ী উপস্থাপন কৰিছেহি। ককাদেউতাৰ বাটচ'ৰা, চ'ৰাঘৰ এতিয়া মান্ধাতা আমোলৰ স্মৃতি। আইতাৰ জুহাল, পাকঘৰ আৰু মজিয়াত বহি কাঁহৰ কাঁহী-বাটিত মায়ে আগবঢ়াই দিয়া ধৰণে ভাত খোৱাটো আওপুৰণি-লাজ লগা কথা হৈ পৰিছে। বৰঘৰৰ পিছফালে থকা ধানৰ ভঁৰাল, ঢেঁকী আৰু কাষত থকা কুঁৱাটো হৈ পৰিছে আৱৰ্জনা। ইতিমধ্যে সেইবোৰ আঁতৰাই এনেদৰে দূৰলৈ নিক্ষেপ কৰা হৈছে, যাতে সেই আপদীয়া বস্তুবোৰৰ ক'তো চিন-মোকাম নাথাকে, কাৰণ সেইবোৰ দেখিলে মোকো কোনোবাই আওপুৰণি যুগৰ মানুহ বুলি ক'ব পাৰে। কিট্‌চেন, ডাইনিং ৰুম, ড্ৰইংৰুমৰ স'তে মাৰ্কিন য়াংকি চাহাবৰ স'তে পাৰ্থক্য থাকিব নালাগিব। আন নালাগে ল'ৰা-ছোৱালী কেইটাইও দেউতা-মা বুলিলে আমি অপমানবোধ কৰোঁ, পাপা-মামী বুলিলেহে দেহ-মন শাত পাৰি যায়। এইদৰেই এলান্ধুকলীয়া সমাজখনৰ পৰা আমি এনে এখন আধুনিক সমাজত নিজকে উপস্থাপন কৰিছো যেন সভ্যতাৰ শিখৰ ঢুকি পাবলৈ আৰু এক ইঞ্চিমানহে বাকী আছে।

কিন্তু পুৱা কাকতখন খুলিলেই অথবা যিকোনো সময়ত টেলিভিছনৰ ছুইচটো টিপিলে চকুৰ আগত ভাহি উঠে এইখন অসমত পূৰ্বতে কাহানিও সংঘটিত নোহোৱা হত্যা-হিংসা, ধৰ্ষণৰ মৰ্মান্তিক দৃশ্যসমূহ। নাবালিকা ছাত্ৰীও হৈছে শিক্ষকৰ দ্বাৰা ধৰ্ষিতা। বিদ্যালয়ৰ প্ৰধান শিক্ষক মধ্যাহ্ন ভোজনৰ চাউল চুৰি কৰি গ্ৰেপ্তাৰ হৈছে। চাৰিমহীয়া শিশুৱেও হাস্পতালত মৃত্যু হোৱা হেতুকে দৰিদ্ৰ পৰিয়ালে দিবলগীয়া হৈছে ১৫ হেজাৰ টকা, ৰাজপথৰ দাঁতি পেলাই থোৱা হৈছে দেৱ শিশু, আন ঠাইত হয়তো পৰি আছে কোনোবা কিশোৰৰ মৃতদেহ। বিদ্যালয়ৰ শিক্ষয়িত্ৰীক ঘৰলৈ ঘূৰি অহাৰ পথতে ধৰ্ষণ কৰি হত্যা কৰা হৈছে। যিখন সমাজত কাৰো জীৱনৰ নিৰাপত্তা নাই, সেইখন সভ্য সমাজৰ ছবিনে? সমাজলৈ শান্তিৰ আগমন হ'ল নে ধ্বংসৰ?

এখন গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে আমি গৌৰৱান্বিত। আমাৰ মহামূল্যৱান সংবিধানৰ প্ৰস্তাৱনাত লিপিবদ্ধ হৈছে যে এইখন দেশৰ জাতি, ধৰ্ম, বৰ্ণ, ভাষা, গোষ্ঠী নিৰ্বিশেষে সকলোৱেই আমি ভাৰতীয় আৰু সম অধিকাৰ লাভৰ অংশীদাৰ। কিন্তু দূৰলৈ নগৈও আমাৰ এইখন অসমতে দেখো যে পাঁচ বছৰীয়া কাৰ্যকালৰ অন্তত জনপ্ৰতিনিধি একোজন বহুকোটি টকাৰ গৰাকী হৈ পৰে। মন্ত্ৰীসকলৰ গুৱাহাটীত ছয়-সাত ঠাইত নামে-বেনামে ভূমি-অট্টালিকাৰ গৰাকী হোৱাৰ উপৰি দিল্লী-মুম্বাইতো বিশাল সম্পত্তিৰ গৰাকী হৈ উঠে। আইনৰ দৃষ্টিত সকলোকে সমান বুলি কোৱা হৈছে যদিও ৰাকেশ পাল এণ্ড কোম্পানীৰ কথা বাদ দি আঙুলিয়াব পাৰি যে এইখন মহানগৰীৰ সুউচ্চ অট্টালিকাবোৰৰ প্ৰায়ভাগৰে গৰাকী কোনোবা নেতা, আমোলা, আৰক্ষী বিষয়া অথবা তেওঁলোকৰ সমৰ্থনপুষ্ট আন কোনোবা ব্যক্তি। শেহতীয়াকৈ সমাজৰ শান্তি ৰক্ষক আৰক্ষী বাহিনীৰ বকোৰ ভাৰপ্ৰাপ্ত বিষয়া হৃদয় কলিতা ঘোচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হ'বলগা হ'ল। আমাৰ বিশিষ্ট অৰ্থনীতিবিদসকলে কৈছে যে চৰকাৰী ৰাজহৰ ১৫ শতাংশহে মাত্ৰ সৰ্বসাধাৰণ ৰাইজৰ উন্নয়নত ব্যৱহৃত হয়। বাকী ৮৫ শতাংশ মন্ত্ৰী-বিধায়ক-আমোলা-ঠিকাদাৰ আৰু দালালৰ হাতলৈ যায়। সেয়ে উন্নয়নৰ গতি শামুকীয়া হোৱা হেতুকে নৱবৰ্ষ উদ্‌যাপনৰ নিশা হেজাৰ টকীয়া খানা খোৱা মুষ্টিমেয়সকলৰ বিপৰীতে ৯০ শতাংশই কেৱল লোণ-ভাত খায়ে সন্তুষ্ট থাকিব লগা হৈছে। বছৰৰ পাছত বছৰ ধৰি ধেমাজি-ঢকুৱাখনাৰ মথাউৰিত আশ্ৰয় লোৱাসকলৰ চকুলো আমাৰ মহাপ্ৰতাপী জনপ্ৰতিনিধিসকলৰ দৃষ্টিগোচৰ নোহোৱাটোৱেই স্বাভাৱিক; কাৰণ সেইসকলক ভোটদাতা জুমুঠি হিচাপেহে গণ্য কৰা হয়, নাগৰিক সন্মানৰ পৰা তেওঁলোক সুদূৰপৰাহত।

সৰ্বোৎকৃষ্ট শাসন ব্যৱস্থা বুলি কোৱা আমাৰ গণতন্ত্ৰত উপঢৌকন নাপালে দৰিদ্ৰৰ গোচৰ আৰক্ষীয়ে নলয়, দামী উকীল দিব নোৱাৰিলে আদালতত কম আয়ৰ লোকে গোচৰ ৰুজু কৰিব নোৱাৰে; অথচ আইনৰ দৃষ্টিত এইখন দেশত সকলোকে স

বুলি কোৱা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে সংসদত ভৰি দিয়াৰ ক্ষণত সেৱা আগবঢ়াইছিল; কিন্তু সেইখন সংসদ দৰিদ্ৰ জনগণৰ কণ্ঠস্বৰে চুৱেগৈনে? যদিহে সেই কণ্ঠস্বৰ আমাৰ সাংসদসকলে শুনিছে তেন্তে নিতৌ এইখন দেশৰ সাতজনকৈ কৃষকে কৃষিৰ বাবে লোৱা ঋণ পৰিশোধ কৰিব নোৱাৰি আত্মহত্যা কৰিছে কিয়? আনহাতে, সংবিধানত ধৰ্ম-বৰ্ণ-গোষ্ঠীৰ পাৰ্থক্য নাই বুলি কোৱা হৈছে যদিও দলিত শ্ৰেণীৰ লোকক সঘনাই হত্যা কৰাৰ ঘটনা ঘটিয়েই আছে। দেশে স্বাধীনতা লাভ কৰাৰ ৭২ বছৰৰ পাছতো বৈষম্য আঁতৰাই সম অধিকাৰৰ ভিত্তিত আমি নাগৰিক হ'ব নোৱাৰিলো। এইখন দেশৰ ৰাজভোগ আছে মুষ্টিমেয় লোকৰ হাততহে; কিন্তু সৰহসংখ্যক নাগৰিকে দুবেলা দুমুঠি খাবলৈ নাপায়। পুষ্টিকৰ খাদ্যৰ কথা তেওঁলোকে ভাবিব নোৱাৰে। সঁচাকৈয়ে তেওঁলোক স্বাধীন গণতন্ত্ৰৰ নাগৰিকনে? দেশবাসীয়ে নেতাসৱৰ সুমধুৰ বাণী আৰু কিমান বছৰলৈ উদং পেট আৰু উদং দেহাৰে শুনি থাকিব?

কিন্তু তৎসত্ত্বেও সেইসকল ৰাজনৈতিক নেতা, বৃহৎ উদ্যোগপতি, পুঁজিপতি, আমোলা, দালালৰ খঁক পলোৱা নাই। ভাৰতবৰ্ষৰ ৰাজভঁৰালৰ আটাইখিনি ধন ভাগুাৰ দিলেও তেওঁলোকৰ এজনৰো খঁক নপলায়। এইখন দেশৰ সম্পদ সুষমভাৱে বিতৰণ হ'লে প্ৰতিজন ভাৰতীয়ৰে অন্ন-বস্ত্ৰ-বাসস্থান, স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ সমস্যা নাথাকিব; কিন্তু পৰিতাপৰ বিষয় এয়ে যে এই আটাইখিনি সম্পদ এজনেই গ্ৰাস কৰিব খোজে! সেই চক্ৰান্তকাৰী শাসকগোষ্ঠীৰ হাতত মূল অস্ত্ৰ হ'ল শ্ৰমজীৱী জনগণৰ মাজত বিভাজন ঘটোৱা আৰু ইংৰাজৰ আৰ্হিত ৰাজভোগ কৰা। আজিৰ অসমৰ ছবিখন চালেই সেই কথা স্পষ্ট হৈ পৰে। জনজাতিকৰণ, বিদেশী বিতাড়ন, অধিক স্বায়ত্ত শাসনৰ দৰে আদি সমস্যাৰে ভাৰাক্ৰান্ত কৰি জনসাধাৰণক বিভ্ৰান্ত কৰা হৈছে। সাধাৰণ মানুহৰ মাজত বিভাজন হ'লে শাসকগোষ্ঠীৰ সুবিধা হয়। ৰাজপথত ধ্বনি যিমানেই জোৰদাৰ হ'ব, দিল্লী-দিছপুৰৰ বাসিন্দাসকলৰ সিমানেই সুবিধা হয়, তাৰ প্ৰমাণ ১৯৭৯ৰ পৰাই আমি দেখি আহিছো; কিন্তু বিভাজনেৰে নহয়, মানৱ অধিকাৰক গুৰুত্ব প্ৰদান কৰিহে সমস্যাৰ সমাধান ঘটাব লাগিব। সাধাৰণ মানুহৰ মাজত যাতে বিদ্বেষ-ঘৃণাৰ উন্মেষ নঘটে, তাৰ প্ৰতি বিশেষ নজৰ ৰাখিব লাগিব। বিদ্বেষ আৰু ঘৃণাৰ পথ আত্মঘাতী পথ। ইয়াৰ পৰা কোনোৱে সাৰি যাব নোৱাৰে। সমস্যাৰ সমাধানৰ হেতুকে কোনো এক শ্ৰেণীৰ মানুহক নহয়, চৰকাৰৰ কৰ্তৃত্বশীল মহলকহে জগৰীয়া কৰিব লাগিব; কিন্তু সেই মহলটোৱে সাধাৰণ খাটি খোৱা মানুহৰ মাজত সংঘাত হোৱাটোহে বিচাৰে।

শেষত দেশৰ সকলো সম্পত্তি কুক্ষিগত কৰাৰ পাছতো খঁক্ নোপলোৱাসকলৰ উদ্দেশ্যে যযাতিৰ কাহিনীটোকে দাঙি ধৰিব খোজো। জৰাগ্ৰস্ত যযাতিয়ে পুনৰ যৌৱন বিচাৰে পুনৰ পুত্ৰৰ ওচৰ চপাত সৰু পুত্ৰই তেওঁলৈ যৌৱন আগবঢ়ায়। যযাতিয়ে পুনৰ কিছুদিন যৌৱন উপভোগ কৰাৰ পাছত উপলব্ধি কৰিবলৈ সক্ষম হ'ল যে কাম-ক্ৰোধ-লোভ-মোহ আদি অগ্নিসদৃশ। এইবোৰক কোনোপধ্যেই সন্তুষ্ট কৰা নাযায়, বৰঞ্চ আঁসে দিলে জুইত ঘিউ দিয়াৰ লেখীয়াকৈ জ্বলিহে উঠে। সেই হেতুকে তেওঁ যৌৱনৰ মোহ পৰিত্যাগ কৰি পুত্ৰক সেই যৌৱন ঘূৰাই দিহে শান্তি লাভ কৰিলে। আমিও দেখিছো, ওপৰত উল্লেখ কৰা মন্ত্ৰী-বিধায়ক-আমোলা-দালাল আদিৰ পৰ্যাপ্ত সম্পত্তি থকাৰ পাছতো লালসা হ্ৰাস পোৱাৰ সলনি ক্ৰমাৎ বৃদ্ধিহে পাই গৈছে। তেওঁলোকে এটি শব্দকেই কেৱল জানে সেয়া 'লাগে'; কিন্তু তেওঁলোকে শান্তি লাভ কৰিব নোৱাৰে, কাৰণ পৰৰ সম্পদ আত্মসাৎ কৰা ধনৰে শান্তি আনিব নোৱাৰি। আনহাতে, সৰুৰে পৰাই বহু আধুনিক অভিভাৱকে সন্তানক পৰীক্ষাত ভাল ফল দেখুৱাব লাগে বুলি কৈ তেওঁলোকক অতি ব্যক্তিকেন্দ্ৰিক হোৱাৰ বাবে হেঁচা দিয়ে। যাৰ বাবে পৰৱৰ্তী সময়ত সেই সন্তানেই ব্যক্তিকেন্দ্ৰিক হৈ পিতৃ-মাতৃলৈকে পিঠি দিয়ে। এনেদৰে ঘৰে ঘৰে ল'ৰা-ছোৱালীক সমাজ বিবৰ্জিত আত্মকেন্দ্ৰিক স্বাৰ্থলোভী কৰিবলৈ প্ৰশিক্ষণ দিয়া হৈছে। সিহঁতে অধিক ধন উপাৰ্জন কৰাটোৱেই জীৱনৰ একমাত্ৰ লক্ষ্য বুলি পিতৃ-মাতৃয়ে ধৰি লৈছে; কিন্তু সমাজ বাদ দি মানুহ শান্তিত থাকিব নোৱাৰে। সুখ আৰু শান্তিৰ বাবে শৈশৱৰ পৰাই শিকাব লাগিব যে তেওঁলোক এইখন সমাজৰে অংশীদাৰ। সমাজখন ভাল হ'লেহে তেওঁলোকৰো ভাল হ'ব। সমাজ বিশৃংখল হ'লে সম্প্ৰতি আমি দেখি অহা অসমৰ বিধ্বস্ত ৰূপৰহে সম্প্ৰসাৰণ ঘটি থাকিব। তাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে নিজ গৃহতেই শিশুৰ মনত সেৱাৰ মনোভাব জগাই তুলিব লাগিব। গুৰুজনাই কোৱা 'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম' যদি হ'ব পাৰে, তেন্তে মানুহৰ বাবে মানুহ ভগৱান নহ'ব কিয়? শিশুৰ দৃষ্টিত জাতি, ধৰ্ম, বৰ্ণ, গোষ্ঠীৰ প্ৰভেদ থাকিব নালাগে। সম্প্ৰদায়ৰ উৰ্ধৰ্ত সকলোকে শিকোৱাৰ ওপৰতেই অভিভাৱকৰ দায়িত্ব নিৰ্ভৰ কৰে। ৰাজহুৱা সভাত 'বসুধৈব কুটুম্বকম্' আওৰাই নিজ ঘৰত সন্তানক সাম্প্ৰদায়িক ভিত্তিত নাচাবি-নুচুবি শিক্ষাদান কৰাটো চৰম ভণ্ডামিহে। তেনে ভণ্ডামিক দূৰত ৰাখি কোটি কোটি বঞ্চিত জনতাই প্ৰাপ্য আদায়ৰ বাবে একত্ৰিত হৈ মূৰ তুলিলেহে সুফল পোৱা যাব। ঐক্যবদ্ধ সংগ্ৰাম অবিহনে প্ৰাপ্য সুদূৰ পৰাহত হৈয়ে থাকিব।□

# মানুহৰ পৃথিৱী এখনৰ সন্ধানত



ড° নন্দ সিং বৰকল
বিশিষ্ট কবি, সাহিত্যিক, চিন্তাবি

মানুহৰ মনৰ পৃথিৱীখনৰ বিশালতা আৰু বিচিত্ৰাই নিৰন্তৰ প্ৰগতিৰ বিশ্বাশবদ যাত্ৰাৰ পথ তৈয়াৰ কৰি আহিছে। মন সাগৰ গভীৰতাৰ মৰ্জাদৰ্শনৰ মৰ্ম চেতনাৰ শব্দমূল্যৰ নিটোল ব্যাকৰণে মানুহক নতুন দিগন্ত স্পৰ্শ কৰাৰ দুৰন্ত শক্তি প্ৰদান কৰে। মহাসমুদ্ৰৰ বিহ্বল জলৰাশিৰ গভীৰৰ মণি-মুকুতাৰ ভাণ্ডাৰৰ আৱিষ্কাৰো মনৰ শক্তিকামী ইচ্ছাশক্তি ব্যক্তিত্বৰ পূৰঠ পৰিভাষাই আমাৰ চকুত প্ৰব বিস্ময়ৰ জন্ম দিয়ে। গভীৰ সাগৰৰ বিচিত্ৰ চৰিত্ৰ চিত্ৰণৰ বিৰল বিমল মুকুলৰ ৰঙে সৃষ্টি কৰে নতুন নতুন বিনোদন অনুৰাগ-অনুভূতিৰ।

মানুহ বিচিত্ৰ, অনন্য, মানুহ অতুল্য। মানুহেই সৃষ্টিৰ নন্দনতত্ত্বৰ দৃষ্টিনন্দন সংজ্ঞাৰ ৰূপ বিচাৰি যিদৰে কৰ্ষণ কৰে পৃথিৱী কঠিনতম মাটিৰ গৰ্ভ, আনে তুলি মাটিৰ সংস্কৃতি, বিশ্বাস আৰু সাম্বনা শেলুৰৈৰ সেউজীয়া— য'ৰ পৰা আমাৰ পেটৰ ভোকৰ আকা নিৰ্বাপিত হয়, উৰে আমাৰ মূৰৰ ওপৰত মুকুতিৰ পতাকা, স্বাভিমান আৰু গৰিমাৰ প্ৰতিমাৰে সমাজ উদ্বেলিত হয়; বিজ্ঞানৰ বিকাশৰ বা বাটে চহকী হয়- সমাজৰ ধমনী সেই মানুহৰ হাতৰ পাহিসেৰীয়া আঙুলিতে নিৰ্ণীত হৈ থাকে আমাৰ ভাবিকালৰ সুন্দৰ পৃথিৱী নিৰ্মা বিশ্বকৰ্মা প্ৰজন্মৰ বিৱৰ্তন, আৱৰ্তন, সংবৰ্তন, সংবৰ্দ্ধনৰ বাটেৰে ৰূপান্তৰৰ পৃথিৱী এখন। এইবোৰৰ কৰ্ষণেই আমাৰ মনোজগতত নতু নতুন চিন্তা-চেতনাৰ কৰ্ষণ প্ৰগতিৰ বৰ্ণনাৰ বীজে নিতৌ গজালি মেলি আকাশস্পৰ্শ কৰাৰ দুৰন্ত বাসনাত ধাৱিত হৈ থাকে।

কিন্তু এনে বিধি ব্যৱস্থা, প্ৰগতিয়ে হাত মেলি মনোকৰ্ষক, মনোৰঞ্জন, চিত্ৰ মনোহৰৰ ৰূপ পৰিগ্ৰহ কৰি শুকুলা আকাশৰ চন্দ্ৰতাপ হৈ ছাঁ দি থাকিলেও আমাৰ হাতত তেজে ক্ষমতা দখলৰ দুৰন্ত বাসনা এটাৰে পৃথিৱীক কলংকিত কৰিব লাগিছে। হত্যা-হিং আৰু অপকৰ্মৰ বহল বাট এটাৰ গৰাকী হ'বলৈ এতিয়াও ৰত্নাকৰৰ দপ্‌দপনিয়ে প্ৰাচীন হিংসাৰ জলবায়ুক সাৱটি আছে। মানৱ সংগীত ধ্ৰুপদী কলাক কবৰ দিয়া ঔৰংজেৱৰ মনোজগতলৈ ক্ৰমশঃ দুৰন্ত গতিত ধাৱিত হোৱা একাংশ মানুহৰ পদব্ৰজ যাত্ৰাই বুকুত মুহ বেদনাৰ দ দাগ এটাৰে শোকাকুল হৃদয়ৰ গৰ্ভত বিষণ্ণ দিনৰ বাৰ্তা বহন কৰি আছে।

অতি ভোগবাদী আমাৰ সমাজ ব্যৱস্থালৈ গোলকীকৰণৰ বিশাল, বহল দুৱাৰেৰে ধুমুহাৰ গতিত সোমাই অহা বিলাস-বাসন সস্তীয়া জনপ্ৰিয়তাৰ বাট তৈয়াৰ কৰাৰ পথে পথে আমাৰ ঐতিহ্যময় ৰসাল মাটিৰ বৰ্ণনাত বৰ্ণবোৰৰ বিকলাংগ ৰূপে দ্ৰুতগতিত মানৱ প্ৰমূল্য, প্ৰত্যয় আৰু প্ৰত্যাশাৰ মানুহৰ জগত এখনলৈ ক্ৰমান্বয়ে লোভ আৰু ব্যভিচাৰী চৰিত্ৰ কঢ়িয়াই অনাত আমাৰ সংস্কৃতিও ক বাটেৰে ধাৱিত হৈছে। ক'ৰবাত ক'ৰবাত কেংগাৰুৰ আগঠেং দুখনৰ দৰে ছিঁয়া হৈ অহা আমাৰ মহান সমুদ্ৰমুখী মানৱতাও নিশকতী হোৱাৰ পথত।

শিক্ষাও পণ্য আৰু জীৱিকামুখী ধাৰণাত আড়ম্ভ হোৱাত আমাক পদে পদে জীৱনত প্ৰতিযোগিতাত জয়ী হ'বলৈ বাধ্য কৰোৱা ৰণ এখনত নি থিয় কৰাইছে। য'ৰ পৰা জীৱনৰ সুষমা, শুকুলা ৰূপ, মানুহৰ আৰু সমাজ মানুহৰ অমল উৎসৰ এই পবিত্ৰ স্বচ্ছ প্ৰচ্ছন্ন পৰিভাষাকো ক'লা ৰঙৰ মাজত আবদ্ধ কৰাত সত্যৰ পোহৰ বিচাৰি মননশীল মানুহৰ বুকুত ভুমিকম্পৰ জোকাৰণি উঠিছে।

নৱ নৱ প্ৰপঞ্চৰ সনাতন চিন্তা-চেতনাৰ চিত্ৰকলা বিচাৰি সহজে উদ্ভাসিত হৈ উঠে এতিয়া চৌদিশে প্ৰতাৰিত মানুহৰ বিড়ম্বনাৰ দৃশ্যসজ্জা। সন্দেহ-অবিশ্বাস, ত্ৰিশংকু, অনিশ্চয়তা, নগৰকেন্দ্ৰিক যান্ত্ৰিক চিমেণ্ট সাম্ৰাজ্যৰ প্ৰভাৱ, জটিল চিন্তাত বুজাব নোৱাৰা দুৰ্বোধ্যতা, দেহজ বাসনাৰ দৌৰ, গোলকীয় জগতৰ বিশ্বসংস্কৃতিত ক্ৰমশঃ হেৰাব ধৰা নৃ-গোষ্ঠীয় ৰসাল মূল্যবান সংস্কৃত শিল্প, সাম্প্ৰতিক জটিল সময়ৰ জীৱন-ধাৰণৰ সংঘাত, আঘাত, ক্লান্তি, নিৰাশা, আত্মবিৰোধত সৃষ্ট না-জল, না-থল স্থিতি, মূল্যবোধ আৰু মানৱতাৰ দ্ৰুত অৱক্ষয়, প্ৰাচীন প্ৰমূল্যৰ ওপৰত আঘাত, গোলকীয় ব্যৱসায় পৰিয়ালৰ গৰ্ভত হেৰাব ধৰা নৃ-গোষ্ঠীয় ভাষা, শব্দ, সমাজ-কৃষ্টি, জটিল ৰাজনৈতিক পট— এইবোৰৰ বিৰুদ্ধে মননশীল মানুহ মাত্ৰেই ক্ৰোধান্বিত, আক্ৰান্ত আৰু ইয়াৰ পৰা পৰিত্ৰাণৰ পথ বিচাৰি হাহাকাৰৰ বতাহত লিপ্ত।

আমাৰ অভিভাৱকে প্ৰায়ে শিশুৰ মনোজগতক বুজিব যত্ন নকৰে। পিঠিত কিতাপৰ বোজাৰ মোনা দি চাহাব কৰোৱাৰ তাড়নাত শিশুসকলক কৰা ব্যৱহাৰে প্ৰাকৃতিক সবলীকৰণৰ বাটত হেঙাৰ দি মানৱসম্পদৰ জগতখনক ভাৰসাম্যহীন কৰি তুলিছে। সংখ্যাৰে পৃথিৱী জয় কৰাৰ পৰিৱৰ্তে মননশীল শিক্ষানুষ্ঠানৰ পৰিশিলিত থলুৱা মাত-কথা, আচাৰ-আচৰণ, নৃ-গোষ্ঠীয় সাহিত্য-সংস্কৃতি সম্ভাৰৰ প্ৰতি নিজৰ সন্তানক বিমুখ কৰোঁতেই আমাৰ শিশুৰ মনোজগতৰ বুৰঞ্জী-ভুগোলে কেনেকৈ বিকলাংগ হৈ জাতীয় জীৱনক কোঙা কৰিছে সেয়া কেতিয়াও উপলব্ধি নকৰো। চিকিৎসক, অভিযন্তা কৰাৰ অযথা বল প্ৰয়োগে অনেক শিশুক মানুহৰ পৰা বিচ্ছিন্ন কৰিছে। সংখ্যাৰ দৌৰত ধাৱিত অভিভাৱকৰ মনোজগতত নিহিত থকা আত্ম অভিমান আৰু লোভাৰ্ত মানসিকতাৰ হেতু অনেক ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যা কৰাৰ ঘটনা প্ৰবাহ নিশ্চয়কৈ উদ্বেগজনক। এনে উদ্বেগজনক পৰিৱেশ-পৰিস্থিতিৰ পৰা শিক্ষা নল'লে- আমি অনেকেই হতাশাত ভুগি মানসিকৰোগী হোৱাৰ পথ তৈয়াৰ হ'ব।

উপযুক্ত শিক্ষাৰ প্ৰসাৰ-প্ৰচাৰ আৰু তাৰ অন্তৰাত্মাৰ ধ্বনি নুশুনাৰ বাবেই অন্তৰীক্ষত মানুহৰ সঘন যাত্ৰাকালতো সোপাধৰা, ডাইনী-ডাইনাৰ সন্দেহত মানুহৰ হত্যাৰ লাজলগা ইতিহাসৰ আমি সদস্যৰূপে নিতৌ চিহ্নিত হৈ আহিছো। অৱশ্যে আমাৰ ৰাজ্যখন তথা উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰীয়া ৰাজ্যকেইখনত এতিয়াও উন্নত চিকিৎসা, খোৱাপানীৰ ব্যৱস্থা, বিদ্যালয়ৰ অভাৱ, যাতায়াতৰ দুৰৱস্থাই মানুহৰ জীৱনৰ সৌন্দৰ্যক ধূসৰ কৰি ৰাখিছে। অন্ধবিশ্বাসৰ প্ৰবল ক'লা চন্দ্ৰতাপ এখনৰ চিলনি ছিঙি মানুহৰ অনেকক বাহিৰলৈ ওলাই অহাৰ শক্তিক ৰোধ কৰি ৰখাৰ বাবেই ৰাজনীতিয়েও নিজৰ মৰ্যাদাক লেহুকা কৰি তুলিছে। সোপাধৰাৰ দৰে বিষাদ-বেদনাৰ অন্ধকুৎসা অভিসন্ধিৰ হাতত কেনেকৈ বাটে-বাটে, মানুহৰ মৃত্যুকাতৰ আৰ্তনাদ পৃথিৱীৰ মানৱীয় মনোজগতক কলুষিত কৰি ৰাখিছে। তাৰ উদাহৰণ শেহতীয়াকৈ কাৰ্বি আংলঙৰ ডকমকাৰ পাণজুৰি গাঁৱত অভিজিৎ নাথ আৰু নীলোৎপল দাসৰ জঘন্য হত্যাকাণ্ডই আমাৰ মানৱীয় সত্তাক বুজাত সহায় কৰি দিয়ে। এই দুই নতুন প্ৰজন্মৰ সাংস্কৃতিক সত্তাত তিতা শিল্পকলাৰ মাতে উপৰ্যুপৰি মৃত্যুবাটৰ পৰা ৰক্ষা কৰিবলৈ কৰা প্ৰাৰ্থনা, অনুৰোধ, বিনয় বিশ্বাসক ভেঙুচালি কৰি কৰা হত্যাকাণ্ড পৃথিৱীৰ মানুহৰ মনোজগতত কৰা এনে এক ভীষণ আঘাত— যাক পাহৰাটো সহজ নহয়।

পংগুত্বক যদি উপহাস কৰা যায় তেন্তে মানৱ সভ্যতাকে কুলষিত কৰা। অলপতে গোৱালপাৰা জিলাৰ ৰংজুলিৰ এক দম্পতীয়ে তেওঁলোকৰ শাৰীৰিকভাৱে অক্ষম পুত্ৰক দলঙৰ ওপৰৰ পৰা পেলাই অন্তৰ্ধান হোৱা ঘটনা কিমান হৃদয় বিদাৰক, মৰ্মান্তিক তাক বৰ্ণনা কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ যিকোনো বৃদ্ধাশ্ৰমত প্ৰৱেশ কৰিলে দুচকু সেমেকি উঠে। অগণন বৃদ্ধ-বৃদ্ধাৰ কৰুণ অন্ধকাৰ ভৱিষ্যতৰ খোজৰ কঁপনিয়ে কৰা আঘাতত জৰ্জৰিত হ'ব লাগে। এনে বৃদ্ধ পিতৃ-মাতৃৰ সন্ধান পোৱা যায় যিসকলৰ পুত্ৰ-কন্যা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ বিষয়া। কোনোৰ পুত্ৰ ডাঙৰ চিকিৎসক। অনেক বৃদ্ধই ৰাজপথৰ ফুটপাথ বা গছৰ তলত জীৱনৰ অৱশিষ্ট সময় পাৰ কৰাৰ দৃশ্যসজ্জা হৃদয় বিদাৰক। কন্যা সন্তান জন্ম দিয়াটোও অনেক পুৰুষ-মহিলাৰ বাবে যেন মহাপাপ। সেয়ে কন্যা সন্তানৰ ভ্ৰূণ হত্যা চমকপ্ৰদ। নাৰীৰ শৰীৰৰ প্ৰতি আকৰ্ষিত অনেকৰ বাবে প্ৰেম যেন অন্য ব্যৱসায়। সেয়ে প্ৰেমৰ নামত হত্যা, অপহৰণ, প্ৰতাৰণাৰ খবৰে আমাক প্ৰায়ে মৰ্মাহত কৰি আহিছে। ভাৰতীয় সভ্যতা-সংস্কৃতিৰ দৰ্শনৰ চৰিত্ৰ চিত্ৰণৰ প্ৰবল আশাবাদৰ বিপৰীতে অতি সম্প্ৰতি বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত হিন্দী ধাৰাবাহিকসমূহৰ ৰূপ-ৰেখাই সেই দৰ্শনত আঘাত কৰিছে নিৰন্তৰ। একেটা পৰিয়ালতে একেজন মানুহেই ৬/৭ গৰাকীকৈ যুৱতী/বোৱাৰীক বিবাহ কৰাৰ জঘন্য সংস্কৃতিয়ে আমাৰ সমাজৰ নৱ প্ৰজন্মৰ মাজত ব্যাপক কু-প্ৰভাৱ পেলোৱাই নহয়; অনাগত দিনৰ সৃষ্টিশীল বাটৰ ৰঙকো ধূসৰ কৰি তুলিব। হেৰুৱাই পেলাব জীৱন ছন্দ। সামাজিক মূল্যবোধ আৰু সাংস্কৃতিক চেতনাৰ স্বাভিমান।

মানসিক বিকাৰগ্ৰস্তা মহিলাক ধৰ্ষণ, হত্যা বা

মানসিকভাৱে অক্ষম কোনো শিশু বা অন্যান্যৰ প্ৰতি এচাম মানুহৰ চিন্তা-চেতনাত বাহ লোৱা মানসিকতাৰ মচি যোৱা মূলসাহ ৰং দেখিলে মৰহি আহে য'ত মানে মানৱীয় উৎসাহ।

সৰুতে উজনি অসমৰ চাহবাগিচা এখনত আমাৰ দূৰসম্পৰ্কীয় মানুহ এজনৰ ঘৰত দুদিন অতিবাহিত কৰিছিলো। তেওঁৰ একমাত্ৰ সন্তান মৃণ্ময় সিঙৰ মনোজগতত বিয়পি আছিল প্ৰাকৃতিক সৌন্দৰ্য, চাহগছৰ বিশাল সেউজীয়াৰ বিনন্দীয় দলিচা। কাষৰ পাহাৰৰ জুৰিবোৰৰ পানীৰ সুৰধ্বনি আৰু পখিলা চৰাইৰ স'তে উমলি থকা বিচিত্ৰ ৰং। পঢ়াশুনাত অত্যন্ত মেধা মৃণ্ময়ৰ দেউতাক আছিল অতি উচ্চ আকাংক্ষাৰ ব্যক্তি। মৃণ্ময়ৰ মনোজগতত বিয়পি থকা প্ৰকৃতিৰ বিশাল এলবামখনৰ বৰ্ণিল জীৱনৰ বাটেৰে সি অতিবাহিত কৰিব খুজিছিল। হয়তো সি এজন ফটোগ্ৰাফাৰৰ দিশে ধাৱিত হোৱাৰ লক্ষণ মই সৰুতে তাৰ ভিতৰত অনুধাৱন কৰিছিলো। কাৰণ মৃণ্ময়হঁতৰ ঘৰত কটোৱা সেই দুটা দিনে মোক মৃণ্ময়ৰ হৃদয়ত চিত্ৰিত হৈ থকা পৃথিৱীখনক তেনেকৈ ওচৰৰ পৰা দেখাত সহায় কৰিছিল। মৃণ্ময়ৰ সেই সত্তাৰ বিপৰীতে দেউতাকে বিচাৰিলে মৃণ্ময় অভিযন্তা হওক। কাজেই মৃণ্ময়ৰ সেই লেহুকা মনৰ পৰা টানি-আঁজুৰি দেউতাকে শিল-বালি-লোহাৰ প্ৰতি আকৰ্ষিত কৰা চেষ্টাত মৃণ্ময় ভাগি পৰিছিল। বহু দিন মৃণ্ময়হঁতৰ লগত মোৰ কোনো সম্পৰ্ক হোৱা নাছিল।

এদিন আয়ে ক'লে— তুমি মৃণ্ময়ৰ খবৰ পোৱানে? মই পৰম বিস্ময় হৈ আইৰ মুখলৈ চালো। মোৰ দৃষ্টিত আয়ে আচম্বিত হৈ মোক হতচকিত কৰি সমস্ত দুচকুৰ পোহৰ মোৰ গাত নিক্ষেপ কৰি কিবা ক'ব খুজিছে। আইৰ শৰীৰৰ অভিব্যক্তিত হতাশাৰ বিবৰ্ণ পঢ়ি - আইৰ কাষ চাপি গ'লো আৰু আগ্ৰহেৰে মৃণ্ময়ৰ বাৰ্তা ল'বলৈ যত্ন কৰিলো।

মৃণ্ময়ৰ ওপৰত অত্যাধিক মানসিক হেঁচা দিয়া হ'ল। মৃণ্ময়ৰ ইচ্ছাৰ বিপৰীতে জোৰকৈ অভিযন্তা বনোৱাৰ নিৰ্মম কৰ্ম-কাণ্ডত লাহে লাহে মৃণ্ময়ৰ মানসিক ভাৰসাম্য হেৰুৱাৰ উপক্ৰম হ'ল। বৰ চমুতে শিশু মনৰ মৃণ্ময়ৰ মন-মগজুৰ সন্দেহৰ বোজা এটাই খোপনি পুতিলে। এদিন মাজৰাতি মৃণ্ময় ঘৰৰ পৰা নোহোৱা হ'ল। খবৰটোৱে বহুতকে হতাশ কৰাৰ লগতে বিস্মিত কৰি তুলিলে। বহু খবৰ কৰি মৃণ্ময়ৰ কোনো সন্ধান পোৱা নগ'ল। সময়বোৰ বাগৰি গৈ থাকিল। এদিন নাজানো ক'ৰবাৰ অচিনাকি মানুহ এজনে মলিয়ন কাপোৰ-কানিৰে মৃণ্ময়ক আনি দেউতাকৰ হাতত চমজি দিলে। তেতিয়া মৃণ্ময় আৰু মানুহ হৈ থকা নাছিল। মৃণ্ময়ৰ এনে বাৰ্তাত মই সঁচাকৈ যথেষ্ট কষ্ট আৰু দুখ অনুভৱ কৰিলো। আয়ে তাৰ বৰ্ণনা কৰি থাকোতে মোৰ চকুত বাগৰিছিল — তপত অশ্ৰু।

এসময়ত মৃণ্ময়ৰ কাণ্ড-কাৰখানা ইমান পৰ্যায় পালেগৈ যে ঘৰৰ ভিতৰতে নানা ধৰণৰ কেৰিকেচাৰ কৰে। ঘৰৰ ছালবোৰলৈ চাই চাই অদ্ভুত হাঁহি মৰা, মুখৰ ভিতৰতে কিবা চিঞৰা, ঘৰৰ ভিতৰতে পাইখানা-পেচাব কৰা ঘটনাবোৰ নিত্য-নৈমিত্তিকত পৰিণত হ'ল। আচৰিত কথা যে মৃণ্ময়ৰ মানসিক অৱস্থাৰ বাবে কোনো চিকিৎসাৰ ব্যৱস্থা কৰা নহ'ল। বৰং চাহ বাগিচাৰ মাজৰ অন্ধবিশ্বাসৰ মাজত বেজ-কবিৰাজৰ দ্বাৰা জৰা-ফুকা, ছাগলী বলি দি মৃণ্ময়ৰ আৰোগ্য কামনা কৰাৰ বাহিৰে দেউতাকৰ যেন কোনো কামেই নাছিল।

এদিন দেউতাকে পত্নীক ক'লে যে তেওঁ মৃণ্ময়ক অলপ বাহিৰত ফুৰাব নিব। কিজানি বাহিৰৰ জলবায়ু, পৰিৱেশ-পৰিস্থিতিয়ে তাৰ মনোজগতত নতুন বাৰ্তা দি তাক মানুহৰ পৃথিৱী এখনলৈ ঘূৰাই আনিব। কথামতেই কাম। এদিন দূৰণিবটীয়া ৰেলত মৃণ্ময়ক লৈ দেউতাকে লক্ষ্যহীন যাত্ৰা এটা আৰম্ভ কৰিলে। নিশাৰ ৰেলে সীমাহীন শব্দেৰে ৰাতিৰ নিৰ্জনতা ভাঙি গৈ থাকিল। এসময়ত এখন সৰু চহৰৰ ৰেলষ্টেচন এটাত তেওঁলোক নামিল। পুৱা এখন চহৰৰ হোটেলত দুয়ো উপস্থিত হ'ল। মৃণ্ময়ক কিবা খাবলৈ দিলে। মৃণ্ময়ে গো-গ্ৰাসে সেইবোৰ ভক্ষণ কৰিছে। যেন বহুদিনৰ মূৰত তাৰ ভোক নিৰ্বাপণ কৰিছে। এনেদৰে কিছুসময়ৰ পিছত দেউতাকে মৃণ্ময়ক হোটেলত থৈ তাৰ বাবে কিবা আনো বুলি ওলাই আহিল। অসমমুখী ৰেলত উঠি দেউতাকে তাৰে এখন অন্ধকাৰ পৃথিৱী মানসিক বিকলাংগ মৃণ্ময়ক এৰি থৈ আহিল।

ইয়াৰ পিছত মৃণ্ময়ৰ কথা কোনেও নাজানিলে। কোনো মেলাৰ ভিৰত মৃণ্ময় হেৰাল। বহু বিচাৰ-খোঁচাৰ কৰিও তাৰ সন্ধান নোলাল বুলি পত্নী আৰু সমাজক পতিয়ন নিয়াবলৈ যত্ন কৰিলে।

কেৱল অভিযন্তা কৰিব নোৱাৰাৰ ক্ষোভ, মানসিক ভাৰসাম্য হেৰুৱাৰ বাবেই এজন পিতৃয়ে নিজ সন্তানক এনেদৰে বিসৰ্জন দিয়া দৃশ্য কিমান হৃদয়বান বাৰু? কিমান পাষাণ হ'লে এজন পিতৃয়ে নিজ সন্তানক এনেদৰে বিপদৰ পৃথিৱীত এৰি থৈ আহিব পাৰে বাৰু? আমাৰ প্ৰজন্মই কি কৰিব সেয়া নিৰ্ধাৰণ কৰাৰ কৰ্তৃত্ব সন্তানৰ ৰুচি অনুযায়ী কৰিববলৈ দিয়াত অভিভাৱকে যত্ন কৰা উচিত। বিকলাংগ হ'লেই আপদ নহয়, দুৰ্যোগ নহয়। এই পৰম সত্যক উপলব্ধি কৰিব নোৱাৰাটো আজিৰ সমাজৰ সন্তুলনৰ বাবে চৰম বিপৰ্যয়ৰ কথা।□

'অসম বাণী'ৰ সম্পাদক

# দিলীপ চন্দন দেৱৰ সৈতে

# অন্তৰঙ্গ আলাপ



*বৰ্তমান সমগ্ৰ অসমতে এক প্ৰকাৰৰ কাঠফুলাৰ দৰে গঢ়ি উঠা একাংশ অনা-অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানে মাতৃভাষাক এলাগী কৰা পৰিলক্ষিত হৈছে, যিয়ে অসমীয়া ভাষাৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে থিয় দিছে। এখন আগশাৰীৰ অসমীয়া সংবাদপত্ৰৰ সম্পাদক হিচাপে উক্ত বিষয়ত আপোনাৰ মতামত?*

**দিলীপ চন্দন ঃ** বীৰবলে দীঘল ৰেখাডাল চুটি কৰাৰ দৰে কৰিব পাৰিব লাগিব। বিগত দুটামান দশকত অসমৰ কোনো এজন শিক্ষামন্ত্ৰীয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ সমস্যাৰ বিষয়টোত গভীৰভাৱে প্ৰৱেশ কৰা বুলি মনে নধৰে। মন্ত্ৰীসকলে বিভাগৰ অন্যান্য কেতবোৰ বিষয়তে সময়বোৰ পাৰ কৰে। অসমৰ বিদগ্ধ পণ্ডিত-শিক্ষাবিদসকলক কোনজন মন্ত্ৰীয়ে কেইবাৰ মাতি নি বিষয়টো লৈ আলোচনা কৰিলে? মন্ত্ৰীয়ে নীতি নিৰ্ধাৰণৰ বাবে আমোলাসকলৰ দিহাকে অনুসৰণ কৰে। তেনেকৈ এটা জাতি আৰু ভাষাৰ সংকটৰ সমাধান সূত্ৰ নোলায়। ইংৰাজীৰ বাদেও অনা-অসমীয়া মাধ্যমৰ বিকাশৰ বাবে সংবিধানে অধিকাৰ দিছে। এনে মাধ্যমে জাতীয় জীৱনৰ শৈক্ষিক বিকাশ সাধিব। কিন্তু কেৱল ইংৰাজী মাধ্যমৰ বিকাশে অসমীয়া ভাষাক মাধমাৰ শোধাব। ইংৰাজী মাধ্যমৰ বিদ্যালয় বন্ধ কৰাৰ উপায়

নাই। কিন্তু অসমীয়া মাধ্যমৰ উন্নয়ন-বিকাশ আৰু আধুনিকীকৰণৰ জৰিয়তে নতুন অভিভাৱকসকলক ইংৰাজীৰ পৰিৱৰ্তে অসমীয়া মাধ্যমৰ প্ৰতি আগ্ৰহান্বিত কৰিব পাৰি। ইংৰাজী মাধ্যমৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি অসমীয়া মাধ্যমৰ বিদ্যালয় আৰু শৈক্ষিক পাঠ্যক্ৰমৰ উন্ন সাধন কৰাৰ বাদে অন্য বিকল্প নাই। মূলতঃ চৰকাৰেহে এই ক্ষেত্ৰত নেতৃত্ব দিব লাগিব।

○ *সাম্প্ৰতিক সময়ত অসমৰ এক ভয়াৱহ সমস্যা হ'ল শিক্ষিত নিবনুৱা সমস্যা। আনুষ্ঠানিক শিক্ষা শেষ কৰাৰ পিছত একাংশ শিক্ষি যুৱক-যুৱতীয়ে সংস্থাপনৰ অভাৱত নিবনুৱা হৈ পৰে। এই সমস্যা সমাধানৰ বাবে আপোনাৰ পৰামৰ্শ।*

**দিলীপ চন্দন ঃ** চৰকাৰী চাকৰিৰ আশা-সম্ভাৱনা দিনক দিনে হ্ৰাস পাই আহিছে। বেচৰকাৰী খণ্ডত কৰ্মচাৰীৰ ন্যূনতম সংখ্যাৰে কাম-কা চলোৱাৰ প্ৰৱণতা বাঢ়িছে। গতিকে নিবনুৱাৰ সমস্যা দিনক-দিনে বাঢ়িবই। কিন্তু নিবনুৱা সমস্যাৰ সমাধান কল্পে কেন্দ্ৰ-ৰাজ্য উ চৰকাৰে যিবোৰ প্ৰতিশ্ৰুতি দিছিল সেইবোৰ পালন কৰিব নোৱাৰিলে। নোৱাৰেও। বৰঞ্চ বহুতৰে চাকৰিহে গ'ল।

এনে পৰিপ্ৰেক্ষিতত অসমত কেইটামান খণ্ডত কৰ্মসংস্থাপনৰ যিবোৰ সম্ভাৱনা আছিল চৰকাৰে তাক বাস্তৱায়িত কৰাৰ ক্ষে কোনো পদক্ষেপেই গ্ৰহণ নকৰে। উদাহৰণস্বৰূপে পৰ্যটন বিভাগটোৰ অসমত বিৰাট চাহিদা থকা সত্ত্বেও ইয়াক ক্ষুদ্ৰ উদ্যোগৰ মৰ্যাদ দিয়া হোৱা নাই। চৰকাৰে নিজৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটাই কেতবোৰ নতুন 'পলিচি' তৈয়াৰ কৰিলে ভৱিষ্যতে বহু লাখ যুৱক-যুৱ সংস্থাপনৰ সম্ভাৱনা বাঢ়িব। এবাৰ আৰম্ভ কৰি দিলে এই সম্ভাৱনা বাঢ়িয়ে থাকিব। মৎস্য-খণ্ড, কৃষি, ক্ষুদ্ৰ বাণিজ্যিক উদ্যোগ, ভিন্ন ৰপ্তানি আদি অসংখ্য এনে সম্ভাৱনাপূৰ্ণ বিষয় আছে। অসমৰ সংস্থাপনৰ প্ৰতি আগ্ৰহী শুভচিন্তক আৰু বুদ্ধিমান উদ্যমী এচাম লে অসমত আছে। তেনেসকলৰ মাজত এক সঠিক ভাব-বিনিময় পৰ্ব আৰম্ভ কৰি দিলে বহু নতুন বাট খোল খাব। অসমৰ যুৱ-ছাত্ৰ সংগঠনসমূহে এই বিষয়ে অসমত বৈঠক অনুষ্ঠিত কৰি চৰকাৰক দিহা দিব পাৰে। অৱশ্যে চৰকাৰৰ কাম কৰাৰ ইচ্ছা থাকিব লাগিব। চৰকাৰৰ প্ৰবক্তাসক দীঘলীয়া বক্তৃতা এটাতে সকলো কাম শেষ কৰি থয়। সফলতাৰ জয়গানটো কাম কৰাৰ আগতেই গাই দিয়ে।

○ *মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী এখনে শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশত অৰিহণা যোগায় বুলি আপুনি ভাবেনে? যদি ভাবে তেন্তে কেনেদৰে যোগায়। আমি আপোনাৰ পৰা জানিব বিচাৰিছোঁ।*

**দিলীপ চন্দন ঃ** মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহৰ আলোচনীসমূহে এতিয়া আৰু কেৱল গল্প-কবিতা ছপাই থাকিলেই নহ'ব। গল্প-কবি সমানে নিজৰ অঞ্চলটোৰ সাংস্কৃতিক, অৰ্থনৈতিক, পৰ্যটন আৰু বাণিজ্যিক দিশৰ সামগ্ৰিক সম্ভাৱনীয়তাক লৈ গৱেষণামূলক নি প্ৰতিবেদন প্ৰকাশ কৰি অঞ্চলটোৰ উঠি অহাচামক অনুপ্ৰাণিত কৰাৰ লগতে বয়োজ্যেষ্ঠ আৰু চিন্তাশীলসকলৰ দৃষ্টি আকৰ্ষণ ক পাৰিব লাগিব। তেতিয়াহে জ্যেষ্ঠসকলে বিষয়টোলৈ দুখোজ আগুৱাই যাব।

○ *বৰ্তমান যুৱ প্ৰজন্মক লৈ আপুনি সন্তুষ্টনে?*

**দিলীপ চন্দন ঃ** যুৱ প্ৰজন্মক লৈ অসন্তুষ্ট হ'ব লগা একো নাই। কিন্তু এই প্ৰজন্মটোক আমি জ্যেষ্ঠসকলে উচিত ধৰণে দিক্‌দৰ্শন নোৱাৰাটোক লৈহে মই ব্যক্তিগতভাৱে চিন্তিত। ছ'চিয়েল মিডিয়াৰ সাংঘাতিক প্ৰভাৱ বাঢ়িছে। তাৰ প্ৰভাৱত তৎক্ষণাৎ সিদ্ধান্ত এ লোৱা বা মন্তব্য কৰাটো যুগুত হয় নে নহয় সেয়া সকলোৱে চিন্তা কৰিব লাগে। কিন্তু ছ'চিয়েল মিডিয়াত নতুন প্ৰজন্মৰ উদ্যোগী চিন্তাশীলসকলক একত্ৰিত কৰি নতুন কথাবোৰ জনাৰ বা কাৰ্যপন্থা লোৱাৰ যোগাত্মক দিশটোৰ প্ৰচুৰ সম্ভাৱনা আছে। সেই সম্ভাৱ সদ্ ব্যৱহাৰ যেন উচিত মতে হৈ উঠে তাকে কামনা কৰিছোঁ।

○ *কলেজীয়া ছাত্ৰ-ছাত্ৰীলৈ শিক্ষাৰ ক্ষেত্ৰত আপুনি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব?*

**দিলীপ চন্দন ঃ** যি বিষয় তেওঁৰ অন্তৰৰ ভিতৰৰ পৰা পঢ়াৰ ইচ্ছা, তাকহে যেন পঢ়ে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বৃত্তিমূলক শিক্ষাৰ ক্ষে সম্ভাৱনাৰ নতুন দিগন্ত খুলি দিয়া অসংখ্য বিষয় আদি পাব পাৰে। তাৰ বহু বিষয় কিঞ্চিৎ অগতানুগতিক ধৰণৰ দেখি যেন বিষ আওকাণ নকৰে। তেনে নতুন বিষয়বোৰে সংস্থাপনৰ সুবিধাও যে দিব সেই কথাটো মনত ৰাখিব লাগে। তদুপৰি ছাত্ৰ-ছাত্ৰীস মূল্যৱান গ্ৰন্থ অধ্যয়নত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। সাংস্কৃতিক, ভৌগোলিক আৰু যিকোনো অৰ্থনৈতিক জ্ঞান আহৰণ কৰি ভৱিষ পৃথিৱীখনৰ বাবে নিজকে উপযুক্ত আৰু সবল কৰি তুলিব লাগিব।



ভঙা কলিজাত মোৰ কোনে বিনায়
কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই

— হীৰুদা



# অনুভূতিৰ ছন্দ



# সময়



**ত্ৰিদীপ শৰ্মা**
স্নাতক দ্বিতীয় ষাণ্মাসিক

এতিয়া সময় সন্ধিয়াৰ
কিছুপৰ বাকী
নিমন্ত্ৰিত আন্ধাৰে ঘেৰি ধৰিব চৌদিশে
এই আন্ধাৰে নুমাই পেলাব
মোৰ ভৱিষ্যৎ কল্পনাৰ মমবাতি,
আৰু আমি সোমাই পৰিম
শোৱনি কোঠাটোত
য'ত অচিনাকি হৈ পৰিব মোৰ পৰিবাৰ
আৰু এক অৱান্তৰ সপোনৰ মাজেৰে
মই অপেক্ষা কৰিম নতুন পোহৰলৈ।
পৰিৱৰ্তন
লাগে পৰিৱৰ্তন উন্নয়নৰ
নালাগে পৰিৱৰ্তন অধঃপতনৰ
মানুহবোৰ জন্তু নহওক
সমাজখন অৰণ্য নহওক
নদীখন মৰুভূমিৰ মাজত সোমাই নপৰক।

# অপেক্ষা



**তপন ঠাকুৰীয়া**
স্নাতক দ্বিতীয় ষাণ্মাসিক

তন্ময় হৈ চাই আছিলো
সন্ধিয়াৰ সূৰ্য।
পখী এটি বাহলৈ
ঘূৰি অহাৰ সময়ত,
নতুন এখন আকাশে
দুহাত মেলি মাতিছে মোক
ঠাই যেন নাই
মোৰ এই পৃথিৱীত
কুঁহিপাতৰ বিচনা সাজি
ৰৈ আছো ৰাতিপুৱা
ৰিব্-ৰিব্ বতাহত
যেতিয়া সৰিব গছৰ নিয়ৰ
হিয়া মোৰ ভৰি পৰে
মাথোঁ ৰঙীন আকাশত



# জীৱন এক সংগ্ৰাম



লুণা ঠাকুৰীয়া
উঃমাঃ দ্বিতীয় বৰ্ষ

জীৱন এক সংগ্ৰাম
যি সংগ্ৰামৰ গৰাকী আমিবোৰ
জীৱন হয়তো এনেকুৱাই
কেতিয়াবা হাঁহি, কেতিয়াবা কান্দোন।
কেতিয়াবা আশাৰ ৰেঙনি
কেতিয়াবা নিৰাশাৰ সীমাহীন বেদনা
কেতিয়াবা জয়ৰ আনন্দ
কেতিয়াবা পৰাজয়ৰ গ্লানি।

সময় এতিয়া দুঃসময়
জীৱন যেন অসহায়
সন্মুখত আঁউসীৰ এন্ধাৰ
নীৰৱে বিচাৰি ফুৰে জোনাকী বাট
হয়তো এয়াই জীৱন।
সংগ্ৰাম যাৰ নাম.........





# ফাগুন



কৃষ্ণমণি কলিতা
উঃমাঃ প্ৰথম বৰ্ষ

সৰা পাতৰ এছাতি সুৰ
গুণ গুণ গুণ
সৰাপাত গচকি আহিছে ফাগুণ
ফাগুণ আহে এবুকু সপোন লৈ
বিৰিখৰ শুকান ডাল তামৰঙী পাতত
দূৰৰ গাঁৱত চিফুং বাহীৰ মাতত
গাভৰুৱে নাচে উলাহত
ধূলিয়ৰি বাট প্ৰেমময় আকাশ
ৰ'দ আৰু ছাঁৰ মৌন আবেলি
তৰাং নদীৰ পাৰত
লঠঙা বননিত
উখল মাখল বতাহত
সৰু ল'ৰাবোৰে
চিলা উৰুৱাইছিল আকাশত।
ফাগুণ!
ফাগুণ!
ফাগুণ!

# সেউজীয়া বৰষুণ



ৰুমি শালৈ
উঃমাঃ প্ৰথম বৰ্ষ

চকু মুদি ধৰিত্ৰীৰ
প্ৰেমত বন্দী হৈ
শীতে মাগিছে বিদায়
ভাঙিছে হৃদয় কান্দোনত
বসন্তৰ আগমনৰ সুবাস পাই
পৃথিৱী জাগি উঠিছে
গছ লতাই নাচি উঠিছে
ইচ্ছাৰ নলীৰ কপোত
চুই চাব বিচাৰিছে
বসন্তৰ সুবাস।।
আকাশ মেঘেৰে আৱৰি ধৰিছে
উপচি পৰিছে এজাক
সেউজীয়া বৰষুণ
মাথোঁ
সেউজীয়া বৰষুণ।





# কলহী



হিয়াশ্ৰী বৰা
উঃমাঃ দ্বিতীয় বৰ্ষ

হৃদয়ৰ মাটিত সৃষ্টিৰ পলস পৰিছে
আশাৰ ভূঁই ৰুই
বুকুত বহু সম্ভাৱনা বান্ধি
দুয়োপাৰৰ ৰং শস্য শ্যামলী হৈ
পানীৰ ঢৌত উটি আহে মুকুতাবোৰ
সোণবৰণীয়া সংস্কৃতিৰ এখনি নৈ
ভঙা বালিচৰৰ মাজেৰে
এই নৈ সদা গতিময়
বাগৰি যোৱা দিনবোৰত
সৃষ্টিশীল সোঁতত
শ্যামলা হৈ উঠে মন
পলসুৱা চহা মাটিত শইচে কঢ়িয়ায়
জীয়াই থকাৰ সাৰ্থকতা
এই প্ৰেৰণাৰ তেজেৰে
কুল-কুল স্ৰোতেৰে চিৰ প্ৰৱাহিত নৈৰ
বুকুত খোদিত হৈ আছে এটি শব্দ
নাম যাৰ 'কলহী'।

# অন্তহীন এটি যাত্ৰা



অনংগ শালৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ

নিষ্ঠুৰ আধুনিকতাই আৱৰা
জীৱনৰ এটি ক্ষণত
তোমাক নোপোৱাৰ বেদনা
বুকুত বান্ধি লৈ
কৰিছো মই জীৱন নামৰ
অনন্ত পথটিত
অন্তহীন এক যাত্ৰা।
খাদ্যৰূপে বাছি লৈছো
তোমাৰ আৰু মোৰ মাজত
থকা ভালপোৱাবোৰক
বেদনাবোৰক বুকুত বান্ধি
হতাশাৰ আঘাতেৰে আঘাতপ্ৰাপ্ত হৈ
বিষয়-বাসনাৰ মদিৰাৰ স'তে
নাস্তাৰূপে লোৱা অভিমানবোৰক
গিলি গিলি আগুৱাই আছোঁগৈ
সীমাহীন জীৱনৰ সীমনালৈ
স্মৃতিৰ অন্তৰায়ক নেওঁচি
ভাগৰ লাগিছে জিৰাইছো
কল্পনাৰ সেই বিশাল প্ৰাসাদবোৰত
আকৌ খাদ্যৰূপে তোমাৰ ভালপোৱাৰ
আৰম্ভ কৰিছো জীৱনৰ
অনন্ত পথত
অন্তহীন এক যাত্ৰা।



# প্ৰেৰণা তোমাৰেই



ছয়ানিকা কলি
উঃমাঃ প্ৰথম

তোমাৰ প্ৰেৰণাতেই আগবাঢ়িছো,
জীৱনৰ জটিল পথত।
হাতে হাত ধৰি আগুৱাই নিবা,
সদায়ে তোমাৰ আলাসৰ আঁচলতে।
জীৱনৰ যুঁজ উজু নহয় "মা",
তুমিওতো বুজিছা সেয়া।
জীৱন যেন এক বিশাল সাগৰ
সেই দুৰ্গম সমুদ্ৰ পথৰ
মধ্যত আছে সফলতা।
সেয়া তোমাৰ সপোন, এতিয়া মোৰো সপ
সেই দুৰ্গম পথ পাৰ কৰি
সফলতাৰ কাষ চাপিবলে।
কেনেবাকৈ যদি কাল এন্ধাৰে তোমাক
মোৰ পৰা আঁতৰাই দূৰ দূৰণিলৈ লৈ যায়
মই ক'ত যাম!
মোক পথ দেখাব কোনে?
এয়া জগতৰ সত্যতা!
আটাইতকৈ হৃদয়ৰ আপোনজনক
এদিন কাঢ়ি লৈ যায়।
তেন্তে হে ভগৱান
ক'ত আছা তুমি এতিয়া?
বুজাই দিয়া মোক
জীৱন কি?
জন্ম কি?
সত্য কি?

# ৰক্তবীজ



নিপকুমাৰ কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক

দিন ৰাতি নুই কৰি
কৰ্তব্যত ডুব মাৰি
কিমাননো কৰা লুকা-চুৰি
ধৰ্মত হোৱা সতী সাবিত্ৰী।
নিদ্ৰাত ব্ৰতী হৈ
কিমাননো ৰ'ম মই,
গৰ্ভিত কোলাত সোমাই লৈ
আৰ্তনাদ সহিলো মই।
কি কাম, কি টকা
ক্ষমতাইটো ৰজা,
লালসাত ব্ৰতী হৈ
কিয়নো কৰা নিৰ্যাতনৰ বলী
সময় হ'ল প্ৰাক-মুহূৰ্তত
কূটনীতি নিধন কৰিবলৈ,
সময় হ'ল দেশৰ
দানৱ পিশাচক বধ কৰিবলৈ।
দৰিদ্ৰৰ তেজ খাই
সোণালী চকীৰ সপোন দেখানো কিয়?
নিবনুৱাক কুঠাৰ মাৰি
ৰঙা তেজ সনা কিয়?



# বাস্তৱ



সুস্মিতা ৰায়
স্নাতক দ্বিতীয় ষাণ্মাসিক

মাজে মাজে ভাবো সঁচাকৈ
এইখন পৃথিৱীত
কোনো কাৰো বাবে নহয়
সময়ৰ প্ৰয়োজনত জীৱনলৈ
কোনোজন আহে
প্ৰয়োজন শেষ হ'লে জীৱনৰ পৰা
আঁতৰি যায়।
অকলশৰীয়া অচিনা এক পৃথিৱীলৈ
এৰি থৈ যায়
য'ত কোনোৱেই আপোন নহয়।
সময়ত নিমিষতে সকলো
চিনাকী অচিনাকী হৈ যায়।
বাস্তৱ সঁচাকৈয়ে বহুত বেছিকৈ কঠিন।

# এখন নিকা সমাজ গঢ়িবৰ বাবেই আমি...



ৰুবি তালুকদ
স্নাতক ষষ্ঠ ষান্মাসি

যোৱা তিনিটা মাহৰ পৰা
মোৰ হৃদয়ত সান্ধ্য আইন,
ইয়াৰ কাৰণ
সমাজৰ নিষ্ঠুৰ নিয়ম।
আমি আঁতৰি যাম দিয়া
বিশ্বাসৰ অন্ধকাৰে আৱৰা
নিয়মৰ টনা-আঁজোৰাৰ পৰা
আমি আঁতৰি যাম দিয়া
আমাৰ প্ৰেমৰ অস্তিত্বক জীয়াই ৰাখিবলৈ
সমাজৰ পৰা।

সমাজৰ নিষ্ঠুৰ নিয়মে আজি
ভাগিছে বিশ্বাস, ভাগিছে হৃদয়
এহাতত প্ৰেম-ভালপোৱা,
আনহাতত জাতি-ধৰ্ম।
তোমাৰ কোৰাণ, মোৰ বেদ
আমাৰ দেখোন একোকে নিমিলে।

তুমি আল্লা আল্লাকৈ চিঞৰিবা
মই ভগৱান ভগৱান কৈ।
সমাজৰ নিষ্ঠুৰ নিয়মৰ বাবেই
নিহত হয় ভগৱান, আল্লা,
আহত হয় জীৱশ্ৰেষ্ঠৰ বিশ্বাস
সেয়েহে ভাগি পেলাম দিয়া
সমাজৰ নিষ্ঠুৰ নিয়ম।



তোমাৰ বাবে মইও আঁওৰাম
পাঁচ ওৱাক্ত নামাজ
ক্ৰমে,
ফজৰ
জহুৰ
আচৰ
মগৰীৱ
ইচাৰৰ ওৱাক্ত,
ফৰাজ, চুন্নত, নফলৰ ৰাকাত।
আমি আঁতৰি যাম দিয়া দূৰলৈ
দূৰত গঢ়িম এখন নিকা সমাজ,
তাত আমি পঢ়িম
বেদ, ভাগৱত, কোৰাণ আৰু বাইবেল।
তুমিও আঁওৰাবানে মোৰ বাবে
ভাগৱতৰ দুটি শাৰী
আৰু নামঘোষাৰ এটি পদ।
মোক লৈ যাবানে মছজিদ আৰু মাজাৰলৈ
স্মৃতিৰ সন্ধিয়াবোৰে প্ৰাণ পাই উঠিব
আমাৰ উপস্থিতত
যন্ত্ৰণাৰ উজাগৰী নিশাবোৰ
কটাবানে মোৰ স'তে
মন্দিৰৰ দুৱাৰত?
আমি গুচি যাম দিয়া
বহু দূৰলৈ
এখন নিকা সমাজ গঢ়িবলৈ।।

# অন্তৰংগ



দ্বীপজ্যোতি কলিতা
উঃমাঃ দ্বিতীয় বৰ্ষ

বুকুৱে কান্দিছে ওফন্দি ওফন্দি
তুমি কোৱা কথাযাৰ ভাবি
কিয় গুছি গ'লা তুমি
মোৰ বন্ধুত্ব ছিগি
হৃদয়ে বিচাৰে তোমাক মাতিবলৈ
তোমাৰ লগত কথা এষাৰ পাতিবলৈ
সেইটোৱে যে কৰিব নোৱাৰা কৰিলা তুমি
এতিয়া মোক
কিয় ইমান নিষ্ঠুৰ মন তোমাৰ
গুছি গ'লা তুমি
মোৰ জীৱনত এটা
ডাঙৰ দুখ বেদনা ঢালি
এবাৰো নাভাবিলা
মই কোৱা কথাফাঁকি
উৰাই দিলা কাগজৰ টুকুৰাৰ দৰে
মই দিয়া প্ৰতিশ্ৰুতি
বন্ধুত্বৰ মূল নাৰাখিলা
অভিমানী হৈ আঁতৰি মোৰ মনৰ পৰা
কিয় ইমান নিষ্ঠুৰ তুমি
কিয় ইমান হৃদয়হীন তুমি
আপোন বুলি ভাবিছিলো তোমাক মই
নাভাবিলা তুমি মোক
এজন অন্তৰংগ বন্ধু বুলি।



# স্বৰ্গীয় অনুভূতিৰ টোপোলা



অঞ্জলি কুম
স্নাতক দ্বিতীয় ষাণ্মাসি

কাৰ নাম শুনি আজি
ঝংকাৰ বাজে হৃদয়ত
কাৰ নাম শুনি আজি
উখল-মাখল হৈ উঠে মন।
আজি অজানাৰ আগমনে কিয় বাৰু
বুকু কঁপাই...!
এই অনুভৱবোৰে কিহৰ বতৰা কঢ়িয়াইছে।
এয়াই নেকি সূৰ্যমুখী
বুকুত গজা ৰঙা গোলাপৰ পাহি
অংকুৰিত হোৱাৰ
এই স্বৰ্গীয় অনুভূতিক
কি নাম দিম...?
এয়াই নেকি প্ৰেম
এয়াই নেকি ভালপোৱা
এয়াই নেকি বিশালতা
কবিতাবোৰে বাৰু কাৰ নাম বিচাৰি ফুৰে
কবিতাবোৰত বাৰু আজি
কাৰ অনুভূতিৰ লহৰ
এই অজানাজন কোন বাৰু
কাৰ আগমনে আজি কপৌ ফুলায়
কাৰ আগমনে আজি লৈ আহে
বাৰিষাৰ প্ৰথমজাক বৰষুণ



দুচকুৱে বাৰু কাৰ কাৰণে ৰচিছে ন ন সপোন
কাক বাৰু এই দুচকুৱে
মৃগনাভি সুঘ্ৰাণকাতৰ হৰিণাৰ দৰে
ভ্ৰমি ফুৰিছে??
অজানাজন বাৰু কোন?
যাৰ ছন্দত বাজি উঠে প্ৰেমৰ কবিতা...

# ছয়গাঁও কলেজ



কৃতি সুন্দৰ দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক

ছয়গাঁও কলেজ আমাৰ পৰিয়াল
জ্ঞান আৰু মৰমৰ
প্ৰকাণ্ড ভৰাঁল
ই নহয় কেৱল এক
সাধাৰণ শিক্ষানুষ্ঠান
প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰে
এক আনন্দৰ স্থান
ইয়াত আছে বহুকেইগৰাকী
প্ৰতিভাশালী গুৰু
ছাত্ৰ-ছাত্ৰীৰ চিন্তা-ধাৰণাও
নহয় কদাপি সৰু।
ইয়াতেই আমাৰ যৌৱন
ইয়েই আমাৰ জীৱন
ইয়েই আমাক এইখিনি
উৎসাহ দিয়ে
যাৰবাবে আমি
কৰিব পাৰিছো জ্ঞান আহৰণ।
ছয়গাঁও কলেজ বিদ্যাৰ মন্দিৰ
য'ৰ পৰা বৈ যায়
জ্ঞান নদীৰ।
ছয়গাঁও কলেজৰ
ছাত্ৰ-ছাত্ৰী নাই কোনো কপটতা
সকলোৰে মিলিজুলি বনাই ৰাখিছে
অতুলনীয় একতা।





# মা



ৰাজীৱ দে
সহকাৰী অধ্যা
ইংৰাজী বিভ

তোমাৰ খহটা আঙুলিত পোকে খোৱা নখ
পানীয়ে ঘাঁ তোলা ভৰি পতা
চকুত ধোঁৱাই থকা জুঁহাল

মাটিৰ মন
শিলৰ শৰীৰ
ফুলৰ আত্মা

তুমিও ধুনীয়া আছিলা চাগৈ এদিন
জেতুকা লগাইছিলা নখত
ওঁঠত ফেৰীৱালাৰ লিপষ্টিক, গালত হিমানী ক্ৰীম
দুহতীয়া চুলিত গোন্ধতেল
কাঁচ ভাঙিব পৰা চঞ্চল এটি হাঁহি ছটিয়াই
লগৰীয়াৰ স'তে ৰ'দত বহি
জলকীয়া পিটিকি খাইছিলা নে সুমথিৰা!
আমি নাহোঁতে তুমি কেনে আছিলা
মোৰ চাব মন যায় মা...

ভৰপক যৌৱনৰ টোপনিহীন ৰাতিবোৰত
তুমি চাগে পিতাইৰ কথা ভবা নাছিলা কাহানিও।
ৰেচনৰ শাৰীত চাধা মলি বুঢ়া হোৱা
জধলা, ক্লান্ত পিতা
বোকা বোকা গোন্ধোৱা নিৰ্লিপ্ত মানুহ।
হতাশ দেশপ্ৰেমিক।
যাৰ নাছিল কেতিয়াও
কোনো নাৰীৰ স্বপ্নপুৰুষৰ জোখাৰে এটাও অৰ্হতা।

তথাপিও তুমি তেওঁৰ কাৰণেই
ভঙা আৰ্চীত চাই কপালত আঁকিছিলা ৰঙা বেলি
পিতাইৰ নৰীয়াৰ ৰাতিত সাৰে আছিলা
বতাহত কঁপা তুলসী তলৰ চাকিগছিৰ দৰে।
আমি দেখিছিলোঁ তোমাৰ উখহা দুচকু টোপনিৰ চলে

তাঁতশালে দিয়া বুকুৰ বিষ
ঢেকীয়ে খুন্দা শৰীৰ
কলহে কোঙা কৰা কঁকাল লৈ
কেনেকৈ কৰিছিলা সুখৰ আখৰা
দুখে চেপি অনা দিনবোৰতো...!

কোনে শিকাইছিল তোমাক
হাঁহিৰে উচুপনি সামৰি ৰখাৰ কৌশল
আৰু অভাৱতো বেসুৰা নোহোৱাকৈ গাবলৈ
"মুক্তিত নিস্পৃহ যিটো..."!!

আমি চাৰিটিকৈ মকৰাই সঁচা সচিঁকৈ
কৰি তুলিছিলো নেকি তোমাক
এগৰাকী নাৰীৰ পৰা এটি 'মা'???

# নৈখন মোৰ আজিও আপোন



**মণ্টু মালী**
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

নৈখন মোৰ আৱেগ,
মোৰ প্ৰাণ।
এইবাৰ তই মোৰ বুকুয়েদি বৈ গলি,
খহাই নিলি মোৰ সত্তা,
মোৰ সেউজীয়া পথাৰ খন,
মোৰ সৌন্দৰ্যবোৰ, হেঁপাহবোৰ,
তোৰ বুকুত অদৃশ্য হৈ গ'ল,
মোৰ কেঁচা তেজ-মঙহখিনি।
পাৰিবিনে উভতাব মোৰ সপোনবোৰ,
মোৰ আশাবোৰ!
ঢৌবোৰৰ শব্দ শুনো,
আৰ্তনাদ যেন লাগে!
স্থৱিৰ হৈ পৰো
এবাৰ বৈ যোৱা অ' নদী.....
এবাৰ কৈ যোৱা.....
আছেনে মোৰ কেঁচা তেজখিনি?



# কলৰ তলৰ ছোৱালীজনী



**ভূষণ কলিত**
সহকাৰী অধ্যাপ
অসমীয়া বিভা

তাই যেতিয়া নোৱনি ঘৰৰ
কলৰ তলত বহি আছিল

অলেখ তৰা তিৰবিৰাইছিল তাইৰ দুচকুত।
আয়তীৰ উৰুলিত
কঁপিছিল তাই

নোৱনি পানী তাইৰ মূৰত যিমান ঢালিছিল
চকুলো বৈছিল তাইৰ সিমানে

গাত মাহ-হালধি ঘঁহি দিওঁতে
এটি ভাস্কৰ্যৰ দৰে লাগিছিল তাইক

এদিন কেঁচুৱাৰ পৰা
এখোজ-দুখোজকৈ খোজ দিছিল তাই
গা ধুইছিল নাঙঠ হৈ

ঘৰখনৰ আগচোতালত পিছচোতালত
জাকি মাৰিছিল

এডেও-দুডেওকৈ বাঢ়িছিল তাই
লাহে লাহে জোনাকী পৰুৱা
বাহ লৈছিল তাইৰ বুকুৰ চুকত
ৰসাতি চকুলোৰে গাৰু তিতিছিল তাইৰ

সখিয়তী চৰায়ে কৈছিল
খোজ লাহেকৈ দিবা সখী
খোজ লাহেকৈ দিবা
ডেও দি আৰু নেনাচিবা



মাকক তাই থেন্‌থেনাইছিল
কিবা এটা অঘটন ঘটিলে
আই মোক তই শাও নিদিবি
অতি মৰণে মৰিলেও
মোক তই নুদুষিবি

ইখন ঘৰৰ পৰা
সিখন ঘৰলৈ যাবলৈ
ব্যাকুল হৈছিল তাই

অথচ যাবৰ পৰত
কাকিনি তামোল কেইজোপাৰ বাবে
ইনাই-বিনাই কান্দিছিল তাই।

*(পুনঃ মুদ্রিত)*

# বাকশিল্প



এইবেলি তোৰ কাষত বহি শুনিম দেশৰ গীত

# উত্তৰ বিহীন সাঁথৰ



ইন্দ্ৰজিৎ দাস
স্নাতক ষষ্ঠ যাণ্মাসিক



ডাষ্টবিনৰ জাবৰৰ লগত মৰম লগা গুলপীয়া মুখ এখনৰ সৈতে এটা শিশু। ওচৰতে কুকুৰ কেইটামানে তাক লক্ষ্য কৰি আছিল। গাটোত গোটেই ৰঙা পৰুৱা। কিমান বছৰ হ'ল তথাপি সেই ছবিখন মনৰ পৰা আঁতৰ হোৱা নাই। মনত আছে ২৯ বছৰ ৩ মাহ ৬ দিন। মনত কিয় নাথাকিব। এতিয়া যে তাৰ মাক নিজেই। এতিয়া সেই শিশুটিয়ে মা বুলি মাতে। মা! কি যে মৰম সনা মাত। যদি সেইদিনা ডাষ্টবিনৰ পৰা সেই শিশুটিক তুলি নানিলে হেঁ, তেওঁ জানো কেতিয়াবা মা হ'ব পাৰিলে হেঁ? নোৱাৰিলে হেঁ? সেই শিশুটিয়ে তেওঁৰ জীৱনৰ গতিপথ সলনি কৰি দিছে। এটা মৰম লগা শিশু গুলপীয়া মুখৰ অধিকাৰী।

— মা। ভিতৰৰ পৰা কোনোবাই মাত লগাইছে। কিমান সময় এই ৰ'লিং চেয়াৰখনত বহি আছিলো গমে পোৱা নাই। প্ৰসেনৰ মাততহে তন্ময়তা ভাঙিল। প্ৰসেন মোৰ ল'ৰা। মাঃ মাঃ বুলি সি বাহিৰ পালে। লনত বহি থকা দেখি সি ক'লে- মা, আপুনি ইয়াত অকলে অকলে বহি আছে। গধূলিয়ে হ'ব আৰু। আজি ক'ৰবাত যোৱাৰ কথা কৈছিলো নহয়। মনত নাই আপোনাৰ।

— মনত আছে কিন্তু!

— মুখত (?)

— কিন্তু কি মা? পুতেকৰ উভতাই প্ৰশ্ন। তেওঁ জানো মোক গ্ৰহণ কৰিব। মোক সহজভাৱে ল'ব তেওঁলোকৰ পৰিয়ালে। মই গ'লে নহয় নেকি বাবা? তেওঁলোকে কি ভাবিব? মোৰ কাৰণে যদি তোৰ প্ৰেম ত্যাগ কৰিবলগীয়া হয়, মই বহুত কষ্ট পাম। মাকৰ মুখত চিন্তাৰ ৰেখা। নিজৰ ল'ৰাটো কোনোপধ্যে হেৰাব নোখোজে।

— মা মই আপোনাক কথা দিছো আপোনাক লৈ যাম বুলি। আপুনি যাব লাগিব। আপুনি নগ'লে কেনেকৈ হ'ব। আপোনাৰ বাৱাৰী বিয়াৰ আগত এবাৰ লগ নকৰিলে। শাহুৱেকবোৰে হেনো ছোৱালী চাব গ'লে ভাত ৰান্ধিব জানে নে নাই আদি সোধে। আমাৰ পিছে চাবলৈ নহয় লগ কৰিবলৈহে যাম। হাঁ... হাঁ... হাঁ.... পুতেকৰ লগত মাকেও হাঁহিলে। অ' মই পাহৰিছিলোৱে চাহ খাবলৈহে আপোনাক মাতিব আহিছিলো। বলক বলক। চাহ বাকি থৈ আহিছো ঠাণ্ডা হৈ যাব। মাক-পুতেক দুয়ো সোমাই আহিল। মা চাহ খায় কাপোৰ পিন্ধাগৈ যোৱা। আপুনি নগ'লে মই নাযাওঁ আৰু পৰীকো আহিবলৈ মানা কৰিম। পুতেকৰ মুখখন ওফোন্দাই দিলে। হ'ব দে

যাম বাৰু। সৰু ল'ৰাৰ দৰে মুখখন ওফোন্দাব নালাগে। মই নহ'লে ডাঙৰ হৈছো। পুতেকে আৰু বেছি ৰসিকতা কৰি ক'লে। ডাঙৰ হোৱা নাই মাত্ৰ ২৯ বছৰ হৈছেহে। আৰু অহা বছৰ বিয়াও পাতিবি। হাঁ... হাঁ... হাঁ... । মাক-পুতেকে সমস্বৰে হাঁহিলে। যোৱা যোৱা সোনকালে যোৱা, বিচনাত মই হালধীয়া ৰঙা পাৰীৰ শাৰী এখন থৈ দিছো। সেইখন পিন্ধিবা। মই ৰেডি হৈ আছো। মুৰটো ফণিয়ালে হ'ল। মই গাড়ীখন উলিয়াও, আপুনি বাহিৰলৈ আহি থাকক। শাৰীখন ঠিক কৰি মাক গাড়ীৰ ওচৰ পালে। ৰঙা পাৰীৰ হালধীয়া শাৰী, কাণত সোণৰ কাণফুলি, হাতত খাৰু, কপালত দগমগাই থকা ডাঙৰ ৰঙা ফোটটো, দেখিবলৈ একেবাৰে দেৱী যেন লাগিছে মাকক। কি চাই আছা, ব'ল। প্ৰসেনে একেথিৰে মাকৰ ফালে চাই আছিল। মাকৰ কথাত তাৰ তন্ময়তা ভাগিল।

দিনৰ দিনটো তালি বজাই দোকানে-পোহাৰে ঘূৰি ফুৰা এটা হিজৰা। যাৰ প্ৰতি এই সমাজৰ কোনো সহানুভূতি নাই। কোনোবাই যদি গালি পাৰি দূৰলৈ পঠাই দিয়ে আন কিছুমানৰ পৰা আকৌ নিজে আঁতৰি আহে। ৰ'দ-বৰষুণ নাই তালি বজাবই লাগিব। নহ'লে পেটৰ ফালে টনাটনি হ'ব। মানুহে কয় হিজৰাই আশীৰ্বাদ নাইবা অভিশাপ যি দিয়ে তাকে ফলিয়াই। সেয়ে কিছুমানে আশীৰ্বাদ লয়, কিমান ফলিয়াই নাজানো কিন্তু। দিনত তালি বজাই ৰাতি ৰাস্তাৰ কাষত ৰৈ থাকে গ্ৰাহকৰ আশাত। সেয়াই কাম সেয়াই ব্যৱসায়। কেতিয়া আৰম্ভ হৈছিল এই জীৱন। দহ নে বাৰ বছৰৰ পৰা, নে তাতকৈ আগৰ পৰা। মনত আছে। সকলোবোৰ মনত আছে। এখন ভাল সমাজ, এখন ভাল ঘৰত জন্ম হৈছিল তেওঁৰ। তাৰ পিছতেই আৰম্ভ হৈছিল এই জীৱন। বাহিৰত ওলোৱা বন্ধ। ঘৰলৈ আলহী আহিলে ঘণ্টাৰ পিছত ঘণ্টা কোঠাত বন্ধ হৈ থকা অভ্যাস হৈছিল। তাৰপিছত এদিন তাৰপৰাই পলাই আহিছিল মুক্ত আকাশৰ তললৈ, য'ত মুকলিকৈ উশাহ ল'ব পাৰে। আৰম্ভ হৈছিল এক নতুন জীৱন। এনেকৈ থাকোতে সেই গুলপীয়া মুখৰ অধিকাৰী এটি শিশু আহিল তাইৰ জীৱনলৈ। গাটোত গোটেই ৰঙা পৰুৱা। কেইটামান ভোকাতুৰ কুকুৰৰ লক্ষ্য হৈ আছিল যদিও সেই কুকুৰ কেইটাই সেই শিশুটোক ফালি চিৰা-চিৰ কৰি পেলালেহেঁতেন। কল্পনা কৰিলে গাঁ শিয়ৰি উঠে। কাৰ বা কলংকৰ চিন আছিল সেই শিশুটি। সেইদিনা ৰাতি এজন গ্ৰাহকৰ লগত কটাই ৰাতিপুৱা উভতি আহিছিল। সেই ডাষ্টবিনটোৰ ওপৰেৰে কোনোবা কেঁচুৱাৰ কান্দোন শুনি ৰৈ গৈছিল ঠাইতে। কি হৈছিল তেওঁ নিজেই নাজানে। কান্দোন শুনি থমকি ৰৈছিল আৰু মমতাৰ বুকুখন উথলি উঠিছিল। বুটলি লৈ কেঁচুৱাটো নিজৰ দুপাত্তাখনেৰে মেৰাই লৈছিল। আৰম্ভ হৈছিল নতুন এক জীৱন। মাতৃত্বৰ পথত খোজ পেলাইছিল। ইমান সহজ নাছিল এই কেঁচুৱাটোৰ গাখীৰৰ পৰা আৰম্ভ কৰি কানি-কাপোৰৰ প্ৰয়োজন দিনক দিনে বাঢ়ি গৈ আছিল। এটাৰ পৰা দুটা পেট হৈ প্ৰয়োজন বাঢ়ি গৈছিল। তেনেকৈয়ে চলিছিল জীৱন। তাৰ মা পঢ়াখিনিৰো প্ৰয়োজন হৈছিল। এফালে পুতেকে পঢ়ি আনফালে মাকে পঢ়িছিল। কেতিয়াবা পুতেকে প্ৰশ্ন কৰিছিল হিজৰা কিয় হয়? মাকে মনে মনে চকুপানী টুকিছিল। পুতে স্কুলত তাক লগৰ ল'ৰা-ছোৱালীয়ে তাক কৈছিল 'তোৰ মা হি হয়, হিজৰা'। কান্দি কান্দি মাকক কয় হিজৰা মানুহ নহয় মা? হয় বাবা। নহলে কিয় তেনেকে কয়? তাক কোনে বু সেই সমাজে তেওঁলোকক হিজৰা হোৱাৰ কাৰণে বাধ্য কৰি কেতিয়াবা চিঞৰি চিঞৰি ক'বলৈ মন যায় আমিও মানুহ, আম মৰ্যদাৰে জীয়াই থাকিবলৈ দিয়ক।

মা কি ভাবি আছে, আমি আহি পালো।

পুতেকৰ মাতত বাস্তৱলৈ ঘূৰি আহিল। ইমান সময়ে এখন বেলেগ জগতত আছিল। গাড়ী আহি এখন বিলাসী ৰেষ্টু সন্মুখত ৰৈছিল। মা, পৰী আহি পাইছে। তাই ভিতৰতে আহা আমিও ভিতৰলৈ যাওঁ। গাড়ীৰ পৰা নামি শাৰীখন ঠাক কৰি ল'লে। গধূলি হ'লেও, ওচৰ-পাজৰৰ লাইটবোৰ দিছিল। ৰেষ্টুৰেণ্টখনৰ ভিতৰত বিভিন্ন ৰঙৰ লাইট জ্বলি একাষে থকা টেবুল এখনত পৰী বহি আছে। প্ৰসেনে সেই মাকক আগবঢ়াই লৈ গ'ল। পৰী থিয় হৈ নমস্কাৰ জনাই সাৱটি ধৰিলে। প্ৰসেনে তেওঁলোকৰ ফালে চাই থাকিল। মেয়ো আছো ইয়াত, মোকো সুবিধা দিয়া। তোমালোকে দু দেখোন সুবিধা লৈ আছো। বহা বহা তোমাক সুবিধা পিছত প্ৰথমে মাকে দিব দিয়া, বহা মা।

মা। কিযে মিঠা অনুভূতি।

তোমাৰ ঘৰৰ মানুহ অহা নাই। পৰীক মাকে সু উত্তৰৰ ঠাইত পৰীয়ে প্ৰসেনক ক'লে, মাক কোৱা নাই তুমি মানে সময়ে নাপালো। প্ৰসেনে মাকৰ ফালে চাই ক'লে, মা, কোনো নাই।

একো নহয় দিয়া বাবা। তহঁতে সুখত থাকিলে হ'ল পিছে ভাত বনাবা জানা নে নাই? মাকে পৰীক সুধিলে। মোক বাবাই আহি থাকোতে তোমাক সুধিব কৈছিল। হাঁ... হাঁ...। গোটেই কেইটাই সমস্বৰে হাঁহিলে। প্ৰসেন তুমি কিবা কৰা, মা আজি আমাৰ মতে খাব। মা ৰ'বা মই আপোনাৰ কিবা আনিছো। এটা পলিথিনত পেকিং কৰা আছে, মা খোলকচোন। খুলি চাই দেখে তাত এখন অৰ্ধ নাৰী ঈশ্বৰৰ মাকৰ দুগালেদি চকুপানী বৈ আহিল। পৰী আৰু প্ৰসেনে মুখলৈ চাই ৰ'ল।❑

# এয়াই নেকি মানৱতা ?





ভায়োলিনা বড়ো
উঃমাঃ দ্বিতীয় বৰ্ষ

ৰাতি তেতিয়া ঘড়ীটোত ১১ বাজি ৩০ মিনিট গৈছে। বৰ্ণালীৰ ভয় বাঢ়ি আহিবলৈ ধৰিলে। এবাৰ দৰ্জাখন খুলি বাহিৰলৈ ওলাই যায় আকৌ এবাৰ খিৰিকীৰ পৰ্দাখনৰ মাজেৰে বাহিৰলৈ চায়। মনটোক ধৰি ৰাখিব নোৱাৰি ছট্‌ফটাই আছে তাই। এটাই চিন্তা দাদা কেতিয়া ঘৰ আহি পাব, সি কিয় এতিয়ালৈ ঘৰ আহি পোৱা নাই বেলেগ দিনা দেখোন এইখিনি সময়ত আহি পায়। তাইৰ মনটোত কিছুমান আচৰিত ধৰণৰ চিন্তা আহিবলৈ ধৰিছে- 'উস, দাদাৰ ক'ৰবাত কিবা হোৱা নাইতো, না না এয়া হ'ব নোৱাৰে, দাদা অলপ পিছতে ঘৰ আহি পাব।' এনেবোৰ চিন্তাই তাইক বেৰি ধৰিছে। ইফালে দাদাকক ফোন লগাই লগাই ফোন পোৱা নাই তাই।

প্ৰায় ১৫ বছৰমানৰ আগৰ কথা। নয়ন তাৰ ভনীয়েক বৰ্ণালী আৰু সিহঁতৰ মাক-দেউতাকেৰে সৰু সুখী পৰিয়াল আছিল । কিন্তু সিহঁত বৰ দুখীয়া আছিল। খেতিৰ মাটি তাকৰ আছিল যদিওঁ সেইখিনি মাটিতেই দেউতাকে কষ্ট কৰি খেতি কৰিছিল। দেউতাকে মাজে সময়ে দুই এঘৰত হাজিৰা কৰিছিল আৰু মাকেওঁ গাঁৱৰ কেইঘৰ মান ধনী মহাজনৰ ঘৰত কাপোৰ ধোৱা, বাচন-বৰ্তন ধোৱা আদি কাম কৰি দুই এপইচা উপাৰ্জন কৰি দুয়োটা ল'ৰা-ছোৱালীকে কষ্ট কৰি পঢ়াইছিল। বৰ্ণালী দ্বিতীয় শ্ৰেণী আৰু নয়ন ষষ্ঠ শ্ৰেণী পাইছিল গৈ অতি কষ্ট দুৰ্দশাৰ মাজেৰে। এদিন হঠাৎ যেন কাল সন্ধ্যা নামি আহিল এই পৰিয়ালটোলৈ। সিহঁতৰ মাকৰ বহুদিন ধৰি অসুখ হৈ আছিল কিন্তু পইচাৰ অভাৱত ডাক্তৰৰ ওচৰলৈ নিব পৰা নাছিল। ফলত মাকৰ অৱস্থা দিনে দিনে কাহিল হৈ আহিল। সেয়ে দেউতাকে মাকৰ অৱস্থা চাব নোৱাৰি গাঁৱৰে এঘৰৰ পৰা কিছু টকা ধাৰলৈ আনিলে আৰু মাকক চহৰৰ হস্পিতাললৈ লৈ গ'ল। সেইদিনা আছিল ৰবিবাৰ, গতিকে স্কুল বন্ধ সেয়ে বৰ্ণালী আৰু নয়নক ঘৰত থৈ দেউতাকে মাকক লৈ গ'ল। কিন্তু যি গ'ল তেওঁলোক আৰু উভতি নাহিল, আহিল মাথো বগা উকা কাপোৰেৰে ঢাকি থোৱা দুটা নিথৰ দেহ। নয়ন আৰু বৰ্ণালীৰ মাক-

দেউতাকে যিখন গাড়ীত গৈছিল সেই গাড়ীখন বেয়াকৈ এক্সিডেণ্ট হ'ল আৰু কেবাজনো লোক নিহত হ'ল। তেওঁলোকৰ মাজত নয়ন আৰু বৰ্ণালীৰ মাক-দেউতাকেও মৃত্যুক সাৱটি ল'লে। নয়ন আৰু বৰ্ণালীৰ মূৰত যেন সৰগখনহে খহি পৰিল। সিহঁতৰ আলৈ-আথানি নোহোৱা হ'ল। তেতিয়াৰ পৰা ঘৰৰ আৰু ভনীয়েকৰ সমস্ত দায়িত্ব নয়নৰ ওপৰত আহি পৰিল। সেইবাবে সি সপ্তম শ্ৰেণীৰ পৰাই পঢ়া এৰিলে। এতিয়া তাৰ একমাত্ৰ উদ্দেশ্য ভনীয়েক বৰ্ণালীক সু-শিক্ষাৰে শিক্ষিত কৰি মানুহ কৰি তোলা। গাঁৱৰ মানুহবোৰেও সিহঁতক ঘাট-মাউৰা বুলি অকণো সহায় কৰা নাছিল। কি নিষ্ঠুৰ মানৱ জাতি। মানৱ নহয় যেন দানৱহে! মানৱতা যেন ম্লান হৈ গ'ল। ভীষণ কষ্ট-দুৰ্দশাৰ মাজেৰে নয়নে বৰ্ণালীক পঢ়াবলৈ ধৰিলে আৰু বৰ্ণালীয়েও দাদাকৰ কষ্ট দেখি একান্তভাৱে মনযোগ দি পঢ়াশুনা কৰিছিল। যাৰ ফলস্বৰূপে তাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাঁচটা বিষয়ত লেটাৰ আৰু ষ্টাৰ মাৰ্ক সহ ৮২% লাভ কৰি সুন্দৰ ফলাফল দেখুৱাবলৈ সক্ষম হ'ল। ভনীয়েকৰ ৰিজাল্ট শুনি নয়নৰ

দিহা পৰামৰ্শও দিলে। এনেকৈ টকা গোটাই নয়নে বৰ্ণালীক
চহৰলৈ বুলি ওলাল। যিহেতু গাঁৱত বা ওচৰে-পাজৰে কোনো ধৰণ
কলেজ নাছিল। নয়ন আৰু বৰ্ণালীয়ে চহৰৰ এখন খ্যাতনামা উচ
শিক্ষাৰ অনুষ্ঠান 'সন্দিকৈ ছোৱালী মহাবিদ্যালয়'ত প্ৰৱেশ কৰিলে
মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত সকলো আলোচনা কৰি নয়
বৰ্ণালীক সেইখন মহাবিদ্যালয়তে নামভৰ্তি কৰাই দিলে আ
মহাবিদ্যালয়খনেও সিহঁতৰ অৱস্থা বুজি, যিহেতু বৰ্ণালীও পঢ়া
চোকা আছিল সেয়ে মহাবিদ্যালয়খনে তাইক সম্পূৰ্ণ বিনামূলীয়া
পঢ়োৱাৰ সিদ্ধান্ত ল'লে। এই সিদ্ধান্ত শুনি নয়ন আৰু বৰ্ণালী খু
সুখী হ'ল। বৰ্ণালীৰ যিহেতু ঘৰৰ পৰা মহাবিদ্যালয়লৈ অহা-যো
কৰাত অসুবিধা হ'ব সেয়ে তাইৰ সুবিধাৰ বাবে মহাবিদ্যালয়ৰ ওচৰ
দুটা ৰুম ভাড়াত ল'লে। দুয়ো ভাই-ভনী চহৰতে থাকিবলৈ ল'লে
বৰ্ণালী নিতৌ মহাবিদ্যালয়লৈ যায় আৰু নয়নেও কামৰ সন্ধান
ওলাই যায়। কেতিয়াবা ড্ৰাইভাৰ আৰু কেতিয়াবা গেৰেজত ক
কৰি গৈ থাকিল। এনেকৈ দুটা বছৰ পাৰ হৈ গ'ল। উচ্চতৰ মাধ্যমি



আনন্দৰ সীমা নোহোৱা হ'ল আৰু আনন্দৰ অশ্ৰু নিগৰিবলৈ ধৰিলে। নয়নে ভনীয়েকক উচ্চ শিক্ষা দিবৰ বাবে বহুত কষ্ট কৰিবলৈ ধৰিলে, খেতি-বাতিৰ লগতে গাঁৱৰ ধনী মানুহ এঘৰৰ তাত ড্ৰাইভাৰ কৰিবলৈ ল'লে মুঠতে য'তে সুযোগ পাই তাতেই কাম কৰি উপাৰ্জন কৰিবলৈ ধৰিলে। লগতে বৰ্ণালীৰ স্কুলৰ শিক্ষক দুজন মানেও কলেজত নামভৰ্তি কৰিবলৈ কিছু টকা-পইচা দি সহায় কৰিলে আৰু

পৰীক্ষাতো বৰ্ণালী আটাইকেইটা বিষয়ত লেটাৰসহ ৯২%
কৰি সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। বৰ্ণালীৰ ফলাফলে সকলোকে
সুখী কৰিলে। নয়নেও আনন্দতে লগ-বন্ধুবিলাকক নিমন্ত্ৰণ
সৰুকৈ এসাঁজ খুৱালে। অৱশেষত ভগৱানেও যেন চকু
চালে। কেইদিনমান পিছত নয়নে প্ৰাইভেট কোম্পানী এটাৰ
পদ এটাত চাকৰি পালে। নয়ন আৰু বৰ্ণালীৰ আনন্দৰ

নোহোৱা হ'ল। বৰ্ণালীৰ চিন্তা অলপ হ'লেও কমিল যে দাদাকৰ এতিয়া কষ্ট কমিব। চহৰৰ ধনী এঘৰৰ ল'ৰা ৰক্তিম নয়নৰ ভাল বন্ধু হৈ পৰিছিল। ৰক্তিম মাক-দেউতাকৰ একমাত্ৰ সন্তান। তাৰ দেউতাক চহৰৰ ডাঙৰ ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মেনেজাৰ আৰু মাক কলেজ এখনৰ প্ৰফেচাৰ। ৰক্তিম পবিত্ৰ মনৰ অধিকাৰী। সি দেখিছিল যে নয়নে কেনেকৈ কষ্ট কৰিছিল আৰু ভনীয়েকক পঢ়ুৱাইছিল। নয়নৰ কষ্ট দেখি তাৰ বহুত দুখ লাগিছিল আৰু সেয়ে সি মাজে মাজে নয়নক টকা-পইচা দি সহায় কৰিছিল। নয়নে ৰক্তিমৰ পৰা টকা-পইচা ল'বলৈ বহুত আপত্তি কৰে কিন্তু ৰক্তিমে জোৰকৈ পকেটত সোমাই দিয়ে। ৰক্তিমৰ সহযোগতেই নয়নে চহৰৰ ভাল ঠাই এডোখৰৰ পৰা এবিঘা মাটি কিনিলে আৰু সৰুকৈ তাতেই ঘৰ সাজিলে। তাতেই ভাই-ভনী দুজনে সুখে সন্তোষে থাকিবলৈ ল'লে। এনেকৈ তিনি বছৰ যোৱাৰ পিছত বৰ্ণালীৰ বি.এ. পঢ়া সম্পূৰ্ণ হ'ল। তাৰ পিছত তাই দুদিনমান ঘৰতেই থাকিলে। দাদাকে কামৰ পৰা ৭ বজাত ঘৰ আহি পায়। নিতৌ তেনেকৈ চলিবলৈ ধৰিলে। আজি সিহঁতৰ গাঁৱৰ পৰা চহৰলৈ অহা ৫ বছৰ হৈ গ'ল কিন্তু নয়নে আজিলৈকে এটা নিচাজাতীয় দ্ৰব্য মুখত দিয়া নাই, বহুতেই সহজ সৰল আছিল নয়ন।

সেইদিনা আছিল মঙ্গলবাৰ। আনদিনাৰ দৰে বৰ্ণালীয়ে ভাত বাঢ়ি দাদাকৰ বাবে বাট চাই আছিল। সদায় ৭ বজাত ঘৰ পোৱা নয়ন কিন্তু সেইদিনা প্ৰায় ৯ বাজি গ'ল তথাপি নয়ন ঘৰ পোৱা নাছিল। এনেকৈ ঘড়ীৰ কাটাডালে ৯/১০/১১ অতিক্ৰম কৰি ১১ টা ৩০ পালেগৈ। কিন্তু তথাপি নয়ন ঘৰ আহি নাপালে। বৰ্ণালীৰ চিন্তা বাঢ়ি যাবলৈ ধৰিলে, কিয়নো নয়নক তাই বহুবাৰ ফোন কৰি আছিল আৰু নয়নে ফোন ধৰা নাছিল অৱশেষত চুইচ অফ বুলি দেখুৱাবলৈ ধৰিলে। তাই কি কৰিব কি নকৰিব ৰক্তিমক ফোন লগালে। ৰক্তিমে ক'লে যে নয়ন কেতিয়াবাই ঘৰলৈ গৈছে দেখোন, ৮ মান বজাত ঘৰ পাবহি লাগিছিল। ৰক্তিমৰ এই কথাখিনিয়ে বৰ্ণালীক দুগুণে চিন্তাত পেলালে। বহুত সময় ধৈৰ্য ধৰাৰ পিছত ৰাতি ১ টা বজাত বাহিৰত গাড়ীৰ শব্দ শুনি বৰ্ণালী বাহিৰলৈ ওলাই আহিল। বাহিৰলৈ ওলায়ে তাই দেখিলে যে মুখত কলা কাপোৰ বন্ধা এদল দুৰ্বৃত্তই গাড়ীৰ দৰ্জা খুলি তেজেৰে লুতুৰি পুতুৰি হৈ থকা মৃতদেহ এটা চোতাললৈ দলিয়াই দিলে। বৰ্ণালী দৌৰি যোৱাত তাইৰ ভৰিত মৃতদেহটো লাগিল আৰু তাই তললৈ চাই বহি দিলে। কি দেখিছো এয়া! নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই বৰ্ণালীয়ে। ইমান সহজ সৰল ল'ৰাটোৱে কাৰ কি ক্ষতি কৰিছিল যে সি মৃত্যুক সাৱটিব লগা হ'ল। তাই চিঞৰি চিঞৰি দাদা দাদা বুলি মাতি কান্দিবলৈ ধৰিলে। তাইৰ গগণফলা চিঞৰ শুনি যাব ওলোৱা দুৰ্বৃত্তৰ দলটোৱে ঘূৰি চালে আৰু বৰ্ণালীৰ সুন্দৰী ৰূপ দেখি বৰ্ণালীৰ ফালে আগবাঢ়ি আহিবলৈ ধৰিলে। তাই সিহঁতক তাইৰ ফালে আগবঢ়া দেখি জোৰকৈ 'হেল্প' বুলি চিঞৰিব ধৰিলে কিন্তু যান্ত্ৰিকতাৰ মাজত সোমাই থকা চহৰৰ মানুহবিলাকৰ যেন আহৰিয়েই নাই বৰ্ণালীৰ চিঞৰ শুনিবলৈ। নৰপিশাচ দানৱকেইটাই বৰ্ণালীক নয়নৰ মৃতদেহটোৰ কাষতে দলবদ্ধভাৱে ধৰ্ষণ কৰিলে তাই আৰ্তনাদ কৰি চিঞৰি থাকিল আৰু নয়নৰ মৃতদেহটোৱে যেন চাই থাকিলে একো কৰিব নোৱাৰিলে। হৰি হৰি! কেনে জ্বলন্ত শোক লগা দৃশ্য। তাই কোনোমতে তাইৰ দুৰ্বল শৰীৰেৰে তেজেৰে লুতুৰি পুতুৰি হৈ থকা দাদাকৰ বুকুৰ মাজত তাইৰ মূৰটো সোমাই দিলে আৰু কঁপা কঁপা মাতেৰে 'দাদা' বুলি জোৰকৈ এটা চিঞৰ মাৰিলে। এনেকৈয়ে দুটি জীৱন নষ্ট হৈ গ'ল।❒

"আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছো,
কিন্তু পৃথিৱীত ভ্ৰাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।"
— মাৰ্টিন লুথাৰ কিং



# সিদ্ধান্ত



ৰূপম দাস
উঃমাঃ দ্বিতীয় বৰ্ষ

আজি একেবাৰে সিদ্ধান্ত কৰি আহিব, লাগিলে আমাক বচাব নহ'লৈ মাৰিব আৰু কিমান দিন এনেকৈ থাকিব লাগিব পিঠিৰ ওপৰত এটা ঋণৰ বোজা লৈ গ'ল। ল'ৰা-ছোৱালী কেইটাই এসাঁজ ভালকৈ খাবলৈ নাপায়, আৰু মোৰ দ্বাৰা নহ'ব লাগিলে আদালতৰ ওচৰতে যাব লাগিব। আজি নয়নহঁতক লগ ধৰি কথাখিনি ভালদৰে আলোচনা কৰি আহিব। লওঁক, মোনাখন প্ৰদীপলৈ আগবঢ়ায় ঘৈণীয়েকে আকৌ ক'লে আহোঁতে পাৰিলে মাংস অলপ লৈ আহিব। ল'ৰা-ছোৱালীহালে স্কুলৰ পৰা আহি সদায়ে সোধে ভাত কিহেৰে ৰান্ধিছো। সিহঁতেও নো সদায় দাইল-আলু কেইটাকে কিমান খাব। যাওঁক সোনকালে।

প্ৰদীপৰ ঘৈণীয়েক অলপ চহকী তিৰোতা। মাক-দেউতাকৰ ঘৰত অলপো টকা-পইচাৰ কষ্ট নোপোৱা ছোৱালী আছিল। যি ইচ্ছা তাকে দেউতাকে তাইক দিছিল। মাহৰ দৰমহাৰ আধা ধন তাইৰ নামতে খৰচ কৰিছিল।



কি যে বিধিৰ লিখন আছিল তাইনো এটা সাধাৰণ কোম্পানীৰ কৰ্মচাৰী প্ৰদীপলৈ বিয়া হ'ল। যদি তাই মাক-দেউতাকৰ কথা শুনিলে হে আজি এনেকুৱা এটা পৰিস্থিতিৰ সন্মুখীন হ'ব লগা নহ'লহেঁতেন। এটা সিদ্ধান্তৰ ভুলে জীৱনটোকে সলনি কৰি পেলায়।

আহক দাদা, আহক, ড্ৰাইভাৰজনৰ চিঞৰত প্ৰদীপ বাস্তৱলৈ ঘুৰি আহিল। তাক ঘৰখনৰ চিন্তাই বাৰুকৈয়ে বেজাৰ দি থাকে। ক'লৈ যাব? বুলি প্ৰদীপে ড্ৰাইভাৰজনক সোধাত ড্ৰাইভাৰজনে ক'লে একেবাৰে কাগজকললৈ যাম দাদা। প্ৰদীপে গাড়ীখনত বহি ল'লে। প্ৰদীপৰ এইকেইদিন একেবাৰে টোপনি নাই। আজি ৩১ তাৰিখ, মাহ শেষ হ'ল। কাগজকলৰ দৰমহাৰ কোনো খা-খবৰেই নাই আৰু এমাহ দৰমহা নাপালে দৰমহা নোপোৱা এবছৰেই হ'ব। ঘৰত থকা গোটেই সাঁচতীয়া ধন শেষ হৈছে বুলি যোৱামাহত শ্ৰীমতীয়ে কৈ থৈছে। ল'ৰা-ছোৱালী কেইটাৰ বিদ্যালয় মাচুল দিবৰ হৈছে সেইটোও দিব লাগিব ছোৱালীৰ ৭০০ টকা আৰু ল'ৰাৰ ৫০০ টকা। মুঠতে তাতো ১,২০০ টকা। কেতিয়াবা এনে লাগে বে-চৰকাৰী স্কুলত পঢ়োৱাৰ যি সিদ্ধান্ত সেয়া ভুল আছিল। সিহঁতেও এতিয়া ডাঙৰ হৈছে। ফিজৰ কথা শিক্ষকে ক'ব লগা হ'লে লাজ পায়। এইফালে যোৱা মাহত ঋণলোৱাৰ কিস্তিও পৰিশোধ কৰিব লাগিব ৩,০০০ টকা, বেংকৰ লেনদেন সময়মতে কৰা নগ'লে পিছত অসুবিধা হ'ব। যোৱা মাহত নয়নৰ পৰা ১,০০০ টকা ধাৰলৈ আনিছিলো। দুদিন পিছতে দিম বুলি তাকো আজিলৈ দিব পৰা নাই, সেইখিনিও দিব পাৰিলে ভাল হয়। সময়মতে দিব পাৰিলে ভৱিষ্যতে আৰু পোৱা যাব। তাৰ বাহিৰেও আৰু লাইটৰ বিল, ঘৰভাড়া আদি আছেই। মুঠতে এইমাহতো ১০,০০০ মান টকাৰ আৱশ্যক হ'ব। দৰমহা পোৱাৰ আশা একেবাৰেই কম কিয়নো যোৱাকালিৰ বাতৰিখনতে পঢ়িছিলো ৰাজ্য চৰকাৰে এই সম্পৰ্কে আলোচনাত বহিবহে এতিয়ালৈ বহা হোৱাই নাই। সিদ্ধান্ত কি হ'ব তাকো ক'ব পৰা নাযাব। কথাবোৰ ভাবি থাকোতে কেতিয়া প্ৰদীপৰ টোপনি আহিল সি গমকে নাপালে।

দাদা, কাগজকল পালো নামি লওঁক। প্ৰদীপে পাঁচশ টকাখন উলিয়াই ড্ৰাইভাৰজনক দিলে

ঃ ভাড়াটো ৰাখক।

ঃ দাদা, খুচুৰা নহ'ব নেকি?

ঃ নাই, নহ'ব। প্ৰদীপৰ পাঁচশ টকীয়া নোটখনৰ বাহিৰে আন এটা ফুটাকড়িও পকেটত নাই। তাৰে ২০০ টকা গাড়ীভাড়াত খৰচ যাব। যোৱাকালিয়ে তাৰ বন্ধুৱে ফোন কৰিছে। সিহঁতে হেনো আকৌ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব তাৰ বাবেও ৫০ টকা খৰচৰ নামত দিব লাগিব। বাকী ২৫০ টকাৰে চৰকাৰী কাম-কাজখিনি কৰি তাৰপৰাই ঘৈণীয়েকে কৈ পঠোৱা মাংসও কিনিব লাগিব। ক'তো অধিক টকা খৰচ কৰিব নালাগিব। সিদ্ধান্তবোৰ ভালদৰে ল'ব লাগিব।

কাগজকলৰ ভিতৰলৈ সি সোমাই গ'ল। পোনে পোনে সি নথি-পত্ৰৰ কাম কৰা কক্ষটোৰ পিনে সোমাই গ'ল। দুৱাৰমুখতে তাৰ বন্ধু ৰঞ্জিত বহি আছিল।

ঃ ৰঞ্জিত, ভালনে তোৰ?

ঃ প্ৰদীপ, কেনেকৈনো ভাল হ'ব। আজি এঘাৰ মাহৰ পৰা দৰমহাই পোৱা নাই। প্ৰতিদিনে অহাৰ দৰে আহোঁ ইয়ালৈ কিন্তু দৰমহাৰ কোনো খা-খবৰেই নাই। মন্ত্ৰী মহোদয়লৈও বহুতো আবেদন পঠোৱা হ'ল কিন্তু কোনো সুদুত্তৰ নাপালো। আৰু কিমান প্ৰদীপ। কথাখিনিৰ মাজতে ৰঞ্জিত উচুপি উঠিল। ঘৰত খাবলৈ চাউল কেইটাও এতিয়া নাই। ল'ৰা-ছোৱালীহালে সদায়ে মই যোৱালৈ ৰৈ থাকে। দুয়োটাই সিহঁতৰ আৱশ্যকীয় সামগ্ৰীৰ তালিকা দুখন দি পঠায়। কিন্তু মই তাৰ অলপো নি দিব নোৱাৰো। 'প্ৰদীপ মই কি কৰো এতিয়া'।

ঃ ৰঞ্জিত, তোৰ দৰেই একেই অৱস্থা মোৰো, কি কৰিবি।

দুৱাৰখন খুলি ৰঞ্জিত আৰু প্ৰদীপ দুয়োটাই বিষয়াজনৰ কমটোলৈ সোমাই গ'ল।

ঃ আপোনালোক আকৌ আহিলে, মই আপোনালোকক কৈ পঠাইছোৱে যে চৰকাৰে সিদ্ধান্ত লোৱাৰ পিছত হে আহিব।

বাৰে বাৰে আহি আমনি দি নাথাকিব। বিষয়াজনে ৰঞ্জিত আৰু প্ৰদীপক দেখি অস্বস্তিত কথাষাৰ ক'লে।

ঃ নহয় মানে ছাৰ, আমাৰ কিছু অসুবিধা হৈছে। আজি এঘাৰ মাহ হ'ল দৰমহা পোৱাই নাই আমাৰ আন কোনো উপাৰ্জনৰ উৎসও নাই ছাৰ। আমি আমাৰ ল'ৰা-ছোৱালীহালক পোহপাল



দিবলৈও অসমৰ্থ হৈছো। ফুলবোৰ কলিতে মৰহি যাবলৈ নিদিব ছাৰ, ভৱিষ্যতে সুগন্ধি কোনে বিলাব।

ঃ মই এইবোৰ একো নাজানো, চৰকাৰে সিদ্ধান্ত লোৱাৰ পিছতহে আহিব। আৰু আপোনালোকে আন্দোলন, ধৰ্ণা আদি কিয় কৰি থাকেহে তাৰ ফলাফল কিন্তু ভৱিষ্যত বেয়াৰ ফালে ঢাল খাব।

ঃ ছাৰ, কিবা এটা কৰক। আমি ইমান দূৰৰ পৰা আশা এটা লৈ আহিছো।

বিষয়াজনে কিছুপৰ কথাখিনি ভাবি চাই ক'লে, "ঠিক আছে, মই কি কৰিব পাৰো চাই লওঁ, আপোনালোকে ইয়াত এই দুখন ফৰ্মফিলাপ কৰি দিয়া।

ফৰ্ম দুখন লৈ ৰঞ্জিত আৰু প্ৰদীপে ওচৰৰে বেঞ্চখনত বহি লৈ ফিলাপ কৰিবলৈ ল'লে। লওঁক ছাৰ, ফৰ্ম দুখন দুয়োজনে বিষয়াজনক আগবঢ়ায় দিলে।

ঃ ঠিক আছে আপোনালোক দুয়োজনে মোক ২৫০ টকাকৈ দি যাওঁক।

বিষয়াজনৰ কথাৰ দুয়োজনে ইজনে সিজনৰ মুখলৈ চালে আৰু বিষয়াজনক ক'লে—

ঃ ছাৰ অলপ কম কৰিব নোৱাৰি নেকি?

ঃ নোৱাৰি, ২৫০ টকাকৈয়ে দিয়ক এইবোৰ চৰকাৰী কাম, ইয়াত কম নহয়, সোনকালে দিয়ক।

প্ৰদীপে ভাড়া ১০০ টকা ৰাখি ২৫০ টকা গোটেই বিষয়াজনক দি দিলে।

ঃ ঠিক আছে, আপোনালোকে এতিয়া যাওঁক।

ঃ ছাৰ আমাৰ দৰমহাটো হ'বনে ছাৰ? ৰঞ্জিতে উৎকণ্ঠাে সুধিলে।

ঃ মই সেইবোৰ ক'ব নোৱাৰো, মই আপোনালোকৰ বাে এটা চেষ্টা কৰি চাম আৰু ২৫০ টকা কি হয়হে, অলপ বেছিকৈ টকা আনিব। তেতিয়াহে সোনকালে কামটো হ'ব। যাওঁক এতিয়া

প্ৰদীপ আৰু ৰঞ্জিত দুয়োজনে কোঠাটোৰ পৰা ওলা আহিল।

পিছফালৰ পৰা বিষয়াজনে আকৌ ক'লে, 'এইবা আহিলে অলপ বেছিকৈ টকা আনিব। দুৱাৰখন জপাই থৈ যাওঁক

বাহিৰত লাহে লাহে আন্ধাৰ হৈ আহিছিল। প্ৰদীপৰ মনে বাৰে বাৰে ঘৈণীয়েকে মাংস নিবলৈ কৈ পঠোৱা কথাষাৰ আ আছে। বিষয়াজনক টকাখিনি দিওঁতেও কথাষাৰ মনলৈ আহিছিল কিন্তু এইবাৰ দৰমহা হয়েই নেকি? সেই আশাৰে সি গোটেই ২৫ টকা বিষয়াজনৰ হাতত দি দিছে। এতিয়া প্ৰদীপৰ হাতত কেৱ ১০০ টকায়ে আছে, তাৰ পৰা মাংস নিব পৰা নাযাব, মাংস কিনি গ'লেও কমেও ৫০ টকা লাগিব। বাকী থাকিব ৫০ টকা। নহ' গাড়ীভাড়া ১০০ টকাৰ পৰা কমাই ৯০ টকা কৰিব পাৰি কি ড্ৰাইভাৰে ৫০ টকাত মান্তি নহ'ব। ইফালে মাংস নিনিলেও নহ' পেট্ৰ'ল, ডিজেলৰ যিহে আকাশচুম্বী দাম। ইয়াৰ বাবেও কম ধ আন্দোলন হ'লনে, কিন্তু চৰকাৰে দেখোন কাণসাৰে নিদিয়ে।

প্ৰদীপে গাড়ী এখনত উঠিলে, গাড়ীখনত যাত্ৰী একেবা সেৰেঙা। সিহঁতৰ ফালে যোৱা এইখনেই সম্ভৱত শেষ বা খিৰিকীৰ কাষত সি বহি ল'লে। তাৰ মনটো বৰ বেয়া লাগি আ যদি শ্ৰীমতীয়ে ল'ৰা-ছোৱালীহালক কৈ থৈছে যে আজি দেউতাৰ মাংস আনিব বুলি। সিহঁতে হয়তো আজি আনন্দতে সোনকা পঢ়িব গৈছে। ছোৱালীজনীয়ে হয়তো আগতে কৈ থৈছে ভ মাংস খাম বুলি আৰু শ্ৰীমতীয়েও হয়তো আলু-পিয়াঁজ কাটি মো অপেক্ষা কৰি আছে। পদুলিলৈ ওলাই বাৰে বাৰে শেষ বাছখন ৰৈ আছে কিন্তু সিহঁতেতো নাজানে মই যে নিৰুপায়।

ইতিমধ্যে বাছখন আহি সিহঁতৰ পদুলিত ৰাখিলেই। প্ৰদী বাছৰ পৰা নামি ঘৰলৈ বুলি ৰাওনা হ'ল। তেতিয়া পাকঘৰৰ খুটুং খাটাং বাচনৰ শব্দ তাৰ কাণলৈ ভাহি আহিল। সি ভাবি গাড়ীত ভাবি অহা কথাখিনিৰ পৰিৱেশেই হৈছে নেকি আজি ঘৰ আনকি এতিয়া মাত্ৰ ৬.৩০ বাজিছে। আনদিনা এইটো সম পঢ়াকোঠাটো নিৰ্জন হৈ থাকে কিন্তু আজি তাৰ পৰাও শুনা গৈ আব্ৰাহাম লিংকনৰ সেই বিখ্যাত উক্তি "Democracy is of t people, by the people, কিন্তু তাৰ ছোৱালীজনীৰ মাতত অস্পষ্ট হৈ পৰিছে for the people." ❐



# স্নিগ্ধাৰ সপোন



যুতিকা দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

কেতিয়াবা স্নিগ্ধাৰ মনৰ ভিতৰত সজীৱ হৈ থকা ভাৱনাবোৰৰ আউল লাগিব খোজে। এন্ধাৰে আঁৰৰা দি তোলাই তাইক আৱৰি ধৰে। কিন্তু, তাই হতাশাৰ সেই বিষ স্বৰূপ ধুমুহাৰ প্ৰথমজাক বতাহকো মনৰ সুন্দৰ কোঠালিত প্ৰৱেশ কৰিব দিব নোখোজে। বৰ্তমান অত্যাধুনিক যুগলৈ ধাবিত অৱস্থাত তাইৰ দৰে এখন দৰিদ্ৰ ঘৰৰ ছোৱালীৰ মনক হতাশাৰ কাল ধুমুহাই কোবাই যাব বিচৰাটো একো ডাঙৰ কথা নহয়। জ্ঞানী ব্যক্তিয়ে কোৱা শুনিছিল তাই, সংগ্ৰাম অবিহনে প্ৰকৃত জীৱনৰ মাদকতাই বা ক'ত। জীৱনটো সংগ্ৰামৰ এক অবিৰত যাত্ৰা আৰু এনে পথত যিয়ে অসীম সাহস, ধৈৰ্যৰে মূৰ দাঙি থিয় হ'ব পাৰে, তেওঁৰেই জীৱনৰ কৃতকাৰ্যতা লাভ কৰিব পাৰে। শংকৰদেৱ, মাধৱদেৱ, আজান ফকীৰ, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, মহাত্মা গান্ধী আদি ব্যক্তিয়ে জানো জীৱনৰ এটি সহজ পথেৰে আহি সফলতা অৰ্জন কৰিছে? নিশ্চয় নহয়। তেওঁলোকৰ পথ আছিল অতিকৈ কণ্টকৰ। দৰিদ্ৰতা, নিষ্ঠুৰতা, স্বাৰ্থপৰতাৰ আঘাত সহ্য কৰিও আগবাঢ়িছিল তেওঁলোক। তাইও পাৰিব নিশ্চয় আগবাঢ়িবলৈ এই মন্ত্ৰ সাৰোগত কৰি লৈ। সকলো প্ৰত্যাহ্বানকে নেওচি তাই আগুৱাই যাব তাইৰ সেই আছুতীয়া সপোনটো পাবলৈ।

'স্নিগ্ধা, পঢ়া হ'ল নে তোৰ?' — ভিতৰৰ পৰা মাকৰ মাত শুনি উচপ খাই উঠিল স্নিগ্ধা। পঢ়া টেবুলত বহি তাই প্ৰায়ে এইবোৰ কথাকে ভাবি থাকে। স্নিগ্ধা এটি অতি দুখীয়া ঘৰৰ সুযোগ্য কন্যা। তাই বৰ্তমান এখন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছে। তাইৰ দেউতাক সমুদ্ৰৰো বৰ্তমানৰ স্বাৰ্থপৰ, অন্ধ আৰু নিষ্ঠুৰ সমাজৰ মাজত নিজৰ পবিত্ৰ নিঃস্বাৰ্থ সত্বাটোক জীয়াই ৰখাত অতি কষ্ট হৈছে। ইফালে, নিজৰ সন্তান মানুহ কৰাৰ সপোন আৰু আনফালে বৰ্তমানৰ আধুনিক যুগৰ টকাৰ পিছত দৌৰা প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি ককবকাবলগীয়া হৈছে। একমাত্ৰ এজন মানুহৰ উপাৰ্জনেৰে পাঁচোটিকৈ পৰিয়ালৰ মানুহক পৰিচালনা কৰিবলৈ যাওঁতে নিজেই উজুটি খোৱা যেন অনুভৱ হৈছে তেওঁৰ। এফালে নৱ-প্ৰযুক্তিৰ উদ্ভৱ আৰু আনফালে বজাৰত সামগ্ৰী আৰু সেৱাৰ মূল্যবৃদ্ধিয়ে সাধাৰণ দিন হাজিৰা কৰা মানুহ চামৰ ৰাজহাঁড় বেঁকা হোৱাৰ উপক্ৰম ঘটিছে। ধনীৰ বাবে ভাবিবলৈ সকলোৰে সময় আছে কিন্তু দুখীয়াৰ বাবে ভাবিবলৈ কাৰো হাতত এক ছেকেণ্ডো সময় নাথাকে। এয়াই আজিৰ সমাজ। যাৰ আছে সকলো আছে আৰু যাৰ নাই একোৱেই নাই। আজিৰ সমাজত যেন বিদ্যাতকৈ ধন হে ডাঙৰ। 'যাৰ ধন নাই তাৰ মান বা সন্মান নাই'। দুখীয়াৰ দৰিদ্ৰতা যেন তেওঁলোকৰ এক অভিশাপহে চিৰজীৱনৰ।

'স্নিগ্ধা, ভাত খাবলৈ আহিলিনে?' আকৌ এবাৰ মাকৰ মাতত যেন তাই সাৰ পাই উঠিল চিলমিল টোপনিৰ পৰা। মাকে তাইক প্ৰায়ে কয় যে দুখীয়াই সোণ পিন্ধিলেও পিতল আই আৰু ধনীয়ে পিতল পিন্ধিলেও সোণ। গতিকে, আজিৰ সমাজত তোৰ মোৰ দৰে মানুহ যিমানেই জ্ঞানী নহওঁক কিয় কোনো মূল্য নাই।' নক'বইনো কিয়? আজিৰ সমাজেই তাৰ পৰিচয়।

আজি স্নিগ্ধাৰ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাৰ ৰিজাল্ট ওলাল। ৰিজাল্ট ভালেই হৈছে তাইৰ। কেইদিনমানৰ বাবে তাই এখন মহাবিদ্যালয়ত কাম কৰিব। কিন্তু, তাইৰ প্ৰকৃত লক্ষ্য বেলেগহে। তাই এগৰাকী অসামৰিক বিষয়া হ'ব খোজে। কিন্তু, আৰ্থিক দৰিদ্ৰতাই তাইক বাধাৰ প্ৰাচীৰ হিচাপে বাধা দিব খুজিছে। কিন্তু, তাই তালৈ ভ্ৰূক্ষেপ নকৰে। তাই বৰ্তমান দুই-এটা টিউচনো কৰে। তাই লাহে লাহে আই.এ. এছ. পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা আৰম্ভ কৰিলে। স্নিগ্ধাই ইয়াৰ বাবে ইণ্টাৰনেট, কিতাপ আৰু দুই এজন বন্ধুৰ সহায় ল'লে।

তাইৰ দৃঢ় বিশ্বাস যে অসীম কষ্ট আৰু আত্মবিশ্বাসে নিশ্চয় তাইলৈ সফলতা কঢ়িয়াই আনিব।

কেতিয়াবা তাই আকৌ নিজকে বৰ অকলশৰীয়া অনুভৱ কৰে। যৌৱনৰ দুপৰীয়াটিত হয়তো এনে অনুভৱ সকলোৰে হয়। তাইৰো একেবাৰে নোহোৱা নহয়। বসন্ত কালত প্ৰকৃতিৰ বিনন্দীয়া ৰূপে তাইৰ মন চঞ্চল কৰি তোলে। মন যায় তাইৰো যেন কোনোবা চেনাইৰ কাষত বহি মনৰ কথা পাতিব। তাইৰো মন যায় হিয়াৰ সাঁচতীয়া অযুত হেঁপাহ, বেদনাবোৰ কাৰোবাৰ সৈতে ভগাই ল'বলৈ। আনে কোৱা শুনিছে, জীৱনত আগুৱাবলৈ হেনো এজন ব্যক্তিৰ প্ৰয়োজন। কেতিয়াবা এক মুহূৰ্তৰ বাবে তাইৰ মনতো এনে অনুভৱ হয়। তাইৰ জীৱনলৈ প্ৰেমিক আহিছিল বহুতো। কিন্তু, তাই যাৰবাবে অপেক্ষাৰত সেইজনা জানো আহিব কেতিয়াবা তাইৰ কাষলৈ? স্নিগ্ধা দুৰ্বল হৈ পৰে, যেতিয়া তেওঁৰ কথাই তাইক আমনি কৰে। হয়তো তেওঁৰ হৃদয়ত তাইৰ বাবে ঠাইৰ অভাৱ। তথাপিও তাই তেওঁক বেয়া নাপায়। ইয়াৰ বাবে তাই নিজকে দোষে। হয়তো তাইৰ দৰিদ্ৰতাই ইয়াৰ বাবেও একমাত্ৰ বাধা হয়, হয়তো আন কিবা। তেওঁতো নাজানে, তেওঁৰ বাবে ক'ত নিশা উজাগৰে কটাইছে চকুপানীৰে এন্ধাৰৰ মাজত। সেইবাবে কেতিয়াবা তাইৰ এন্ধাৰেই ভাল। কিন্তু, তাই তাইৰ চকুপানীবোৰ আনক দেখুৱাব নোখোজে। সেয়েহে হাঁহি তাইৰ ওঠৰ লগৰী।

এদিন হঠাৎ স্নিগ্ধাৰ হৃদয়খনি কঁপি উঠিল। তাই তাইৰ বন্ধু এজনৰ ঘৰলৈ গৈছিল। তাত তাই আন এগৰাকী বন্ধুও লগ পালে। তেওঁ এগৰাকী জিলা উপায়ুক্ত যদিও চফল ডেকা। দেখিবলৈ খুব সুন্দৰ। ওঠত এটি মিচিকিয়া হাঁহি লাগিয়েই থাকে। প্ৰথমতে, স্নিগ্ধাক তেওঁৰ চাৱনিয়ে অলপ অপ্ৰস্তুত কৰি তুলিছিল। পিছত দুয়োৰ মাজত পৰিচয় হৈছিল। সেইদিনা ঘৰলৈ গৈ তাইৰ মনটো বহুত ভাল লাগি আছিল। কথা প্ৰসংগত তাই তাইৰ সপোনটো তেওঁৰ আগত কৈছিল।

এন্ধাৰৰ মাজত সদায় কোৱাৰ দৰে আজিও তাই নিজৰ মাজতে কথা পাতিছে। এনেতে এজাক কিনকিনিয়া বৰষুণৰ শব্দ কাণত পৰিল। কেতিয়াবা এই কিনকিনিয়া বৰষুণ জাক যে তাইৰ বহুত ভাল লাগে। আজি কিয় যে তাইৰ ভাল লাগি আছে তাই নুবুজিলে। হঠাৎ তাইৰ মন গ'ল বৰষুণজাকত তিতিব। তাই বাহিৰলৈ ওলাই গ'ল। আকৌ, এবাৰ যেন তাই সজাই ৰখা তাইৰ সপোনকোঁৰৰ জনৰ কথা ভাবিলে। এস তাই ভাবিলেনো কি হ'ব, তেওঁ যদি নাভাবে, তথাপিও তাই তেওঁক ভাল পাই, তেওঁৰ মুখত হাঁহি বিচাৰে। এনেতে ফোনটো কঁপিব ধৰিলে। ভাইব্ৰেচন কৰা আছিল। তাই লাহেকৈ সঁহাৰি জনালে। 'হেল্ল', সিফালৰ পৰা ভাঁহি আহিল অমৰ বৰুৱাৰ কণ্ঠস্বৰ। তাই সেইদিনা যে লগ পাইছিল তাইৰ বন্ধুৰ ঘৰত, সেই জিলা উপায়ুক্তজন, তেওঁৰেই— 'হেল্ল' স্নিগ্ধা আই লাভ ইউ, স্নিগ্ধা, মোৰ টোপনি অহা নাই জানা, তোমা কথাকে ভাবি আছিলোঁ, হেল্ল'...'

তাই মাথো নিৰৱে ৰ'ল। এক মুহূৰ্তৰ বাবে যেন তাই নিমা হৈ গৈছিল। তাই নিজকে বিশ্বাস কৰিব পৰা নাই সেইজন বিষয়া তাইৰ দৰে এজনী ভিকহু, দুখীয়া ছোৱালীক ভালপায়? এয়া এ প্ৰৱঞ্চনা যেন লাগিল, প্ৰলোভন যেন লাগিল তাইৰ। আকৌ পিছমুহূৰ্ততে তাইৰ মন গ'ল যেন তাই অতীতৰ সকলো কথা পাহ নিঃসংগ জীৱন এৰি অমৰ বৰুৱাৰ ওচৰলৈ যাব। কিন্তু, মুহূৰ্ত তাইৰ চকুৰ পৰ্দাত ভাঁহি উঠিল তাইৰ দৰিদ্ৰ ঘৰৰ জঁকাটো, তাই মাকৰ শেঁতা মুখখনি দেউতাকৰ পৰিশ্ৰমৰ ধূলিয়ে লুটুৰি পুতু কুঁজা হোৱা শৰীৰটো আৰু আশাৰ সপোনে দোলা দি থকা মুখখ

নাই, তাই কোনো যুৱকৰ সৈতেই কোনো প্ৰেমৰ সম্প নকৰে। যাৰ খাবলৈ এমুঠি অন্নৰ অভাৱ, তেনেস্থলত তাই কিহ মুখত কিহৰ আনন্দত প্ৰেমলীলাত মত্ত হ'ব। এয়া তাই ৰাখি নোৱাৰে। এয়া যে তাই মাক-দেউতাকৰ প্ৰতি কৰা ঘোৰ অন্যা হ'ব। তাইৰ মাক-দেউতাকৰ চকুত উজ্বলি থকা, তাইক লৈ দে থকা সপোনটো তাই পূৰাব পাৰিব লাগিব। তাই মাত্ৰ সেই দিশে আগবাঢ়িব। তাই সিদ্ধান্ত ল'লে যে তাই কঠোৰ পৰিশ্ৰম কৰি সপোনটো পূৰাবলৈ। বাকী একোলৈকে তাই ভ্ৰূক্ষেপ নকৰে এনেতে, বাহিৰত গাড়ীৰ শব্দ শুনিলে। দেখিলে, তাইৰ বন্ধু আ অমৰ বৰুৱা আহিছে। তাই সিহঁতক বহিব দি ভিতৰলৈ গ'ল।

অমৰ বৰুৱাই স্নিগ্ধাৰ দেউতাকৰ সৈতে কথা পাতি কথাবোৰত দেউতাক সন্তুষ্ট হৈছে। অমৰ বৰুৱাই স্নিগ্ধাক বি কৰোৱাৰ প্ৰস্তাৱ আগবঢ়াইছে। মাক-দেউতাকেও মানি লৈ স্নিগ্ধাই কথাবোৰ শুনি আছিল। তাইৰ মনটো আউল লগা লাগিল। অমৰ বৰুৱাই আহি স্নিগ্ধাৰ ওচৰ পালে। তেওঁ ক' 'স্নিগ্ধা তোমাক মই বুজি পাওঁ, তোমাৰ সপোন দেখা মনটো ভা লাগে। দৰিদ্ৰতা কেতিয়াও সপোন পূৰণৰ হেঙাৰ হ'ব নোৱা স্নিগ্ধা, লাগে মাথোঁ এটি সপোন পিয়াসী সাহসী মন, তোম দৰে। তুমি পাৰিবা স্নিগ্ধা। তুমি মোৰ নহ'লেও মই তোমাক স সহায় কৰিম। এতিয়া।' বুলি কৈ তেওঁ বিদায় ল'লে। স্নিগ্ধা নিম হৈ ৰ'ল। তাইৰ চকুৰে দুধাৰি অশ্ৰু বৈ আহিল। আজি প্ৰথমবা বাবে তাই এগৰাকী নিস্বাৰ্থ মানুহ বিচাৰি পালে। হয়, তেওঁ তাইৰ বাবে। তাই ততালিকে ফোন কৰিলে অমৰ বৰুৱাক— হে I love you Amar.'.

ক'ৰবাৰ পৰা যেন ভাহি আহিল ভূপেন হাজৰিকাৰ ক এটি গীত — 'মানুহে মানুহৰ বাবে, যদিহে অকণো নেভাবে, অক সহানুভূতিৰে, ভাবিব কোনেনো কোৱা, সমনীয়া।'□

# আত্মাৰ পৱিত্ৰতা





জ্যোতিষ্মা গোস্বামী
স্নাতক চতুৰ্থ ষাণ্মাসিক

অৰুণিমাৰ নীৰৱ-নিস্তব্ধ জীৱনটোত নীৰৱে আহি সকলো নীৰৱতা ভংগ কৰি দিছেহি! তাইৰ গতানুগতিক জীৱন যাত্ৰাত আউল লাগিল তেতিয়া; যেতিয়া নিৰৱে কথাৰ মাজতে তাইক ক'লে, 'তোক মোৰ ভাল লাগে। ভালপাওঁ তোক মই।' এইষাৰ শুনিয়েই তাই কালি কলেজৰ পৰা যি গুচি আহিল, তাৰপিছৰ পৰা এবাৰলৈও কথাষাৰ মন মগজুৰ পৰা আঁতৰাব পৰা নাই। ৰাতিটোত যে তাৰ কিমানবাৰ ফোন আহিল! কিন্তু, অৰুণিমাই এবাৰলৈও ৰিচিভ নকৰিলে। এতিয়ানো তাই কলেজলৈ যায় কেনেকৈ! তাকে ভাবি ওৰ পোৱা নাই ৰাতিপুৱাৰ পৰা। নোযোৱাকৈনো কিমান দিন থাকিব! সকলো ভাবি চিন্তি কলেজলৈ বুলি ওলাল।

ধীৰ গতিৰে তলমূৰ হৈ অৰুণিমাই কলেজত প্ৰৱেশ কৰাৰ লগে লগে ক'ৰবাৰ পৰা এচাটি পচোঁৱা বতাহৰ দৰে নিৰৱ আহি তাইৰ সন্মুখত হাজিৰ হ'ল। 'ৰাতি ফোনটোৰ লগত কাজিয়া কৰি এলাগী কৰিছিলি নেকি? নে ফোনটো ৰিচিভ কৰিলে তোৰ আঙুলিকেইটাই কষ্ট পাব বুলি ভাবিলি। ঠিকেই আছে দে, সকলোৰে প্ৰতি সহানুভূতিৰ ভাৱে ৰাখিব লাগে।' তাৰ উত্তৰ নিহিত প্ৰশ্ন সামৰি অৰুণিমাৰ সঁহাৰিৰ অপেক্ষা কৰিলে। পিছে তাই গুৰুত্বহীনভাৱে একো এটা নোকোৱাকৈ তাৰ কাযেৰে গুচি গ'ল ক্লাছলৈ বুলি। সিওঁ অকণমান পিছত

গৈ ক্লাছত সোমাল। ল'গে ল'গে ক্লাছ আৰম্ভ হোৱাত সিও আৰু একো নকলে।

ক্লাছ শেষ হ'ল। সকলো ওলাই গ'ল। নিৰৱে অৰুণিমাক ৰখিব ক'লে, কিন্তু তাই দৌৰা-দৌৰিকৈ ওলাইয়ে গ'ল। কেণ্টিনৰ ফালে গৈ তাই নিৰৱৰ পিছে পিছে অহা বুলি পিছফালে ঘূৰি চালে। কিন্তু তাক নেদেখি উৎকণ্ঠিত হ'ল। তাই চিন্তিত হ'ল, কিজানিবা সি বেয়াই পালে। বেয়া পাই যদি সি চিৰদিনলৈ তাইৰ পৰা আঁতৰি যায়। কিন্তু তাইটো সেয়াই বিচাৰিছিল। তাই দোমোজাত পৰিছে। নিজকে আৰু ৰখাব নোৱাৰি তাই তাক বিচাৰি গ'ল।



সি সেই আগৰ ক্লাৰৰ ৰুমটোতেই বহি আছিল। অৰুণিমাই তাক শান্ত-শিষ্টভাৱে বহি থকা দেখি তাৰ কথাৰ সুৰতেই তাক ক'লে- 'মইটো ইয়াত নিৰৱকহে বিচাৰি আহিছিলো, পিছে ইয়াত দেখোন কোনোবা নিৰৱ হৈহে বহি আছে।' সি তাইৰ কথা শুনি নুশুনাৰ ভাওঁ জুৰিলে। তাৰ কোনো পৰিবৰ্তন নেদেখি দীঘলকৈ এটি হুঁমুনিয়াহ কাঢ়ি অৰুণিমাই ক'লে, 'তুমি কিয় নুবুজা নিৰৱ? মই! মই তোমাৰ দৰে নহয়। সকলোখিনি জানিও কিয় এইবোৰ....' তাইক কথাখিনি সম্পূৰ্ণ কৰিব নিদি নিৰৱে কৈ উঠিল, 'তই কি বেলেগ! তই কিবা বেলেগ গ্ৰহৰ নেকি? মই সকলো বুজোঁ। মই অনবৰতে ধেমালি কৰিলোঁ বুলি মইতো অবুজ শিশু নহয়। মই ভাবি চিন্তিয়ে তোক কৈছোঁ।' অৰুণিমাই তাৰ কথা বুজিব নুখুজি ক'লে, 'সকলো কথা জানিও, এইবোৰ কিয়!'

संवत 1583 में एक दिन अपना अंतिम समय जानकर सुरदास श्रीनाथ जी के मंदिर को प्रणाम कर वही चबुतरे पर लेट गये। गोसाई जी ने तुरंत सभी भज्तो से कह दिया- 'पुष्टिमार्ग का जहान जा रहा है, उनसे जिनको जो लेना है ले लो।' यह सुन सभी सुरदास जी के पास पहुँचे। अंत मे गोसाई जी ने वहा आकर अचेत पड़े हुए सुरदास का हाथ पकड़ कर उठाया। सुरदास ने उस समय 'खंजव नैन रस माते' पद गाते गाते ही कृष्ण लीला में प्रवेश कर गये। कहा जाता हे सुरदास का मृत्यु गोवर्धन के निकट पारसौली ग्राम मे हुआ था।

**सुरदास का महत्व :**

हमारे कवि का असली नाम सुरदास था जिसकी साक्षी स्वयं 'सुरसागर' तथा चौरासी वार्ता, मे मिलती है। किंवदंतियो मे प्रचलित बिल्वमंगल सुरदास और सुरदास मदमोहन की तरह हमारे सुरदास का भी कोई अन्य नाम था या नही इस सम्बन्ध में कुछ नही कहा जा सकता। अपने काव्य मे उन्होने सुरदास और सुर का ही सर्वाधिक प्रयोग किया है।

सुरदास उच्चकोटि के भज्त थे। महाप्रभु से भेंट के पूर्व से ही वे विरागी और संग्रान्त भज्त के रूप में भगवद्‌भजन करते हुए गऊघाट पर रहते थे। वे इतने विज्ञ और अनुभवी थे कि उन्होने तीन-चार दिन में ही 'श्रीमद्‌भागवत' और सुबोधिनी का वास्तविक भाव हृदयंगम कर लिया और तत्संबंधी शु पद रचना से महाप्रभु पर गम्भीर प्रभाव डाल दिया। यद्यापि दार्शनिक वादो के सम्बन्ध में उनका दृष्टिकोण पंडितों-जैसा नही था और न उन्होने अपने काव्य मे दार्शनिक विचारो का प्रतिपादन या विवेचन किया है, फिर भी भज्ति भाव के प्रकाशन के प्रसंगो से विदित होता है कि उन्हे तत्कालिन दार्शनिक सिद्धान्तो

का यथार्थ ज्ञान था। अपने सम्प्रदाय की भज्ति भावना का जैसा विशद और व्यावहारिक रूप उनके काव्य मे मिलता है, वैसा कदाचित अन्तत्र दुर्लभ है।

सुरदास मे भज्ति के उपयुज्त सभी भाव-भेद पाए जाते है। भज्ति-धर्म की भावमूलक व्यापकता सुरदास ने अनेक आख्यानो और दृष्टान्तों के सहारे व्यंडित की है। उनके मत मे भज्ति की केवल एक शर्त है- भगवान का सतत ध्यान। किस भाव से उनका ध्यान किया जाए, यह साधक के स्वभाव और आत्मिक विकास की स्थिति पर निर्भर हैं। सुरदास के सुरसागर मे हरि-भज्ति के उपयुज्त सभी भाव भेद मिलते है। अनपात और रुचि की दृष्टि में नि:संकोच कहा जा सकता है कि सुरदास की भज्ति में शांति रति सबसे कम पाई जाती है।

सुर काव्य का मुख्य विषय कृष्णभज्ति है। 'भागवत' पूराण को उपजीव्य मान कर उन्होने राधा कृष्ण की अनेक लीलाओ का वर्णन 'सुरसागर' मे किया है। सुर की दृष्टि कृष्ण के लोकरंगक रूप पर ही अधिक रही है, उनके द्वारा दुष्ट-दलन आदि का वर्णन सामान्य रूप से ही किया गया है। लीला वर्णन में कवि का ध्यान मुख्यत: भाव चित्रण पर रहा है। विनय और दैन्य-प्रदर्शन के प्रसंग में जो पद सूर ने लिखे है, उनमेंभी उच्चकोटि के भावो का समावेश हैं।

**सुरदास से सम्बोधित अध्ययन :**

गत पृष्ठो में सुरदास के जीवन-वृज्ञ का जो विवरण दिया गया है, उसके आधारो के सम्बन्ध में यथास्थान संकेत होता गया है, परन्तु उन आधारो के विस्तृत परिचय और समीक्षण की आवश्यकता है। उनके अतिरिज्त अन्य अनेक स्त्रोतो से भी सुरदास के सम्बन्ध मे कुछ न कुछ पृज्ञ प्राप्त होता है। आगामी पृष्ठो में उस समस्त सामग्री का पर्यालोचन किया जाता है। सुरदास की जीवनी के अध्ययन में निम्नलिखित आधार सामग्री प्राप्त होते है-

१. सरुदास की रचनाए
२. चौरासी वैष्णवन की वार्ता।
३. हरिराय के भावप्रकाशसहित वार्ता
४. अन्य वार्ता साहित्य
५. वल्लभ दिग्विजय
६. भज्त-माल नाथादास
७. भज्तविनोद: कवि मियासिंह
८. रामरसिकावली रघुराजसिंह
९. भज्तनामावली : ध्रुवदास
१०. नागरसमुच्चय: नागरीदास
११. व्यासवाणी : हरिराम व्या
१२. आईने अकबरी
१३. मुंतखबुतावारीख
१४. मुंशियाते अबुलफजल
१५. मूल गुसाईचरित
१६. जनश्रुतियाँ

अन्य सामग्री जिसका उपयोग कवि के जीवन वृज्ञ के सम्बन्ध में किया जाता है, मूलत: उपयुज्त सामग्री पर रही न्युनाधिक अंश में आधारित है, जैसे भारतेन्दु हरिश्चन्द्र, गार्सा द तासी, सर जार्ज ग्रियर्तन, 'इनसाज़्लोपीडिया ब्रिटानिका' और श्री राधाकृष्णदास के लेख। यह खेद की बात है कि उपयुज्त सामग्री देखने में जितनी अधिक ज्ञान पड़ती हा वास्तव में उतनी है नही, ज्योंकि सुरदास के विषय में अधिकांश में जनश्रुतियों का संग्रह अथवा उनका उल्लेखात्र कर दिया गया हैं। इससे भी अधिक खेद का विषय यह है कि अब तक उपयुज्त सामग्री का सम्यक ऐतिहासिक विवेशन नही किया गया हैं। अत: सुरदास के जीवन वृज़ के निर्माण के लिए समस्त सामग्री का अन्वेषण परीक्षण आवश्यक हैं।

**सुरदास की आलोचना :**

सुरदास के नाम से प्रसिद्ध तीन रचनाएँ है- क) सुर सागर ख) सुर सारावली ग) साहित्यलहरी। इनके अतिरिज्त विभिज्त लेखको ने जिन रचनाओ का उल्लेख किया है वे या तो सुरसागर के ही स्फूट अंश है अथवा अप्रामाणिक है। इन तीनो रचनाओ का विस्तृत विवेचन आगामी प्रकरण मे किया गया है। उन विवेचन के फलस्वरूप कवि के जीवन के सम्बन्ध में अद्यावधि प्रचलित वृज्ञांत मे संशोधन करना आवश्यक हो जाता है। साहित्यलहरी' हमारे सुरदास की प्रामाणिक रचना न होने के कारण उससे प्राप्त तिथि और ऐतिहासिक वृज्ञांत का उपयोग नही किया जा सकता। 'सुरसारावली' की भी वही अवस्था है। ऐसी दशा में कवि के विषय में कुछ भी जानकारी प्राप्त करने के लिए उनकी रचनाओ में 'सुरसागर' का ही एकमात्र आधार रह जाता है।

'सुरसागर' एक बृहद ग्रंथ हे जिसके द्वारा कवि के विश्वासो विचारो, भावनाओ और मनोवृज्ञियो के विषय में असंदिग्ध जानकारी प्राप्त हो सकती है। कवि की भज्ति और उसके काव्य के अध्ययन में जो उसके जीवन और रचनाओ के अध्ययन के मुख्य अंश है, कवि के मानसिक जगत के सम्बन्ध में प्राप्त इस जानकारी का विस्तृत विवेचन किया गया है। परन्तु उसके पार्थिव जीवन के विषय में 'सुरसागर' विशेष सहायक

नही है। 'सुरसागर' के वृहद आकार में बिखरे हुए आत्मकथात्मक उल्लेख का सुरदास का अध्ययन करने वाले ने न्युनाधिक उपयोग अवश्य किया है, परन्तु इस उपयोग में प्राय: इस बात का विस्मरण हो गया है कि कवि की गीतिपरक व्यज्तिगत शैली मे रचित सामान्य कथन भी प्राय:स्वकथन जान पड़ते है। 'सुरसागर' मे जिस अंश मे सबसे अधिक आत्मकथन मिलते है वह है विनय के पद। ये पद आत्म निवेदन के रूप मे रचे गए है, अत: उनमे ऐसे अनेक पद हो सकते है जिनमे वस्तुत: आत्मकथन न होते हुए भी आत्मकथन का पूर्ण आभास हो। अन्य प्रभाणों के अभाव में ऐसे कथो की ऐतिहासिक प्रामाणिकता मे संदेह की सम्भावना बनी ही रहती हैं। सरदास ने प्रेम और विरह के द्वारा सगुण मार्ग से कृष्ण को साध्य माना है। उनके कृष्ण सखा रूप मे भी सर्वशज्तिमान परमेश्वर है। विष्णु, हरि, राम आदि सब कृष्ण के नाम है। सख्यभज्ति का 'सुरसागर' मे दो रूपो में प्रस्फुटन हुआ है। पहले रूप के अंतर्गत गोप व ग्वालो के साथ कृष्ण का सखा-कृष्ण रूप मे विचरन करना और कृष्ण के अतिरिज़्त किसी और में ध्यान न रखना वर्णित हैं। दुसरा रूप हे - गोपियो का श्रीकृष्ण के प्रति प्रेम भाव। उसमे विरहजन्य वेदना के कारण सुरदास ने तल्लीनता की मात्र अधिक व्यज़्त की है। विरह मे विभोर गोपियो की व्यथा का सजीब वर्णन भमरगीत संबधी पदो मे देखने को मिलता है। भ्रमरगीत के पदो मे गोरियो की विरह भावना, सगुण, निर्गुण, विवेचन, ज्ञान और भज्ति के तारतम्य तथा भज्ति की सीमाओ का जैसा सुंदर चित्रण हुआ है, वह सुरदास को भज्तिपद्धति के दार्शनिक एवं भावुक दोनो रूप सामने लाने मे समर्थ है।

सख्यभज्ति के साथ सुरदास ने भज्ति को सुगम और सर्वखन सुलभ बनाने के लिए वात्सल्य भाव द्वारा भी भगवान की आराधना व उपासना की है। सख्यभाव की अपेक्षा वात्सल्यभाव मे भज़्त को इष्टदेव का सामीज्य अधिक प्राप्त होता है।

सुरदास के अधिकांश जीवन - 'तनो पन' - को विषय वासना मे व्यर्थ नष्ट करने के सम्बन्ध में इस प्रसंग में अनेक कथन मिलते ह। इन कथनो में अतिशायीज़्तियो की संभावना बहुत है, ज़्योकि पतित-पावन प्रभु के समक्ष उद्धार का अधिकारी बनने के लिए अपने दोषो की अतिरंजना तथा अपने विषय में रूप से समस्त सम्भव दोषो की कल्पना करना कवि के लिए सर्वथा स्वाभाविक है। अत: उन्हे अक्षरश: सत्य मानना भारी भ्रम होगा।

**उपलज़्धिया :**

सुरदास की समस्त रचना को पदरचना कहना ही समीचीन है। ब्रजभाषा के अग्रदुत सुरदास ने इस भाषा को जो गोरव-गरिमा प्रदान की, उसके परिणामस्वरूप ब्रजभाषा अपने युग में काव्यभाषा के राजसिंहासन पर आसीन हो सकी। सुर की ब्रजभाषा मे चित्रात्म कता, आलंकारिता, भावात्मकता, सजीवता, प्रतीकात्मकता तथा बिंबात्मकता। पूर्ण रूप से विद्यमान है। सुर के अनुसार भगवान श्रीकृष्ण के अनुग्रह से मनुष्य को सद्गति मिल सकती है। सुरदास ने भज्ति के साथ श्रृंगार को जोड़कर उसके संयोग वियोग पक्षो का जैसा वर्णन कूट पद भी लिखे हैं। प्रेम के स्वच्छ और मार्जित रूप का चित्रण भारतीय साहित्य में किसी और कवि ने नही किया है यह सुरदास की अपनी विशेषता हैं। सुरदास ने यशोदा आदि के शील गुण आदि का सुंदर चित्रण किया हैं। उसके काव्य में प्रतृज़्ति सौन्दर्य का सूक्ष्म और सजीव वर्णन मिलता है। सुर के गेय पदो में हदयस्थ भावो की बडी सुंदर व्यंजना हुई है और उनके कृष्ण लीला संबधी पदो में सुर के भज़्त और कवि ह्रदय की सुंदर झांकी मिलती है। सुर की कविताओ में पूराने आस्थानो और कथनो का उल्लेख बहुत स्थानों मे मिलता है।

**निष्कर्ष :**

प्रस्तुत विषयो से अध्ययन करते हुए यह निष्कर्ष निकलता हे कि सुर का काव्य भाव पक्ष की दृष्टि से ही महान नही है, कला पक्ष की दृष्टि से भी वह उतना ही महत्वपूर्ण हैं। सुर की भाषा सरल, स्वाभाविक तथा बाग्वैदिग्धपूर्ण है। सुर ने विनय लिखे हे जिसकी दास्य भावना कही कही तुलसीदास से आगे बड़ जाती है -

*हमारे प्रभु औगु चित न धरौ।*
*समदरसी है मानतुम्हारे सोई पार करौ।*

सुरदास श्रीकृष्ण के ऊपर पद गाया करते थे। सुरदास के जन्मान्ध होने या ना होने के बारे मे भी काफी मतभेद हैं। सुर ने वात्सल्य, श्रृंगार और शांत रसो को मुख्य रूप से अपनाया है। अत: हिन्दी साहित्य के कवियो में भज्तिकाल के एक विशिष्ट कवि के नाम से सुरदास को जाना जाता है।❑

# विद्यापति काव्य में श्रृंगार रस की प्रधानता





**धरित्री दास**
सहकारी अध्यापिका

'श्रृंगार' शब्द का अर्थ है कामोद्रेक की प्राप्ति, वस्त्राभूषण आदि से शरीर, देवमूर्ति आदि को शोभित करना, सजावट, बनाव-चुनाव, भक्ति का एक भाव। प्रकार जिसमें भक्त अपनें पत्नी के रूप में और अपने इष्टदेव को पति के रूप में जो जागृत होता है उसे श्रृंगार कहाँ जाता है और जिस काव्य में उसकी व्यंजना होती है उसे श्रृंगार काव्य कहा जाता है।

श्रृंगार रस का मूल विषय प्रेम और काम है। इसी प्रेम सृष्टि टिकी हुई है। कहा जाता है कि प्रेम के कारण पद्म खिलता है, प्रेम के कारण धरती (पृथ्वी) घुमती है। यह श्रृंगार एक ऐसा रस है जिसके अभाव में सृष्टिहीन, सारहीन और लक्ष्य सी लगती है।

श्रृंगार का स्थायी, भाव है रति। इसमें प्रकृति हमेशा उद्दीपक बनकर आती है। श्रृंगार को उद्दीप्त करने में नायक-नायिका की देह भाषा (बोडी लैग्वेंज) महत्वपूर्ण काम करती है। श्रृंगार या कामेच्छा को उद्दीप्त करने में मनुष्य निर्मित वस्तुएँ प्रकृति निर्मित से कहीं अधिक महत्वपूर्ण योगदान देती है। दरबारिक और प्रेम के कवि होने के कारण कवि ने ऐसी मनुष्य निर्मित परिस्थिति का चित्रण कविता में किया है जो प्रेम के अनुकूल हो।

कवि सामाजिक प्राणी होते हैं। समाज में वे जो कुछ देखते हैं उसे कल्पना के आधार पर काव्य में व्यंजित करते हैं। आधारहीन कल्पना सामाजिक जीवन से कोई संबंध नहीं होता हैं। श्रृंगार या प्रेम से मानव जीवन का गहरा संबंध है। इसी से एक मनुष्य से जुड़ा रहता है। कवि विद्यापति को जयदेव की कृति 'गीत गोविन्द' ने श्रृंगारपरक कविता लिखने के लिए प्रभावित किया था। साधारण: कवि को श्रृंगार काव्य लिखने में संस्कृत, प्राकृत और लौकिक साहित्य ने प्रभावित किया था। कवि के काव्य में श्रृंगार की जो व्यंजना है उसमें भक्ति का रंग चढ़ा हुआ है। वह मानो सोने पर सुहागे का काम कर रहा है। इसी बिन्दु पर हिन्दी के आलोचको को भ्रम हैं कि विद्यापति श्रृंगारिक है अथवा भक्त और वह भ्रम वर्षो तक विद्वानों में था।

श्रृंगार रस के भेद और विद्यापति

श्रृंगार रस दो प्रकार के होते हैं-

1. संयोग श्रृंगार और
2. वियोग श्रृंगार

विद्यापति के काव्य में संयोग श्रृंगार :

नायक-नायिका अथवा प्रेमिक-प्रेमिका के मिलन को संयोग श्रृंगार कहाँ जाता है। दोनो के पारस्परिक दर्शन, स्पर्श, चुम्बन (अधरपान), आलिंगन, प्रेमालाप आदि की अवस्थाओ



को संभोग श्रृंगार में स्थान दिया जाता है। कवि विद्यापति प्रेम, यौवन, और श्रृंगार रस के कवि और गायक हैं। जीवन औरु योव संबंधी कवि की अपनी धारण है जो परवर्ती भक्त कवियों की धारणा से सर्वथा ...... हैं। यौवन में जो मादकता और आकर्षण शक्ति है वह अन्यत्र नहीं है। कवि ने राधा से परामर्श दिया है कि उसका योवन काल उसके लिए वसंत ऋतु है। इस सुवर्ण अवसर को खो देने से उसके यौवन (तात्पर्य पयोधरों से है) का कोइ मूल्य नहीं रहेगा, दोनों पयोधर दीले पर जायेंगे, जैसे पूराने हो जाने पर ग्वलिन के मट्ठे की दाम नहीं रहता है। कवि की धारणा है कि यौवन जीवन का सार तत्व है। यह यौवन तभी सार्थक होता है जब कोई सज्जन उसका साथ देता। सज्जन का प्रेम कभी मूल्यहीन नही होता है, वह दिन-प्रतिदिन चन्द्रकला और मृणाल सद्रश बढ़ता जाता है-

जीवन सार जौवन जग रंग
जौवन .................. सुपुरष संग
सुपुरष पेम कबहु नही छाड़
दिने-नि चन्द्रकला ........ बाढ़।

विद्यापति की कविता में प्रेम का अपना एक विशेष महत्व है। उन्होंने एक पक्षीय प्रेम को प्रेम नही समझा। प्रेम में दोनों (प्रेमी और प्रेमिका) के प्रेम का संतुलन अपोक्षित हैं। संसार में सब लोग प्रेम करते है, लेकिन सबका प्रेम प्रेम नही हैं। कवि की दृष्टि में वही श्रेष्ठ पुरुष (उज़मेज़म पुरुष) विलक्षण कहलाता है जो लोहे और सोने की पहचानता है उनकी परख करने जानता हैं।

कवि की नायिका राधा कामकला में निपुण है। इसके विपरीत नामक श्रीकृष्ण गोपालक और .... हैं। इसलिए राधा श्रीकृष्ण ो कामशास्त्र का व्यावहारिक ज्ञान देना चाहती है। वह ऐसे बुद्धु से प्रेम करना नही चाहती जो कामशास्त्र की थोड़ी सी भी जानकारी नही रखना हो। इसलिए वह अपनी सखियों से शिकायत करती है।

राधा कृष्ण को काम का पाठ तो पढ़ाती, पर वह उस पाठ को जल्द सीख नहीं पाता है। मूर्ख बच्चों की तरह नायक की चतुरता (कामशास्त्र) का पाठ पढ़ाने समय राधा कृष्ण पर बिगड़ती है। वह अपने असंतोष को व्यक्त कर कहती है कि संसार। नागरो से भरा-पूरा है, लेकिन उसे जो पति मिला है वह कामकला से बेमतलब और अनुभवहीन है। काम में उसे कौई रस नहीं मिलता है। एक नारी के रूप में राधा मन में वर्षो से जो स्वप्न सजाती भी वह मानो टुट गया है। उसे उसके विपरीत प्रवृस्ति का पुरुष मिला। विधाता ने उसके साथ छल किया ह। विधाता द्वारा दिए गए इसस ..... के कारण वह भीतर ही भीतर दु:ख प्रकट कर रोती है। कारण उसका जो स्वामी है वह पुरुष कहाँ और पश्चिम कहाँ है - यह भी नही जानता है, काम कला-रस की बात तो अलग है। कवि ने राधा के मूँह से कृष्ण की सबसे बड़ी कमजोरी को संकेतित करके कहाँ है की वह संभोग के समय सो जाता है। और संयोग अधुरा रह जाता है-

'काम कला रस कन सिखउवि
पुब पछिम न जान।
रभस बेरा निन्दे बेआकुल
किछु न ताहि गेयान॥'

संयोग शृंगार के प्रति कवि का झुकाव सर्वाधिक है। कारण कवि की तुष्टि में काम-क्रीड़ा ही संसार का सार है। अभिसार प्रसंग और विद्यापति: प्रेमी-प्रेमिका के संकेतित स्थान पर होने वाले गुप्त मिलन को अभिसार कहा जाता है। विद्यापति की दृष्टि में अभिसार जीवन और यौवन का सार है। संस्कृत काव्य शास्त्र से भली भाँति परिचित होने तथ शृंगार रस के प्रक्षधर होने के कारण उनके काव्य में अभिसारिका राधा का सरस और आकर्षक चित्रण मिलता है।

विद्यापति के काव्य में वियोग शृंगार :

संभोग की विपरीतावस्था की वियोग शृंगार नाम से जाना जाता है। इसमें नायक-नायिका के विच्छेद की अवस्था का चित्रण किया जाता है। नायक (अथवा नायिका) के विदेश जाने पर नायिका (अथवा नायक) के मन की दुखद स्थिति का चित्रण यहाँ किया जाता है। प्रेम के क्षेत्र में वियोग एक कसौटी है, जिसमें कसकर नायिका (या नायक) के प्रेम का मूल्यांकन किया जाता है। इससें विरही और विरहिणी के हृदय की भावनाओं को टटोलने का प्रयास किया जाता है।

साधारण मनुष्य को जिस प्रकार संभोग आकर्षित करता है, ठिक उसी प्रकार वियोग विज्ञ लोगों को। प्रेम को पूर्णता तक ले जाने मे और नायक-नायिका की अंतवृज़ियों के उन्नयन परिष्करण में वियोग महत्वपूर्ण भूमिका अदा करता है।

वियोग शृंगार के चार आधार होते हैं- पूर्वराग, मान, प्रवास, और करुण विरह। सौंदर्य और आकर्षक गुणों के श्रवण अथवा दर्शन से नायक-नायिका की पारस्परिक अनुरज़्ति को दशा का नाम पूर्वराग है। यह नायक-नायिका के समागम से पहले की अवस्था है। विद्यापति की कविता में राधा-कृष्ण के पूर्वराग में टती महत्वपूर्ण भुमिका अदा करती है। आनुष्ठानिक साक्षात्कार (दर्शन) के पहले ही दूती-सखी द्वारा नायक-नायिका के रूप गुण की चर्चा सुनकर दोनों में प्रेम भाव उत्पन्न होता है। प्रेमिका को जब अपने प्रेमी को किसी दुसरी प्रेमिका के साथ प्रेम करते हुए देखती अथवा प्रेम करने की खबर मिलती है तब वह ईर्ष्या से जलने लगती है। नायिका की इसी ईर्ष्या जन्म जलन को मान कहा जाता है। साहित्य में विरह का मूल कारण प्रवास दिखाया जाता है। प्रवास का अर्थ है विदेश में रहना। नायिका को स्वदेश (अपने घर) में छोड़कर नायक लंबी अवधि के लिए जब प्रवास/विदेश जाता है, तब नायिका के मन में दुःख का पहाड़ टुट पड़ता है। कवि ने इस शैली के माध्यम से कृष्ण के 'मधुरपुर' जाने के पश्चात एकाकिनी विरहिणी राधा की मनोर्व्यथा को मार्मिकता और सजीवता के साथ अभिव्यज़्त किया है।

कृष्ण के विदेश जाने के पश्चात राधा को बेहद दुःख हुआ। राधा 'मेघदुत' की तरह विदेश जानेवाले किसी बटोही से कृष्ण के पास संदेश ले जाने का अनुरोध करती है--

अरेरे पथिक भइआ समाद लए जइहह
जाहि देसबस मोर नाह।
हमर से दुख सुख नन्हि पि कहिहह
सुन्दरि समाइलि वाह॥

करुणा विरह विप्रलंभ शृंगार का अंतिम भेद अथवा अवस्था है जहाँ नायक-नायिका में से किसी एक ही मृत्यु का संकेत मिलना है। 'साहित्य दर्पक' में कहा गया है कि जब किसी दैवी कारण से मृतक नायक अथवा नायिका फिर से जीवित होना (पुनर्जम) संभव होता और पुनर्जम में नायक-नायिका के मिलन की संभावना बनती तब करुण विरह होता है। किसी दैवी, प्राकृतिक अथवा सामाजिक-पारिवारिक कारण से नायक के साथ नायिका के अथवा नायिका के साथ नायक के मिलन की इच्छा के बावजुद भी मिलन की संभावना जब शुन्य हो जाती है, तब करुण विरह की अवस्था उत्पन्न हो जाती है।

निष्कर्ष रूप में कहा जा सकता है कि विद्यापति संयोग शृंगार के अनन्य कवि होते हुए भी विप्रलंभ के अप्रतिम चितारे है। उनके संयोग प्रेम के चित्रण में प्रसंगों की विविधता मांसलता, यौन-मनोविज्ञान हैं तो विप्रलंभ में प्रेम विरह की गंभीरता और विरहिणी की विवशता। विद्यापति ने शृंगार रस के अंतर्गत आनेवाले नियमों विधि विधानों का अनुपालन कर उसके विविध पक्षों पर पद लिखे हैं। इसके दोनो पक्षों संयोग और वियोग के चित्रण द्वारा कवि ने परांपरागत साहित्यिक शैलियों की ही प्रस्तुत नही किया है, प्रत्युत प्रेमी-प्रेमिका की गंभियों, हर्ष-विवादों, सुख-दुःखों की अनुभूतियों को सांस्कृतिक धरातल पर प्रस्तुत भी किया हैं।❑

# असम के लोक उत्सव : 'भठेली'



धीरेन चन्द्र दास
सहकारी अध्यापक
हिन्दी विभाग

उत्सव तथा त्योहार मानव जीवन के साथ अत्यधिक लगाव हैं। वस्तुत: हमारे सामाजिक, सांस्कृतिक जीवन के लिए संजीवनी की भाँति है जिनसे हमें कर्तव्य की दिशा एंव दृष्टि प्राप्त होती है। मनौवैज्ञानिक दृष्टि से उत्सव हमारे संघर्ष पूर्ण जीवन में प्राप्त होती है। विश्रांती के क्षण हमे नयी शज्ति एंव कार्य क्षमता प्रदान करते है। हमारे उत्सव हमें वह अवसर प्रदान कराते है कि हम कुछ समय के लिए सारी चिंताएँ और पीड़ाएँ पारस्परिक ईर्ष्या द्वेष तथा सारे भेदभाव भूलकर एक साथ हँसे-मुस्कुरायें, नाचे और गाये। कुछ क्षणों की स्वतंत्र मुस्काराहट महिनों के अवसाद की समाप्त कर समानता प्रदान करती है।

असम के निचले भाग में रंगाली बिहु के साथ सथ लोक उत्सव भठेली (सुवरी) विषुवा आदि नाम के साथ मनाया जाता है। कामरूप जिलें के दक्षिण भाग में वैशाख महिने में एक निर्धारित दिन से (एक दिन या दो दिन) विभिन्न गाँव में केन्द्रस्थल पर जाति-जनजाति भाषा के बिच में उत्सव मनाया जाता है जिसे सुवरी या सरि कहा जाता हैं। दुसरी ओर कामरूप जिले के उजनी भाग में गाँव गाँव में मनानेवाले उत्सव को भठेली कहाँ जाता है। गोवालपारा जिले के कहीं उसे विषुवा कहाँ जाता है। बारह महिने में तेरह उत्सव मनाने वाले असमीया लोग ये उत्सव की सामुहिक रूप में पूर्व पुरुष से खुली जगह या कोई मन्दिर सभागृह के सामने जाति संप्रदाय भाषा धर्म एंव संस्कृति से पालन करके आ रहै हैं। 'भठेली' उत्सव मे सामुहिक आनन्द, खुले मेला, खेल-कुद आदि का समावेश होता है। इसी कारण गाँव के समाज में साधारण लोनों के आचार-विचार, रहन-सहन, खान-पान, धर्म-कर्म, गीत-वाद्य आदि की एक साथ लोक संस्कृति की संज्ञा दी गई है।

भठेली उत्सव के दिन गाँव बुढ़े-बुढ़ियाँ, युवक-युवतियाँ, बच्चे आदि ने मेहंदी, कंगन, तिलक आदि से अपने को सजाति हैं। दुसरी ओर सामाजिक प्रामी होने के कारण मनुष्य अपने हर्षोल्लास को औरो के लिए तत्पर हो उठता है तथा उत्सवों, समारोहो के आयोजन अच्छी तरह से करता है। खेत-मैदान में धान-काट कर घर में आ जाता हैं। घर में अनाज के कारण सब के मन में आनन्द रहता है। इस आनन्द में वे अपनी साल भर की दुख वेदनाओं को भूल जाते है। दैनिक जीवन की चिताओं और श्रम से थका हुआ समाज ऐसे क्षणों का सहर्ष स्वागत करके उत्सव को पालन करते है। जब मनुष्य के वैयज्तिक अथवा सामुहिक उपक्रम समस्त जाति के हितार्थ महत्वपूर्ण अवदान सिद्ध होते है तब वे आयोजन सार्वजनिक महोत्सवी तथा त्योहारो का रूप ले लेते है। ऐसे उत्सव में विभिन्न प्रकार के कपड़े, मणि-मुकुता, मिठाइयाँ, कंगन, फल-फुल, खिलना आदियों का मेला लग जाते है, साथ ही साथ गाँव के लोग इस मेले में पूरी तरह से घूल मिल जाते हैं।



डाँ. हजारी प्रसाद द्विवेदी जीने संस्कृति की परिभाषा

देकर कहा है कि मनुष्य की श्रेष्ठ साधनाएँ ही मनुष्य की संस्कृति है। यहा साधारणत: अच्छा अर्थ या सुसंस्कृत का अर्थ लिया जाता है। अब असमीया लोक संस्कृति का अर्थ होगा असमीया ग्रामीण जीवन की संस्कृति। ग्रामीण साधारण लोगों के आचार-विचार, रहन-सहन, खान-पान, धर्म-कर्म, गीत-वाद्य आदि को एक साथ संस्कृति की संज्ञा दी गई है। डाँ. वीरेन्द्रनाथ दस ने लोक संस्कृति के क्षेत्र को चार भागी में विभज्त किया है- लोक साहित्य सामाजिक रीति-नीति, वस्तुगत लोक जीवन, लोकायत परिवेश कला।

कामरूप जिले के दक्षिण क्षेत्र में उत्सव को सुवरी या सरि उत्सव नाम से जाने जाते है। बैशाख महिने में बिहु के साथ साथ इस उत्सव को गाँव-गाँव में पालन किये जाते है। कही कही दो, तीन या चार अथवा इससे ज्यादा गाँव मिल जुल कर इस उत्सव को पालन करते है। देखा जाता है कि ये उत्सव दो दिन के लिये पालन किया जाता है। इस में एक सार्वजनीक समिति बनायी जाती है। प्रति वर्ष एक तिथि को लेकर निश्चित दिन तय किया जाता है। जातीय जीवन के ऐसे ही अविनाशी क्षण पर्व अथवा त्योहार बन जाते है। पहले दिन खुले मैदान अथवा मन्दिर के परिसर में शाम से लेकर रात तक कोई नाट्य दल का नाटक प्रदर्शित करते है। दुसरे दिन दोपहर के बाद मेले के स्थल में खेल-कुद, कुश्ती लड़ना, ओजापाली नृत्य,ढुलीया, नृत्य आदि आयोजित किये जाते है। खासकर मेले में लोग आवश्यकिय चिजे, मिठाईयाँ आदि खरीदते है। इन अवसरों पर बाल-वृद्ध, युवा सभी दैनिक जीवन की चिन्ताओं और कुण्ठाओं से मुज्त होकर उत्सवों में भाग लेते है, नवीन परिधानीं से सर्जित बच्छों एवं नर-नारियाँ ऐसे स्थली में इकट्ठी हो जाती हैं। ऐसे अवसरो पर उन महिलाओं को भी घुमने-फिरने की छुट मिल जाती है। जिन्हे साधारण घरों की चौखट लाँघने की भी स्वतंत्रता नही होती। उत्सवों के दिन लोग दैनिक काम काज छोड़ यंत्र-तंत्र घुमते फिरते है, ऐसे उत्सव मुखी समय में लोगों के चेहरे पर सन्तोष एवं आनन्द के भाव झलकते रहते हैं।

'भठेली' उत्सव के दिन सुबह गाँव के युवक पानी से नहाकर दो बांस अच्छी तरह से साफ करके उसके उपर रंग-बिरंग कपरे बांधकर शंख, घन्टी नगारे ढोल, खोल और मांगलिक ध्वनि के जरिये मिट्टी में गाड देते है। उन में से लम्बी बांस को नर (कबूतर) और छोटी बांस मादा (कबूतर) बोलते हैं। जिस गाँव में ये उत्सव मनाते है, वे लोग नर (कबुतर) और दुसरे गाँव से आनेवाले बांस को मादा (कबूतर) इसके बाद भी गाँव के लोग बांस के उपर एक छोटी घर पंजे से बनाते है। इसे भठेली घर बोलते है। इस 'भठेली' घर के आस-पास लोग खुले रूप में उत्सव मनाते है।

भठेली उत्सव के अंग पार (कबुतर) शज़्द संस्कृत में पारावत (कबुतर चिड़िया) जोडा हुआ है। पण्डित प्रताप गोखामी जीने भुतिया शज़्द 'परचा' के साथ इस शज़्दो को जोड़ा है। जिसमें शांति का प्रतीक है। लोग मंगल कामना केर लिये उसे आकाश में छोड़ते है। बिहगी कवि रघुनाथ चौधरी ने इस शज़्द की प्रसंग में कहा था कि ये शज़्द हमारे गाँव के (भुई स्थली) से आया है। भुई शज़्द नीचले असम मे खेत मैदान को समझाते है। डाँ. वाणीकांत काकति ने भठेली शज़्द को संस्कृत के भस्थलिका शज़्द से मनाते है जिस में सं-सज्जित बांस के चिन्ह (दंड) जो आकाश मण्डल शोभा करके उड़ाते है। प्राचीन द्राविड़ के लोग *शिव* उत्सव के प्रागक्षण वंश सम्पन्न करते है। इसे इन्द्रध्वजा भी कहते है।

दक्षिण कामरूप में सुवरी (सरि) उत्सव में जगह में श्रीकृष्ण के बाल लीला, यौवन लीला आदि को लेकर उत्सव मनाते हैं। ऐसे उत्सव में गाँव के छोटे छोटे बच्चे कृष्ण बलराम और सखा, दुसरी ओर राधा के सहेली होकर अभिनय के साथ विभिन्न प्रकार के नृत्य करते है। इस तरह देखा जाता है कि गाँव के आज लोग ये उत्सव मनाते है।

'सुवरी' (सरि) उत्सव के बारे में लोक विश्वास भी देखा जाता है। जैसे छोटे श्रीकृष्ण बलराम और सखा को कोई भी व्यज्ति कपड़ा भेंद या मिठाईयाँ आदि खिलाने पर घर की बुराईयाँ दूर जाते है दूसरी ओर घर के लोगों के बिमारीयाँ, या बुराइयोंसे मुज्ति पाने के लिए मन्दिर या कोई देवता से प्रतिज्ञा करके कुछ दान देने के शपथ लेते ह, ऐसे उत्सव अवसरी में दान प्रदान करते है जैसे- सोने के फूल, मूर्ति अन्य चिजे आदि। जिसमें लोक विश्वास है इन मन्दिर या देवता के आशिर्वाद के कारण ही भलाई हुआ हैं।

'भठेली' उत्सव के बारे में लोकविश्वास भी देखा है। जैसे 'भठेली' उत्सव मनाने के बाद जेठ-आषाढ़ महिने में पृथ्वी पर बरसात होती है। दुसरी ओर भठेली के कबूतर मिट्टी पर गिर जाने पर गाँव के लोग में अमंगल होते यह भी लोकविश्वास है।

निष्कर्ष रूप से कहा जा सकता हे कि भठेली या सुवरी (सरि) एक जातीय महत्व और लोकसंस्कृति है। वह: बहुत प्राचीन उत्सव और जाति जनजाति के शांति-सम्प्रीति गठबंधन तथा जातियों ऐज्य के वाहन है। उत्सव से पहले दस पन्द्रह दिन से गाँव का महौल परिवर्तित हो जाता है भाओना, ओजापाली भाओरिया, ढुलीया आदि में लोकनाटक के विशिष्ट देखे जा सकते है। भाओना में जहा अंकिया नारकी शास्त्रीयता का दर्शन होता है वहाँ ढुलीया और लैकिकता के साथ हास्य व्यंग्यात्मकता का।




# বিচিত্ৰ অনুভৱৰ কলম

২০১৬-১৭ ইং বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আলোচনী বিভাগত দ্বিতীয় পুৰস্কাৰ লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ ৩০ তম্ সংখ্যক আলোচনী 'কলহী'ৰ সম্পাদক

# ৰুবি তালুকদাৰৰ সৈতে বাৰ্তালাপ



▶▶ আপোনাৰ সম্পাদনাত প্ৰকাশিত ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী'য়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ভিতৰত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠত্বৰ সন্মানেৰে সন্মানীয় হৈছিল। এই সাফল্যত আপুনি প্ৰথমাৱস্থাৰ পৰা কিদৰে প্ৰস্তুতি চলাইছিল?

**ৰুবি তালুকদাৰ ঃ** সজীৱ চিন্তাৰ লক্ষণ গতিশীলতা, অনৰ্থক হুলস্থূল নহয়
পৰম্পৰাৰ সংৰক্ষণ হয় পৰিৱৰ্তন আৰু বিকাশৰ জৰিয়তে।
ঘানীত ঘূৰা বলধৰ দৰে—
"ঘূৰিয়েই আছোঁ।
ঘূৰিয়েই আছোঁ, ঘূৰিয়েই আছোঁ।"
বুলি অভ্যস্ত চিন্তাত তৃপ্তি লাভ কৰা যেনেকৈ কৰুণ হাস্যৰসৰ সমল,
তেনেকৈ প্ৰগতিৰ নামত নিৰ্বিচাৰে অভিনৱ আধুনিকতাৰ পিছে পিছে ঢাপলি মেলাও বাতুলতা।
জাতিটো ৰক্ষা পৰিব লাগে- এয়া সুস্থ পৰম্পৰাৰ চিন্তা।
তাৰ যুগপোযোগী সংস্কাৰ লাগে, যি সংস্কাৰৰ মাধ্যম নতুন সংস্কৃতিক-
সেয়া প্ৰগতিৰ দাবী।
— ড° হীৰেন গোঁহাই।

প্ৰথমেই মই প্ৰতিটো বৰ্ষৰ দৰে এই বৰ্ষও কলহী প্ৰকাশৰ প্ৰস্তুতিৰ কথা শুনি আনন্দিত হৈছো। লগতে মোৰ পৰা মহাবিদ্যালয়ৰ




আলোচনী 'কলহী'ৰ সম্পাদনা কৰাৰ সময়ৰ কিছু অভিজ্ঞতাৰ কথা ব্যক্ত কৰিবলৈ সুযোগ দিয়াৰ বাবে মই আলোচনীৰ সম্পাদনা সমিতিৰ লগতে সম্পাদক মিনাক্ষী কলিতাক আন্তৰিক ধন্যবাদ জনাইছো।

মই ছয়গাঁও মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ ২০১৫-১৬ বৰ্ষৰ সম্পাদক আছিলো। সঁচাকৈয়ে মহাবিদ্যালয়ৰ যিকোনো এটা সম্পাদকৰ দায়িত্ব পালন কৰাটো সহজ কাম নহয়। আৰু যিসকলে এই কামসমূহৰ লগত জড়িত তেখেতসকলে নিশ্চয়কৈ বুজিব পাৰিছে সম্পাদকীয় দায়িত্বসমূহ।

মনৰ বল আৰু আত্মবিশ্বাসেৰে কোনো এটা কাম কৰিবলৈ ল'লে সফল হ'ব পাৰি। লাগিলে শাৰীৰিক দুৰ্বলতা নাইবা আৰ্থিক দুৰ্বলতা অথবা বিভিন্ন বাধা-বিঘিনি যিয়েই নহওক কিয়। সমাজৰ সকলো সফলতাৰ আঁৰত বিভিন্ন কাহিনী জড়িত হৈ থাকে। কোনো এটা কৰ্মক সফল ৰূপ দিয়াটো সহজ কাম নহয়, লাগিলে কামটো সৰু নাইবা ডাঙৰ যিয়েই নহওক, কিন্তু তাত ত্যাগ, কষ্ট আদি জড়িত হৈ থাকে। আমাৰো এই সৰু সফলতাৰ আঁৰত কিছু মিঠা স্মৃতি, কিছু অভিজ্ঞতা আৰু কিছু কষ্ট নিহিত হৈ আছে। ২০১৬ বৰ্ষত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰাও বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা হয়। সেইটো বৰ্ষতে সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ নিৰঞ্জন পাঠকে শ্ৰেষ্ঠ ভাস্কৰ্য শিল্পীৰ বঁটা লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। সেইটো বৰ্ষতে মহাবিদ্যালয়সমূহৰ বাৰ্ষিক আলোচনীসমূহৰ প্ৰতিযোগিতা মই প্ৰত্যক্ষ কৰিছিলো। সেইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰথম স্থান আৰু ৰাধাগোবিন্দ বৰুৱা কলেজে দ্বিতীয় স্থান লাভ কৰে। আৰু তেতিয়াই মই মনৰ মাজত প্ৰতিজ্ঞাবদ্ধ হৈছিলো যে অহা বৰ্ষত আমাৰ মহাবিদ্যালয়ে আলোচনী বিভাগত অংশগ্ৰহণ কৰি স্থান লাভ কৰিবই লাগিব। সেই কথাষাৰ মই অধ্যক্ষ মহোদয়ৰ ওচৰত প্ৰকাশ কৰিছিলো আৰু মহোদয়েও মোক এই বিষয়ত অনুপ্ৰেৰণা যোগাইছিল। লগে লগে আৰম্ভ কৰিছিলো আলোচনীখনৰ প্ৰকাশৰ কাম। ইয়াৰ বাবে বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয় লগতে বহুতো ন-পুৰণি আলোচনী সংগ্ৰহ কৰি আকৌ এবাৰ অধ্যয়ন কৰিছিলো আৰু মোৰ লগতে মোৰ বন্ধু-বান্ধৱী, অগ্ৰজ-অনুজসকলৰ লগতে শিক্ষাগুৰুসকলৰ দিহা-পৰামৰ্শ লৈ আলোচনীখনৰ আৰ্হি তৈয়াৰ কৰিছিলো। যিমান পাৰো বিভিন্ন ধৰণৰ ন-পুৰণি শিতানসমূহ সংযোগ কৰাইছিলো। তাৰ বাবে নিশ্চয়কৈ মই অশেষ কষ্ট কৰিছিলো। ছাৰ-বাইদেউসকলে মোক বিভিন্ন ক্ষেত্ৰত সহায় কৰিছিল। বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ কম হোৱা বাবে বহুতো কাম নিজাববীয়াকৈ কৰিছিলো। ইয়াত অৱশ্যে বহুখিনি কামত মই বন্ধু-বান্ধৱী তথা দাদা-বাইদেউসকলোৰ সহায় লাভ কৰিছিলো। নতুন শিতানসমূহ সংযোগ কৰাৰ বাবে বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা ব্যক্তিসকলৰ লগত মত বিনিময় কৰিছিলো আৰু তেখেতসকলৰ আদৰ্শমূলক মতামত আলোচনীত প্ৰকাশৰ বাবে বিচাৰিছিলো। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পৰা মহাবিদ্যালয়ৰ কিছু পুৰণি কথা জনাৱো প্ৰয়াস কৰিছিলো আৰু সেইবোৰ আলোচনীত প্ৰকাশ কৰিছিলো। ইয়াৰ লগতে ছয়গাঁৱৰ থলুৱা শিল্পীসকলৰ ব্যক্তিত্ব যাতে ছাত্ৰ-ছাত্ৰীৰ বাবে অনুকৰণীয় হয় তাৰ বাবে তেখেতসকলৰ ব্যক্তিত্বৰ কথা প্ৰকাশ কৰিছিলো আলোচনীখনৰ পাতত।

আলোচনীখন সম্পাদনা কৰাৰ সময়ত মই প্ৰায় এমাহ কাল ছপাশালত দিনে আঠ-দহ ঘণ্টাকৈ কাম কৰিছিলো। ইয়তো মোক সম্পাদনা সমিতিৰ সদস্যসকলে অনৱৰতে ছাঁৰ দৰে লাগি থাকি সহায়-সহযোগিতা আগবঢ়াইছিল। মনত এটাই আশা আছিল আমাৰ মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ আলোচনী 'কলহী'খন সকলোতকৈ শ্ৰেষ্ঠ হওক। মোৰ লগতে আমাৰ সম্পাদনা সমিতিৰ ফালৰ পৰা সকলো শিতান অন্তৰ্ভুক্ত কৰা হৈছিল যদিও ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ পৰা লিখনিসমূহ বিচাৰি বাৰে বাৰে আবেদন জনাবলগীয়া হৈছিল। যিয়েই নহওক ইয়াৰ পিছত ভবাতকৈ লিখনি বেছিকৈয়ে পাইছিলো। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিৰ মানদণ্ড উন্নত



যদিও বয়সৰ দোষতেই হওক নাইবা চিন্তাৰ গভীৰতা পাতলৰ কাৰণতেই হওক সকলো লিখনি আলোচনীৰ বাবে গ্ৰহণযোগ্য নিশ্চয় নহয়। সেয়েহে লিখনিসমূহ আমি বাৰে বাৰে বাছনি কৰিবলগীয়া হৈছিল।

যিয়েই নহওক এখন আলোচনী প্ৰকাশত বহুতো দিশ জড়িত হৈ থাকে। তাৰ ভিতৰত প্ৰচ্ছদ আৰু স্কেচ্। অৰ্থৱহ আৰু সুন্দৰ প্ৰচ্ছদে আলোচনী এখনৰ সৌষ্ঠৱ বঢ়ায়। এই ক্ষেত্ৰত মোক সকলোফালৰ পৰা সহায় কৰিছিল মোৰ বন্ধু নিৰঞ্জন পাঠকে। আৰ্হি কাকত চাই মোক সহায় কৰিছিলে 'প্ৰতিদিন কাকত'ৰ সংবাদদাতা পংকজ নাথ দাদাই। অংগসজ্জা সম্পাদনা সমিতিয়ে কৰিছিলো। এনেকৈয়ে আমাৰ আলোচনীখনৰ প্ৰস্তুতিৰ কাম সামৰি প্ৰকাশ কৰি উলিয়াইছিলো।

▶▶ বঁটাপ্ৰাপ্ত এখন আলোচনীৰ সম্পাদক হিচাপে আপুনি অনাগত দিনত মহাবিদ্যালয়ৰ আলোচনীখন অধিক উচ্চ মানদণ্ডৰ কৰিবলৈ সম্পাদকসকলক কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব?

**ৰুবি তালুকদাৰ ঃ** মোৰ অভিজ্ঞতাৰ ফালৰ পৰা ক'ব পাৰো যে যিকোনো অনুষ্ঠানৰ কাম অকলে কৰাটো কেতিয়াও সম্ভৱপৰ নহয়। বহুক্ষেত্ৰত ব্যক্তিকেন্দ্ৰিক মানুহ সমাজত হাৰি যোৱাৰ উদাহৰণ বহু আছে আমাৰ ওচৰে-পাঁজৰে। সেয়ে প্ৰথমতে মহাবিদ্যালয়ৰ আলোচনী 'কলহী'খন যিহেতু আমাৰ মহাবিদ্যালয়ৰ দাপোণস্বৰূপ সেয়েহে সকলোৱে লগে-ভাগে আগবাঢ়িলে আলোচনীখন উচ্চ মানদণ্ডৰে প্ৰকাশ কৰাত সুবিধা হয়। দ্বিতীয়তে বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ লিখা বা পঢ়াৰ প্ৰতি গুৰুত্ব কমি গৈছে। ইয়াৰ কাৰণ বহুতো আছে, তাৰ ভিতৰত মোবাইল অনলাইন বাৰ্তালাপ আৰু পৰীক্ষা আৰু প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থা অন্যতম। যিয়েই নহওক ছাত্ৰ-ছাত্ৰীক লিখা-পঢ়াৰ প্ৰতি সজাগ কৰিবলৈ মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ পৰা মাহেকত এবাৰকৈ হ'লেও মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী মিলি আলোচনা চক্ৰ পতাৰ ব্যৱস্থা কৰিব লাগে। তৃতীয়তে সাহিত্য আৰু আলোচনীৰ সম্পাদক হিচাপে সাহিত্য চৰ্চাৰ লগত জড়িত প্ৰতিযোগিতাসমূহ সময়ে সময়ে মহাবিদ্যালয়ত আয়োজন কৰিব লাগে। চতুৰ্থতে বাহিৰৰ যিকোনো অনুষ্ঠানৰ পৰা প্ৰতিযোগিতাৰ বাবে নিমন্ত্ৰণ জনালে নিশ্চয়কৈ অংশগ্ৰহণ কৰিব লাগে। পঞ্চমতে সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ পদটো যিহেতু এক গভীৰ আৰু সদা দায়িত্বশীল পদ গতিকে বহুক্ষেত্ৰত সম্পাদকগৰাকী মানসিকভাৱে শক্তিশালী হৈ থাকিব লাগে। ষষ্ঠতে

যিহেতু বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ সময় আগৰ তুলনাত বৰ্তমান আগতীয়াকৈ অনুষ্ঠিত কৰা হয় সেয়ে আলোচনীখনৰ কাম প্ৰথম অৱস্থাৰ পৰা আৰম্ভ কৰি যিমান পাৰি সোনকালে শেষ কৰিব লাগে আৰু যুৱ মহোৎসৱত অংশগ্ৰহণৰ সুযোগ গ্ৰহণ কৰিব লাগে। সপ্তমতে ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী নাইবা শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয়ৰ লগত জড়িত বেছি সংখ্যকে ছয়গাঁও মহাবিদ্যালয়ৰ অতীত নাজানে, আমিও সকলো দিশৰ প্ৰতি জ্ঞাত নহয়। সেয়েহে মহাবিদ্যালয়ৰ অতীতৰ কথা জনা ব্যক্তিৰ পৰা আলোচনীত প্ৰকাশৰ বাবে লিখনি সংগ্ৰহ কৰিব লাগে। অষ্টমতে অন্য আলোচনীৰ পৰা সম্পূৰ্ণৰূপে নকল কৰিব নালাগে। ইয়ে আলোচনীখনৰ মানদণ্ড নিম্ন কৰে।

▶▶ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দিনত সততে এটা কথা আমাৰ দৃষ্টিগোচৰ হয় যে একাংশই ভাবে যেন আলোচনী বা বাহিৰা কিতাপ পঢ়াটো এলান্ধুকলীয়া-মান্ধাতা যুগৰ এক পৰম্পৰাহে। আপুনি ভাবে নে অধ্যয়ন অবিহনে মানৱ সম্পদ গঢ় দিয়াটো সম্ভৱপৰ বুলি?

<u>**ৰুবি তালুকদাৰ ঃ**</u> অধ্যয়ন অবিহনে মানৱ সম্পদ গঢ় দিয়াটো সম্ভৱপৰ বুলি মই কেতিয়াও নাভাবো। গীতাত এষাৰ শ্লোক আছে— "নহি জ্ঞানেন সদৃশ পবিত্ৰাম ই বিদ্যাতে"। অৰ্থাৎ পৃথিৱীত জ্ঞানতকৈ আৰু পবিত্ৰ বস্তু আন একোৱেই নাই। জ্ঞান আহৰণৰ বহুতো উপায় আছে, ধ্যান আছে, যোগ আছে, তপস্যা আছে আৰু আছে গভীৰ অধ্যয়ন। কিন্তু অকল যে কিতাপ অধ্যয়ন কৰিয়েই মানৱ সম্পদ গঢ় দিব পাৰি তেনে কথাও নহয়। আমাৰ সমাজত এনে বহু উদাহৰণ আছে যি কিতাপৰ আখৰ চিনি নাপায়, কিন্তু বহু ডাঙৰ ডাঙৰ কাম কৰি দেখুৱাইছে। কিন্তু ইয়াৰ আঁৰতো আছে গভীৰ অধ্যয়ন। মানুহে যিটো কাম কৰে সেই কামটোৰ ওপৰত গভীৰ অধ্যয়ন কৰিব লাগিব। তেতিয়াহে সফলতা অৰ্জন কৰিব পাৰে। এয়াই সত্য। কোনো মানুহে অধ্যয়ন অবিহনে সফল হ'ব নোৱাৰে। বহুক্ষেত্ৰত সমাজত দেখা যায় যে অকল পঢ়া-শুনা কৰা কথাটোৱে অধ্যয়ন বুলি ধৰি লয়। কিন্তু প্ৰকৃততে সকলো কৰ্মক্ষেত্ৰত সফল হ'বলৈ যি চেষ্টা, কষ্ট আদি কৰা হয় সকলোবোৰ অধ্যয়নতেই পৰে। অধ্যয়ন অবিহনে এজন মানুহ হৈ জীয়াই থাকিব পাৰে, কিন্তু তেওঁ কেতিয়াও দেশৰ মানৱ সম্পদ হ'ব নোৱাৰে।

আলোচনী বা বাহিৰা কিতাপ পঢ়াটো এলান্ধুকলীয়া-মান্ধাতা যুগৰ এক পৰম্পৰা বুলি ভবা মানুহৰ বৰ্তমান সমাজত অভাৱ নাই আৰু মই নিজেও এই কথাষাৰৰ সন্মুখীন হৈছো। এইখিনিতে মই এইসকল মানুহৰ বাবে এষাৰ কথা ক'ব খোজো- 'কুঁৱাৰ ভেকুলীয়ে কি জানিব সাগৰৰ বিশালতা আৰু গভীৰতা'। আচলতে একাংশ অভিভাৱকে নৱ-প্ৰজন্মৰ মাজত সুমুৱাই দিছে এক তীব্ৰ প্ৰতিযোগিতা, যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে এটা কোঠাৰ ভিতৰত শ্ৰেণীৰ কিতাপখিনি পঢ়িয়েই বিচাৰিব ধৰিছে জীৱনৰ সাফল্য। কিমান দুখ লগা কথা। ভাবিলে পুতৌ ওপজে সেইসকল ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ ওপৰত যি নিজৰ সন্তানক সমাজৰ মাজত ডাঙৰ কৰিব জনা নাই, যি পৃথিৱীত জন্ম হৈও দেখা নাই বিশ্বৰ নান্দনিক দৃশ্য আৰু তাতকৈ ডাঙৰ কথাটো হ'ল তেওঁলোকৰ চাৰ্টিফিকেট চাই চৰকাৰী উচ্চ বিষয়বাব বা বহু উচ্চ মজুৰিৰ কৰ্মত কৰ্মৰত হয়। কিন্তু প্ৰশ্ন হয় যি পৃথিৱীখন দেখা নাই, সমাজৰ মাজত চলা নাই তেওঁলোকে কেনেকৈ জনসাধাৰণৰ সেৱা কৰিব। এইবোৰ প্ৰশ্নই কেতিয়াবা মন আৰু মগজুত ক্ৰিয়া কৰি থাকে। সমাজৰ নৱপ্ৰজন্ম আচলতে গৈছে কোনটো দিশত?

বিজ্ঞান প্ৰযুক্তি যিমানেই আগনাবাঢ়ক কিয় অধ্যয়ন অনিবাৰ্য, কিয়নো অধ্যয়নৰে ফল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা। অধ্যয়ন অবিহনে সকলো বৃথা। শ্ৰেণীৰ কিতাপ পঢ়ি সকলোৱে ভাল ফলাফল কৰিব পাৰে। কিন্তু সমাজখন জানিবৰ বাবে নাইবা জ্ঞানৰ বিশালতাৰ বাবে, মনে বিচাৰি থকা আকাশখন হাতেৰে চুবৰ বাবে অধ্যয়ন অনিবাৰ্য। আলোচনী বা বাহিৰা কিতাপ পঢ়াটো এলান্ধুকলীয়া-মান্ধাতা যুগৰ পৰম্পৰা হ'লেও তাক অনুকৰণ কৰিবই লাগিব। তেতিয়াহে কুঁৱাৰ ভেকুলীও সাগৰ-মহাসাগৰৰ বিশালতা আৰু গভীৰতা অনুভৱ কৰিব পাৰিব।

শেষত এটা কথা উল্লেখ কৰিব বিচাৰিছো যে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আলোচনী বা বাহিৰা কিতাপ পঢ়িব বিচাৰিলেও বৰ্তমান পৰীক্ষামুলক শিক্ষা ব্যৱস্থাৰ বাবে সময়ৰ অভাৱ পৰিলক্ষিত হয়।□



### ভাৰতীয় ডাক বিভাগত কৰ্মৰত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী

# ৰশ্মি নাথৰ সৈতে কিছু আলাপ

➲ বাইদেউ আপুনি যি সময়ত ছয়গাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল সেই সময়ত মহাবিদ্যালয়ৰ অৱস্থা খুব চকুতলগা বিধৰ নাছিল। তথাপিও কিন্তু আপুনি নিজকে উজ্বলাই তুলিছিল। এই বিষয়ে আপোনাৰ মতামত?

**ৰশ্মি নাথ ঃ** ১৯৯২ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মই ছয়গাঁও মহাবিদ্যালয়ত নামভৰ্ত্তি কৰো। হয় আমি পঢ়া সময়ত ছয়গাঁও মহাবিদ্যালয়ৰ বাহ্যিক অৱস্থা যেনে শ্ৰেণীকোঠা, পুথিভঁৰাল আদি চকুত লগা ধৰণৰ নাছিল। কিন্তু কলেজখন যে চকুত লগা বিধৰ নাছিল এনেকুৱা ভাব মনলৈ অহাই নাছিল। ছাৰ-বাইদেউসকলে খুব আগ্ৰহেৰে নিষ্ঠা সহকাৰে পাঠদান কৰিছিল। শ্ৰেণীত নুবুজা বিষয়বোৰ ব্যক্তিগতভাৱে ছাৰ-বাইদেউসকলক লগ ধৰি পাঠদানৰ অন্তত বুজি লৈছিলো। তেখেতসকলে পাৰ্যমানে সহায় কৰিছিল। শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আছিল ওতঃপ্ৰোত সম্বন্ধ। বিৰতিৰ সময়ত পুথিভঁৰালত কিতাপ পঢ়িছিলো। আমাৰ দুবছৰ আগত বাহাৰুল ইছলামে উচ্চতৰ মাধ্যমিকত ভাল ফলাফল দেখুৱাইছিল। চেষ্টা কৰিলে ময়ো এদিন ভাল ফল লাভ কৰিব পাৰিম বুলি মনতে ভাবিছিলো। মোৰ মা-দেউতাৰ লগতে ছাৰ-বাইদেউসকলেও ভাল ফলাফল লাভ কৰাত অৰিহণা যোগাইছিল।

➲ আপোনাৰ দৃষ্টিত ভৱিষ্যতে এজন সফল মানুহ হ'বলৈ হ'লে ছাত্ৰাৱস্থাত কোনকেইটা বিশেষ দিশৰ ওপৰত শিক্ষাৰ্থী তথা অভিভাৱকে দৃষ্টি নিবদ্ধ ৰখাটো দৰকাৰ?

**ৰশ্মি নাথ ঃ** জীৱনত ভাল ফল লাভ কৰিবলৈ হ'লে লক্ষ্য স্থিৰ হ'ব লাগিব। নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা আদি সফলতাৰ মূল চাবিকাঠী। অভিভাৱকসকলে ল'ৰা-ছোৱালীৰ অন্তৰ্নিহিত গুণৰাজিৰ বিকাশৰ ওপৰত গুৰুত্ব দিব লাগে। ল'ৰা-ছোৱালীৰ নৈতিক চৰিত্ৰ গঠনৰ শিক্ষা দিব লাগে কাৰণ এজন সফল ব্যক্তিৰ গাম্ভীৰ্যতা নিৰ্ভৰ কৰে তেওঁৰ নৈতিক চৰিত্ৰৰ ওপৰত।

➲ আপোনাৰ দৃষ্টিত দৰিদ্ৰতা উন্নতিৰ পথত হেঙাৰ হ'ব পাৰে নেকি? মতামত আগবঢ়াওঁক।

**ৰশ্মি নাথ ঃ** দৰিদ্ৰতাই ব্যক্তিৰ জীৱনত প্ৰায়েই নএগ্ৰাৰ্থক প্ৰভাৱ পেলায়। ই ছাত্ৰ-ছাত্ৰীসকলক হীনমন্যতা আৰু আশাহীনতাত ভোগায়। দুই এক প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে নিজ চেষ্টাৰ বলতে সমাজত জিলিকি উঠে। দৰিদ্ৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰি আমি পাৰ্যমানে সুবিধা প্ৰদান কৰিব লাগে যাতে তেওঁলোক নিজৰ লগতে সমাজ আৰু দেশৰ নাম উজ্বলাব পাৰে।❒

# ছয়গঞাৰ সপোন



পংকজ কলিতা
প্ৰাক্তন ছাত্ৰ

(১)
চিপচিপীয়া পানীৰে ষাঠিৰ দশকতে
বোৱা জুৰিটি
আজি দুই কুৰি পাঁচ বছৰীয়া
ভৰুণ নৈ
তোমাৰ জলধাৰাতে সাঁতুৰিছে
শত-সহস্ৰ জ্ঞান-পিপাসু

(২)
কতজন ছয়গঞাৰ পঁজাত জ্বলালা
প্ৰদীপ্ত একোগছি বন্তি
তুমিয়েই বিনাশিলা এন্ধাৰ
নানা জাতি-জনগোষ্ঠীৰ কোঁচত
থাপিলা শান্তি

(৩)
আটিল দেহৰ স্নেহসিক্ত দুবাহুৰে
লুইতৰ বুকুৰ পৰা পাহাৰলৈ
পূবৰ পৰা পশ্চিমলৈ
হাতবাউলি মাতিছা সৰাকো
গুৰি ব'ঠা ধৰি এৰিছা নৌকা
আলোকেৰে পোনাইছা টিং



(৪)
কলহীৰ আভাই জিলিকাইছে তোমাৰ
অধ্যাত্ম শোভা
দক্ষিণৰ গিৰি গোবৰ্ধনেও সুৰগাইছে
জগত সভা
বৈ থকা তুমি নিৰৱধি-নিৰন্তৰ
জ্ঞানৰ মহা সমুদ্ৰত সদাগৰী ৰাজ্যৰ
আদৰে-সাদৰে—

(৫)
তোমাৰ জন্ম-বৃত্তান্তত নিহিত আছে
হাজাৰজনৰ কেঁচা ঘাম
ইয়াৰ ফচলেহে ৰাখিব তেৰাসৰৰ নাম
তুমি উজলি থকা চিৰ জ্যোতিষ্মান হৈ
আমাৰ শত শত প্ৰণাম।

মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ এন. চি. এছ. একাডেমীৰ প্ৰতিষ্ঠাপক

# প্ৰশান্ত সাউদৰ সৈতে এখন্তেক




➲ ছয়গাঁও মহাবিদ্যালয় অনেকজনৰ কঠোৰ ত্যাগ আৰু সাধনাৰ ফচল। মহাবিদ্যালয়খনে বিভিন্ন ক্ষেত্ৰত দেখুৱাই অহা সফলতাও কোনো নতুন কথা নহয়। জগত সভাত ইয়াতকৈও বেছি উজলিবলৈ হ'লে মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কি ধৰণে আগবঢ়াটো বিচাৰে?

**প্ৰশান্ত সাউদ ঃ** হয়, আমাৰ মহাবিদ্যালয়খন অনেকৰ কঠোৰ ত্যাগ আৰু সাধনাৰ ফচল। তাত মোৰ সন্দেহৰ অৱকাশ নাই। এই ছেগতে ত্যাগীসকলৰ কঠোৰ সাধনাক মই পোনতে শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু তেওঁলোকৰ বিদেহ আত্মাৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।

আমাৰ মহাবিদ্যালয়খনে আপুনি কোৱাৰ দৰে বিভিন্ন ক্ষেত্ৰত সফলতা কঢ়িয়াই আহিছে, কিন্তু বৰ্তমান ভাৰতবৰ্ষৰ এটি জ্বলন্ত সমস্যা হৈছে নিবনুৱা সমস্যা। এইক্ষেত্ৰত অসমৰ প্ৰায়বোৰ মহাবিদ্যালয়ে বিফল হৈছে, মোৰ অনুভৱ ছয়গাঁও মহাবিদ্যালয়ো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। মোৰ অনুৰোধ আমাৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলে আমাৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকলক কলেজীয়া ছাত্ৰাৱস্থাত সৰু-বৰ স্ব-নিয়োজনৰ পথ দেখুৱাই তেওঁলোকক অনুপ্ৰাণিত কৰিব লাগিব। এই ব্যৱস্থাই তেওঁলোকক সৃজনশীল, স্বতন্ত্ৰতা, আত্মনিৰ্ভৰশীল আৰু সাহসী কৰি তুলিব। এনেধৰণৰ ব্যৱহাৰিক পাঠ্যক্ৰম যদি ছয়গাঁও মহাবিদ্যালয়ৰ পৰা আৰম্ভ হয়, মই ভাবো দেশৰ কৰ্মক্ষেত্ৰ আৰু উৎপাদনক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা হ'ব।

➲ আপোনাৰ সপোনৰ ছয়গাঁও মহাবিদ্যালয়খন কেনেকুৱা?

**প্ৰশান্ত সাউদ ঃ** মোৰ সপোনৰ মহাবিদ্যালয়খন কেনেকুৱা বুলি প্ৰশ্ন কৰিলে বৰ্ণনা কৰিবলৈ ভাষা আৰু শব্দৰ অভাৱ ঘটিব। এক কথাত ছয়গাঁও মহাবিদ্যালয় মোৰ সপোনৰ কঠীয়াতলি।

➲ আপুনি এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয় পৰিচালনা কৰে। অভিনন্দন জনাইছোঁ, কিন্তু বিভিন্ন সময়ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ বিৰুদ্ধে কেতবোৰ অভিযোগ উত্থাপিত হয়। অসমীয়া ভাষাক মাধমাৰ সোধোৱাটো মুখ্য। এইক্ষেত্ৰত আপুনি কি ক'ব?

**প্ৰশান্ত সাউদ ঃ** ধন্যবাদ। সময়োপযোগী প্ৰশ্ন। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত থোৰতে মালিকপক্ষৰ বিৰুদ্ধে অৰ্থনৈতিক শোষণৰ অভিযোগ প্ৰায়ে পৰিলক্ষিত হয়। কিন্তু মই এইটো বুকুত হাত থৈ ক'ব পাৰো যে আমাৰ বিদ্যালয়ত এই দিশত অভিযোগ উত্থাপন কৰিব নোৱাৰিব, কাৰণ বাকী বিদ্যালয়ৰ তুলনাত ভৰ্তি মাচুল আধা। আন এটি কথা জনাওঁ যে প্ৰত্যেক বছৰে বিদ্যালয়ৰ কৰ্তৃপক্ষই সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ মাজৰ পৰা পাঁচজন ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ পাঠদানৰ ব্যৱস্থা কৰা হৈছে।

প্ৰকৃততে আমি অসমীয়া ভাষাটোৰ ধ্বংসযজ্ঞ দেখি ভাষা ৰক্ষাৰ স্বাৰ্থত আমাৰ দৰে পিছপৰা অঞ্চলত ব্যক্তিগত খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰিছো। আমাৰ বিশ্বাস মাতৃভাষাৰ মাধ্যমতে ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব চিন্তা-ভাবনাৰ সৈতে নিকট সংযোগ স্থাপন কৰাটো সম্ভৱ। সেয়েহে অভিভাৱক-অভিভাৱিকাসকললৈ মোৰ আহ্বান নিজৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়তহে পঢ়োৱাত গুৰুত্ব প্ৰদান কৰক। আপোনাক জনাবলৈ পাই সুখী হৈছো যে আমাৰ বিদ্যালয়ত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষা সমান্তৰালভাৱে আগুৱাই নিয়াৰ প্ৰচেষ্টা চলাইছো। কিয়নো গোটেই বিশ্বৰ সৈতে সম্পৰ্কৰ বাবে ইংৰাজীৰ দৰে এটা সংযোগী ভাষাৰ নিতান্তই প্ৰয়োজন আছে।

➲ শেহতীয়াভাৱে দেখা গৈছে যে যুৱ প্ৰজন্মই অধিক সময় ফেচবুক, হোৱাটচএপ আদিত ব্যস্ত থাকি সময় পাৰ কৰে। বাতৰি কাকত, আলোচনী আদি অধ্যয়নৰ ক্ষেত্ৰত আগ্ৰহ কমা যেন অনুভৱ হয়। এইক্ষেত্ৰত নৱপ্ৰজন্মক আপুনি কি পৰামৰ্শ দিব?

**প্ৰশান্ত সাউদ ঃ** প্ৰত্যেক বস্তুৰেই এটি ইতিবাচক আৰু নেতিবাচক দিশ আছে। ফেচবুক, হোৱাটচএপ এয়া সময়ৰ আহ্বান। তাক আমি গ্ৰহণ কৰিব লাগিব। ইয়াৰ ব্যৱহাৰ যদি ইতিবাচক দৃষ্টিভংগীত কৰে নিশ্চিতভাৱে সুফল পাব। কিন্তু নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আহ্বান নতুন লেখক-লেখিকাসকলৰ মনোবল বৃদ্ধিৰ বাবে বাতৰি কাকত আৰু আলোচনী পঢ়াৰ আন্দোলন এটি গঢ়ি তুলিব লাগিব।

# এখন দ্বন্দ্ব



নিশা কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক

ৰাতিপুৱাৰ পৰিৱেশ। গাঁওখনৰ কিছুমান বোৱাৰীৰ হাতত বাঢ়নী, কিছুমানে বাহী-গা ধুইছে। সৰহভাগ মানুহেই শোৱাপাটী এৰা নাই। কুকুৰ-মেকুৰীবোৰো খেৰৰ দ'মত বা ছাইৰ মাজত গোবৰ লডাৰ দৰে হৈ পৰি আছে। এক শান্ত-নিৰিবিলি পৰিবেশ গাঁওখনত। কিন্তু, তাৰ মাজতেই সৰাপি (সৰু + আপি) হঁতৰ ঘৰখনৰ ৰূপ কিছু বেলেগ। বিচনাৰ পৰা উঠিয়েই সৰাপিয়ে দৰ্জাখন দি থোৱা দাং ডাল দলি মাৰি দি বাহিৰলৈ ওলাই আহিল। লগতে মগটোও লৈ আহিল। এয়া সৰাপিৰ নিত্য নৈমিত্তিক ঘটনা। হাতত মগটো লৈ উধাতু খাই কুঁৱাৰ পাৰলৈ গ'ল আৰু ঘটং ঘটং শব্দৰে ৰজনজনাই বাল্টিটোৰে পানী তুলিলে। বাল্টিটোত মগটো জুবুৰিয়াই পানী ভৰাই লগে লগে পিছে পিছে দেওলগা কুকুৰে খেদা মানুহে দৌৰাৰ দৰে তীব্ৰ গতিত দৌৰ দিলে তাইৰ গন্তব্যস্থানলৈ। আৰু লগে লগে আহাৰ খোৱাৰ সময় হৈছে বুলি জানি কচুবাৰীত নাকেৰে হাল বায় থকা গাহৰি দুটাও কুং কুং কৰি দৌৰি আহিল। আটাইকেইজনে গৈ গন্তব্যস্থানটো একেলগে পালে— সেয়া হ'ল সিহঁতৰ পাইখানা খন। ফটা মেখেলা কেইখনমান আৰি দি চাৰিটা খুঁটাৰ চাংখনত একেজাপে উঠিল সৰাপি। বাহৰ চাং খনৰ তলতেই এটা গাঁত। গাঁতটোত গাহৰি দুটাই মুখ দুখন মেলি নিজৰ নিজৰ পজিশ্বনত থিয় হ'ল। সৰাপিয়ে চাঙত উঠিয়েই নিজৰ কামবোৰ আৰম্ভ কৰিলে। আৰু সেই বিষ্ঠা ত্যাগ কৰাৰ লগে লগেই মাটিত নপৰি আহি পৰিলহি তলত মুখমেলি ৰৈ থকা গাহৰি কেইটাৰ মুখত।

গাঁওখনৰ ভিতৰত সৰাপিহঁতৰ ঘৰখনেই এনেকুৱা এখন বিশেষ ঘৰ; য'ত সদায় কিবা নহয় কিবা এখন হ'লেও যাত্ৰাভিনয় চলিয়েই থাকে। গাঁৱৰ শেঙুনটেপা চ'লি-পলিৰ পৰা আৰম্ভ কৰি তিনিমূৰীয়া বুঢ়ালৈ সকলোৱে মাজে সময়ে ইহঁতৰ ঘৰত থিয়েটাৰ চাবলৈ আহে। কাৰোবাৰ কিবা কথাত মন মৰা হ'লেই সৰাপিহঁতৰ ফালেৰে এপাক মাৰি যায়, আৰু বহুসময়লৈ সিয়েই আনন্দৰ খোৰাক দি থাকে। সৰাপি নামটো যেনে তাৰ লগত মানুহজনীৰ কিন্তু অকণো মিল নাই। প্ৰায় এক কুইণ্টল মান ওজনৰ সৰাপিৰ বয়স ষাঠি বছৰমান হৈছে। অৱশ্যে এতিয়াও সৰাপিৰ গাত দহটা হাতীৰ বল আছে। সৰাপিৰ গিৰীয়েক জন হ'ল অন্ধ। আৰু সেই হেতুকে তেখেতৰ ওচৰত সদায় দুজন বডীগাৰ্ড লাগিয়েই থাকে। অৱশ্যে বডীগাৰ্ড বুলিলে আমাৰ মনলৈ যি ধাৰণা আহে সেয়া এওঁলোক দুজনৰ লগত নিমিলে। এওঁলোকে দিন ৰাতি ছাঁটোৰ দৰে লাগি থাকে লগতে ঘৰবো দুই এক কাম কৰি দিয়াৰ বিনিময়ত পাই মাথোঁ দিনৰ দুসাঁজ ভাত আৰু চকু মেলিব নোৱাৰাকৈ গেলা পানী। দুয়োজনৰে ছালটোহে কোনোমতে লাগি আছে হাড়ৰ জঁকাটোৰ ওপৰত। এওঁলোকে খোজ নাকাঢ়ে, মাত্ৰ দুলি দুলি গৈ থাকে। সৰাপিৰ গিৰিয়েকজন অন্ধ যদিও গাঁৱত সকলোৱে তাক



'ভেটা কাণা' বুলিয়েই জানে। ভেটা কাণা আৰু সৰাপিৰ মুঠ ছজনী জীয়েকৰ চাৰিজনীয়ে বেলেগলৈ সংসাৰ পাতিছে। ঘৰত থকা এজনলৈ পলাই গৈছিল। পিছত দুটা ল'ৰা-ছোৱালী লগত লৈ আকৌ ঘৰ আহি সোমাইছেহি। এজনীৰ বিয়া হোৱা নাই। বাকী ল'ৰা দুটাইও একোজনীকৈ লখিমী আনি ঘৰখন শুৱনি কৰিছে। ইহঁতৰো তিনিটা আৰু পাঁচটাকৈ মুঠ আঠটা ল'ৰা-ছোৱালী। মুঠতে চমুকৈ— ভেটা কাণা— সৰাপি, দুই পুত্ৰ, দুই বোৱাৰী, দুই জী আৰু দহটা নাতিৰ লগতে বডীগাৰ্ড দুজনৰ সৈতে এই সৰু পৰিয়ালটোৱেই হ'ল সৰাপিহঁতৰ ঘৰ।

ইতিমধ্যে সৰাপিয়ে দিনটোৰ প্ৰথম কামবোৰ কৰি আহি কুঁৱাৰ পাৰ পালেহি। সেইফালৰ পৰা বাৰাণ্ডাতে শুই থকা এটা বডীগাৰ্ড উঠি আহি পাইখানাখনৰ ফালে খোজ দিলে। ঘৰটোৰ পৰা পাইখানাখন প্ৰায় পঞ্চাছ মিটাৰ মান দূৰত। সি ঢলং-পলংকৈ দুলি দুলি আহি আছে, আহি আছে। এনেদৰে আহি আহি সি পাইখানাখন পাইছিলহে মাত্ৰ, হঠাৎ বায়ুবেগেৰে একে দৌৰে আহি ভেটা কাণাৰ সৰু বোৱাৰীয়েক জনী পাইখানাৰ চাঙত উঠিল। বডীগাৰ্ডটো তাতেই থমক লাগিল। গাহৰি দুটা পুনৰ ব্যস্ত হৈ পৰিল আধৰুৱা লঘু আহাৰ পূৰণ কৰাত বডীগাৰ্ডটোৱে দেহৰ সমস্ত বল দি ক'বলৈ ধৰিলে— "তহঁতৰ কাৰণে চোন মই হাগিবও চাঞ্চ নাপাওঁ।"

এইফালে ঘৰখনৰ সকলোবিলাক পিল পিলকৈ ওলাই আহি চোতালখন ভৰি পৰিল। বডীগাৰ্ড এটাই কণাক পীৰাত বহুৱাই লৈ ৰাতিপুৱাৰ ভাগটো খোৱাত সহায় কৰি দিয়াত লাগিল। পাখৰীয়ে পাইখানালৈ নিয়া মগটোৰেই পানী আনি চাহ বনোৱাত লাগিল। পেন-পেনীয়া ল'ৰা-ছোৱালী কেইটাই চিঞৰৰ বাখৰ দৌৰা দৌৰী আৰম্ভ কৰি দিলে। কণাৰ ডাঙৰ বোৱাৰীয়েকৰ ডাঙৰ ছোৱালীজনী কুঁৱাৰ পাৰলৈ গ'ল। ইতিমধ্যে নিজৰ কামবোৰ কৰি আহি কুঁৱাৰ পৰা পানী তুলিছে। তাৰ পৰাই ফুচকীয়ে (ছোৱালী জনী) এগিলাচ পানী ভৰাই ল'লে। তাকে দেখি সৰু বোৱাৰীয়েকজনীৰ খঙত মূৰ জ্বলি গ'ল।

" এই— তোৰ বাপেৰে পানী তুলি থৈছে নেকি?" —বুলি কৈ ফুচকীক জোৰেৰে এক ঠেলা মাৰি দিলে। একে ঠেলাতে তায়ো ছিটিকি গৈ কুঁৱাৰ পাৰৰ বোকাত পৰিল। তাইৰ হাতত গিলাচটোৱো টং টং কৈ শব্দ এটা বাজি দূৰত গৈ পৰিলগৈ। ফুচ্‌কীয়ে বোকাৰ পৰা নুঠাকৈয়েই "এই কুকুৰণী......... এই কুকুৰণী" বুলি টেঁটুফালি চিঞৰিলে। ফুচ্‌কীৰ চিঞৰ আৰু গিলাচৰ মাত শুনিয়েই তাইৰ মাক দৌৰি আহিল। আহিয়েই দেখা পালে জীয়েক বোকাত লুতুৰি-পুতুৰি হৈ পৰি আছে। মাকে তাইক একো নোসোধাকৈয়েই শালিকীক অৰ্থাৎ সৰু বোৱাৰীয়েক জনীৰ চুলিকোঁচাত খামোচ মাৰি ধৰিলে। লগে লগে সৰুজনীয়েও ডাঙৰজনীৰ চুলিত ধৰি ল'লে। আৰু সমান্তৰালভাৱে আৰম্ভ হৈ গ'ল অশ্লীল গালি-গালাজ। চুলিয়াচুলি। কাউৰীৰ দৰে কোলাহল কৰি সকলো বিলাক ল'ৰা-ছোৱালী আহিল ঘটনাস্থলীলৈ। ইফালে সৰাপিয়ে আহি দৃশ্য দেখা পাই বৰ স্ফূৰ্তি পালে আৰু ক'ব ধৰিলে— "মৰ। দুইজনীয়ে মৰ। মৰতীহঁত।" ল'ৰা-ছোৱালী কেইটাই হুলস্থুল লগাই দিলে। চুলিয়াচুলি লাগি থাকোঁতে দুয়োজনী মাটিত বাগৰি পৰিল। দুয়োজনী বোকাত লুতুৰী পুতুৰী হ'ল। তথাপিও এজনীয়ে আনজনীক এৰি দিয়াত নাই। এইবাৰ কণাৰ ডাঙৰ পুতেকটোৱে এডাল ফলা খৰি লৈ আহিল আৰু বোকাত নাগিন ডেঞ্চ কৰি থকা দুইজনীকে কোবাবলৈ ধৰিলে। ৰাতিপুৱাৰ ঠাণ্ডা দেহত ফলা খৰিৰ কোব পৰাত দুয়োজনীয়ে এজনীয়ে আনজনীক এৰি উঠি লৰ দিলে। সেইফালৰ পৰা আকৌ এটা বডীগাৰ্ড পাইখানাৰ পৰা ওলাইছিলহে মাত্ৰ, দৌৰি গৈ থকা ডাঙৰ বোৱাৰীয়েকজনীৰ লগত খুন্দা লাগি কাষৰ খালটোত ছিটিকি পৰিল। ডাঙৰজনী বোৱাৰীয়েকৰ ল'ৰা-ছোৱালী কেইটাই সৰুজনীলৈ আৰু সৰুজনীৰ কেইটাই ডাঙৰজনীলৈ মাটিৰ চপৰা দলিয়াবলৈ ধৰিলে। ফুচকী তেতিয়ালৈ উঠাই নাই বোকাৰ পৰা।

এইবাৰ আনটো বডীগাৰ্ডে ধৰি ধৰি কণাক ঘটনাস্থলীলৈ লৈ আনিলে। কণাই সকলোকে উদ্দেশ্যি অশ্ৰাব্য ভাষাৰে গালি পাৰিবলৈ ধৰিলে। তাকে দেখি ঘৰতে বুঢ়ী হোৱা লাওপাত কচুপাত মুখৰ ছোৱালীজনীয়েও বৌয়েক দুজনীক গালি পাৰিবলৈ ধৰিলে। তাইৰ গালিত চাৰিও দিশ ৰজনজনাই গ'ল। তাইৰ মাত সহ্য কৰিব নোৱাৰি কণাই তাইৰ ফালে খেদি গ'ল মাৰিবলৈ।

"অ'ই, তই আকৌ মোক কিয় মাৰা" বুলি কৈ তাই ভুৰুংকৈ দৌৰ লগালে। কাণাই একো নেদেখাকৈয়ে চোঁচা লোৱাত কুঁৱাৰ পৰাৰ বাচন মেলি দিয়া চাংখনৰ বাঁহ এচটাত লাগি কাণাৰ গামোচাখন খুলি গ'ল। লগে লগেই এটা সৰু ল'ৰাই গামোচাখন লৈ ভুৰুং কৰিলে। কাণাই মুখেৰে গালি পাৰি থাকি, এবাৰ ইফালে এবাৰ সিফালে কৰি থাকিল। বগাপানী খাই ফিটিং হৈ থকা বডীগাৰ্ডটোৱে ল'ৰাটোৰ পিছে পিছে দৌৰ দিলে গামোচাখন ল'বলৈ। কিন্তু ঢলংপলং খোজেৰে সি ধৰিব নোৱাৰিলে। কিন্তু ল'ৰাটো শিলগুটি এটাত উজুতি খাই পৰি গ'ল আৰু কান্দিব ধৰিলে। কোনোমতে বডীগাৰ্ডটোৱে গামোচাখন পাই কাণাক পিন্ধাবলৈ সক্ষম হ'ল। চলি থাকিল ইটোৱে সিটোৰ প্ৰতি গালি-গালাজ। এইবাৰ ওলাই আহিল কাণাৰ সৰুটো পুতেক। সি ক'বলৈ ধৰিলে— "এই কুঁৱাটো মইহে খান্দিছো। ইয়াকলৈ তহঁতৰ ইমান টেম্পাৰ। চাবি ৰহ। "এইবুলি সি নাৰিকলৰ কোৰোকা এটা লৈ আনি তাত পেচাব কৰিলে আৰু সেইখিনি কুঁৱাটোত পেলাই দিলে। তাৰ পিছত লাহে লাহে সকলোবিলাক নিজে নিজে শান্ত হ'ল আৰু নিজৰ নিজৰ কামত লাগিল। এনেদৰে সৰাপিহঁতৰ ঘৰখনৰ যাত্ৰাভিনয়ৰ নৃত্য নাটিকাৰ যৱনিকা পৰিল"। ❐

# বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা চিঠি প্ৰতিযোগিতাৰ প্ৰথম স্থান প্ৰাপ্ত চিঠি

যুতিকা দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

'ওঁম'

মৰমৰ সাগৰিকা,

সময় সদায় পৰিৱৰ্তনশীল। ই যে কাৰো বাবে অপেক্ষা নকৰে। এনে পৰিৱৰ্তনে আমাকো পৰিৱৰ্তন কৰিব বিচাৰে। সাগৰিকা, তুমি ভাবিছা ছাগৈ চিঠিখনৰ আৰম্ভণিতে কিয় এইবোৰ পৰিৱৰ্তনৰ কথা কৈছে। বাৰু, এই বিষয়ে অকণমান পিছত কম। প্ৰথমতে, তোমাক আৰু তোমাৰ পৰিয়ালৰ আটাইকেইটিলৈ মোৰ সাঁচতীয়া মৰম আৰু নৱবৰ্ষৰ একাঁজলি শুভকামনা যাচিছোঁ। বিহুটি গ'লনে ভালে কুশলে? আজি বহুদিনেই হ'ল মানে বহু বছৰেই হ'ল নহয়, তোমালোকৰ একো খবৰেই পোৱা নাই। তোমাৰ চিঠিও পোৱা নাই। অ' পাহৰিছিলোৱেই, মই তোমাক পৰিৱৰ্তনৰ কথা কৈ আছিলো। কি জানা সাগৰিকা, তুমি মোলৈ চিঠি লিখিলে তোমাৰ গাঁওখনিৰ মনোমোহা পৰিৱৰ্তনবোৰ গুটিফুলৰ মালাৰ দৰেই বৰ্ণনা কৰা। সেয়েহে, আজি মইও তোমাক আমাৰ গাঁওখনিৰ পৰিৱৰ্তনৰ বিষয়ে কোৱাৰ মানস কৰিলো। জানানে সাগৰিকা তিনিবছৰ আগতে যে তুমি আহোতে আমাৰ কলহী নৈ খনত গা ধুইছিলো, পথাৰে পথাৰে সোণগুটি বুটলি পখিলা হৈ দৌৰি ফুৰিছিলো আৰু যে মাঘৰ বিহুৰ মাৰ ওচৰত বহি লাৰু-পিঠাবোৰ চুৰি কৰি খাইছিলো! তোমাৰ বাৰু মনত পৰিছেনে? আৰু কি জানা, ঢেঁকীশালত সান্দহ খুন্দোতে যে কৃষ্ণ আৰু কানাইৰ খৰিয়ালখনি লাগিছিল, সেই দৃশ্য মনত পৰিলে মই এতিয়াও হাঁহিত ৰ'বই নোৱাৰো জানা। তুমি বিহুত কি কি কৰিলা মোক জনাবাচোন। কিন্তু, এইবেলি বিহুত মোৰ বৰ দুখ লাগিছে জানা। সোধাচোন কিয়? আজি আৰু আগৰ দৰেই সেই ঢেঁকীৰ ঢেঁকুৰ-কুৰ শব্দ শুনিবলৈ নাপাওঁ, বহাগৰ বিহুত আইয়ে তাঁতশালো নোবোৱা হ'ল আৰু পিঠা-পনাবোৰ বজাৰতেই পোৱা হ'ল। আৰু কি জানা সাগৰিকা, আগতে যে আমি সৰু থাকোতে পথাৰত গৰুৰে হাল বাওঁতে মাছ খেদি ফুৰিছিলো। আহ! এনেবোৰ আনন্দ, মাছ পাতত সিজোৱা এইবোৰ জুতি আৰু নাই সাগৰিকা। কিন্তু, এতিয়া আমাৰ গাওঁৰ সেই এজাক বৰষুণ আহিলেই একাঠু বোকাত ভৰি পোত যোৱা আলিবাটটো পকী হ'ল। আৰু কি জানা আমাৰ গাওঁত এতিয়া বিশুদ্ধ খোৱা পানীৰো ব্যৱস্থা কৰা হ'ল আৰু এখন অংগনবাড়ী কেন্দ্ৰও প্ৰতিষ্ঠা কৰা হ'ল। যোৱামাহত 'নৱশিশু' নামেৰে এটি পুথিভঁৰালো স্থাপন কৰিলে। লগতে আমাৰ গাঁওৰ বেছিভাগ পজাঁৰ ঠাইত পকীঘৰ সজোৱা হৈছে। অ' আকৌ বৰ্তমান যে প্ৰধানমন্ত্ৰীৰ আশীৰ্বাদত ঘৰে ঘৰে পকী শৌচাগাৰৰো ব্যৱস্থা কৰিছে। মুঠতে আমাৰ গাঁওখনৰ মানসিকতা আৰু চৌপাশৰ কিছু পৰিৱৰ্তন ঘটিছে। তুমি আহিলে নিজ চকুৰে দেখা পাবা। আজিকালি শিক্ষাৰ প্ৰতি ধাউতিও বাঢ়িছে আৰু অন্ধ-বিশ্বাস, কু-সংস্কাৰ কিছু কমি আহিছে। কিন্তু দুখৰ বিষয় যে বৰ্তমান আমাৰ গাঁওখনৰ পৰাই নিজ থলুৱা সংস্কৃতি হেৰাই যোৱাৰ উপক্ৰম ঘটিছে। ইয়াক ৰক্ষা কৰিবৰ বাবে আমি নৱপ্ৰজন্ম সাজু হ'ব লাগিব। কথাবোৰ পঢ়ি কেনেকুৱা অনুভৱ হ'ল জনাবলৈ নাপাহৰিবা। লিখিবলৈ বহুত আছিল কিন্তু আজি নহ'ব। শেষত, ভগৱানে তোমাক সদায় কুশলে ৰাখক তাৰ কামনা কৰিলোঁ।

ইতি

**তোমাৰ মাধুৰী**

নাম ঃ- সাগৰিকা বৰুৱা
প্ৰযত্নে ঃ- দীনেশ বৰুৱা
স্থান ঃ- যোৰহাট।

দিনাংক ঃ ২৭/০১/২০১৮

# মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা বাতৰি প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত বাতৰি

প্ৰিয়ংকা দাস
স্নাতক চতুৰ্থ ষান্মাসিক

## College Week Celebrated at Chhaygaon College

The Assam Tribune, Chhaygaon, 27th Jan. :

The college week of Chhaygaon College has been started from 25h January. At the beginning of the event the flag of Chhaygaon College is hoisted by the Vice-Principal of Chhaygaon College Dr. Dipali Dutta and the flag of the Chhaygaon College Students' Union is hoisted by the president of students' union Sri Mridul Kalita. Dr. Dipali Dutta gave a very encouraging speech and declared the opening of the event. She motivated the students to be active in the extra-curricular activities. Then the former General Secretary of the Chhaygaon College and former Vice-President of the Union light lamps and showered flower in the "Sahidbedi" to pray and give respect to the Sahid's of our country. After that Dr. Dipali Dutta cut the ribbon and release the College Wall Magazine prepared by the Magazine Secretary Minakshee Kalita. The Wall Magazine consists of various literary work of the students of Chhaygaon College. Various poems, arts, articles, essays etc. got published in the magazine. Thereafter Sri Chandra Kanta Kalita gave a speech on the need of protecting the enviornment in todays time. Then the President of Governing Body Sri Mahesh Kalita declared the beginning of the Cultural Procession organized by the students of the Chhaygaon College by cutting the ribbon.





# আৰু এটি আন্দোলন



ড° নগেন কলিতা
মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ

**চৰিত্ৰ পৰিচয়ঃ**

ভাগৱতী — অৱসৰপ্ৰাপ্ত চাকৰিয়াল
মিচেচ ভাগৱতী — ঐ পত্নী
হাজৰিকা — অৱসৰপ্ৰাপ্ত চাকৰিয়াল
হাজৰিকানী — ঐ পত্নী
প্ৰফেচাৰ দাস — অৱসৰপ্ৰাপ্ত অধ্যাপক
কিৰণ — ভাগৱতী দম্পতিৰ সন্তান (তৃতীয় লিংগ)
ময়ূৰী — হাজৰীকাৰ ছোৱালী (তৃতীয় লিংগ)
ৰানু — তৃতীয় লিংগৰ ব্যক্তি
লনী — ঐ
ৰমিলা — ঐ
জাহানীৰা — ঐ



পৰ্দা উঠাৰ আগে মঞ্চৰ সমুখেৰে এটি সমদল আগবাঢ়ি যাব। তেওঁলোক এনে ধৰণৰ শ্লোগান দিব—

*অন্ধ সংস্কাৰ ত্যাগ কৰা*
*প্ৰগতিশীল সমাজ গঢ়া*
*মানৱতাক কৰা অস্ত্ৰ*
*প্ৰগতিৰ ই নতুন মন্ত্ৰ।*

মিচেচ ভাগৱতী ঃ আন্দোলন, আকৌ এটি আন্দোলন। আন্দোলন বহুত হ'ল। বহুত আন্দোলন সাৰ্থক হ'ল, কিছুমান হয়তো হোৱা নাই, হ'ব।

ভাগৱতী ঃ আন্দোলন? কি আন্দোলনৰ কথা কৈছা মই বুজা নাই।

মিচেচ ভাগৱতী ঃ আন্দোলন মানে কি বুজা নাই? আন্দোলন মানে জাগৰণ।

ভাগৱতী ঃ বুজিছো, আন্দোলন মানে জাগৰণ। কিবা এটা সমস্যাক লৈ কৰা আলোড়ন।

মিচেচ ভাগৱতী ঃ পৃথিৱীৰ কথা এৰাহে। ভাৰতৰ কথালৈ আহাচোন।

| | | |
|---|---|---|
| মিচেচ ভাগৱতী | ঃ | স্বাধীনতা আন্দোলনৰ কথাতো জানা। প্ৰবল-প্ৰতাপী ইংৰাজৰ হাতৰ পৰা আমাৰ হেৰোৱা স্বাধীনতা আন্দোলনৰ যোগেদিয়েই কাঢ়ি আনিবলৈ সক্ষম হোৱা নাই জানো? |
| মিচেচ ভাগৱতী | ঃ | জানো, আপুনি জানে, মই জানো, ৰাইজে জানে। ইতিহাস পঢ়িলে সকলোৱে জানিব। |
| ভাগৱতী | ঃ | অসমত হোৱা আন্দোলনবোৰ তোমাৰ মনত আছেনে? |
| মিচেচ ভাগৱতী | ঃ | কিয় নাই? ভাষা আন্দোলন, মাধ্যম আন্দোলন, খাদ্য আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলন........। |
| ভাগৱতী | ঃ | হ'ব, হ'ব, বহুত আন্দোলনৰ কথাই তুমি জানা। পিছে, বিদেশী বিতাড়ন আন্দোলন সফল হ'লনে? |
| মিচেচ ভাগৱতী | ঃ | কিয় হোৱা নাই? অসম চুক্তি হোৱা নাই জানো? সেয়া আন্দোলনৰ সুফল নহয়নে? |
| ভাগৱতী | ঃ | চুক্তি হৈছে হয়, চুক্তি স্বাক্ষৰ কৰি আন্দোলনৰ নেতাসকলে মন্ত্ৰী, এমেলেও হ'ল, পিছে বিদেশী কেইজন খেদিলে? |
| মিচেচ ভাগৱতী | ঃ | কিমানবা খেদিলে..........। |
| ভাগৱতী | ঃ | নেখেদে, নোৱাৰে খেদিব। খেদিলেই বিপদ। |
| মিচেচ ভাগৱতী | ঃ | কি বিপদনো? |
| ভাগৱতী | ঃ | ৰাজনৈতিক দলবোৰৰ সান্দহখোৱা বালি তল যাব। |
| মিচেচ ভাগৱতী | ঃ | বিদেশী খেদিলে কিহক লৈ ৰাজনীতি কৰিব তেওঁলোকে। |
| মিচেচ ভাগৱতী | ঃ | বিদেশীক লৈ ৰাজনীতি? |
| ভাগৱতী | ঃ | অ, বিদেশীক লৈয়েই বৰ্তমান ৰাজনীতি চলি আছে। |
| মিচেচ ভাগৱতী | ঃ | কেনেকৈনো? |
| ভাগৱতী | ঃ | লাখ লাখ অবৈধ বাংলাদেশী আমাৰ ৰাজ্যত সোমাই আছে। সেইসকলে ভোটাধিকাৰো পাইছে। সেইসকলৰ ভোটৰ ওপৰতেই ৰাজনৈতিক দলবোৰৰ ভাগ্য নিৰ্ভৰ কৰে। সেইকাৰণে কোনো চৰকাৰেই বিদেশী খেদিব নিবিচাৰে। বিদেশী খেদি হাতৰ কুঠাৰ ভৰিত মাৰিব নেকি? |
| মিচেচ ভাগৱতী | ঃ | তেনেহলে আন্দোলন কৰি কিবা লাভ আছেনে? |
| ভাগৱতী | ঃ | আছে, কিয় নাই? কিছুমান বিপ্লৱীক দেখা নাই? সশস্ত্ৰ বিপ্লৱ কৰি এটা সময়ত আত্মসমৰ্পণ কৰি চৰকাৰী সা-সুবিধা আদায় কৰাৰ উপৰিও দকা-হকা দি সুবিধা আদায় কৰিব পাৰিছে। |
| মিচেচ ভাগৱতী | ঃ | কিছুমানে দেখোন আত্মসমৰ্পণ কৰাৰ পিচতো মূল সংগঠনৰ হৈয়েই কাম কৰি আছে। |
| ভাগৱতী | ঃ | সকলো একে নহয় বুজিছা। তেওঁলোকেও এটা সময়ত নিশ্চয় উপলব্ধি কৰিব বুজিছা মিচেচ ভাগৱতী। |
| মিচেচ ভাগৱতী | ঃ | থোৱাহে তোমাৰ কথা। মাৰণাস্ত্ৰৰে মানুহ মাৰি ফুৰা সেইবোৰ মানুহৰ কিবা মগজু আছে বুলি তুমি ভাবানে? |
| ভাগৱতী | ঃ | নিশ্চয় ভাবো। |
| মিচেচ ভাগৱতী | ঃ | মই কৈছো নাই। মগজু থাকিলে আন্দোলনৰ নামত নিৰীহ মানুহৰ তেজেৰে ফাকু খেলিব কেনেকৈনো পাৰিব? |
| ভাগৱতী | ঃ | কিছুমান আন্দোলনৰ অস্ত্ৰধাৰী নেতাই দেখোন নিৰ্বাচনত অংশগ্ৰহণ কৰি জনসাধাৰণৰ ভোটেৰে জিকি আমাক শাসনো কৰি আছে। |
| মিচেচ ভাগৱতী | ঃ | হলেও, মই সেইটো সমৰ্থন নকৰো। |
| ভাগৱতী | ঃ | তুমি কৰা নকৰাটো বেলেগ কথা। ৰাইজে কৰিলে তুমিনো কোন কুটা। গণতন্ত্ৰত ৰাইজেই ৰজা। |
| মিচেচ ভাগৱতী | ঃ | ভাৰতীয় গণতন্ত্ৰৰ সেইটোৱেইতো দুৰ্বলতা। চোৰ-ডকাইটেও নিৰ্বাচন খেলি জিকি গলে শাসনকৰ্তা হৈ পৰে। |

ভাগৰতী ঃ আমি আন্দোলনৰ কথাই পাতি আছিলো নহয়?

মিচেচ ভাগৰতী ঃ হয়, আন্দোলন কথাই পাতি আছিলো। আমি আন্দোলন আৰু কৰিব লাগিব।

ভাগৰতী ঃ আন্দোলন?? তুমিও আন্দোলনৰ কথা ভাবিছা?

মিচেচ ভাগৰতী ঃ হয়, আন্দোলন আমি কৰিব লাগিব। আন্দোলন নহ'লে নহ'ব।

ভাগৰতী ঃ তুমি কিহৰ আন্দোলনৰ কথা কৈছা?

মিচেচ ভাগৰতী ঃ এই যে দাগী অপৰাধীবোৰেও নিৰ্বাচন খেলে, সেইসকলক নিৰ্বাচনত অংশগ্ৰহণৰ পৰা বিৰত ৰখাৰ বাবে আন্দোলন এটা গঢ়ি তুলিব লাগিব।

ভাগৰতী ঃ কথাটো বেয়া নহয়।

মিচেচ ভাগৰতী ঃ পিছে, আন্দোলনত সমৰ্থন পাওনে নাই! জনসাধাৰণে সমৰ্থন আগবঢ়ালেহে আন্দোলন সাৰ্থক কৰিব পাৰিম।

ভাগৰতী ঃ মই দেখোন আগতেই ক'লো। সকলো আন্দোলনেই নেতৃত্বৰ দক্ষতাৰ ওপৰতহে বৰ্তি থাকে আৰু এদিন সেই আন্দোলনে সফলতাৰ মুখো দেখে।

মিচেচ ভাগৰতী ঃ কিছুমান আন্দোলনতো বিফলো হয়।

ভাগৰতী ঃ মই ভাবো, যিটো আন্দোলনে জনগণৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰে সেই আন্দোলন কেতিয়াও সফল কাম নহয়।

ভাগৰতী ঃ বিফলতাও কিন্তু সফলতাৰ কাৰণ হ'ব পাৰে, তুমি জানানে। এনে বহু সফল বক্তি আছে যিসকলৰ সফলতাৰ আঁৰত বিফলতাই ক্ৰিয়া কৰি আছিল।

মিচেচ ভাগৰতী ঃ Failure is The Pillar of Success কথাষাৰ য'তে ত'তে প্ৰযোজ্য কৰিব নোৱাৰি যে তুমি জানানে নাই।

ভাগৰতী ঃ মোৰ দৃষ্টিত এই কথাষাৰ ইউনিভাৰ্চেল। এই ক্ষেত্ৰত মই অনেক উদাহৰণ দাঙি ধৰিব পাৰো।

মিচেচ ভাগৰতী ঃ কিছুমান আন্দোলনৰ ক্ষেত্ৰত এয়া প্ৰযোজ্য নহ'বও পাৰে।

ভাগৰতী ঃ যেনে? উদাহৰণ দিয়া।

মিচেচ ভাগৰতী ঃ এই ক্ষেত্ৰত এটা উদাহৰণেই যথেষ্ট হ'ব যেন পাওঁ।



ভাগৱতী : হ'ব, এটা উদাহৰণকেই দিয়া চোন।

মিচেচ ভাগৱতী : চোৱা, কেৰেলাৰ সবৰিমালা মন্দিৰৰ নামটো শুনিছা?

ভাগৱতী : শুনিছো।

মিচেচ ভাগৱতী : প্ৰসিদ্ধ এই মন্দিৰটোত নাৰীৰ প্ৰৱেশ নিষিদ্ধ। কিমান নাৰী সংগঠনে মন্দিৰত মহিলাৰ প্ৰৱেশৰ হকে আন্দোলন কৰিলে; মন্দিৰ কতৃপক্ষই আন্দোলনকাৰীসকলৰ দাবীলৈ কাণষাৰ দিলেনে?

ভাগৱতী : আন্দোলনকাৰীসকলে চুপ্ৰিমক'ৰ্টলৈ গৈছিল নহয়, চুপ্ৰিমক'ৰ্টে আন্দোলনকাৰীসকলৰ পক্ষত ৰায় দিছে। এতিয়া সবৰিমালা মন্দিৰত মহিলা প্ৰৱেশত বাধা নাই।

মিচেচ ভাগৱতী : কিন্তু চুপ্ৰিমক'ৰ্টৰ ৰায় মনা হ'লনে? নাৰীয়ে ছদ্মৱেশত গৈ মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰাৰ পিছত কৰ্ত্তৃপক্ষই যেতিয়া কথাটো গম পালে, মন্দিৰ অপৱিত্ৰ হোৱা বুলি ধুই-মেলি পৱিত্ৰ কৰিলে। মন্দিৰ কৰ্ত্তৃপক্ষই কেৱল নহয়, স্থানীয় জনসাধাৰণেও ন্যায়ালয়ৰ ৰায়ক সন্মান জনোৱা নাই। সেই ৰায়ৰ বিপক্ষে আকৌ এটা আন্দোলন গঢ় লৈ উঠিছে।

ভাগৱতী : তথাপি ৰাইজে এদিন হলেও উপলব্ধি কৰিব।

মিচেচ ভাগৱতী : ইছ্লামত কি হৈছে, নাৰীক মচজিদত নামাজ পঢ়িবলৈ দিয়া নহয় কিয়? অথচ নাৰী নহলে সমাজ বৰ্ত্তি নাথাকে। ইছ্লামতো ইমান বৈষম্য কিয়?

ভাগৱতী : এই ক্ষেত্ৰতে কোনোবা আহিব লাগিব আগবাঢ়ি এটি আন্দোলন গঢ়ি তুলিবৰ বাবে।

মিচেচ ভাগৱতী : কিন্তু সাৰ্থক হ'বনে?

ভাগৱতী : হ'ব, নোহোৱাৰ মানে নাই। তিনি তালাকৰ কথাই নোচোৱা কিয়? তিনি তালাকৰ নামত ইমানদিনে এচাম পুৰুষে সুবিধা ল'লে। ই যে এক অন্যায়, সেই কথা উপলব্ধি কৰিয়েই চায়েৰা বানু নামৰ মহিলাগৰাকীয়ে আদালতৰ কাষ চাপা নাছিলনে? এতিয়াতো তিনিতালাকৰ সপক্ষে আইনেই পাছ হ'ল।

মিচেচ ভাগৱতী : তথাপিও তিনিতালাক বন্ধ কৰিব পাৰিছে জানো?

ভাগৱতী : এতিয়া নিশ্চয় পাৰিব। এচাম সুবিধাবাদী পুৰুষে নাৰীক খেলাৰ সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিছিল। মন গ'লেই তালাক দিছিল। এতিয়াতো নহ'ব। উপযুক্ত কাৰণ অবিহনে তালাক দিলে সেয়া গ্ৰহণযোগ্য নহ'ব।

মিচেচ ভাগৱতী : দিলে কি কৰিব? এনে অনেক মহিলা আছে যিয়ে পুলিচথানাৰ মজিয়া গচকিবলৈ ভয় কৰে।

ভাগৱতী : ভয় কৰিলে নহ'ব, নায্যপ্ৰপ্তিৰ বাবে ভয়-সংকোচ সকলো দলিয়াই পেলাব লাগিব।

মিচেচ ভাগৱতী : এই নাৰীখিনিক সজাগ কৰিবলৈকে এটা আন্দোলন কৰিব লাগিব। কিন্তু সাৰ্থক হ'বনে? এনে কিছুমান অঞ্চল আছে য'ত আইন-কানুন বুলি কথা নাই। মুখিয়ালৰ কথাই আইন।

ভাগৱতী : তুমি তাৰ মানে চৰ অঞ্চলবোৰৰ কথা কৈছা নহয়? সেইবোৰ অঞ্চলতো লাহে লাহে শিক্ষাৰ পোহৰ পৰিবলৈ আৰম্ভ কৰিছে। মাতব্বৰসকল এতিয়া দুৰ্বল হৈ আহিছে। এদিন দেখিবা চৰ অঞ্চলতো ৰাতিপুৱাব। মাথোন সময় ল'ব।

মিচেচ ভাগৱতী : ৰাতি পুৱাবলৈ বহু সময় বাকী।

ভাগৱতী : ধৈৰ্য ধৰিব লাগিব। ভুকুৱাই কল পকাব নোৱাৰি।

মিচেচ ভাগৱতী : ভুকুতে কল পকোৱাৰ কথা মই কোৱা নাই। সেইবোৰ অঞ্চলত নাৰীয়ে ন্যায় পোৱালৈ আৰু বা কিমান নাৰী বঞ্চনাৰ বলি হ'ব লগীয়া হয়।

ভাগৱতী : যাত্ৰা এটা যেতিয়া আৰম্ভ হয়, সেই যাত্ৰাৰ এদিন অন্ত পৰিবই। সেই যাত্ৰা হয়তো হ'ব পাৰে দীঘলীয়া।

মিচেচ ভাগৱতী : কিমানবা দীঘলীয়া হয়?

ভাগৱতী : সেইটো ক'ব পৰা নাযায়। কিন্তু যেতিয়া আন্দোলন এটা হয়, তাৰ সফলতাৰ খতিয়ান ল'বলৈ দীঘলীয়া সময়ৰ অপেক্ষাত হয়তো থকিবলগীয়া হ'ব পাৰে। আন্দোলন এটাৰ সুফলবোৰে সমাজত লাহে লাগে ক্ৰিয়া কৰে। তাৰ মানে এইটো নহয় যে আন্দোলনটো বিফল হ'ল।

মিচেচ ভাগৱতী : মই বুজা নাই।

ভাগৱতী : বুজিবা। এটা উদাহৰণ দিও ৰ'বা। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বিধবা বিবাহৰ সপক্ষে যি আন্দোলন উনবিংশ শতিকাতেই আৰম্ভ কৰিছিল তাৰ দ্বাৰা সমাজখন এতিয়াওতো প্ৰভাৱিত হৈ আছে। বিধৱাৰ বিবাহ এতিয়া স্বীকৃত নহয় জানো?

মিচেচ ভাগৱতী : তাৰ মাজতো বিৰোধিতা কৰা মানুহ এতিয়াও নথকা নহয়।

ভাগৱতী : বিৰোধীতা কৰা মানুহৰ সংখ্যা লাহে লাহে কমি আহিছে। এদিন হয়তো বিৰোধিতা একেবাৰেই নাথাকিব।

হাজৰিকা : ভাগৱতী, অ' ভাগৱতী। (নেপথ্যৰ পৰা চিঞৰি চিঞৰি মাতে)

ভাগৱতী : সোমাই আহক। (হাজৰিকাৰ প্ৰৱেশ)

হাজৰিকা : সুপ্ৰভাত ভাগৱতী, অ' ভাগৱতীয়নী ও দেখোন। আপোনোলৈকো সুপ্ৰভাত।

মিচেচ ভাগৱতী : সুপ্ৰভাত।

ভাগৱতী : হাজৰিকা, আজি মৰ্ণিংৱাকলৈ নগ'ল হ'বলা।

হাজৰিকা : গৈছিলো, পিছে মন ভাল নহয়, আধাতে সামৰিছোঁ মৰ্ণিংৱাক।

ভাগৱতী : মই আজি নগ'লোৱেই।

হাজৰিকা : পৰিবাৰে ৰাতিপুৱাৰে পৰাই উচুপিবলৈ আৰম্ভ কৰিছে।

মিচেচ ভাগৱতী : কিবা কাজিয়া কৰিলে নেকি?

হাজৰিকা : নহয়, নহয়, কাজিয়া আমাৰ তেনেকৈ নালাগেই।

ভাগৱতী : হয়তো দুজনেই মানুহ, দুয়োজনেই যদি কাজিয়া কৰি মাতবোল বন্ধ কৰে তেনেহলে থাকিব কেনেকৈ?

মিচেচ ভাগৱতী : হাজৰিকা, অলপ বহকচোন, মই ভিতৰৰ পৰা আহো। (প্ৰস্থান)

হাজৰিকা : মোৰ কাৰণে চাহ-তাহ নালাগেদেই।

ভাগৱতী : আমিও খোৱা নাই। একেলগে খাওঁ দিয়ক। বহক।

হাজৰিকা : এওঁকো লগ ধৰিলো, বোলো আহা ভাগৱতীহঁতৰ ঘৰৰ পৰাই আহো। পুৱাই পুৱাই মন নকৰিলে।

ভাগৱতী : আহিব পাৰিলেহেতেন।

হাজৰিকা : আপোনালোক দুয়োজনকো কিন্তু আজি কিবা অলপ বেলেগ ৰূপত দেখা পোৱা যেন লাগিছে।

ভাগৱতী : কিনো বেলেগ দেখিলে বা। কথাটো অৱশ্যে নোহোৱাও নহয়। খবৰ কাগজখন হাতত লোৱাৰে পৰা মোৰো মনত কিবা এটা ভাবে ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰিছিল।

হাজৰিকা : হয়হে কাকতবোৰনো কি চাবহে, হত্যা, ধৰ্ষণ, প্ৰতিবাদ-আন্দোলন আদি খবৰৰ বাহিৰে যোগাত্মক দিশৰ এটাও খবৰ বিচাৰি পোৱা নাযায়। ৰাতিপুৱাই পুৱাই পেপাৰখন হাতত লৈ দিনটোৰ বাবে বেয়াহে লাগে। (কলিংবেল বাজে। ভাগৱতী উঠি গৈ দুৱাৰ খুলি আকৌ আসনলৈ আহে।)

প্ৰফেচাৰ দাস : কিবা আলোচনাত ব্যস্ত যেন পাইছো।

হাজৰিকা : আলোচনাৰ তেনেকৈ নিৰ্দিষ্ট টপিক লোৱা নাই অৱশ্যে। এতিয়া প্ৰফেচাৰ আহি গ'ল যেতিয়া, এতিয়া আলোচনা আৰম্ভ হ'ব, নে কি কয় ভাগৱতী?

ভাগৱতী : কথাটো অৱশ্যে হয়। প্ৰথমতে বহি লওকচোন।

প্ৰফেচাৰ দাস : বাৰু বহিছো দিয়ক।

ভাগৱতী : (ভিতৰলৈ চাই) হেৰা, চাহ একাপ বেছিকৈ কৰিবা।

মিচেচ ভাগৱতী : (ভিতৰৰ পৰা) হ'ব দিয়ক।

ভাগৱতী : বুজিছে প্ৰফেচাৰ দাস, আজি ৰাতিপুৱা খবৰ কাগজখন হাতত লৈয়েই বিভিন্ন আন্দোলনৰ খবৰবোৰত চকু ফুৰাই মোৰো আন্দোলন এটি গঢ়ি তুলিবলৈ মন গৈছে।

প্ৰফেচাৰ : পা-ৰ-ই

ভাগৱতী : অকলে পাৰিমনে?

প্ৰফেচাৰ : আন্দোলন দুই প্ৰকাৰৰ আছে— কিছুমান আন্দোলন চিঞৰ-বাখৰ, হৈ-হাল্লা কৰি কৰা হয় সেইবোৰ আন্দোলনত অনেক মানুহৰ প্ৰয়োজন হয়। কিন্তু আন কিছুমান আন্দোলন আছে, সেইবোৰ নীৰৱে কৰা হয়। এনে আন্দোলন অকলেও কৰিব পাৰি।

হাজৰিকা : অকলে কৰিলে জানো সেয়া আন্দোলন হ'ব?

প্ৰফেচাৰ : কেলেই নহ'ব? হ'ব।

ভাগৱতী : হ'বনে?

প্ৰফেচাৰ : হ'বতো। কিছুমান বিপ্লৱ কৰাৰ বাবে অন্য লগ নহলেও হয়। যেনে নোবেল বঁটাপ্ৰাপক কৈলাশ সত্যাৰ্থীৰ কথাই ধৰক। তেওঁ অকলেই শিশুসকলৰ বাবে কাম কৰা নাইনে? যিসকল শিশুৱে আধাতে পঢ়া-শুনা সামৰি এনেয়ে ঘূৰি ফুৰে বা শিশু শ্ৰমিক হিচাপে উজ্জ্বল ভৱিষ্যত অন্ধকাৰময় কৰি তোলে, সেইসকলক উদ্ধাৰ কৰি তেওঁলোকৰ ভৱিষ্যত গঢ়া কামত তেওঁ নিয়োজিত হৈ আছে। এনেদৰে তেওঁ অনেকক বাট দেখুৱাইছে? এয়া তেওঁৰ নীৰৱ বিপ্লৱ (মিচেচ ভাগৱতী প্ৰৱেশ হাতত চাহৰ ট্ৰে)

মিচেচ ভাগৱতী : চাহ খাওকচোন আপোনালোকে। (প্ৰস্থান)

ভাগৱতী : আজি সাগৰত ধুমুহা বলিছে।

প্ৰফেচাৰ : বাতৰিত দিছে নেকি?

ভাগৱতী : নহয়হে মোৰ মন সাগৰত।

প্ৰফেচাৰ : অ' সেইটোহে নেকি? কিয় বা ইমান অশান্ত?

ভাগৱতী : ড° হাজৰিকাৰ গীতটোত যে আছে— মোৰ গভীৰ প্ৰশান্ত, সাগৰৰ বক্ষ, জোৱাৰৰ নাই আদি অন্ত...।

প্ৰফেচাৰ : বৰ ভাল কথা বুজিছে, আমাৰ নিচিনা মানুহবোৰে এনেদৰে চিন্তাৰ জগতত সোমাই থাকিব পাৰিলে ভাল, আৰু যদি পাৰে এৰি অহা দিনবোৰলৈকো ভুমুকি মাৰিব পাৰিলে আৰু ভাল, তেতিয়া এল্‌জাইমাৰ ৰোগৰ চিকাৰ হোৱাৰ পৰা হাতসাৰি থাকিব পাৰি।

হাজৰিকা : নহয়হে প্ৰফেচাৰ দাস। এই বয়সত কিছুমান বেদনা বুকুত বান্ধি জীয়াই থকাতকৈ এলজাইমাৰত ভোগাই ভাল। অন্ততঃ দুখৰ অনুভূতিৰ পৰা মুক্তহৈ থাকিব পৰা যাব।

ভাগৱতী : ঠিকেই কৈছে হাজৰিকাই।

প্ৰফেচাৰ : একো ঠিক কোৱা নাই। মানুহে সমস্যাৰ সৈতে যুঁজ দিবলৈ শিকিব লাগে। ড° হাজৰিকায়েইতো গাইছিল— সংগ্ৰামে আনে নতুন দিগন্ত.........। পলায়নবাদী মনোভাৱেৰে কোনো সমস্যা সমাধান কৰিব পৰা নাযায়।

হাজৰিকা : কিন্তু এন অনেক সমস্যা আছে যিবোৰৰ মুখা-মুখি হৈয়ো অতিক্ৰম কৰিব পৰা নাযায়।

প্ৰফেচাৰ : গ্ৰেট বৃটেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে কি কৈছিল জানে? তেওঁ কৈছিল— Success is walking

from failure to failure without losing your enthusiasm. এইগৰাকী ব্যক্তিয়ে সাহিত্যৰ নবেল বঁটাও লাভ কৰিছিল।

হাজৰিকা : সুন্দৰ কথা কৈছিল দেই। এইবিলাকেইতো মহান চিন্তাশীল ব্যক্তি, যিয়ে সমাজক গতি দিব পাৰে।

প্ৰফেচাৰ : এবাৰ বিফল হলেও মানুহ নিৰাশ হ'ব নালাগে। মেক্সিম গৰ্কীৰ কথা কোনে নাজানে। তেৰ বছৰ বয়সতে তেওঁ হতাশাত ভুগি আত্মহত্যাৰ চেষ্টা চলাইছিল। জীৱনত তেওঁ কোনোদিনে বিশ্ববিদ্যালয়ৰ মজিয়া গচকি নাপালে, কিন্তু তেৱেঁই লিখি উলিয়াইছিল বিখ্যাত গ্ৰন্থ My University। তেওঁৰ গ্ৰন্থৰাজিৰে তেওঁৰ নাম সমাজত ৰাখি থৈ গৈছে।

হাজৰিকা : সেইবুলি সকলোৱেতো মেক্সিম গৰ্কী হ'ব নোৱাৰে।

প্ৰফেচাৰ : চেষ্টা কৰিব লাগিব। তেওঁৰ আদৰ্শ কিয় আমি ল'ব নোৱাৰো?

ভাগৱতী : অসাধ্য সাধন কৰিবলৈ গ'লে জানো পৰা যাব। এনে কিছুমান সমস্যা আছে সেইবোৰ সমস্যাত মূৰ ঘমাই থাকিলেও হয়তো কামত নাহিব।

হাজৰিকা : কিছুমান ক্ষেত্ৰত, মই কবলৈ হ'লে ডাঙিব নোৱাৰা শিলত পৰি নমস্কাৰ কৰাই ভাল।

প্ৰফেচাৰ : সেইটো নহয় হাজৰিকা, সমস্যা থাকিলে সমাধানো আছে। চীনৰ আটাইতকৈ ধনী ব্যক্তিগৰাকী কোন জানেনে? তেওঁ হ'ল জ্যাক মা। তেওঁ হাভাৰ্ড বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ দহবাৰ আবেদন কৰিছিল আৰু দহোবাৰেই বিফল হৈছিল। কিন্তু তেওঁ আজি পৃথিৱীৰ অন্যতম বৃহৎ অনলাইন ভিত্তিক প্ৰতিষ্ঠান আলিবাবা ডট কম'ৰ প্ৰতিষ্ঠাপক আৰু চেয়াৰমেন। তেওঁৰ কাৰ্যই দেখোন আমাক শিকাই দিয়ে কোনো ক্ষেত্ৰত অসফল হ'লে ভাগি নপৰি দুগুণ উৎসাহেৰে আগুৱাব লাগে।

ভাগৱতী : বুজিছে প্ৰফেচাৰ দাস, আজি ৰাতিপুৱাৰে পৰা মোৰো মনটো কিবা বিদ্ৰোহী হৈ উঠিছে। মই যেন জ্বলি উঠিম এক জলন্ত পিণ্ড হৈ। মই যেন সৃষ্টি কৰিম এক তাণ্ডৱৰ।

প্ৰফেচাৰ : আপুনি নিশ্চয় কিবা অন্যায়ৰ মুখা-মুখি হৈছে যি অন্যায় আপুনি সহ্য কৰিব পৰা নাই আৰু সেয়েহে সেই অন্যায়ৰ বিৰুদ্ধে আপোনাৰ মনোজগতত এক আলোড়নৰ সৃষ্টি হৈছে। আমাৰ বিপ্লৱী কবি, অসম কেশৰীয়েও অন্যায় অবিচাৰ নাশ কৰাৰ বাবে এক বিপ্লৱ, এক তাণ্ডৱ সৃষ্টি কৰিব বিচাৰিছিল।

ভাগৱতী : আপুনি ঠিকেই ধৰিছে দাস। মোৰ মনৰ ভাবৰ আপুনি উমান পাইছে।

হাজৰিকা : কেলেই নাপাবহে, ইমান বছৰে বিশ্ববিদ্যালয়ত কিমান ছাত্ৰ-ছাত্ৰীক শিক্ষা দিলেনে।

ভাগৱতী : বাৰু দাস, শিক্ষা দীক্ষাই মানুহক জ্ঞানী নকৰেনে।

প্ৰফেচাৰ দাস : কেলেই নকৰিব? অৱশ্যে ব্যতিক্ৰম নথকা নহয়, সকলো শিক্ষিত মানুহেই জ্ঞানী নহ'বও পাৰে।

হাজৰিকা : উচিত কথা।

ভাগৱতী : শিক্ষা-দীক্ষা জ্ঞানৰ মাপকাঠি নহয় হাজৰিকা। প্ৰফেচাৰ দাসে ঠিকেই কৈছে।

হাজৰিকা : বাৰু, শিক্ষা-দীক্ষাই মানুহৰ মনৰ পৰিধি বহলাব পাৰেনে নোৱাৰে?

ভাগৱতী : পাৰে নিশ্চয়।

হাজৰিকা : শিক্ষাই মানুহৰ মনৰ পৰিধি বহলাব পাৰিব লাগে। কিন্তু পাৰে বুলি একে আষাৰে কৈ দি নোৱাৰি।

প্ৰফেচাৰ : সকলো শিক্ষিত মানুহৰেই মনবোৰ বহল বুলি একে আষাৰে কৈ দিব নোৱাৰি।

হাজৰিকা : এনে অনেক শিক্ষিত মানুহ আছে যি সকলৰ মনবোৰ একেবাৰে ঠেক। শিক্ষা-দীক্ষাইও তেওঁলোকৰ মনৰ অন্ধকাৰ আঁতৰ কৰিব নোৱাৰে।

প্ৰফেচাৰ : কিন্তু, উদাৰচৰিত নাম বসুধৈৱ কুটুম্বকম' বুলিও কথা এষাৰ আছে।

হাজৰিকা : (হুঁমুনিয়াই কাঢ়ি) কিন্তু উদাৰ চৰিত্ৰৰ কিমান জন আছে? মোৰ জীৱনতেইতো তাৰ প্ৰমাণ পালো। সন্তানক পঢ়ুৱালো, ডাঙৰ দীঘল কৰিলো, মানুহ কৰিলো। কিন্তু সন্তানে কিবা এটা ভুল কৰিলে বুলিয়েই সেই ভুলটোকেই মানুহে ধৰি থাকিব নে? একমাত্ৰ সন্তান আমাৰ। কিন্তু আজি বুকু সুদা আমাৰ। (কান্দে)

ভাগৱতী : নাকান্দিব হাজৰিকা, নাকান্দিব।

হাজৰিকা : নেকান্দি কেনেকৈ থাকো, কান্দো, কান্দি কান্দিয়েই বেদনাৰ বোজা আঁতৰাবলৈ চেষ্টা কৰো বুজিছে। ৰাতিপুৱাই এওঁ উচুপিবলৈ ধৰিছে, শান্ত কৰিব নোৱাৰা হলো, তথাপি অলপ বুজনি দি মোৰ মনটোকো অলপ শান্ত কৰিবলৈ আপোনালোকৰ ইয়ালৈ গুছি আহিলো।

প্ৰফেচাৰ : কিবা অসুখ নেকি

হাজৰিকা : অসুখেই দিয়ক, এই অসুখ কোনো দিনে হয়তো আৰোগ্য কৰিব পৰা নাযাব।

প্ৰফেচাৰ : প্ৰেচাৰ? ডাইবেটিচ? থাইৰয়ড?

হাজৰিকা : লাহে লাহে এই সকলোবোৰেই ধৰিব দিয়ক।

প্ৰফেচাৰ : কিন্তু Prevention is better than cure মনত ৰাখিব।

হাজৰিকা : প্ৰফেচাৰ দাস, আপুনি দেখোন জানেই আমাৰ কথা। আমাৰ ছোৱালীয়ে যিটো ভুল কৰিলে, সেই ভুলৰ প্ৰায়শ্চিও আজি আমি কৰি আছো। (হুঁমুনিয়াহ) সন্তান থাকিও আজি আমি নিঃসন্তান।

প্ৰফেচাৰ : মই বুজিব পৰা নাই হাজৰিকা। কিয় আপোনাৰ ছোৱালীৰ কিবা হৈছে নেকি?

হাজৰিকা : আপুনি হয়তো এতিয়াও গমেই পোৱা নাই, মোৰ ছোৱালী এতিয়া ঘৰত নাই।

প্ৰফেচাৰ : কিয়? কাৰোবালৈ পলাই গ'ল নেকি?

হাজৰিকা : সেই বুলিয়েই ধৰিব পাৰে।

প্ৰফেচাৰ : পলাই গ'লেও বৰ ডাঙৰ কথা হোৱা নাই নহয়, আদৰি লওক। ল'ৰা আপোনালোকৰ পচন্দৰ নহয় হবলা?

হাজৰিকা : চাওক প্ৰফেচাৰ দাস, ছোৱালীক উচ্চশিক্ষাৰে শিক্ষিত কৰি বিয়াৰ বাবেও যোগাযোগ কৰিলো কেবাবাৰো।



ভাল ভাল ল'ৰা আহিছিল বুজিছে, তাইৰ পছন্দই নহয়।

প্ৰফেচাৰ : তাইৰ ভাল লগা ল'ৰা আছে নিশ্চয়। তেওঁৰ পচন্দক অগ্ৰাধিকাৰ দিয়ক। ক্ষন্তেক আগতে আপুনিয়েইতো কলে শিক্ষা-দীক্ষাই মানুহৰ মনবোৰ প্ৰশস্ত কৰে।

হাজৰিকা : তাইৰ পচন্দক মই অগ্ৰাধিকাৰ দিছো।

প্ৰফেচাৰ : মাক বোধহয় একমত নহয়?

হাজৰিকা : মাকৰ মনটোহে মুকলি হোৱা নাই। তেওঁ দ্বিধাগ্ৰস্থ হৈ আছে।

ভাগৱতী : শিক্ষিত মানুহ হৈ দ্বিধাগ্ৰস্থ হৈ থাকিলে কেনেকৈ হ'ব।

প্ৰফেচাৰ : আপুনি ঠিকেই কৈছে ভাগৱতী। সকলো ক্ষেত্ৰতে মানুহ স্পষ্টবাদী হ'ব লাগিব।

ভাগৱতী : মইও পলমকৈ হলেও কথাটো উপলব্ধি কৰিছোঁ যে চিধাই কোনো ক্ষেত্ৰতে কোনো সিদ্ধান্ত দিব নোৱাৰে।

হাজৰিকা : এই দ্বিধাবোধৰ স্বীকাৰ হৈ মই আজি যন্ত্ৰণাত চট্‌ফটাই আছো প্ৰফেচাৰ দাস। আপুনি নাজানে, আজি আপোনাক ক'ব লাগিব কথাটো। কেৱল আপুনি বুলিয়েই নহয়, মোৰ চিনাকি অনেকেই হয়তো নাজানে। কেৱল মোৰ ওচৰ আৰু দূৰ সম্পৰ্কীয় প্ৰায়ভাগেই জানে।

প্ৰফেচাৰ : কওঁকচোন, ময়ো জানি লওঁ।

হাজৰিকা : সত্যটো আমি স্বীকাৰ কৰিবই লাগে নহয়নে?

প্ৰফেচাৰ : কেলেই নহ'ব?

হাজৰিকা : জুইক জানো আঁচলেৰে ঢাকি ৰাখিব পাৰি।

প্ৰফেচাৰ : আঙঠাক আঁচলেৰে ঢাকিলে আঁচল পুৰি প্ৰকাশ পাবই।

হাজৰিকা : আমাৰ একমাত্ৰ সন্তান ময়ূৰী। ইমান আতোল-তোলকৈ ডাঙৰ দীঘল কৰিলো, কিন্তু এতিয়া তাই আমাক এৰি বহু দূৰলৈ গুচি গৈছে দাস।

প্ৰফেচাৰ : দুখ নকৰিব হাজৰিকা, তাই য'তেই আছে তাতেই সুখেৰে থাকক। দুখ কৰি থাকিলে তাইৰ আত্মাই কষ্ট পাব নহয়।

হাজৰিকা : আপুনি ভবাটো নহয় দাস। তাই জীয়াই আছে। কিন্তু আমাৰ সৈতে নাই, নাথাকে, থাকিব নোৱাৰে।

প্ৰফেচাৰ : মানে মই বুজা নাই।

ভাগৱতী : খুলি নকয় কিয় হাজৰিকা।

হাজৰিকা : পঢ়া-শুনা শেষ কৰাৰ অন্তত বিয়াৰ কথা চিন্তা কৰি যোগাযোগ কৰাৰ পিচতো তাই মনোযোগ নিদিয়ে। বিয়াৰ কথা কৈ কৈ আমি ভাগৰি পৰিলো। তাই কয়, তোমালোকে মোক লৈ ইমান চিন্তা কৰিব নালাগে, মই নিজৰ ভাগ্য নিজে স্থিৰ কৰি ল'ম।

প্ৰফেচাৰ : পিছত?

হাজৰিকা : পিছত এদিন ওলাই পৰিল তাইৰ আচল স্বৰূপটো। চুপ্ৰিম ক'ৰ্টে যিদিনাখন ৰায় ঘোষণা কৰিলে যে সমকামিতা অপৰাধ নহয়, তাক বৈধ বুলি গণ্য কৰা হ'ব। তাৰ পিচদিনাই মহানগৰীৰ ৰাজপথত সমকামী সকলে সমদল উলিয়াই বেনাৰ-পোষ্টাৰ লৈ উলাহতে ৰাজপথেৰে ঘূৰি ফুৰিলে সেই দৃশ্য বিভিন্ন বৈদ্যুতিন মাধ্যমত প্ৰচাৰ হ'ল। তাৰ পিছৰপৰা আমালৈ অঙহী-বঙহীবোৰৰ ফোনকলৰ উপৰি ফোন কল।

প্ৰফেচাৰ : কি কাৰণে?

হাজৰিকা : সেই সমদলত আমাৰ ছোৱালী ময়ূৰীয়েও হাতত প্লেকাৰ্ড লৈ অংশগ্ৰহণ কৰিছে।

প্ৰপেচাৰ : ভাল কথা। ন্যায়ালয়ৰ ৰায়টোৰ প্ৰতি সজাগতা সৃষ্টিত তেৰোঁ অৰিহণা যোগাইছে।

হাজৰিকা : আপুনি যিমান সহজ কথা বুলি ভাবিছে সিমান সহজ হৈ নাথাকিল ঘটনাটো।



ভাগৱতী : খুলি নকয় কিয় কথাটো।

হাজৰিকা : আমাৰ ময়ূৰী সমকামী বুলি নিশ্চত হ'ল। তেতিয়াৰে পৰা আমাৰ ময়ূৰীৰ ওপৰত সমাজৰ ধাৰণা সলনি হৈ গ'ল। তেতিয়াৰে পৰা তাইক সকলোৱে অৱহেলাৰ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰিলে। আনকি আমাৰ বংশ পৰিয়ালৰ পৰাও বিৰূপ মন্তব্য আহিবলৈ ধৰিলে। ঘৰখনত এক অশান্তিৰ পৰিৱেশ গঢ় লৈ উঠিল। তাৰ পিচতে ছোৱালীজনী এদিন ঘৰৰ পৰা নিৰুদ্দেশ হ'ল। আজিলৈ কোনো খবৰ বাতৰিয়ে পোৱা নাই। আজি ছোৱালীজনীৰ জন্মদিন। সেয়েহে তাইলৈ মনত পেলাই মাকে চকুলো টুকিবলৈ আৰম্ভ কৰিছে, মোৰো বেয়া লাগিল, গুছি আহিলো ইয়ালৈ। (হুঁমুনিয়াই)

(মোবাইল কাণত লৈ কথা পাতি পাতি মিচেচ ভাগৱতী প্ৰৱেশ)

মিচেচ ভগৱতী : বেমাৰ বুলি শুনিলেই বৰ চিন্তা লাগে অ' মা। দেউতাৰ আছে ৰ, প্ৰফেচাৰ আংকল আৰু হাজৰিকা আংকল দুয়ো আছে। কথা পাতি আছে। চাৰপ্ৰাইজ? হাজৰিকা আংকল? দেউতাক দি আছো ৰ, হ লওক।

ভাগৱতী : ক মা, কি আহি পালিয়েই? লগত বহুকেইজন আহিছে? ভালেই হ'ব দে। আহ।

মিচেচ ভাগৱতী : আমাৰ একমাত্ৰ সন্তান কিৰণ। আমাৰ পৰা তাই আতঁৰি থাকে আমি নজনা, নিচিনা ঠাই এখনত।

প্ৰপেচাৰ : কিবা চাকৰি কৰি আছে?

মিচেচ ভাগৱতী : নহয় দিয়ক, আপুনি গম নাপায়। জনাই জানে।

প্ৰফেচাৰ : মইনো জানিম কেনেকৈ? আপোনালোকৰ ওচৰত মাটিদৰা লৈছিলো যদিও ঘৰ সাজিব পৰা নাছিলো। এতিয়া অৱসৰৰ পিচতহে ঘৰ সাজিলো, ঘৰ সোমালো। দুমাহেই হোৱা নাই। এতিয়া লাহে লাহে জানিম দিয়ক।

মিচেচ ভাগৱতী : এনেয়েও জানিলেহেঁতেন। কিন্তু আনৰ পৰা শুনিবলগীয়া নৌহওঁতেই ময়েই কওঁ— আমাৰ সন্তান কিৰণ। ওপজাৰ সময়ত সি ল'ৰা হৈয়েই উপজিছিল। কিন্তু তাৰ চাল-চলন আচাৰ-ব্যৱহাৰবোৰ ছোৱালীৰ দৰেই আছিল। ডাঙৰ-দীঘল হৈ আহিবলৈ ধৰাৰ লগে লগে সি ছোৱালীৰ দৰে আচৰণ কৰিবলৈ আৰম্ভ কৰিলে, এটা সময়ত দেখিবলৈ সম্পূৰ্ণ ছোৱালী যেনেই লগা হ'ল। আৰম্ভণিতে আমি তাক গালি গালাজ্য পাৰিবলৈ আৰম্ভ কৰিছিলো যদিও যৌৱনপ্ৰাপ্ত হৈ যেতিয়া ছোৱালীৰ শৰীৰৰ গৰাকী হ'ল আমাৰ মনত দুশ্চিন্তাই বাহ ললে। তাক লৈ আমাৰ সমস্যা হ'ল। আমি নিৰুপায় হ'লো। আমাৰ ঘৰত তাৰ মানে হিজিৰাৰ জন্ম? সমাজে

কি ক'ব? ল'ৰা হিচাপে নাম কিৰণ থৈছিলো যদিও শাৰীৰিক অৱয়ৱ স্বভাৱ-চৰিত্ৰ যিহেতু ছোৱালীৰ আমি ছোৱালী বুলিয়ে ভাবিবলৈ ললো। লাহে লাহে তাইৰ প্ৰতি আমাৰ ব্যৱহাৰ সলনি হৈ আহিবলৈ ধৰিলে। তাইক লৈ আমি সমস্যাত পৰিলো। সকলোৱে তাইক হিজিৰা বুলি কয়। অৱহেলাৰ দৃষ্টিৰে চায়, আমাৰ পৰাও তাই অৱহেলা পাবলৈ ধৰিলে। তাই আমাৰ অৱস্থা বুজিয়ে হয়তো আমাক নোকোৱাকৈয়ে এদিন ঘৰ এৰি গুছি গ'ল।

ভাগৱতী : বহুদিন যোগাযোগ নাছিল যদিও এদিন তাই ফোন কৰি আমাৰ কুশল-মংগল বাতৰি ললে আৰু তেতিয়াৰে পৰা তাইৰ সৈতে আমাৰ ফোনত যোগাযোগ হৈয়েই থাকে। সিদিনা গম পালো তাইৰ হেনো জ্বৰ। মাকৰ বৰ চিন্তা। উপাই নাপাই ভতিজা ল'ৰাটোকে পঠিয়াই দিলো খবৰ লবলৈ আৰু কৈ পঠিয়ালো তাইক ঘৰলৈ লৈ আহিবলৈ। (কলিংবেল বাজে। মিচেচ ভাগৱতী বাহিৰৰ ফালে যায় আৰু বাকীসকলৰ সৈতে সোমাই আহে কিৰণে দেউতাকৰ ভৰি চুই সেৱা জনাই তাৰ পিচতে হাজৰিকাৰ ভৰি চুই প্ৰণাম কৰে। প্ৰফেচাৰ দাসক নমস্কাৰ জনায়)

মিচেচ ভাগৱতী : (কিৰণক সাৱটি ধৰি চুমা খায়, চকুলো মচে)। হাও ময়ূৰীও দেখোন! (ময়ূৰীয়ে হাজৰিকা, ভাগৱতী, মিচেচ ভাগৱতী আৰু প্ৰফেচাৰ আটাইকে সেৱা যাছে। হাজৰিকাই ময়ূৰীক সাৱটি ধৰে)

কিৰণ : দেউতা, এয়া লণী শইকীয়া, ঘৰ যোৰহাটত। এয়া ৰাণু স্বৰ্গীয়াৰী, ঘৰ কোকৰাঝাৰত। এয়া ৰমিলা থাপা, ঘৰ তেজপুৰত। এয়া জাহানাৰা নেচা, ঘৰ গোৱালপাৰাত। (সকলোৱে নমস্কাৰ জনায়)

মিচেচ ভাগৱতী : এয়া কিৰণৰ দেউতাক, সেইজন ময়ূৰীৰ দেউতাক আৰু এয়া প্ৰফেচাৰ দাস। মা, কিৰণ, প্ৰফেচাৰ দাস ইয়ালৈ অহা এমাহ মানেই হ'ল।

ময়ূৰী : আমি যিহেতু আটাইকেইজনে অসমৰেই। অসমতেই কিবা এটা কৰাৰ সিদ্ধান্ত লৈ মুম্বাইৰ পৰা গুছি আহিলো। আমাৰ সকলোৰে ঘৰৰ পৰা আহ্বান জনাই আছে গুছি আহিব লাগে। আমিও চিন্তা কৰিলো, হয়তো, আমিনো কিয় ইয়াত থাকিব লাগে? আমিনো কিয় এখন বেলেগ সমাজ পাতিব লাগে? আনৰ ঘৃণা, অনাদাৰ অৱহেলাক আমি মমতালৈ ৰূপান্তৰ কৰিব নোৱাৰোনে? আমি কাৰো বোজা নোহোৱাকৈ একেখন সমাজৰেই অংগ হৈ থাকিব নোৱাৰোনে? আমি আমাৰ প্ৰতিভাৰেই জীয়াই থাকিম। আনৰ সহানুভূতি আমাক কিয় লাগে? আমি বিপ্লৱ কৰিম।

মিচেচ ভাগৱতী : মানুহে তোমালোকৰ বিপ্লৱক আদৰি ল'বনে?

জাহনাৰা, ৰানু, ৰমিলা : লব লাগিব। আমিওতো মানুহ।

কিৰণ : মানুহে আমাক অন্য গ্ৰহৰ প্ৰাণী বুলি ভাবে কিয়?

ভাগৱতী : সমাজে কি ভাবে বাদ দিয়া, ঘৰৰ মানুহ আহি ঘৰ পাইছা আমাৰ বাবে আৰু লাগিছে কি?

হাজৰিকা : মা, ময়ূৰী, মাৰাক ফোন কৰি খবৰটো দিও ৰ'বা।

ময়ূৰী : নালাগে ৰ'বা, মাক চাৰপ্ৰাইজ দিব লাগিব।

কিৰণ : হেৰি নহয় আংকেল, ময়ূৰীয়ে লনীৰ সৈতে বিয়া হ'ব। (হাজৰিকাৰ প্ৰশ্নবোধক চাৱনি)

প্ৰফেচাৰ : আচৰিত হ'ব লগীয়া একো নাই হাজৰিকা। প্ৰতিজন মানুহৰে ভিতৰত একোটা নিজস্ব সত্তা থাকে। সেই সত্তাক সমাজে সন্মান জনাব লাগে। Lesbian, Gay, Bisexual Transgender আদি ভগৱানৰেই সৃষ্টি, তাত জানো আমাৰ হাত আছে?

হাজৰিকা : নাই

প্ৰফেচাৰ : তেনেহলে ভগৱানৰ সৃষ্টিক আমি কিয় অৱহেলা কৰিব লাগে? ইমান দিনে সমাজে কেৱল পুৰুষ আৰু

স্ত্ৰী— এই দুটা লিংগৰ ধাৰণাহে লৈ আছিলি; যাৰবাবে আমি পুৰুষৰ ভিতৰতো ধৰিব নোৱাৰো অথবা স্ত্ৰীৰ ভিতৰতো ধৰিব নোৱাৰো সেইসকলক আমি কোনটো লিংগত অন্তভূক্ত কৰিম? তেওঁলোকোতো ভগৱানৰেই সৃষ্টি। মহামান্য উচ্চতম ন্যায়ালয়ে এই ক্ষেত্ৰত ৰায় দিছে— সেইসকলক তৃতীয় লিংগৰ অন্তৰ্ভূক্ত কৰিবলৈ আৰু এইটোও কৈছে— তেওঁলোকো মানুহ, সমাজত অন্য মানুহৰ দৰে সমঅধিকাৰেৰে জীয়াই থকাৰ অধিকাৰ তেওঁলোকৰো আছে। (কলিংবেল বাজে। তাৰ পিছতে হাজৰিকানীৰ প্ৰৱেশ)

হাজৰিকানী : দুৱাৰ খোলা থকা দেখি সোমায়েই আহিলো। (হঠাৎ থমকি) বহুত মানুহ দেখোন। মই আমাৰ মানুহজনকে বিচাৰি আহি এইখিনি পালো।

মিচেচ ভাগৱতী : আছে, আছে আপোনাৰ মানুহজন আছে। আৰু কোন আছে চাওঁকচোন। (ময়ূৰী লাহে লাহে মাকৰ ওচৰলৈ আগুৱাই আহিবলৈ ধৰে। হাজৰিকানীয়ে আচৰিত হৈ আগবাঢ়ি গৈ আকোঁৱালি লয়। দুয়ো আৱেগিক হৈ সাৰটা-সাৰটি কৰি থাকে)

হাজৰিকানী : ক'লৈ গৈছিলি তই। ইমান দিনে ক'ত আছিলি মা। তই অবিহনে আমাৰ হৃদয় উদং হৈ আছে অ' মা। তই আৰু আমাক এৰি ক'লৈকো যাব নোৱাৰা মাজনী।

ময়ূৰী : আৰু নাযাওঁ মা। তোমালোকক এৰি কেনেকৈ যে পাৰ কৰিছিলো দিনবোৰ!

মিচেচ ভাগৱতী : মাতৃয়েহে জানে, দহমান দহদিন গৰ্ভত ধাৰণ কৰি জন্ম দিয়া সন্তানৰ প্ৰতি কিমান মৰম, কিমান স্নেহ, কিমান আকৰ্ষণ, কিমান আৱেগ।

কিৰণ : আমি জানো মা, প্ৰতিটো মুহূৰ্ততে তোমালৈ মনত পৰে, দেউতাৰ মুখখন চকুৰ সমুখত ভাহি থাকে। কিন্তু কৰিম কি? সমাজেই আমাক আঁতৰাই পঠিয়াইছে।

মিচেচ ভাগৱতী : শৰীৰৰ এটা অংগ যদি হানি হয়, তেনেহলে সমগ্ৰ শৰীৰটোৱেই পংগু হৈ পৰে। তেনেদৰে সমাজৰো একাংশ মানুহক যদি সমাজৰ পৰা আঁতৰাই ৰখা হয় তেনেহলে সেইখন সমাজো পংগু নহৈ সুস্থ হ'ব নে?

ভাগৱতী : কিন্তু ন্যায়ালয়ৰ ৰায়কো যে সমাজে সন্মান জনাবলৈ শিক্ষা নাই।

প্ৰফেচাৰ : সমাজনো কি? আপুনি, মই, আমি সকলো মিলিয়েইতো সমাজ। আমাৰ পৰাই আৰম্ভ হওঁকচোন পৰিবৰ্তন।

ভাগৱতী : ঠিকেই কৈছে, প্ৰফেচাৰ দাস। আজি ৰাতিপুৱা উঠাৰ পৰাই মোৰ মনত আন্দোলন এটিৰ কথাই আহি আছিল।

হাজৰিকা : হয়হে ভাগৱতী, আন্দোলন এটা ইয়াৰ পৰাই আৰম্ভ হওকচোন।

(কিৰণ, ময়ূৰী, ৰানু, ৰমিলা, জাহানাৰা আটাই কেইজন মঞ্চৰ সমুখলৈ আহি সমস্বৰে চিঞৰি চিঞৰি শ্লোগান দিব)



*মানুহ আমি*
*মানৱতাক*
*জনাওঁ আহা আদৰণি*
*নহওঁ আমি অস্পৃশ্য*
*সমাজৰেই অংগ আমি*
*লোৱা আমাকো*
*সকলোৰে আকোৱালি*
*তেতিয়াহে সমাজ হ'ব অগ্ৰগামী*
*(লাহে লাহে আঁৰ কাপোৰ নামি আহিব)*

**যৱনিকা**



# মহাবিদ্যালয়ৰ সকলোৰে মাজত পৰিচিত

# 'মিচাল ককা'



কণ্টকময় পংকিল পথেৰে ভৰা এটি জীৱন। জীৱনৰ আন্ধাৰবোৰ হেলাৰঙে অতিক্ৰম কৰি আমাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাৰ্থীৰ মাজত পূৰ্ণিমাৰ জোন যেন হৈ জিলিকি থকা, আমাৰ সকলোৰে মাজত পৰিচিত এটি নাম হ'ল—'মিচাল ককা'। ছয়গাঁৱৰ বৰপীঠত বাস কৰা এই মিচাল ককাৰ প্ৰকৃত নাম বনমালী।

নিষ্ঠুৰ সময়ে দি যোৱা নানান বাস্তৱ অভিজ্ঞতা আৰু আৰ্থিক দীনতাকো নেওঁচি সদায়ে আমাৰ সন্মুখত হাঁহি-স্ফূৰ্তি কৰি থকা ককাৰ যি মিচাল সেয়া সকলোৰে মাজত জনপ্ৰিয়। ঘৰৰ আৰ্থিক দুৰৱস্থাৰ বাবে তেখেতে প্ৰথমতে ১৯৯৬ চনৰ ৬ জুন তাৰিখৰ পৰা ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ সন্মুখত মিচালৰ দোকান দিয়ে। ইয়াৰ পিছত আমৰাংগা, বৰিহাট, মনিয়েৰী তিনিআলী হৈ ২০১২ চনৰ আগষ্ট মাহৰ শেষৰ ফালে কোনো এটা দিনত ছয়গাঁও মহাবিদ্যালয়ৰ গেটৰ সন্মুখত মিচালৰ দোকান আৰম্ভ কৰে। তাৰ পিছদিনা তেখেতে মহাবিদ্যালয়ৰ অধ্যক্ষদেৱক সাক্ষাৎ কৰে আৰু অধ্যক্ষদেৱে যেতিয়ালৈ মহাবিদ্যালয়ত কৰ্মৰত হৈ থাকে তেতিয়ালৈ মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত তেখেতক দোকান দিবলৈ অনুমতি প্ৰদান কৰে। এইজনা সদা হাস্যময় মিচাল ককাৰ পৰা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে তেতিয়াৰ পৰা আজিলৈ মিচালৰ জুতি লৈ আহিছে। কঠোৰ পৰিশ্ৰমী তথা হাঁহিমুখীয়া মিচাল ককাৰ জীৱন যেন দীৰ্ঘজীৱি হয় আৰু ভৱিষ্যতেও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক এনেদৰে মিচালৰ জুতি দিয়ে তাৰেই কামনা কৰিলোঁ।

# কাৰ্টুন.....







GEN
ST/SC
Rupam
EDU


$O_2$
$H_2O$
Rupam/19

আমাৰ প্ৰাণৰ
হিয়াৰ আমঠু
ছয়গাঁও মহাবিদ্যালয়
তুমি হৈ থকা চিৰ জ্যোতিষ্মান .....

# মহাবিদ্যালয়ৰ ভিতৰচ'ৰা





# সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু কষ্টৰ বলত ছয়গাঁও মহাবিদ্যালয় গঢ়ি উঠিছিল আৰু মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে আজিও অহৰহ প্ৰচেষ্টা চলাই আহিছে সেই সকল মহান ব্যক্তিক মই মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিনিধি হিচাপে থাকি মহাবিদ্যালয়খনৰ হকে কিছু সেৰা আগবঢ়োৱাৰ যি সপোন আছিল সেয়া বাস্তৱত পৰিণত হয়। ২০১৭ চনৰ ছয়গাঁও মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সভাপতি হিচাপে নিৰ্বাচিত হৈ মই নিজকে সৌভাগ্যৱান মানিছো আৰু ইয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভাৰ এগৰাকী শীৰ্ষ প্ৰতিনিধি হিচাপে মোৰ যি দায়িত্ব আৰু কৰ্তব্য সেয়া নিস্বাৰ্থভাৱে আৰু বিনাদ্বিধাই পালন কৰিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ সমস্যা, খোৱাপানীৰ সমস্যা, শৈক্ষিক দিশৰ সমস্যা তথা ছাত্ৰ-ছাত্ৰীসকলৰ আন আন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত যৎপৰোনাস্তি চেষ্টা কৰিছিলো।

ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি হিচাপে পোন প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি খোৱাপানীৰ সু-ব্যৱস্থা কৰি দিয়া হয়। পৰৱতী সময়ছোৱাত ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ লগতে সৰস্বতী পূজাখনি নিয়াৰিকৈ চলাই নিয়া হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ সহযোগত ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজিত বিশাল সাংস্কৃতিক শোভাযাত্ৰাই ছয়গাঁওবাসী ৰাইজক মোহিত কৰিবলৈ সক্ষম হৈছিল।

কাৰ্যকালৰ শেষৰ পিনে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা শিক্ষক দিৱসৰ লগত সংগতি ৰাখি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। শিক্ষক দিৱস উপলক্ষে উক্তদিনা ছাৰ-বাইদেউ সকলক সম্বৰ্দ্ধনা জনোৱাৰ লগতে এক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছিল। পৰৱৰ্তী সময়ত ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ শিক্ষাগুৰু সহিতে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত আয়োজিত নৱাগত আদৰণি সভাখনো সুকলমে চলাই নিয়া হৈছিল।

ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে কৰ্মৰত কালছোৱাত ছাত্ৰ একতা সভাই লোৱা আন এক গুৰুত্বপূৰ্ণ দিশ আছিল মহাবিদ্যালয়ৰ আইন-কানুন, শৃংখলাবদ্ধতা তথা পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা। ইয়াৰ উপৰিও শিক্ষাৰ সুস্থ বাতাবৰণ গঢ়ি তোলাৰ বাবে সাহিত্য, কলা-কৃষ্টি, খেলা-ধূলা ইত্যাদি সকলো দিশতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ বাবে ছাত্ৰ একতা সভাৰ দ্বাৰা সময়ে সময়ে বিভিন্ন প্ৰকাৰৰ তৰ্ক, কুইজ, আলোচনা চক্ৰ তথা আন আন খেল-ধেমালী প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

কৰ্মৰত কালছোৱাত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে বিভিন্ন প্ৰকাৰৰ দিহা-পৰামৰ্শ আগবঢ়োৱা বাবে ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মোৰ পৰম শ্ৰদ্ধাৰ মাননীয় ড° ৰাজু বৰদলৈ ছাৰ, পৰম শ্ৰদ্ধাৰ উপাধ্যক্ষা ড° দিপালী দত্ত বাইদেউৰ লগতে ছাত্ৰ একতা সভাৰ আন সদস্যবোৰৰ ওচৰত মই চিৰকৃতজ্ঞ। তদুপৰি মোৰ এই কাৰ্যকালত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ বিভাগীয় তত্বাৱধায়ক ছাৰ-বাইদেউসকলৰ লগতে শ্ৰদ্ধাৰ আন আন শিক্ষাগুৰু সকল, মহাবিদ্যালয় কৰ্তৃপক্ষ তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসহিতে পৰিয়ালবৰ্গক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ এই চমু কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি অনাগত সময়ত ছয়গাঁও মহাদ্যিালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ভাৰত

জয়তু অসম

জয়তু ছয়গাঁও মহাবিদ্যালয়

**মৃদুল কলিতা**
সভাপতি
ছাত্ৰ একতা সভা
**ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও**





# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আদিতে নিঃস্বাৰ্থভাৱে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাত আমাৰ পবিত্ৰ ছয়গাঁও মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল সেই মহান ব্যক্তিসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ৰাজু বৰদলৈ দেৱ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু বন্ধু-বান্ধৱীসকলক।

২০১৭-১৮ বৰ্ষত মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি পদত জয়ী হওঁ। এই ছেগতে মোক সহায় কৰা প্ৰতিজন বন্ধু-বান্ধৱী, ভাইটি-ভন্টিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াত প্ৰতিজনৰে নাম লোৱাটো সম্ভৱপৰ নহয়, তথাপিও সেই কেইজনমানৰ নাম নোলোৱাকৈ থাকিব নোৱাৰো, যাৰ জৰিয়তে মই ইমানখিনি পাবলৈ সক্ষম হৈছো। সেইকেইজন হ'ল— ৰাখী, খৰছাদ, মিণ্টু, নিতুল, ছাহজাহান, চিৰাজুল, চুনু, ৰফিক, আচমা, জেহেৰুল, মফিদা আৰু বহুতো। লগতে মই কেইজনমান দাদা-বন্ধুৰ নাম ল'বই লাগিব, সেইসকল হ'ল- জাহাংগীৰ, জিন্না, মণ্টু, জিয়াউৰ লগেত সাহস আৰু অনুপ্ৰেৰণা যোগোৱা এজন বিশেষ ব্যক্তি ৪৯ নং ছয়গাঁও বিধানসভা সমষ্টিৰ বৰ্তমানৰ বিধায়ক মাননীয় ৰেকিবুদ্দিন আহমেদ ছাৰক বিশেষ ধন্যবাদ জনালোঁ।

মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত প্ৰধান তিনিটা কাৰ্যসূচী আছিল সৰস্বতী পূজা, মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভা। য'ত ছাত্ৰ-ছাত্ৰীসকলে আমাক বিশেষভাৱে সহায় কৰিছিল। আমাৰ কাৰ্যপন্থা আৰু চিন্তা-চেতনা যে মহাবিদ্যালয়ৰ মাজতে সীমাৱদ্ধ আছিল সেয়া নহয়, মহাবিদ্যালয়ৰ বাহিৰতো আমাৰ প্ৰতিভাসমূহক এক নতুন মঞ্চ দিয়াৰ মানসেৰে আমি কাম কৰিছিলোঁ। আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ বাবে সোণাপুৰ কলেজত গীত-নৃত্যৰ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল আৰু আব্দুল কৰিমে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিছিল। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ অধীনত হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় কাবাদী প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে চেম্পিয়নৰ মুকুট আজুৰি আনিবলৈ সক্ষম হৈছিল। যাৰবাবে মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে খেল

বিভাগৰ তত্বাৱধায়ক বিপিন পাঠক ছাৰক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰোপৰি আন দুজন প্ৰাক্তন ছাত্ৰ মিৰ্জান আৰু নিউটনকো এই ছেগতে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ। বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয় আৰু মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল। এই প্ৰতিযোগিতাবোৰৰ লগত জড়িত হোৱাৰ সুযোগ এটা পাই নিজকে ধন্য মানিছো।

সদৌ শেষত ২০১৭-১৮ বৰ্ষত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিভিন্ন ক্ষেত্ৰত মোক দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী আটাইকে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয়তু ভাৰত

জয়তু অসম

জয়তু ছয়গাঁও মহাবিদ্যালয়

**ছফিকুল ৰহমান**
উপ সভাপতি
ছাত্ৰ একতা সভা
**ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও**



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

*মোৰ মেজৰ ওপৰত এখন ছবি আছে*
*নিক'লাচ ৰ'ৰিকৰ - নাম তাৰ?*
*তাৰ নাম - "আমি দুৱাৰ মুকলি কৰোঁ।"*
*('আমি দুৱাৰ মুকলি কৰোঁ' — দেৱকান্ত বৰুৱা)*

প্ৰতিবেদনৰ বাটচ'ৰাতে সেইসকল মহান মণিষীলৈ শ্ৰদ্ধা নিবেদিছো। যিসকলৰ অক্লান্ত পৰিশ্ৰম আৰু আশাশুধীয়া প্ৰচেষ্টাৰ ফলত ছয়গাঁও মহাবিদ্যালয়ে জন্মলাভ কৰিছিল। হয়তো সেইসকল মহান ত্যাগবীৰৰ ত্যাগ আৰু পৰিশ্ৰম অবিহনে ছয়গাঁও মহাবিদ্যালয়ে আজিৰ অৱস্থা নাপালেহেঁতেন, সেয়ে তেখেতসকললৈ জনাইছো পুনৰবাৰ শত সহস্ৰ প্ৰণাম। ২০১৭ চনৰ ২৫ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত জয়ী হৈ মহাবিদ্যালয়ত এবছৰৰ বাবে সেৱা কৰাৰ সুযোগকণ লাভ কৰোঁ। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ত আমাৰ প্ৰথমটো কাৰ্যসূচী আছিল 'মহাবিদ্যালয় সপ্তাহ'। ইং ২০১৮ বৰ্ষৰ ২৫ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ সপ্তাহযোৰা কাৰ্যসূচীৰে চলা মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্যসূচীসমূহৰ ভিতৰৰ কেইটামান উল্লেখযোগ্য কাৰ্যসূচী হ'ল- মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন, য'ত পতাকা উত্তোলক হিচাপে উপস্থিত আছিল মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত মহেশ কলিতা দেৱ। ইয়াৰ লগতে ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ সভাপতি মৃদুল কলিতাই। বীৰ শ্বহীদৰ ত্যাগ আৰু আত্মবলিদানৰ সন্মানাৰ্থে লোৱা পদক্ষেপ শ্বহীদ তৰ্পণ অনুষ্ঠানত তৰ্পকৰূপে উপস্থিত আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ দেৱ। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচীসমূহ বিভিন্ন বিভাগৰ সম্পাদকসমূহে সূচাৰুৰূপে চলাই নিয়াৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইয়াৰ পিছত আমাৰ দ্বিতীয় কাৰ্যসূচী আছিল 'সৰস্বতী পূজা'। সৰস্বতী পূজাখনো সুকলমে চলাই

নিয়াৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদক আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ পৰিশ্ৰমক শলাগ লৈছো। সৰস্বতী পূজাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ যি উলহ-মালহ সেয়া সঁচাকৈয়ে চকুত লগা।

ইয়াৰোপৰি বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত সংগীত প্ৰতিযোগিতা আৰু তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে সফলতা বুটলিবলৈ সক্ষম হৈছিল। ধন্যবাদ জনাইছো সেইসকল প্ৰতিভাধৰ শিক্ষাৰ্থীক। তদুপৰি ধন্যবাদ জ্ঞাপন কৰিছো গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্ৰহণকাৰী আৰু সফলতা অৰ্জনকাৰী দলৰ প্ৰতিজন সদস্যক।

*জুনুক কৰি বাজিল জুনুকা*
*'চেনীমৰা বাগিছাৰ চিঠি' লৈ*
*কোবাল খোজেৰে গুচি গ'ল ডাকোৱাল*
*গছে গছে হেঁপাহৰ ৰঙীন ৰুমাল।*
— হীৰুদা

মহাবিদ্যালয়ৰ অন্য এক আড়ম্বৰপূৰ্ণ অনুষ্ঠান হ'ল নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ৬ ছেপ্টেম্বৰ, ২০১৮ ই তাৰিখে মহাবিদ্যালয়ৰ ন-শিক্ষাৰ্থীক আনুষ্ঠানিকভাবে স্বাগতম্ জনোৱাৰ নিমিত্তে আয়োজন কৰা হয় উক্ত নৱাগত আদৰণি সভাখন। য'ত ন-শিক্ষাৰ্থীসকলক আদৰণি জনোৱাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষক-কৰ্মচাৰী তথা আমন্ত্ৰিত শিল্পীৰ অনুষ্ঠান পৰিৱেশন কৰা হয়। এইবাৰৰ এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত আছিল প্ৰাগ নিউজৰ সাংবাদিক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মাননীয় দীপক শৰ্মাদেৱ। ইয়াৰোপৰি জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ সংগীতানুষ্ঠান আৰু চুপতি গোষ্ঠীৰ হাস্যমধুৰ অনুষ্ঠানেও উপস্থিত শ্ৰোতা দৰ্শকৰ অন্তৰ জয় কৰিছিল।

সোণালী জয়ন্তী গৰকাৰ পথত বৃহত্তৰ ছয়গাঁও অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ছয়গাঁও মহাবিদ্যালয়। সোণালী জয়ন্তী গৰকাৰ পথৰ এই মহাবিদ্যালয়খনে কালক্ৰমত বিভিন্ন ঘাট-প্ৰতিঘাত নেওঁচি আজিৰ অৱস্থা পাইছেহি। বিভিন্ন সমস্যাৰে জৰ্জৰিত হ'লেও মহাবিদ্যালয়ৰ অধ্যক্ষৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি যি দায়বদ্ধতা সেয়া শলাগ লৈছো। বৰ্তমান মহাবিদ্যালয়খন যি অৱস্থা তাৰবাবে মহাবিদ্যালয় পৰিয়ালৰ ত্যাগ আৰু কষ্টৰ লগতে আমাৰ শিক্ষাৰ্থীৰ যি দায়বদ্ধতা তাৰ শলাগ লৈছো।

মোৰ কাৰ্যকালত বিভিন্ন দিশৰপৰা সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক শ্ৰীযুত পৰেশ অধিকাৰীদেৱৰ লগতে শিক্ষাগুৰুবৃন্দ আৰু অনা-শিক্ষক কৰ্মচাৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰোপৰি সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা বন্ধু জীতেন দাস, নয়নজ্যোতি শৰ্মা, নিশা কলিতা, মিনাক্ষী কলিতা, গায়ত্ৰী দাস, মৃদুল কলিতা, চফিকুল ৰহমান প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা ভাইটি বনজিৎ কলিতা, বনজিৎ কলিতা, প্ৰাণজিৎ কলিতা প্ৰমুখ্যে সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত অনাগত ভৱিষ্যতে যাতে আমাৰ মহাবিদ্যালয়ে অসমৰ মানসপটত ভোটা তৰা হৈ জিলিকি থাকিব পাৰে, তাৰেই আশাৰে প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

জয়তু ছয়গাঁও মহাবিদ্যালয়

**অৰূপ ঠাকুৰীয়া**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
**ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও**



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদন আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ অশেষ শ্ৰম আৰু কষ্টৰ বলত ১৯৭৪ চনত ছয়গাঁওৰ ইতিহাসত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ছয়গাঁও মহাবিদ্যালয় স্থাপন কৰিছিল সেইসকল মহান ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা যাচিলোঁ।

ছয়গাঁও মহাবিদ্যালয়ৰ ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ হকে কাম কৰি যোৱাৰ বাবে সুযোগকণ পাই মই নিজকে সৌভাগ্যশালী অনুভৱ কৰিছো। ছয়গাঁও মহাবিদ্যালয়ত প্ৰতি বছৰে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। কিন্তু এইবাৰৰ নিৰ্বাচন মোৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰম। কিয়নো ছয়গাঁও মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ছোৱালী এজনী হৈ সহঃ সাধাৰণ সম্পাদক পদত নিৰ্বাচন খেলিছিলো। উক্ত নিৰ্বাচনত মই সহঃ সাধাৰণ সম্পাদিকা পদত বিপুল ভোটৰ ব্যৱধানত জয়ী হওঁ। এই ছেগতে মোক সহায় কৰা দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টি সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ শপতগ্ৰহণ অনুষ্ঠানৰ পিছতে আমাৰ প্ৰথমটো কাৰ্যসূচী আছিল 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি 'মহাবিদ্যালয় সপ্তাহ' সাফল্যমণ্ডিত কৰি তুলিছিল। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰাই সমগ্ৰ ছয়গাঁওবাসীকে আপ্লুত কৰিছিল। উক্ত অনুষ্ঠানত আমি 'মিচ্ ছয়গাঁও'ৰ লগতে আৰু কেইখনমান আকৰ্ষণীয় প্ৰতিযোগিতা সংযোগ কৰিছিলো। 'মহাবিদ্যালয় সপ্তাহৰ' সামৰণি পৰাৰ কিছুদিন পিছতেই সৰস্বতী পূজাখনি ছাত্ৰ-ছাত্ৰী, ছাৰ-বাইদেউ, অনা-শিক্ষক কৰ্মচাৰীৰ সহযোগত সুন্দৰ ভাৱে চলি গৈছিল। মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে

অন্যতম বাৰ্ষিক অনুষ্ঠান 'নৱাগত আদৰণি সভা'খন অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নৱাগত আদৰণি সভাখন একে দিনতে অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠানৰ বিশেষ আকৰ্ষণ হিচাপে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীক আমন্ত্ৰণ কৰা হৈছিল। তেখেতৰ গীতত মহাবিদ্যালয়ৰ চৌপাশ আনন্দৰে ভৰি পৰিছিল। ইয়াৰ উপৰিও 'চুপতি Unlimited'ৰ সদস্যই তেওঁলোকৰ হাস্য-ব্যংগ অনুষ্ঠানেৰে নৱাগত আদৰণি সভাখন অধিক আকৰ্ষণীয় কৰি তুলিছিল। এই নৱাগত আদৰণি সভাত পতাকা উত্তোলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত মহেশ কলিতা দেৱে। শ্বহীদ তৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ দেৱে। বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° অনুপমা ডেকা বাইদেৱে। মঞ্চ উদ্বোধন কৰিছিল মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° ইচমাতুন নেছা বাইদেৱে। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী ডাঃ কমলা কান্ত কলিতা দেৱ, মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা দেৱ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ছয়গাঁও বিধানসভাৰ সমষ্টিৰ বিধায়ক মঃ ৰেকিবুদ্দিন আহমেদ দেৱ। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা লগতে 'প্ৰাগ নিউজ'ৰ জ্যেষ্ঠ সাংবাদিক শ্ৰীযুত দীপক শৰ্মা দেৱ। এনেদৰে বিভিন্ন কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখন চলাই নিয়া হয়। নৱাগত আদৰণি সভাৰ অনুষ্ঠানবোৰৰ সামৰণিৰ পিছতেই সন্ধিয়াৰ সময়ত বন্তি প্ৰজ্বলনেৰে মহাবিদ্যালয়ৰ চৌহদ প্ৰজ্বলিত কৰি তোলা হয়।

প্ৰতিবছৰৰ দৰে এইবছৰো শিক্ষাগুৰুসকলক সন্মান জনোৱাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্কটো একক আৰু অনন্য কৰি ৰাখিবলৈ ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ সহযোগত ৫ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত 'শিক্ষক দিৱস' বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠানেৰে শিক্ষক দিৱসৰ কাৰ্যসূচী সু-মধুৰ কৰি তোলাৰ লগতে শিক্ষাগুৰুসকলে আমাৰ উজ্জ্বল ভবিষ্যত কামনা কৰে। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু আছুগোটৰ উদ্যোগত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী অভিনীত মহাবিদ্যালয়ৰে ছাত্ৰ তপন ঠাকুৰীয়াৰ ৰচিত আৰু পৰিচালিত 'জাতিস্মৰ' নাটখনি প্ৰদৰ্শিত কৰা হয়।

মোৰ এই প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে অনুৰোধ জনাওঁ যেন কোনেও মহাবিদ্যালয়ৰ সন্মানত আঘাত হনা কাম নকৰে। মহাবিদ্যালয়খনক যাতে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বাবে বিশেষ অনুৰোধ জনালোঁ। মই মোৰ কাৰ্যকালৰ প্ৰতিটো কাৰ্যতে বিশেষভাৱে পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধাৰ ড° দীপালি দত্ত বাইদেউ, ড° অনুপমা ডেকা বাইদেউ, উপেন ডেকা ছাৰ, পৰেশ অধিকাৰী ছাৰ, লক্ষ্য শৰ্মা ছাৰলৈ বিশেষ কৃতজ্ঞতা জনালোঁ। ইয়াৰ লগতে কাম-কাজসমূহ চলাই নিয়াত সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে দীপাংকৰ, উদিপ্ত, মেহেদি, বনজিৎ[১], বনজিৎ[২], বাসু দা, দ্বীপ দা, নিতুল দা, ইমৰাণ দা, গায়ত্ৰী, অনুস্মিতা আৰু মামণিৰ ওচৰত চিৰকৃতজ্ঞ।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি, মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

বিনম্ৰতাৰে

**গায়ত্ৰী দাস**
সহঃ সাধাৰণ সম্পাদিকা
ছাত্ৰ একতা সভা
**ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও**



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

*"ওপজা গাঁৱৰ পৰা*
*নিজৰাৰ পাৰেদি*
*জান-জুৰি-নৈয়েদি*
*লুইতৰ ৰূপালী বালিৰে মই*
*জোনাকত বালিভাত খাই*
*সোৱণশিৰীয়া সোণ নিতৌ কমাওঁ।*
*মাৰ যোৱা বেলিটিৰ জিলিকনি লেখি মই*
*নতুন পুৱাৰ ছবি চাওঁ*
*মহাভাৰতৰ বাটে*
*পৃথিৱীৰ সবাহলে' যাওঁ।*

(ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা)

প্ৰতিবেদনৰ পাতনিতে সেইসকলক শ্ৰদ্ধা নিবেদিছোঁ। যি সকল মহান মণিষীৰ একাণপটীয়া প্ৰচেষ্টাত আজিৰ পৰা ৪৫ টা বসন্ত পূৰ্বে ছয়গাঁৱৰ মাজমজিয়াত স্থাপন কৰা হৈছিল 'ছয়গাঁও মহাবিদ্যালয়' নামৰ উচ্চশিক্ষাৰ একমাত্ৰ প্ৰাণকেন্দ্ৰটো। সোণালী জয়ন্তী গৰকাৰ পথত এনে এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদ অলংকৃত কৰিবলৈ পোৱাটো মোৰ বাবে সৌভাগ্য। জ্ঞান আৰু বুদ্ধিৰে কিমানখিনি দক্ষ আৰু যোগ্য সেয়া মোৰ বাবে মূল্যাংকন কৰাটো কঠিন। তথাপিও নিজৰ এটা আশা আৰু সপোনক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে কৰা সমৰ্থনক কৃতজ্ঞতা জনাইছোঁ।

মোৰ সম্পাদকীয় কাৰ্যকালৰ প্ৰথমটো অনুষ্ঠান আছিল ৪ নৱেম্বৰ, ২০১৭ তাৰিখে অবিভক্ত কামৰূপ জিলা ভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰদৰ্শন আছিল চকুতলগা। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ। ২০১৮ চনৰ ২৫ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ সপ্তাহযোৰা কাৰ্যসূচীৰে উদ্‌যাপিত মহাবিদ্যালয় সপ্তাহৰ সবাতোকৈ চৰ্চিত আৰু আকৰ্ষণীয় অনুষ্ঠান আছিল সাংস্কৃতিক শোভাযাত্ৰা। সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ দ্বাৰা প্ৰদৰ্শিত বিভিন্ন বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানে বৃহত্তৰ ছয়গাঁওবাসীৰ মৰম-চেনেহ আদায় কৰিবলৈ সক্ষম হৈছিল। তদুপৰি বিভিন্ন ধৰণৰ সংগীত প্ৰতিযোগিতা আৰু নৃত্যানুষ্ঠানো আছিল অন্যতম আকৰ্ষণৰ কেন্দ্ৰ।

১০ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখে পঞ্চম বাৰ্ষিক ছয়গঞা লোক উৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা এখনি

প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। যাৰবাবে শিক্ষক সমাজ, লোক উৎসৱ সমিতি আৰু শিক্ষাৰ্থীসকলক ধন্যবাদ জনাইছোঁ।

বিপ্লৱী সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যুতিথিৰ লগত সংগতি ৰাখি ২০১৮ চনৰ ২০ জুনত বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত আয়োজিত ৰাভা সংগীত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ছয়ানিকা কলিতাই দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। এই ছেগতে ছয়ানিকা কলিতা সমন্বিতে আন প্ৰতিযোগীসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২৮ জুন, ২০১৮ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটী মহানগৰীৰ পূৰদিশে পাহাৰীয় মনোমোহা প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত সোণাপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় মধ্য মাণ্ডলিক যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ দলটোৰ প্ৰতিনিধি তথা মহাবিদ্যালয় সপ্তাহৰ তিনিবাৰৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী আব্দুল কৰিমে 'ভাৰতীয় শাস্ত্ৰীয় সংগীত' আৰু 'বৰগীত' প্ৰতিযোগিতাত দ্বিতীয় স্থান অধিকাৰ কৰি যুৱ মহোৎসৱৰ কেন্দ্ৰীয় প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছিল আৰু আগষ্ট মাহত অনুষ্ঠিত মূল প্ৰতিযোগিতাৰ 'ভাৰতীয় শাস্ত্ৰীয় সংগীত'ৰ শাখাত তৃতীয় স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। তদুপৰি যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দলটিৰ 'অসমীয়া লোক সংস্কৃতিলৈ ছয়গাঁৱৰ অৱদান' উক্ত বিষয়ৰ যি সাংস্কৃতিক শোভাযাত্ৰা প্ৰদৰ্শন চকুত লগা আছিল। য'ত নাওঁখেলৰ গীত, বহুৰঙী নৃত্য, ঢুলীয়া কৃষ্টি আদি প্ৰদৰ্শন কৰা হৈছিল। এইক্ষেত্ৰত আমাক বিশেষ ভাৱে সহায় কৰা বিশিষ্ট লোকশিল্পী সুকুমাৰ মেধী ডাঙৰীয়াক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

৫ ছেপ্টেম্বৰ, ২০১৮ তাৰিখে 'শিক্ষক দিৱস'ৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত শিক্ষাগুৰুসকলক সমূহীয়াভাৱে সম্বৰ্দ্ধনা জনোৱাৰ উপৰিও মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

৬ ছেপ্টেম্বৰ, ২০১৮ তাৰিখে মহাবিদ্যালয়ৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় 'নৱাগত আদৰণি সভা'। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা প্ৰাগ নিউজৰ সাংবাদিক মাননীয় দীপক কুমাৰ শৰ্মাই। তেখেতে উদ্‌গনিমূলক ভাষণেৰে শিক্ষাৰ্থী, অভিভাৱক তথা অনুষ্ঠানত উপস্থিত ব্যক্তিসকলক আপ্লুত কৰিছিল। তদুপৰি উক্ত সভাতে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ সংগীতানুষ্ঠান আৰু হাস্য-মধুৰ 'চুপতি গোষ্ঠী' (নিৰুপম কোঁচ আৰু অঞ্জন চৌধুৰী)ৰ হাস্য-মধুৰ অনুষ্ঠানে হাঁহিৰ খোৰাক যোগাইছিল।

এবছৰীয়া কাৰ্যকালত আশা-সপোন আৰু ইচ্ছা বহুখিনি থাকিলেও বিভিন্ন কাৰণত বাস্তৱায়িত কৰাটো সম্ভৱপৰ নহয়। তথাপিও বিভিন্ন বাধা নেওঁচি সামৰ্থ অনুসাৰে নিজৰ শ্ৰেষ্ঠত্বখিনি উজাৰি দিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু দুখলগা বিষয় এয়ে যে বৰ্তমান সময়ত দিনক দিনে এনেকুৱা ধৰণৰ প্ৰতিযোগিতাৰ প্ৰতি শিক্ষাৰ্থীসকলৰ যি অনিহাৰ মনোভাৱ সেয়া বাৰুকৈয়ে দুখলগা। আশাকৰো অনাগত দিনত তেওঁলোকে এইক্ষেত্ৰত সচেতন হোৱাৰ উপৰিও নতুন দিশেৰে ধাৱমান হ'ব। যিটো হ'বলৈ অভিভাৱক, শিক্ষাৰ্থী, শিক্ষাগুৰু আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰো কিছু দায়িত্ব আৰু কৰ্তব্য আছে।

সদৌ শেষত মোৰ কাৰ্যকালত মোক বিশেষভাৱে সহায় কৰা ব্যক্তিসকল যেনে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ ছাৰ, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক ড° নৱ কুমাৰ কলিতা ছাৰ, অধ্যাপক শ্ৰীযুত লক্ষ্য শৰ্মা, শ্ৰীযুত ব্ৰজেন বৰ্মন, শ্ৰীযুত দিলীপ গোস্বামী ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ কৰ্মচাৰী শ্ৰীযুত প্ৰতাপ বড়ো দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া প্ৰমুখ্যে মোক বিভিন্ন ফালৰ পৰা সহায় কৰা জ্যেষ্ঠ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টি সকল ক্ৰমে তপন, প্ৰাণজিৎ, বাসুদেৱ, বনজিৎ (১), বনজিৎ (২), দ্বীপজ্যোতি (ডি.কে.), তাপস, দ্বীপজ্যোতি, অনুপম, আব্দুল, কৰিশ্মা, নয়ন, মৃণাল আদিলৈ মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জনালোঁ।

শেষত মহাবিদ্যালয়ৰ সমূহ পৰিয়ালে একতাৰ দোলেৰে বান্ধ খাই মহাবিদ্যালয়খনক বিভিন্ন দিশত আগুৱাই নিয়াত সহায়-সহযোগিতা আগবঢ়াব বুলি আশা ৰাখি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

**নয়নজ্যোতি শৰ্মা**
সম্পাদক, সাংস্কৃতিক বিভাগ
ছাত্ৰ একতা সভা
**ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও**

# ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

শ্ৰেষ্ঠ কণ্ঠশিল্পী ঃ
আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক)

**মুকাভিনয় ঃ**

প্ৰথম ঃ ৰাজেন দাস (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ কংকনা সাউদ (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ গৌতম সূত্ৰধৰ (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**একক অভিনয় ঃ**

প্ৰথম ঃ ভাস্কৰজ্যোতি কলিতা (স্নাতক ষষ্ঠষাণ্মাসিক)
দ্বিতীয় ঃ ভাস্কৰ ঠাকুৰীয়া (উঃমাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ ডিম্পী গোস্বামী (স্নাতক চতুৰ্থ ষাণ্মাসিক)

**আধুনিক গীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ কৰিশ্মা ৰাভা (স্নাতক চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ বৰষা কলিতা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ প্ৰণতি দাস (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**লোকগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক )
দ্বিতীয় ঃ বৰষা কলিতা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ অঞ্জুৱাৰা বেগম (উঃমাঃ দ্বিতীয় বৰ্ষ)

**বৰগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জিমণি নাথ (স্নাতক চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ বৰষা কলিতা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক)

**শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ বৰষা কলিতা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ চয়নিকা কলিতা (উঃমাঃ প্ৰথম বৰ্ষ)

**লঘু শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বৰষা কলিতা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ প্ৰণতি দাস (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**জ্যোতি সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ধাত্ৰী দাস (উঃমাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ জিমণি নাথ (স্নাতক চতুৰ্থ ষাণ্মাসিক)

**ৰাভা সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ ধাত্ৰী দাস (উঃমাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ বৰষা কলিতা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**ভূপেন্দ্ৰ সংগীত ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ ধাত্ৰী দাস (উঃমাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ জিমণি নাথ (স্নাতক চতুৰ্থ ষাণ্মাসিক)

